# সূত্ৰধাৰ

১-১৫ আগষ্ট, ১৯৯১ ☐ ছয় টকা




অসমৰ ৰাজনীতিত তথাকথিত 'অৰাজনৈতিক' ছাত্ৰ সংগঠন

## আছুৰ ভূমিকা




তিলোত্তমা মিশ্ৰৰ 'স্বৰ্ণলতা'

---

কিশোৰ কুমাৰ কলিতা.

# সূত্ৰধাৰ

বিষয়-সূচী

তৃতীয় বছৰ, চতুৰ্দশ সংখ্যা,
১-১৫ আগষ্ট, ১৯৯১
Vol. III, No. 14
1-15 August, 1991

প্ৰচ্ছদ নিবন্ধ

## 'আছু'ৰ শৌৰ্য আৰু সীমাবদ্ধতা

অসমত 'আছু'ৰ অভিভাৱকত্বসুলভ কথা-বতৰা, দম্ভ আদিৰ গুৰিতেই আছে এচাম বুদ্ধিজীৱীৰ তোষামোদ আৰু 'আছু'ৰ ঐতিহাসিক ভূমিকাৰ অতিৰঞ্জন। তোষামোদকাৰীৰ খোলোচাটোৰ পৰা ওলাই আহিব নোৱৰা বাবেই কিদৰে 'আছু'ৰ আন্দোলন সমূহৰ ফলাফলৰ সোৱাদ অসমবাসীয়ে পোৱা নাই, তাৰেই বিশ্লেষণ আগবঢ়াইছে দুলাল বৰাই। ৬

## সদৌ অসম ছাত্ৰ সংস্থাঃ একবিংশ শতিকাত সোমাবলৈ কিমান সাজু?

বিগত নিৰ্বাচনত 'আছু'ৰ ভূমিকাই অসমৰ সকলো স্তৰৰ মানুহৰ লগতে ছাত্ৰ সমাজকো স্তম্ভিত কৰিলে। নিৰ্বাচনত নিৰ্লিপ্ত হৈ থকাৰ প্ৰতিশ্ৰুতি ভংগ কৰাৰ প্ৰতিক্ৰিয়া আৰু তাৰ সম্ভাব্য পৰিণতি সম্পৰ্কে বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ সাক্ষাৎকাৰ মাধ্যমত এটি বিশ্লেষণ আগবঢ়াইছে ভাস্কৰজ্যোতি বৰা আৰু পাৰ্থপ্ৰতিম দাসে। লগতে আছে সদৌ অসম ছাত্ৰ সংস্থাৰ সভাপতি অতুল বৰাৰ সৈতে বুবুল কুমাৰ গগৈৰ এক সাক্ষাৎকাৰ। ১৬

**ৰাজনীতি**
চৰকাৰখনক লৈ বিৰোধী পক্ষৰ মাজতহে যুদ্ধ ☐ হিতেন মহন্ত ৮

**নক'লে নহয়**
যদি আছুক নালাগে, তেন্তে কাক লাগে? কিছু চিন্তা- সৰৱে আৰু একেলগে ☐ অ. বৰুৱা ১০

**ৰাজনীতি**
আছুৱে নতুন ভূমিকা লব পাৰিবনে? ☐ গিৰীশ চন্দ্ৰ শৰ্মা ১৩

**দৃষ্টিকোণ**
'মাজ মূৰত নাই চুলি পৈয়েকে মাতে ৰূপহী বুলি' ☐ সাবিত্ৰী মহন্ত ২৩

**ৰাজনীতি**
সংকীৰ্ণ জাতি বিদ্বেষৰ দাম্ভিক আস্ফালনে যি অশুভ সংকেত বহণ কৰিছে ☐ সুৰেন ভট্ট ২৬

**চুই যাওঁ**
উল্‌ফা অপৰাধী নেকি– নহ'লে, ক্ষমাদান কিয়? ☐ অনিল বৰুৱা ২৯

**সাময়িক প্ৰসংগ**
বানপানী সমস্যাঃ বাধা আৰু সমাধান ☐ নৰেন বৰা ৩১

**সাময়িক প্ৰসংগ**
ভণ্ড নেতা আৰু সুপ্ত ছাত্ৰ সমাজ ☐ ত্ৰিনয়ন ৩৩

**সাহিত্য**
স্বৰ্ণলতাঃ অসম্পূৰ্ণ অন্বীক্ষা ☐ ৰাজেন শইকীয়া ৩৫
স্বৰ্ণলতাঃ এখন ভিন্নসুৰী উপন্যাস ☐ কমলা বৰগোহাঁই ৩৭
'স্বৰ্ণলতা' সম্পৰ্কে দু-আষাৰ ☐ তিলোত্তমা মিশ্ৰ ৩৮

**বিশেষ নিবন্ধ**
জনগোষ্ঠী আন্দোলন প্ৰসংগ ☐ প্ৰসেনজিৎ চৌধুৰী ৪০

**শিক্ষা**
কলেজৰ অধ্যক্ষঃ এতিয়া আৰু তেতিয়া ☐ সচ্চিদানন্দ ভৰালী ৪৩

**বিচাৰৰ বাবে**
শিক্ষকসকলক শিক্ষিত কৰিবনে? ☐ প্ৰহ্লাদ বৰুৱা ৪৬

**ধাৰাবাহিক স্মৃতিকথা**
অতীত ঐকতান বিষাদ ☐ মুশ্ৰী শোভা ব্ৰহ্ম ৪৭

**দৃষ্টিকোণ**
বৰাক উপত্যকাত ভাৰতীয় জনতা পাৰ্টিৰ অভ্যুত্থানৰ ৰাজনৈতিক পটভূমি ☐ তৈমুৰ ৰাজা চৌধুৰী ৫১

**সাক্ষাৎকাৰ**
মুক্তিযোদ্ধা উমা ৰাজকোঁৱৰ ☐ তুলতুল বৰুৱা ৬০

**বিতৰ্ক**
'আবুৰ': অন্যমত ☐ তোষপ্ৰভা কলিতা

**সম্পাদকীয় ৫**
**কবিতা ৩৪**
**সম্পাদকৰ টোকাবহী ৪৫**
**উপন্যাস ৫৩**
**ঘৰ জেউতি ৫৭**
**প্ৰাত্যহিক ৫৯**
**বিচিত্ৰা ৫৮**

বেটুপাতঃ চম্পক বৰবৰা
বেটুপাতৰ ফটোঃ পদ্ম পাটৰ

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি

সম্পাদনা সহকাৰী
মালবিকা পাঠক

মুখ্য প্ৰতিবেদক
হৰেন বুঢ়াগোহাঞি


কলা নিৰ্দেশক
চম্পক বৰবৰা

কাৰ্যধ্যক্ষ
অনিল কুমাৰ গগৈ

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী- ১-ৰ পৰা প্ৰকাশিত। ☐ ফোন ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

Business Manager (New Delhi) **P.K. Narain**/121 Ashok Vihar, New Delhi-110052. Ph. 7231350(R) ☐

OKDISCD




সম্পাদকীয়

# শিক্ষানুষ্ঠান, ছাত্ৰাবাস আৰু পুলিচ

শিক্ষানুষ্ঠান আৰু ছাত্ৰাবাসত পুলিচৰ প্ৰবেশ অবাঞ্ছনীয় বুলি ভবা হয়। যি যুগত বা যি সময়ত এনে ধাৰণাৰ সৃষ্টি হৈছিল সেই সময়ত শিক্ষানুষ্ঠানত পুলিচৰ প্ৰবেশ হয়তো সঁচাকৈয়ে অবাঞ্ছনীয় আছিল। পুলিচৰ প্ৰধান কাম অপৰাধ দমন। আনহাতে শিক্ষানুষ্ঠানত চলে কেৱল বিদ্যাৰ সাধনা – যাৰ লগত অপৰাধৰ কোনো সম্পৰ্ক নাই। এনে অৱস্থাত শিক্ষানুষ্ঠানত পুলিচক প্ৰবেশ কৰিবলৈ অনুমতি দিয়া মানেই ধৰি লোৱা হ'ল যে শিক্ষানুষ্ঠানত জ্ঞানৰ সাধনাৰ লগত সমান্তৰাল ভাবে অপৰাধৰো অনুশীলন চলে। কোনো প্ৰকৃত শিক্ষক বা শিক্ষাৰ্থীয়ে এনে এটা কথা মানি লব নোৱাৰে, কাৰণ তেওঁলোকে অন্তৰৰ পৰা বিশ্বাস কৰে যে তেওঁলোক শিক্ষানুষ্ঠানলৈ আহিছে জ্ঞানৰ সাধনা কৰিবৰ কাৰণেহে; শিক্ষানুষ্ঠানৰ নিৰাপদ পৰিবেশৰ সুযোগ লৈ কোনো অপৰাধ-মূলক কাম-কাজত লিপ্ত হবৰ কাৰণে নহয়। সেই কাৰণে শিক্ষানুষ্ঠানত পুলিচৰ প্ৰবেশক তেওঁলোকে এক ধৰণৰ অপমান বুলি বিবেচনা কৰে।

কিন্তু যি যুগত শিক্ষানুষ্ঠান আৰু ছাত্ৰাবাসক পবিত্ৰ তথা পুলিচৰ কাৰণে অগম্য বুলি বিবেচনা কৰা হৈছিল সেই যুগত ছাত্ৰাবাসবোৰ ছাত্ৰনামধাৰী 'মাস্তানে' বছৰৰ পিছত বছৰ ধৰি বলপূৰ্বক বেদখল কৰি থকা নাছিল; ৰেগিঙৰ নামত নিৰীহ ছাত্ৰৰ ওপৰত অমানুষিক অত্যাচাৰ চলা নাছিল; মদাহীৰ উৎপাতত ৰাতিৰ আন্ধাৰ নামি অহাৰ লগে লগে ছাত্ৰাবাসবোৰে বীভৎস নাৰকীয় ৰূপ লোৱা নাছিল; ছাত্ৰাবাসত ব্লু-ফিল্ম চাই নৰক গুলজাৰ কৰাৰ কথা কোনেও কল্পনা কৰিব পৰা নাছিল; অপহৃত ব্যক্তিক লুকুৱাই থবৰ কাৰণে কোনেও ছাত্ৰাবাস ব্যৱহাৰ কৰা নাছিল; শিক্ষানুষ্ঠানত পুলিচ সোমাব নোৱৰাৰ সুযোগ লৈ সকলো ৰকমৰ অপৰাধ-মূলক কাৰ্যকলাপ তাত সংঘটিত হোৱা নাছিল।

যুগৰ সলনি হৈছে। তাৰ লগত সংগতি ৰাখি কিছুমান ধাৰণা নতুনকৈ পৰীক্ষা কৰি চোৱা উচিত। সেইবোৰক সলনি কৰা উচিত। শিক্ষানুষ্ঠানক পবিত্ৰ বুলি ভবা আৰু তাত পুলিচ সোমালেই সেইবোৰ অপবিত্ৰ হৈ পৰিব বুলি ভবাটোও তেনে এটা মামৰে-খোৱা ভুল ধাৰণা। আজিৰ ছাত্ৰই সমাজৰ পৰা বহু দূৰত তপোবনত জ্ঞানৰ সাধনা নকৰে। তেওঁ এই বুলিও বিশ্বাস নকৰে যে অধ্যয়নৰ বাহিৰে ছাত্ৰৰ আন কোনো কৰ্তব্য নাই। আজিৰ ছাত্ৰই অধ্যয়ন যিমান কৰে তাতকৈ হাজাৰ গুণে বেছি কৰে ৰাজনীতি। তদুপৰি সমাজৰ প্ৰতিটো কথাতে তেওঁ মাত মাতে, নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে, যিবোৰ কথা তেওঁলোকে অন্যায় বুলি বিবেচনা কৰে তাৰ বিৰুদ্ধে প্ৰবল প্ৰতিবাদ কৰে। অৰ্থাৎ ছাত্ৰ হৈয়ো তেওঁলোকে সমাজৰ পৰা বিচ্ছিন্ন হৈ এটা নিঃসংগ দ্বীপৰ দৰে জীৱন যাপন নকৰে বা অধ্যয়নেই ছাত্ৰৰ একমাত্ৰ তপস্যা বুলিও বিশ্বাস নকৰে। বৰং ছাত্ৰ সকলেই আজি সমাজৰ প্ৰধান মুখপাত্ৰ; সেই ভূমিকা তেওঁলোকে জোৰকৈ দখল কৰিছে। এনে অৱস্থাত তেওঁলোকে সমাজৰ ঊৰ্ধ্বত বা বাহিৰত এটা বিশেষ সুবিধা ভোগী অৱস্থান কেতিয়াও দাবী কৰিব নোৱাৰে। যিহেতু তেওঁলোক সমাজৰ ভাল-বেয়া প্ৰতিটো কামৰ লগত ওত-প্ৰোতভাবে জড়িত, গতিকে তেওঁলোকে সমাজৰ ভাল-বেয়া প্ৰতিটো নিয়ম মানি চলিবই লাগিব। তেওঁলোক এটা বিশেষ সুবিধা ভোগী শ্ৰেণী নহয় বা হব নোৱাৰে।

ভাৰতৰ সকলো ৰাজ্যৰ দৰেই হৰিয়ানাতো নিৰ্বাচনৰ সময়ত নানা হিংসাত্মক ঘটনা ঘটে। বৰং অন্যান্য ৰাজ্যতকৈ হৰিয়ানাত এনেবোৰ ঘটনা বেছিকৈহে ঘটে। নিৰ্বাচনৰ ফলাফল নিৰ্ণয় কৰাত তাত বেলটতকৈ বুলেটে বেছি গুৰুত্বপূৰ্ণ ভূমিকা লয়। কিন্তু অতি আচৰিত কথা যে এইবাৰ হৰিয়ানাত নিৰ্বাচন প্ৰায় শান্তিপূৰ্ণ ভাবেই সম্পন্ন হৈ গ'ল। এনে অবিশ্বাস্য অসম্ভৱ ঘটনা কেনেকৈ সম্ভৱ হ'ল? সম্ভৱ হ'ল এই কাৰণেই যে হৰিয়ানাৰ ৰাজ্যপাল ধনিকলাল মণ্ডলে ভোটৰ দিনা শেহনিশা চাৰি বজাতে কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয় আৰু হিছাৰ কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসবোৰত খানা-তালাচি চলাবলৈ পুলিচক নিৰ্দেশ দিলে। পুলিচে ছাত্ৰাবাসবোৰৰ পৰা শ শ বন্দুক আৰু পিস্তল উদ্ধাৰ কৰিলে। কোৱা বাহুল্য মাথোন যে এনে কৰাৰ ফলতহে হৰিয়ানাত নিৰ্বাচন শান্তিপূৰ্ণভাবে সম্পন্ন হোৱাটো সম্ভৱ হ'ল। কিন্তু যদি শিক্ষানুষ্ঠানৰ তথাকথিত পবিত্ৰতাৰ নামত বিশ্ববিদ্যালয় দুখনৰ ছাত্ৰাবাসবোৰত পুলিচক সোমাবলৈ দিয়া নহ'লহেঁতেন, তেতিয়াহলে কি হ'লহেঁতেন?

যি সময়ত গোটেই সমাজখনেই পাপ আৰু হিংসাৰে কলুষিত হৈ পৰিছে সেই সময়ত সমাজৰ অবিচ্ছেদ্য অংগ শিক্ষানুষ্ঠান পবিত্ৰ হৈ থাকিব নোৱাৰে। দৰকাৰ হলেই শিক্ষানুষ্ঠানত পুলিচক প্ৰবেশ কৰিবলৈ দিবই লাগিব।

ইতিহাসৰ পৰা আমি এই শিক্ষা পাওঁ যে সমাজৰ যিবোৰ মানুহে নিজে অনুশাসন মানি নচলে তেওঁলোকৰ ওপৰত জোৰকৈ অনুশাসন জাপি দিব লগা হয়।

এলিষ্টেয়াৰ কু



OKDISCS

# "আছু"ৰ শৌৰ্য আৰু সীমাবদ্ধতা

দুলাল বৰা

অসমৰ মাটিত বৰ বেয়াকৈ এইবাৰ পৰাস্ত হৈ গ'ল সদৌ অসম ছাত্ৰ সংস্থা। সংক্ষেপে "আছু" বুলি পৰিচিত এই বৃহৎ ছাত্ৰ সংগঠনটোৰ অভ্যুদয় হৈছিল দলীয় ৰাজনীতিৰ পৰা অসমৰ ছাত্ৰ সমাজক বিৰত ৰখাৰ উদ্দেশ্যে। কিন্তু যোৱা কেইটামান বছৰত সংঘটিত হোৱা সংগঠনটোৰ কৰ্মকান্ড আৰু বিশেষকৈ বিগত নিৰ্বাচনৰ সময়ত লোৱা ভূমিকা দেখদেখকৈয়ে আছিল ছদ্মবেশত কৰা পৰিপূৰ্ণ দলীয় ৰাজনীতি। অভিভাৱকৰ সুৰেৰে সংগঠনটোৱে অসমৰ ৰাইজৰ প্ৰতি যি আহ্বান নিৰ্বাচনৰ সময়ত দিছিল, ৰাইজে ছদ্মবেশী স্বৰূপটো ধৰিব পাৰিলে বাবেই তাক পোনপটীয়াকৈ প্ৰত্যাখ্যান কৰা দেখা গ'ল। ইয়াৰ পিছত অত্যন্ত স্বাভাৱিক ভাবে বিভিন্ন মহলত প্ৰশ্ন উঠিছে– অসমৰ সামাজিক-ৰাজনৈতিক জীৱনত আছুৱে ইমানদিনে অভিভাৱকৰ দৰে যি দপদপনি চলাই আছিল, সেই অধিকাৰ এতিয়া থাকি গ'লনে? 'আছু'ৰ মতামতেই অসমৰ মতামত বুলি চলাই থকাৰ এক্তিয়াৰ আছেনে?

সঁচা কথা ক'বলৈ গ'লে, "সদৌ অসমৰ" ছাত্ৰ সমাজক প্ৰতিনিধিত্ব কৰা সংগঠন বুলিয়েই 'আছু'ৱে সম্প্ৰতি দাবী কৰাৰ অধিকাৰ হেৰুৱাইছে। জন্মলগ্নত বা আশীৰ দশকটোত অসমৰ বৰাক উপত্যকা বাদে বাকী সমগ্ৰ অঞ্চলৰ সকলো ধৰ্ম, বৰ্ণ, ভাষিক গোষ্ঠীৰ ছাত্ৰৰ সমাবেশ ছাত্ৰ সংস্থাত যিদৰে ঘটিছিল, এতিয়া সেই অৱস্থা নাই। বড়ো, কাৰ্বি, মিছিং, মটক, সোণোৱাল, কছাৰী, চাহ-মজদুৰ, সংখ্যালঘু অনুসূচীত আদি প্ৰায় আটাইবোৰ জনগোষ্ঠীৰ ছাত্ৰসকলে সম্প্ৰতি নিজা নিজা ববীয়াকৈ সুকীয়া সুকীয়া ছাত্ৰ সংস্থা গঠন কৰিছে আৰু সিবিলাকৰ যোগেদি নিজৰ নিজৰ দাবীসমূহ উত্থাপন কৰিছে। সিবিলাকৰ ভৰসা আছু বা সদৌ অসম ছাত্ৰ সংস্থাৰ ওপৰত নোহোৱাৰ কথাকেই ই প্ৰমাণ কৰে। তদুপৰি ভালেকেইটা তেনে সংগঠনক 'আছু'ৰ প্ৰতি তীব্ৰ সমালোচকৰ ৰূপতো দেখা যায়। এনেস্থলত প্ৰশ্ন স্বাভাৱিকতেই উঠে– অসমৰ প্ৰায়বোৰ খিলঞ্জীয়া গোষ্ঠীৰ ছাত্ৰ যদি 'আছু'ক আপোন বুলি ভাবিব পৰা নাই তেনেহ'লে আছুনো কাৰ আপোন? কাকনো ই প্ৰতিনিধিত্ব কৰিছে? কেনেকৈনো ই "সদৌ অসম"ৰ ছাত্ৰ সংস্থা?

সাংগঠনিক ভাবে অন্তৰ্হিত এনে ভয়ংকৰ সীমাবদ্ধতা আৰু দুৰ্বলতা সত্বেও কিন্তু দেখা যায় যে অসমৰ সামাজিক ৰাজনৈতিক জীৱনত 'আছু'ৰ অভিভাৱকত্বসূচক দম্ভ চলিয়েই আছে। কিন্তু তাৰ বাবে 'আছু'ৰ নেতাসকল জগৰীয়া নহয়। জগৰীয়া হৈছে অসমৰে একাংশ বুদ্ধিজীৱী, প্ৰচাৰ মাধ্যম আৰু সমালোচক যিসকলে নিৰৱচ্ছিন্নভাৱে যোৱা প্ৰায় কুৰিটা বছৰে 'আছু'ৰ ঐতিহাসিক ভূমিকাক অতিৰঞ্জিত কৰি আছে। এনে অতিৰঞ্জনেই দৰাচলতে অসমৰ যৌৱন শক্তিটোক দাম্ভিক কৰি তুলিছে।

আছু আৰু আছু-ৰ অন্ধ সমৰ্থক শিবিৰটোৱে প্ৰায়ে প্ৰচাৰ কৰা দেখা যায় যে অসমৰ হকৰ বাবে স্বাধীনতাৰ পিছৰ পৰা একমাত্ৰ 'আছু'ৱেহে মাত মাতি আহিছে আন ৰাজনৈতিক শক্তি বা গোষ্ঠীৰ একো ভূমিকাই এই ক্ষেত্ৰত নাই। এনেকুৱা প্ৰচাৰৰ ভেটিত থিয় হৈয়েই সেয়ে সময়ে সময়ে 'আছু'ৰ নেতাসকলেও ডাংকোপ মাৰে যে অসমত সৰ্বভাৰতীয় দলবোৰ অপ্ৰাসংগিক আৰু অসমৰ উন্নতিৰ প্ৰতি নিস্পৃহ। কিন্তু 'আছু'ৰ নিজস্ব ইতিহাসতেই এই কথা ধৰা পৰে যে সংগঠনটো ১৯৭১ চনৰ পৰাহে এতিয়ালৈকে অসমত একেৰাহে বৰ্তি আছে। অৰ্থাৎ তাৰ আগৰ কালছোৱাত 'ছাত্ৰ সংস্থা'ৰ বিশেষ একো ভূমিকা নাছিল। অথচ সেই কালছোৱাতো অসমৰ বুকুত ভালেকেইটা আন্দোলন হৈছিল। আনকি ১৯৭০ চনৰ ২য় তেল শোধনাগাৰ আন্দোলনতো অসমৰ ব্যাপক ছাত্ৰ সমাজে অংশ গ্ৰহণ কৰিছিল সঁচা কিন্তু তাৰ নেতৃত্ব কৰাৰ কথা বাদেই, আনকি সাধাৰণ অস্তিত্বকণো 'আছু'ৰ নাছিল। অসম ছাত্ৰ সন্মিলন, ছাত্ৰ পৰিষদ আদি সংগঠনহে সেই সময়ত ৰাজ্যজুৰি আছিল। অসমত পোনপ্ৰথম সদৌ অসম ছাত্ৰ সংস্থা গঠিত হৈছিল ১৯৫৯ চনত। কিন্তু দুবছৰমানৰ পিছতে সি মৰহি নাইকিয়া হয়। ১৯৬৫ চনত যোৰহাটত হোৱা এখন অভিবৰ্তনত সংগঠনটোৰ পুনৰ জন্ম হয়। কিন্তু তাৰো ঠিক দুবছৰৰ পিছতে, অৰ্থাৎ ১৯৬৭ চনত তেজপুৰ চহৰত অধিবেশন এখন পতাৰ পিছতে পুনৰ সংগঠনটোৰ নাম -গোন্ধ নোহোৱা হয়। তাৰ পিছত ১৯৭১ চনৰ ফেব্ৰুৱাৰী মাহত পুনৰ যোৰহাটত এক অভিবৰ্তন হয় আৰু তাতেই আজিৰ "আছু"ৰ জন্ম হয় আৰু তেতিয়াৰ পৰাহে সংগঠনটো একেৰাহে অসমৰ মাটিত জীৱিত হৈ আছে। অৰ্থাৎ ১৯৭১ চনৰ পৰাহে অসমৰ সামাজিক-ৰাজনৈতিক জীৱনত আছুৰ ভূমিকা ৰাইজে প্ৰত্যক্ষ কৰিছে। তাৰ আগৰ ঘটনাৱলীৰ বাবে আছুৰ দায়-দোষো নাই, কৃতিত্বও নাই। মনত ৰখা ভাল যে ২য় তেল শোধনাগাৰ আন্দোলন অসমত পৰিচালিত হৈছিল এক সংগ্ৰাম পৰিষদৰ দ্বাৰা, যিখনৰ আহ্বায়ক সৰ্বভাৰতীয় ৰাজনৈতিক দলৰহে নেতা আছিল। কটন কলেজ ছাত্ৰ ইউনিয়নখনৰ পৰা সাধাৰণ সম্পাদকজনহে (বৰ্তমান গণ পৰিষদৰ সাধাৰণ সম্পাদক অতুল বৰা) উক্ত পৰিষদৰ সাধাৰণ সদস্য হৈছিল। গতিকে ১৯৭১ চনৰ আগত অসমৰ ছাত্ৰ সমাজে লোৱা ভূমিকাক "ছাত্ৰ সংস্থা" বা 'আছু"ৰেই ভূমিকা বুলি যিসকলে গাই-বাই থাকে, তেখেতসকল দৰাচলতে ইতিহাস বিকৃত কৰাৰ অপৰাধত অপৰাধী।

অৱশ্যে ১৯৭১ চনৰ পিছৰ কালছোৱাত হোৱা অসমৰ প্ৰায় আটাইবোৰ আন্দোলনতে "আছু"ৰ নেতৃত্ব স্বীকাৰ্য। সেই আটাইবোৰৰে ফলাফলৰ দাপোণত 'আছু'ৰ ভূমিকা কিন্তু গৌৰৱোজ্জ্বল নহয় আৰু সেই সত্যটোকেই স্বাৰ্থজড়িত মহলবোৰে কৌশলেৰে আবৃৰত ৰখা দেখা যায়। ১৯৭২ চনত আছুৱে নেতৃত্ব দিয়া বিশ্ববিদ্যালয় শিক্ষাৰ মাধ্যম আন্দোলনৰ সমাপ্তিত সিদ্ধান্ত হৈছিল যে এটা নিৰ্দিষ্ট সময়লৈকে অসমীয়াৰ লগতে চলাই ৰখা ইংৰাজী মাধ্যমটো তুলি দিব পৰাকৈ প্ৰয়োজনীয় পৰিবেশ গঢ়ি তোলা হ'ব। কিন্তু অসমত সেই পৰিবেশ জানো আজিও সৃষ্টি হ'ল? চৰকাৰ বা আছু– কোনোবাই জানো এবাৰ এষাৰ মাত যোৱা ১০ বছৰে তুলিলে? ১৯৭১ চনৰ ৩ মে' তাৰিখেই দেখোন সদৌ গুৱাহাটী ছাত্ৰ সংস্থাই অসমত "বিদেশী ভাষাৰ মাধ্যমেৰে কোনো প্ৰকাৰৰ শিক্ষা অনুষ্ঠান বা অন্যান্য অনুষ্ঠান পাতিবলৈ দিব নেলাগে" বুলি দাবী তুলিছিল। কিন্তু অসমত • মাধ্যম আন্দোলনৰ পিছতেই দেখোন আৰু বিশেষকৈ প্ৰাক্তন আছু নেতাসকলে নেতৃত্ব দিয়া গণ পৰিষদ চৰকাৰৰ দিনতেই "বিদেশী ভাষা"ৰ মাধ্যমৰ স্কুল অসমৰ চুকে-কোণে কাঠফুলা গজাদি গজিল আৰু তাৰো পৃষ্ঠপোষকতা কৰিলে মাধ্যম আন্দোলনৰ মধ্যমণি সকলেই। এই ক্ষেত্ৰত 'আছু'ৰ ভূমিকা আৰু দাবী শুদ্ধ নে অশুদ্ধ আছিল সেইটো পিছৰ কথা। কিন্তু আছুৰ নেতৃত্বত যিখিনি হ'ল সেইখিনিকেই বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত 'আছু'ৰ স্পষ্ট অনীহাহে আশ্চৰ্যজনক আৰু অক্ষমনীয়। মনত ৰখা ভাল যে ৰাজ্যভাষা অসমীয়া কৰাৰ দাবীতো ১৯৬০ চনত আন্দোলন হৈছিল আৰু সেই মতে চৰকাৰী পৰ্যায়ত সিদ্ধান্তও হৈছিল। কিন্তু ৰাজ্যভাষাৰ প্ৰয়োগ আৰু ব্যৱহাৰ কৰিবৰ বাবে ব্ৰহ্মপুত্ৰ উপত্যকাত 'আছু'ৰ নেতৃত্বই যোৱা দেৰকুৰি বছৰে কিবা কৰিব পাৰিলেনে? আনৰ কথা বাদেই গণ পৰিষদ চৰকাৰৰ দিনতো জানো সেই ক্ষেত্ৰত কিবা কঢ়া ব্যৱস্থা লব পাৰিলে? বিদেশী বহিষ্কাৰ আন্দোলনৰ ক্ষেত্ৰত আছুৰ এনে আজলমথালি অধিক প্ৰকট। আন্দোলনৰ অন্তত অসম চুক্তি হ'ল আৰু তাত স্বাক্ষৰ দিলে আছু-গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বই আৰু কংগ্ৰেছ(ই) দলৰ চৰকাৰে। সেই চুক্তি ৰূপায়ণৰ বাবে আঞ্চলিক দল গণ পৰিষদকেই উপযুক্ত আৰু সক্ষম বুলি আছুৱে ঘোষণা কৰিলে আৰু সেই মতে চৰকাৰো হ'ল। কিন্তু অসম চুক্তিৰ ৰূপায়ণ বা অসমৰ পৰা বিদেশী বহিষ্কৰণ কিমান হ'ল সেয়া এতিয়া আন্দোলনৰ কৰ্তাসকলেই ক'বলৈ লাজ পোৱা হ'ল। কেউটা দৃষ্টান্তৰ পৰা এটা কথাই মাথো স্পষ্ট হয়, আন্দোলন সমূহ অসম আৰু অসমীয়াৰ স্বকীয়তাৰ প্ৰশ্নৰ সৈতে জড়িত হ'লেও 'আছু'-এ আন্দোলনহে কৰিলে বা নেতৃত্বহে ললে কিন্তু সিবোৰৰ ফলশ্ৰুতিৰে অসমৰ জনমানসক পৰিতৃপ্ত কৰিব নোৱাৰিলে। আছুৰ আহ্বান মতেই যিসকল ৰাইজে আন্দোলনবোৰত জঁপিয়াই পৰি নিপীড়ন মূৰ পাতি লৈছিল, সেই আন্দোলনৰ জয়লাভৰ সুফল বা সোৱাদ সেইসকল ৰাইজে ভোগ কৰিব নোৱাৰিলে। বিভিন্ন কাৰণত সিবিলাক পানীৰ মিঠৈ হৈয়েই ৰৈ গৈছে। যিমানেই ডাংকোপ নেমাৰক কিয়, আছুৰ নেতৃত্ব কিন্তু অসমৰ এক বিশেষ শ্ৰেণীৰ লোকৰ অদৃশ্য ৰাজনৈতিক চালৰ অন্যতম ক্ৰীড়নকত পৰিণত হৈ গৈছে।

স্বাধীনতাৰ পৰবৰ্তী কালছোৱাত ঠিকা-ঠুকলি, ব্যৱসায়, বাণিজ্য, ক্ষুদ্ৰ চাহ বাগিচা আদি কৰাৰ যোগেদি অসমত যিটো ক্ষুদ্ৰ ধনিক শ্ৰেণীয়ে মূৰ দাঙি উঠিছে, সেইসকলৰ লগতে বৃটিছৰ দিনতে আভিজাত্য উপভোগ কৰিবলৈ পোৱা আৰু তাৰ ভেমতেই এতিয়াও ওফন্দি থকা অসমীয়া সকলে লগ লাগি অসমৰ সামাজিক জীৱনত "অৰাজনৈতিক" আছুৰ সৃষ্টি কৰি লৈছে আৰু প্ৰয়োজন সাপেক্ষে নিজৰ শ্ৰেণীস্বাৰ্থ পূৰণ কৰাৰ বাবে কৌশলেৰে ব্যৱহাৰ কৰি আছে। ভাষা আন্দোলন, মাধ্যম আন্দোলন আদি কৰাৰ যোগেদি এই শ্ৰেণীটোৱে ৰাজ্যখনত ছপাশাল, কিতাপ-পত্ৰৰ ব্যৱসায়, প্ৰচাৰ-মাধ্যম আদি কৰায়ত্ত কৰাৰ লগে লগেই আন্দোলনবোৰৰ ইচ্ছা সমূহৰ প্ৰতি গা এৰা দিছে আৰু তাৰেই প্ৰতিফলন আছুৰ ক্ৰিয়া কান্ডত ঘটিছে। সেইবাবেই প্ৰতিটো আন্দোলনৰ ইচ্ছাবোৰ আধৰুৱা হৈয়ে ওলমি ৰৈ গৈছে। কোৱা নিষ্প্ৰয়োজন যে এই ক্ষুদ্ৰ আৰু দুৰ্বল ধনিক শ্ৰেণীটোৰ উদৰ ভাৰতৰ বৃহৎ ধনিক শ্ৰেণীটোৰ সমান নহয়। তদুপৰি বৃহৎ ধনিক শ্ৰেণীটোক যে যুঁজত পৰাস্ত কৰিব নোৱাৰি সেই কথাটোও থলুৱা শ্ৰেণীটোৱে বুজে। সেই বাবেই মাজে মাজে একোটাইত খুন্দা লগাই বৃহৎ শ্ৰেণীটোৰ কাঁহীৰ পৰা কিছু থপিয়াই আনে আৰু সেইখিনি উদৰত পৰিলেই কিছুদিনলৈ নিতালে থাকে। গতিকে আন্দোলন সমূহে "অসমৰ স্বাৰ্থৰক্ষা"ৰ নামত এই বিশেষ শ্ৰেণীটোকহে কিঞ্চিত উপকাৰ কৰি আছে, সৰ্বসাধাৰণ ৰাইজক নহয়।

থলুৱা দুৰ্বল ধনিক শ্ৰেণীটোৰ দ্বাৰা লালিত-পালিত হোৱা বাবেই 'আছু'ৱে অসমত আন্দোলনহে কৰে আৰু সেই আন্দোলনত অসমৰ সমূহ ৰাইজকো জড়িত কৰি পেলোৱাৰ ক্ষমতাও অৰ্জন কৰে, কিন্তু আন্দোলনৰ ফয়দা বা ফলশ্ৰুতি অসমৰ সমূহ ৰাইজৰ ভাগত পৰিলেনে নাই তালৈ চাবলৈ আহৰি নেপায়। সেই বাবেই এই একেটা শ্ৰেণীয়েই সৃষ্টি কৰা গণ পৰিষদ চৰকাৰ ক্ষমতাত থাকোতে 'আছু'ৱে গণ পৰিষদৰ





OKDISCD

ভূল ত্ৰুটিৰ বিৰুদ্ধে গৰ্জন কৰি উঠাৰ ক্ষমতা হেৰুৱায়। সেই বাবেই সন্ত্ৰাসবাদ অৰ্থাৎ হিংসাশ্ৰয়ী আল্‌ফাৰ কাৰ্যকলাপ তীব্ৰ ভাষাৰে নিন্দা কৰিবলৈ অপাৰগ হয়। সেই বাবেই, অসমৰ জনজাতীয় বেল্ট-ব্লক সমূহ অবৈধ দখলৰ পৰা মুক্ত কৰিব লাগে বুলি আছুৱে প্ৰস্তাৱহে লব পাৰে, কিন্তু আবছুৰ বড়োলেন্ড আন্দোলন তীব্ৰ হৈ উঠাৰ মুহূৰ্ত্ততো সেই প্ৰস্তাৱৰ কথা আছুৱে চিঞৰি ক'ব নোৱৰা হয় বা নিজৰ চৰকাৰৰ ওচৰত সেই দাবী সজোৰে তুলি ধৰিবলৈও অক্ষম হয়। অপ্ৰিয় কিন্তু সত্য যে অসংখ্য নিচলা ছাত্ৰ-ছাত্ৰীৰ সমৰ্থন থাকিলেও, চহা ৰাইজৰ আশীৰ্বাদ সদ্যহতে পাই থাকিলেও, আছুৰ ৰণনীতি থলুৱা ধনিক শ্ৰেণীটোৰ অদৃশ্য তৰ্জনীৰ দ্বাৰাহে পৰিচালিত হয়। আৰু এতিয়া ক্ৰমে ক্ৰমে এই নিৰ্মম সত্যটোৱেই মুকলিকৈ ধৰা পৰিবলৈ আৰম্ভ কৰিছে।

থলুৱা ধনিক শ্ৰেণীটো সমগ্ৰ ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত তুলনামূলক ভাবে বহু বেছি দুৰ্বল। ইয়াৰ কাষত 'আছু' থিয় দিলেও একো অপৰাধ নহয়। কিন্তু শ্ৰেণীটোৰ মজ্জাগত দুৰ্বলতাবোৰৰ দ্বাৰা আক্ৰান্ত নোহোৱাকৈ থাকিব পাৰিলেহে 'আছু' অসমৰ সকলো জাতি-গোষ্ঠীৰ আদৰৰ আৰু উমৈহতীয়া সংগঠন হব পাৰিব। শ্ৰেণীটোৱে সৃষ্টি কৰা অতিৰঞ্জন আৰু তৈলমৰ্দনৰ খোলোচাটো ভাঙি আছু নেতৃত্ব বৃহত্তৰ সমাজ জীৱনৰ মাজলৈ ওলাই আহিব পাৰিব লাগিব। আৰু তেতিয়াহে হয়তো "সদৌ অসম"ৰ হৈ এষাৰ মাত মতাৰ অধিকাৰ ছাত্ৰ সংগঠনটোৱে ঘূৰাই পাব।

স্মৰণ কৰা ভাল যে অসমৰ এই শ্ৰেণীটোৰ পূৰ্ণ আশীৰ্বাদত যেতিয়া সদৌ অসম ছাত্ৰ সংস্থাৰ জন্ম (১৯৭১) হৈছিল, তেতিয়াই অসমৰ ৰাজনীতিত শৰৎ চন্দ্ৰ সিংহ আৰু হিতেশ্বৰ শইকীয়াৰো কৰ্তৃত্ব ক্ৰমাগতভাবে আৰম্ভ হৈছিল। এই দুগৰাকী নেতাই সৃষ্টি কৰা ৰাজনৈতিক ধাৰাক অসমৰ থলুৱা অভিজাত শ্ৰেণীটোৱে এতিয়াও হজম কৰিব পৰা নাই। সেইবাবে ভিন্ন ৰূপত সময়ে সময়ে বিৰোধবোৰে ভুমুকিয়াই আছে। শ্ৰেণীটোৰ ৰাজনৈতিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক উদৰ পূৰ নোহোৱালৈকে সম্ভৱত এনে বিৰোধ চলিয়েই থাকিব। কিন্তু, বিগত নিৰ্বাচনৰ অভিজ্ঞতাৰ মাজেদি আছুৰ আত্মোপলব্ধি কিদৰে হয়, সেইটোহে আসন্ন কালছোৱাত **লক্ষণীয় বিষয় হৈ ৰৈ আছে।**



# চৰকাৰখনক লৈ বিৰোধী পক্ষৰ মাজতহে যুদ্ধ

হিতেন মহন্ত

সংখ্যালঘু হোৱা সত্বেও কেন্দ্ৰত কংগ্ৰেছ (ই) দলৰ চৰকাৰখন বৰ্তি থাকিল। স্বাধীনোত্তৰ কালত ভাৰতবৰ্ষৰ ইতিহাসত সংখ্যালঘু চৰকাৰ এখন বৰ্তি থকা যিদৰে নতুন ঘটনা নহয়, ঠিক সেইদৰে ইয়াত আচৰিত হ'বলগীয়া একো নাই। কিয়নো মধ্যবৰ্তীকালীন নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছতেই এইটো অৱশ্যম্ভাৱী হৈ পৰিছিল যে এইবাৰ কেন্দ্ৰত এখন সংখ্যালঘু চৰকাৰ গঠন হ'ব আৰু এটা কথা নিশ্চিত হৈ পৰিছিল যে বিৰোধী পক্ষৰ সমৰ্থনত সেই চৰকাৰখন বৰ্তি থাকিব।

বিগত নিৰ্বাচনত যেতিয়া কোনো এটা ৰাজনৈতিক দলেই একক সংখ্যা গৰিষ্ঠতা লাভ কৰিব নোৱাৰিলে, তেতিয়া কংগ্ৰেছ (ই), বিজেপি, জনতা, এই দলকেইটাৰ লগতে চি পি আই (এম), চি পি আই এই প্ৰধান বাওঁপন্থী দল দুটাৰ নেতৃবৃন্দই এটা কথা স্পষ্টভাবে কৈছিল যে ভাৰতবৰ্ষৰ জনগণে অন্ততঃ পুনৰ এটা মধ্যবৰ্তীকালীন নিৰ্বাচন নিবিচাৰে। দেশৰ বৰ্তমান অৰ্থনৈতিক দুৰৱস্থাৰ দিনত যদিহে ৰাজনৈতিক দলবোৰে পুনৰ মধ্যবৰ্তীকালীন নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পৰিস্থিতিলৈ ঠেলি দিয়ে, তেনেহলে জনসাধাৰণে ৰাজনৈতিক দলবোৰক ক্ষমা নকৰিব। প্ৰধান ৰাজনৈতিক দলকেইটাৰ নেতৃবৃন্দৰ বক্তব্যৰ পৰা এইটো স্পষ্ট হৈ পৰিছিল লোকসভাত বৃহৎ সংখ্যা গৰিষ্ঠ দল হিচাপে কংগ্ৰেছ(ই) দলে এখন সংখ্যা লঘু চৰকাৰ গঠন কৰিলেও আস্থাসূচক ভোটত জয়ী হোৱাৰ পৰা বঞ্চিত নহ'ব।

কিন্তু ব্যতিক্ৰম দিশটো হ'ল এয়ে যে চৰকাৰখন বৰ্তি থকাৰ বিষয়ত শাসকদল আৰু বিৰোধী পক্ষৰ মাজত যুদ্ধ হোৱাৰ পৰিবৰ্তে বিৰোধী পক্ষৰ মাজতহে যুদ্ধ খন হ'ল। নিৰ্বাচনৰ ফলাফলৰ পিছত অন্যান্য দলকেইটাৰ লগতে বিজেপি দলৰ নেতৃবৃন্দই যদিও কৈছিল যে দেশৰ জন সাধাৰণে পুনৰ এটা মধ্যবৰ্তীকালীন নিৰ্বাচন নিবিচাৰে, চৰকাৰ গঠন হোৱা পিছতেই দলটোৰ নেতৃবৃন্দই এই দিশত পূৰ্বৰ সুৰ সলনি কৰি কলে যে চৰকাৰখন বতাই ৰখাটো বিৰোধীদলৰ কাম নহয়। চৰকাৰ এখন বতাই ৰখাটো শাসকদলৰহে কৰ্তব্য। অৰ্থাৎ বিজেপি দলে আস্থাসূচক প্ৰস্তাৱৰ বিৰুদ্ধে ভোটদান কৰিব। বিজেপি দলৰ এই পৰিৱৰ্তিত দৃষ্টিভংগীয়ে প্ৰমাণ কৰি দিলে যে দেশৰ জনগণৰ স্বাৰ্থৰ কথা তেওঁলোকে মুখতহে কৈছিল। প্ৰকৃততে দলৰ স্বাৰ্থই তেওঁলোকৰ মুখ্য উদ্দেশ্য। আচলতে ৰাষ্ট্ৰীয় মৰ্চা আৰু বাওঁমৰ্চাৰ মিত্ৰ গোষ্ঠীক ৰাজনৈতিক ভাবে শলঠেকত পেলোৱাৰ উদ্দেশ্যেই বিজেপি দলে এই কৌশল অৱলম্বন কৰিছিল, সেই বিষয়ে কোনো সন্দেহ নাই। বিজেপি দলে এইটো প্ৰমাণ কৰিব বিচাৰিছিল যে ৰাষ্ট্ৰীয় মৰ্চা আৰু বাওঁমৰ্চাই বাহ্যিকভাবে কংগ্ৰেছ(ই) দলক বিৰোধিতা কৰিলেও ভিতৰি সমৰ্থনহে কৰে।

সি যি কি নহওক বিজেপি দলৰ এই কৌশলেও ৰাষ্ট্ৰীয় মৰ্চা আৰু বাওঁমৰ্চাক টলাব নোৱাৰিলে। নিৰ্বাচনৰ ফলাফলৰ পিছত জন সাধাৰণক দিয়া প্ৰতিশ্ৰুতি অনুযায়ী পুনৰ এটা মধ্যবৰ্তীকালীন নিৰ্বাচনৰ জৰিয়তে দেশৰ দুখীয়া জন সাধাৰণৰ মূৰৰ ওপৰত কঁঠাল নভঙা উদ্দেশ্য আগত ৰাখিয়েই সংখ্যালঘু হ'লেও চৰকাৰখন বতাই ৰখাৰ সিদ্ধান্ত কৰিলে। যোৱা ১৫ জুলাইত প্ৰধানমন্ত্ৰী নৰসিংহ ৰাওৰ চৰকাৰখনে লোকসভাত আস্থাসূচক ভোট বিচৰাৰ সময়ত ৰাষ্ট্ৰীয় মৰ্চা আৰু বাওঁ মৰ্চাৰ মিত্ৰগোষ্ঠীয়ে ভোটদানৰ পৰা বিৰত থাকি সংখ্যালঘু চৰকাৰখনক বতাই ৰাখিলে। অৰ্থাৎ ৰাষ্ট্ৰীয় মৰ্চা আৰু বাওঁমৰ্চাৰ নেতৃবৃন্দই ঘোষণা কৰা নীতিত অটল থাকি পুনৰ এটা সম্ভাব্য মধ্যবৰ্তীকালীন নিৰ্বাচনৰ খৰচৰ বোজাৰ পৰা দেশৰ জনগণক ৰক্ষা কৰিলে। আনহাতে বিজেপি দলে আস্থাসূচক প্ৰস্তাৱৰ বিপৰীতে ভোট দান কৰিলে। আস্থাসূচক প্ৰস্তাৱৰ সমৰ্থনত চৰকাৰে ২৪১টা ভোট লাভ কৰে। প্ৰস্তাৱৰ বিপৰীতে ভোটদান হয় ১১১টা আৰু ৰাষ্ট্ৰীয় মৰ্চা আৰু বাওঁমৰ্চাৰ ১১২ জনীয়া মিত্ৰগোষ্ঠীয়ে ভোটদানৰ পৰা বিৰত থাকে। আনহাতে লোকসভাত কংগ্ৰেছ(ই) আৰু ইয়াৰ মিত্ৰগোষ্ঠীৰ সদস্যৰ সংখ্যা হ'ল ২৪২, বিজেপি দলৰ ১১৭ আৰু ৰাষ্ট্ৰীয় মৰ্চা আৰু বাওঁমৰ্চা মিত্ৰগোষ্ঠীৰ সদস্যৰ সংখ্যা হ'ল ১৩০। এই অংকটোৰ পৰা ওলাই পৰে যে যদিহে বিজেপি দলৰ লেখিয়াকৈ ১৩০ জনীয়া ৰাষ্ট্ৰীয় আৰু বাওঁমৰ্চাৰ মিত্ৰগোষ্ঠীয়ে আস্থাসূচক ভোটৰ বিপৰীতে ভোটদান কৰিলে হেঁতেন তেনেহলে চৰকাৰ খনৰ পতন আছিল অনিবাৰ্য।

বিজেপি আৰু ৰাষ্ট্ৰীয় মৰ্চা বাওঁ মৰ্চা মিত্ৰ গোষ্ঠীৰ মাজত হোৱা ৰাজনৈতিক যুদ্ধখনৰ কংগ্ৰেছ (ই ) দলে সম্পূৰ্ণ সুযোগ আদায় কৰিলে। এই সুযোগ আদায়ৰ জৰিয়তে কংগ্ৰেছ (ই) দলে কেন্দ্ৰত এখন সংখ্যালঘু চৰকাৰৰ জৰিয়তে শাসনৰ জৰি নিজৰ হাতত ৰাখিবলৈ সক্ষম হ'ল।

আনহাতে কেৱল চৰকাৰখন বতাই ৰখাৰ ক্ষেত্ৰতেই নহয়, লোক সভাৰ অধ্যক্ষ নিৰ্বাচনৰ ক্ষেত্ৰতো বিজেপি দলে সুবিধাবাদী নীতিৰ পৰিচয় দিলে। আস্থাসূচক প্ৰস্তাৱৰ বিৰুদ্ধে ভোটদান কৰিও বিজেপি দলে অধ্যক্ষ নিৰ্বাচনৰ ক্ষেত্ৰত কংগ্ৰেছ (ই) দলৰ সৈতে হাত মিলালে। অধ্যক্ষ পদৰ বাবে কংগ্ৰেছ (ই) দলে আগবঢ়োৱা প্ৰাৰ্থিত্বৰ প্ৰতি বিজেপি দলে সমৰ্থন আগবঢ়ালে। বিজেপি দলৰ এই ৰাজনৈতিক স্থিতি দুমুখীয়া নীতিৰ পৰিচায়ক নহয়নে? য'ত চৰকাৰ এখনেই বিজেপি দলে বৰ্তি থকাটো নিবিচাৰে, তেনেস্থলত অধ্যক্ষ এজন বিচৰাটো হাস্যকৰ নহয়নে?

আচলতে দেশৰ পুঁজিপতি সকলৰ স্বাৰ্থতেই বিজেপি দলে কেন্দ্ৰত ৰাষ্ট্ৰীয় মৰ্চা আৰু বাওঁ মৰ্চাৰ চৰকাৰৰ পৰিবৰ্তে কংগ্ৰেছ

> আচলতে দেশৰ পুঁজিপতি সকলৰ স্বাৰ্থতেই বিজেপি দলে কেন্দ্ৰত ৰাষ্ট্ৰীয় মৰ্চা আৰু বাওঁ মৰ্চাৰ চৰকাৰৰ পৰিবৰ্তে কংগ্ৰেছ (ই) দলৰ চৰকাৰ এখন বৰ্তি থকাটো বিচাৰে। বিজেপি-য়ে এইটো ভালদৰে জানে যে বাহ্যিকভাবে দলে কংগ্ৰেছ (ই) দলৰ চৰকাৰখনৰ বিৰোধিতা কৰিলেও দেশৰ জনগণৰ স্বাৰ্থতেই ৰাষ্ট্ৰীয় মৰ্চা আৰু বাওঁ মৰ্চাৰ মিত্ৰ গোষ্ঠীয়ে কংগ্ৰেছ (ই) দলৰ সংখ্যালঘু চৰকাৰখনৰ পতন হ'বলৈ নিদিয়ে।

(ই) দলৰ চৰকাৰ এখন বৰ্তি থকাটো বিচাৰে। বিজেপি-য়ে এইটো ভালদৰে জানে যে বাহ্যিকভাবে দলে কংগ্ৰেছ (ই) দলৰ চৰকাৰখনৰ বিৰোধিতা কৰিলেও দেশৰ জনগণৰ স্বাৰ্থতেই ৰাষ্ট্ৰীয় মৰ্চা আৰু বাওঁ মৰ্চাৰ মিত্ৰ গোষ্ঠীয়ে কংগ্ৰেছ (ই) দলৰ সংখ্যালঘু চৰকাৰখনৰ পতন হ'বলৈ নিদিয়ে। ৰাষ্ট্ৰীয় মৰ্চা আৰু বাওঁ মৰ্চাৰ মিত্ৰ গোষ্ঠীৰ এই দুৰ্বলতাৰ সুযোগ ললে বিজেপি দলে। বাহ্যিকভাবে দলে কংগ্ৰেছী চৰকাৰখনৰ বিৰোধী হিচাপে প্ৰতিপন্ন কৰিলে। কিন্তু সংখ্যালঘু চৰকাৰখনে শিথিল উদ্যোগ নীতি গ্ৰহণ কৰাৰ পিছত বিজেপি দলৰ আচল স্বৰূপটো ওলাই পৰিল। চৰকাৰৰ নতুন উদ্যোগ নীতিয়ে ভাৰতৰৰ উদ্যোগপতি সকলক বিশেষ ভাবে সহায় কৰিব। বিজেপি দলে এই নতুন উদ্যোগ নীতিৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাইছে। কেৱল সেয়ে নহয়, যোৱা ২৪ জুনত বিত্ত মন্ত্ৰী ডঃ মনমোহন সিঙে উত্থাপন কৰা ১৯৯১-৯২ চনৰ বাজেটৰ সম্পৰ্কতো বিজেপি দলে বিশেষ সমালোচনা আগবঢ়োৱা নাই। বৰং লোক সভাত দলৰ নেতা লালকৃষ্ণ আদৱানীয়ে পৰোক্ষভাবে বাজেটখনক সমৰ্থনহে জনাইছে।

ইয়াৰ পৰা এটা কথা স্পষ্ট ভাবে ক'ব পাৰি যে ভাৰতৰ পুঁজিপতি সকলৰ স্বাৰ্থতেই বিজেপি দলে কংগ্ৰেছ (ই) দলৰ চৰকাৰখনক শলঠেকত পেলাবলৈ চেষ্টা নকৰিব। আনহাতে ৰাষ্ট্ৰীয় মৰ্চা আৰু বাওঁ মৰ্চা মিত্ৰ গোষ্ঠীয়ে চেষ্টা কৰিব যাতে কংগ্ৰেছ (ই) চৰকাৰখনে পুঁজিপতি সকলৰ স্বাৰ্থৰক্ষা কৰিবলৈ গৈ সমাজবাদী ধাৰাটো পৰিহাৰ নকৰে। ৰাষ্ট্ৰীয় মৰ্চা আৰু বাওঁ মৰ্চাৰ মিত্ৰ গোষ্ঠীয়ে এই দিশত কিমান দূৰ সফল হয়, সেইটো কেৱল সময়েহে ক'ব পাৰিব।

সি যি কি নহওক এফালে বিজেপি আৰু আনফালে ৰাষ্ট্ৰীয় মৰ্চা বাওঁ মৰ্চাৰ মাজত চলি থকা ৰাজনৈতিক যুদ্ধখনৰ ফলত কংগ্ৰেছ (ই) দল লাভবান হৈ থাকিব। অন্ততঃ অতি সোনকালে সংখ্যালঘু চৰকাৰখন ভাগি নপৰে বুলি কংগ্ৰেছ (ই) দল নিশ্চিত হ'ব পাৰিছে।

এনে এটা পটভূমিতেই প্ৰধান মন্ত্ৰী নৰসিংহ ৰাওৰ নেতৃত্বত সংখ্যালঘু চৰকাৰখনে কেনেদৰে আগন্তুক দিনবোৰত কাম-কাজ পৰিচালনা কৰে, সেইটোহে লক্ষ্যনীয় বিষয় হৈ পৰিছে! এটা কথা ঠিক যে বাহিক্য ভাবে হ'লেও ৰাষ্ট্ৰীয় মৰ্চা বাওঁ মৰ্চা মিত্ৰ গোষ্ঠী কংগ্ৰেছ (ই) দলৰ সংখ্যালঘু চৰকাৰখনৰ সপক্ষে থকাটো বিজেপি-য়ে সাব্যস্ত কৰিব পাৰিছে।

# যদি আছুক নালাগে,
# তেন্তে কাক লাগে ?
# কিছু চিন্তা – সৰৰে আৰু একেলগে

অ. বৰুৱা

কাপোৰ কানি ক'লা হ'ল, এতিয়া ঘৰাঘৰি যোৱাগৈহঁক: যিবোৰৰ বয়স কম তেওঁলোকক এই আষাৰ কথা কৈ কৈ অভ্যস্ত হোৱা সকলে সদায়েই সদৌ অসম ছাত্ৰ সংস্থাক (আছু) কথাষাৰ কওঁ কওঁ কৰি থাকে আৰু সুযোগ পালেই কয়। অসম গণ পৰিষদ (অগপ) চৰকাৰত বহোতে এটা সুযোগ পাইছিল আৰু কৈছিল আৰু এতিয়া কংগ্ৰেছ আই চৰকাৰত বহা দেখি 'দুঃস্বপ্নৰ ৰাতি' পুৱাল বুলি নিশ্চিত হ'ব পৰা সকলে আৰু এটা সুযোগ পাইছে আৰু কৈছে বা ক'ব খুজিছে।

আছুক কিছুমানে ক'ব খোজে: হ'ব হ'ব, যথেষ্ট কৰিলা, যথেষ্ট দেখুৱালা যোৱা এঘাৰ-বাৰ বছৰে, এতিয়া 'বেৰেক' (Barrack) লৈ উভতি যোৱাহঁক। আন কিছুমানে ক'ব খোজে: ঠিক আছে, আন্দোলন কৰাহঁক, তোমালোকৰ অধ্যয়নেই যিহেতু তপস্যা আৰু সেই তপস্যাত বিঘিনি জন্মোৱা অসুৰবোৰ আছেই, গতিকে অসুৰবোৰ খেদাত লাগাহঁক, তাৰ বেছি নহয়। কেতিয়াও দিছপুৰলৈ চোচা নল'বা –ৰাজনীতি ছাত্ৰৰ কাৰণে নহয়। আৰু কিছুমানে: নিজে উভতি গ'লে ভালেই, কিন্তু যাব নুখুজিলে আছুক শিক্ষানুষ্ঠানৰ শ্ৰেণীত 'আটক' কৰি থব পৰাকৈ কঠোৰ ব্যৱস্থা হলেও ল'ব লাগে।

## আছু যৌৱনৰ টুকুৰা নহয়

কিন্তু আছুৰ ঠাইত কাৰ কথা ভাবিছে? আছুয়ে খালি কৰি এৰি থৈ যোৱা ক্ষেত্ৰখন কোনে ল'ব বুলি ভাবিছে? আজিৰ তাৰিখত আছু শ্ৰেণীলৈ উভৰ্তি গ'লে তেওঁলোকে খালি কৰি যোৱা ক্ষেত্ৰখন ল'ব হয় উলফাই, নহয় আৰ এছ এছে (ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই)। কথাটো ভাল হ'ব নে বেয়া হ'ব?

আছু মানে, লুইতৰ পাৰে পাৰে, কহুৱা-বিৰিণাৰ মাজে মজে ওপঙি ফুৰা 'কিছুমান' যৌৱনৰ টুকুৰা নহয়, ভূপেন হাজৰিকাই শৰতৰ আকাশত ভাহি ফুৰা দেখা আলসুৱা মেঘৰ টুকুৰাৰ দৰে। আছু এটা বিশেষ শক্তি, এটা বিশিষ্ট চিন্তাধাৰা – সমাজৰ বুকুত তাৰ সৃষ্টি, কাৰ্যকাৰণ লৈ। প্ৰতিবিপ্লৱ আৰু প্ৰতিক্ৰিয়াই যেতিয়া তেওঁলোকৰে বন্ধু বুৰ্জোৱাৰ ৰক্ষণশীল অংশৰ হতুৱাই তেওঁলোকৰ পক্ষত মানুহ 'জমায়ত' কৰিব নোৱৰা হৈ পৰে, তেতিয়া তেওঁলোকৰ 'কামবোৰ' কৰিবলৈ বুৰ্জোৱাৰ সেইটো অংশক সজাই পৰাই আগবঢ়াই দিয়ে, যিটো অংশ অপাপবিদ্ধ আৰু প্ৰতিবাদী বুলি, অন্যায়-অবিচাৰ নসহা বুলি, সংসাৰৰ ধূলি-বোকাৰ চেকা নথকা বুলি আৰু দেখাতেই নিৰপেক্ষ বুলি সহজে গ্ৰহণযোগ্য হৈ যাব পাৰে। সেই কাৰণে, আছু দেখাত যিটো, প্ৰকৃতপক্ষে সেইটো নহয়; আছু 'পোহৰৰ চুমাত ওপজা' নহয় – 'আন্ধাৰৰ বলাৎকাৰৰ পৰা হোৱা সন্তান'।

এইটো trivializationৰ যুগ – বিশেষকৈ ৰাজনীতিত আৰু সাংবাদিকতাত, যি দুটাই জনমানস উত্তাল কৰি ৰাখে। কোনেও তত্ত্বকথা নকয় আৰু নুশুনে; তত্ত্বৰ পথ দুৰ্গম পথ বুলি পৰিহাৰ কৰি চলে। চিত্ত বিনোদনেই একমাত্ৰ নিয়ামক হৈ পৰিছে। কিন্তু চাপৰিলে মেঘ নেৰায়। অলপ হলেও তত্ত্বৰ কথা ক'ব লাগিব।

আছু ঠিক ফেছিষ্ট সংগঠন নহয়; তেওঁলোকে যাক সেৱা কৰিবলৈ নিবিচাৰে, তাৰে বলি (victim) হৈ আহিছে, নিজৰ অজ্ঞাতসাৰেই। তাৰ কাৰণ, তেওঁলোক শ্ৰেণীৰ অস্তিত্ব সম্পৰ্কে সচেতন নহয়। শ্ৰেণী বিভক্ত সমাজত তেওঁলোকৰ চিন্তাধাৰা যে এবিধ বিশিষ্ট শ্ৰেণী চিন্তা আৰু শ্ৰেণী সম্পৰ্কে সচেতন নোহোৱাৰ ফলত তেওঁলোকে যে নিজে পছন্দ নকৰা, নিবিচৰা শ্ৰেণী চিন্তাকে কৰি আহিছে অজ্ঞাতসাৰে, সেইটো তেওঁলোকে নুবুজে। এই নুবুজাটো সাংঘাতিক ডাঙৰ দোষ নহয়, গান্ধীৰ দৰে মহাপুৰুষেও নুবুজিছিল। মজাৰ কথা যে বহুতে নাভাবে আৰু ভাবিবলৈ চেষ্টা কৰিলেও ভাবিব নোৱাৰে যে গান্ধীবাদটো আচলতে ফেছিবাদৰ সংস্কৃতিগত ভিত্তি।

আছুৰ ল'ৰা-ছোৱালীবোৰ ভণ্ডও নহয় –হোৱা হলে লুইতৰ দুয়ো পাৰৰ মানুহবোৰে তেওঁলোকৰ কথাত সেইদৰে উঠ-বহ কৰিলেহেঁতেন নেকি? তেওঁলোকৰ মাজত অসংখ্য ভাল, সৎ আৰু তেওঁলোকে আদৰ্শ বুলি ভবাটোৰ কাৰণে প্ৰাণ উছৰ্গা কৰিব পৰা ল'ৰা-ছোৱালী আছে। তেওঁলোকে যিবোৰ বেয়া কাম কৰি আহিছে সেইবোৰ জানিশুনি কৰা নাই। তাহানিৰ জন অতুল বৰাৰ পৰা এতিয়াৰ জন অতুল বৰালৈকে গোটেই মখাই কিছুমান মনে গঢ়া ধাৰণা আৰু বিশ্বাসৰ বশবৰ্তী হৈ আহিছে। অসমৰ আৰু অসমৰ মানুহৰ কল্যাণ চিন্তা কৰে, কিন্তু শ্ৰেণী জ্ঞান নথকাত যাৰ বিৰুদ্ধে যুঁজা বুলি ভাবিছে, নিজৰ অজ্ঞাতসাৰেই, তাকে প্ৰকাৰান্তৰে সেৱা কৰি থাকি গ'ল।





মুঠতে, শ্ৰেণী সচেতন নোহোৱা কাৰণেই আমাৰ ভাল কৰিবলৈ গৈ আমাক কামোৰটো মাৰিলে।

## 'নতুন পুৰুষ'

এইখিনিতে আমাৰ আটাইৰে পৰিচিত, মানুহ হিচাপে অতি উত্তম আৰু শুভবুদ্ধি সম্পন্ন তিনি গৰাকী বিশিষ্ট লোকৰ কথা কওঁ: তেওঁলোক কীৰ্তিনাথ হাজৰিকা, ভূপেন হাজৰিকা আৰু হোমেন বৰগোহাঞি। তেওঁলোকে মোক স্নেহ দিছে আৰু মই তেওঁলোকক শ্ৰদ্ধা দিছো, গতিকে তেওঁলোকক সমালোচনা কৰিলে ভুল বুজাবুজিৰ অৱকাশ নাথাকিব বুলিয়েই তেওঁলোকক বাছি লৈছো। কীৰ্তিনাথ হাজৰিকা আছুৰ কিমান ডাঙৰ পৃষ্ঠপোষক আৰু অভিভাৱক সেইটো বুজা যায় আছুৰ এগৰাকী প্ৰাক্তন নেতাই কোৱা এইষাৰ কথাৰ পৰা যে হাজৰিকাই শেহতীয়াভাবে সম্পাদনা কৰা দৈনিক বাতৰি কাকতখন আছুৰ মাতৃ। সেই যে এটা সময়ত 'নতুন পুৰুষ নতুন পুৰুষ' ধ্বনিৰে লুইতৰ পাৰৰ আকাশ-বতাহত নিনাদ উঠিছিল মনত পৰে নে? 'নতুন পুৰুষ' লিখিছিল হোমেন বৰগোহাঞিয়ে আৰু গাইছিল ভূপেন হাজৰিকাই। মই ক'ব খুজিছো যে আছুক তত্ত্ব আৰু দৰ্শনৰ যোগান ধৰিলে বৰগোহাঞিয়ে আৰু তাক সুৰেৰে সোৱাদ কৰি মুখে মুখে তুলি দিলে ভূপেন হাজৰিকাই আৰু আছুক পৃষ্ঠপোষকতা আৰু অভিভাৱকত্ব কৰিলে কীৰ্তিনাথ হাজৰিকাই। এওঁলোকৰ প্ৰতিজনেই কিন্তু প্ৰতিক্ৰিয়া আৰু প্ৰতিবিপ্লৱৰ শত্ৰু। এওঁলোকৰ অৱস্থাও গান্ধীৰ দৰে – নিজৰ অজ্ঞাতসাৰেই যিটো শ্ৰেণীক তেওঁলোকে কেতিয়াও সেৱা কৰিবলৈ নিবিচাৰে সেই চিন্তাৰেই বলি (victim) হৈ পৰা ভাল মানুহ আৰু মই এতিয়া ভাবিছো, হয়তো অসমৰ আগন্তুক ইতিহাসৰ কেইগৰাকীমান কৰুণ কুশীলৱ।

মোৰ কথা মানি লবলৈ বহুতে টান পাব। মই বুজিছো। কিন্তু তেওঁলোকে যিবোৰ কথা কৈ আহিছে, লিখি আহিছে, গাই আহিছে সেইবোৰ বিচাৰ কৰি চাবচোন, দেখিব, তেওঁলোকৰ কথাবোৰ 'a thing in itself' –তাহানি (সম্ভৱ ৫৭/৫৮ চন মানতে) ছোভিয়েত দাৰ্শনিক-একাডেমিচিয়ান য়ুডিনে আমাৰ নেহৰুৰ সমাজতন্ত্ৰটো ফালি, বখলিয়াই ফাঁহ ফাঁহ কৰি তাৰ বিষয়ে দিয়া অভিমতটোৰ দৰে। কেতিয়াবা আগ নাই, কেতিয়াবা গুৰি নাই আৰু কেতিয়াবা গা গাৰি নাই। নতুন পুৰুষ, নতুন তেজ, ডেকা বন্ধু, ডেকা শক্তি, যৌৱন – এনেকুৱাবোৰ অভিধাৰে স্বাগত জনাব লাগিলে আছুৰ লগত থকা সকলৰ লগতে, উল্ফা আৰু আৰ এছ এছ-ৰ লগত থকা সকলোকো স্বাগত জনাব লাগিব। নালাগিব? ৰাম মন্দিৰৰ কাৰণে দিয়াটো প্ৰাণো নতুন পুৰুষৰ প্ৰাণ আৰু স্বাধীন অসমৰ কাৰণে দিয়াটো প্ৰাণো নতুন পুৰুষৰ প্ৰাণ। নহয়?

## দৈত্য-সজা সকল

আছুক সমালোচনা কৰোতে, তেওঁলোকক ফ্ৰেংকেনষ্টেইনৰ দৈত্য ৰূপত যিসকলে তৈয়াৰ কৰিলে, সেই সকল সদায়ে সাৰি যায়। তৈয়াৰ কৰোতা সকলো দায়ী আৰু তৈয়াৰ কৰাত বাধা দিয়াৰ সুবিধা থাকোতেও যি সকলে বাধা নিদিলে সেই সকলো দায়ী। সেইদৰে আছুৱে স্থিতি ল'বৰ কাৰণে, বাঢ়িবৰ কাৰণে 'ময়দান ফাকা' কৰি দিয়া সকলো দায়ী – বিশেষকৈ কমিউনিজমৰ নাম লৈ পশ্চিমবংগৰ দাসত্ব কৰা আৰু মধ্যবিত্তৰ পাপাচাৰত লিপ্ত থকা সকলো দায়ী।

তেনেহলে, আছু শিক্ষানুষ্ঠানৰ শ্ৰেণীবোৰলৈ উভতি যোৱাটো কৰিব লাগে যেনেতেনে। নালাগেনে?

ছাত্ৰক আন্দোলনৰ ক্ষেত্ৰৰ পৰা শিক্ষানুষ্ঠানৰ শ্ৰেণীলৈ উভতি যাবলৈ কোৱাৰ লগত সময় আৰু পৰিস্থিতিৰ সম্বন্ধ থাকে। অসমৰ আজিৰ সময় আৰু পৰিস্থিতিয়ে সেইদৰে কবলৈ কয় নে? ছাত্ৰই আন্দোলন কৰিব নালাগে, কেৱল অধ্যয়নৰ তপস্যাতে মগ্ন হৈ থাকিব লাগে বুলি কোৱাটো এটা অনৈতিহাসিক কথা। ছাত্ৰই যদি আন্দোলন নকৰে, তেন্তে কোনে কৰিব? ঠিক কথা, তেওঁলোকৰ চিন্তাধাৰা ভুল – তেতিয়াহলে তেওঁলোকক শুদ্ধ আৰু সঠিক চিন্তাধাৰা দিয়া হওক। তেওঁলোকৰ বহুতৰ মাজত আছে এনাৰ্কিষ্ট চিন্তাধাৰা –বাকুনিনবাদৰ পৰা গুৱেভাৰাবাদলৈকে (যিটো কিছু পৰিমাণে প্ৰতিফলিত হৈছে উল্ফাত)। সেইবোৰ শুদ্ধ কৰা হওক। অভিভাৱক সকলৰ 'a thing in itself' চিন্তাধাৰাৰ পৰা তেওঁলোকক মুক্ত কৰা হওক। কিন্তু তেওঁলোকক শ্ৰেণীলৈ ওভতাই পঠিওৱা হ'ব কিয়? 'ময়দান' খন কাক লাগে?

অসমত আজিৰ তাৰিখত আছুয়ে সংগ্ৰামৰ ময়দান খালি কৰি দি থৈ গ'লে, সেই ময়দান লবলৈ কোন আহিব, কোনবোৰ শক্তি আছে সেইটো ভাবি চাবলগীয়া কথা। সংগ্ৰামৰ ক্ষেত্ৰ কেতিয়াও খালি পৰি নাথাকে, এই ক্ষেত্ৰতো সামাজিক শক্তিবোৰৰ নিয়ম অমোঘ। মই দেখাত, যদি আছু শ্ৰেণীলৈ উভতি যায় বা তেওঁলোকক ধৰি বান্ধি কঠোৰ অনুশাসনেৰে মেৰিয়াই শ্ৰেণীত 'আটক' কৰি ৰখা যায়, তেতিয়া ৰাজ্যখনত সংগঠিত শক্তি ৰূপে সংগ্ৰামৰ ময়দান ল'ব আৰ এছ এছ অথবা উল্ফাই। বিৰোধী ৰাজনীতিৰ লগত থকাবোৰ আৰু আন ছাত্ৰ সংগঠনবোৰৰ কথা মই ভাবিব পৰা নাই, কাৰণ যোৱা প্ৰায় ১২ বছৰে মই তেওঁলোকৰ বিবৃতিহে পঢ়িছো, তেওঁলোকৰ সামাজিক উপস্থিতি অনুভৱ কৰা নাই। কাৰোবাৰ উপস্থিতি প্ৰত্যক্ষ বা অনুভূত নহ'লেই তেওঁ নাই বুলি কোনো কোনো দৰ্শনে নকয়, কিন্তু ৰাষ্ট্ৰ আৰু সমাজ বিজ্ঞানে কয়। অনুপস্থিতি বাৰ বছৰীয়া মান হলে কপালৰ সেন্দুৰ পৰ্যন্ত মচি পেলাব পাৰি।

## আছুৰ গুণবোৰ

অতি সৰলীকৃত (oversimplified) ব্যাখ্যা, এটা দোষ। তাৰ পৰা মুক্ত হবলৈ এটা কথা কৈ যাব লাগিব যে সৰহ ভাগ ছাত্ৰই আহে পেটি-বুৰ্জোৱা সমাজৰ পৰা আৰু লগত লৈ আহে সেইখন সমাজৰ ধ্যান-ধাৰণা। কিন্তু সংগ্ৰামৰ পথাৰত থাকোতে থাকোতে তেওঁলোকে কিছুমান গুণো আয়ত্ত কৰি লয় – তেওঁলোকক দাঙি ধৰা প্ৰতিক্ৰিয়া আৰু প্ৰতিবিপ্লৱৰ সেইটো অভিপ্ৰেত নোহোৱা সত্ত্বেও। ধৰক, আছুৱে আনুষ্ঠানিকভাবে অহিংস আৰু শান্তিপূৰ্ণ গণতান্ত্ৰিক পথত বিশ্বাস কৰে। অন্ততঃ তেওঁলোকে সেইদৰেই কৈ আহিছে আৰু আছে। অন্যভাবে কবলৈ তেওঁলোকে লাজ কৰে। এইখিনিতে গেঙেৰি মাৰি দিবৰ মন যাব পাৰে – যোৱা ১১/১২ বছৰৰ কাণ্ডকাৰখানাবোৰ মনত পৰিলে। কিন্তু কংগ্ৰেছে যোৱা প্ৰায় দুকুৰি বছৰ ধৰি সেই একেখিনি কথা কৈ যিবোৰ কৰি আছে তাৰ বাবে কংগ্ৰেছকতো হিমালয়লৈ যোৱাৰ কথা আমি কোৱা নাই! আন্দোলন জাৰি থাকোতে হোৱা ঘটনাবোৰৰ বাবে আছু দায়ী, সেইদৰে কংগ্ৰেছ চৰকাৰ জাৰি থাকোতে হোৱা ঘটনাবোৰৰ বাবে কংগ্ৰেছো

দায়ী। হ'ব নালাগেনে? আকৌ ধৰক, আছুৱে ধৰ্মনিৰপেক্ষতাৰ কথা কয়; অতি গুৰুত্বপূৰ্ণ সময়ত সেইটো আচৰণ কৰিও দেখুৱাইছে। ধৰ্মনিৰপেক্ষ নোহোৱা হলে, ইন্দিৰা গান্ধী আৰু বিজেপি-য়ে বিদেশী নাগৰিকক ধৰ্মৰ লগত ভাগ কৰি টোপটো দিওঁতে লগে লগে কটপকৈ গিলি থৈ আছুৱে কোন কাহানিবাই আন্দোলন সামৰি ল'ব পাৰিলেহেঁতেন। নোৱাৰিলেহেঁতেন?

মাত্ৰ কেইটামান উদাহৰণ দিলো। মই ক'ব খুজিছো যে সংগ্ৰামৰ পথাৰত দীঘলীয়া সময় থাকি আছুৱে এনে কিছু গুণ আয়ত্ত কৰিছে যিবোৰ তেওঁলোকৰ স্ৰষ্টা প্ৰতিক্ৰিয়া আৰু প্ৰতিবিপ্লৱৰ সহায়ক মুঠেই নহয়।

যিবোৰ শক্তিয়ে আছুক সৃষ্টি কৰিছিল সেইবোৰ শক্তিৰ কবলৰ পৰা আছুক আঁতৰাই আনি অসমৰ ৰাইজৰ প্ৰকৃত কল্যাণ সাধনত তেওঁলোকক ব্ৰতী কৰিবলৈ আৰু তেওঁলোকক এটা প্ৰগতিশীল আদৰ্শৰ পথত থিয় কৰিবলৈ দেধাৰ সুযোগ উপস্থিত হৈছিল, কিন্তু সেইবোৰ সুযোগৰ সদ্ব্যৱহাৰ কৰা নহ'ল। বাতৰি কাকতৰ ভূমিকা এই ক্ষেত্ৰত অতি নিন্দনীয়। এতিয়া শুনিলে বহুতৰে হাঁহি উঠিব হয়তো, 'সন্থা' এই অসিদ্ধ শব্দটোৱেই ছাত্ৰ সংস্থা (অৰ্থাৎ আছু) চলি আহিছে, অথচ প্ৰথম সুযোগতে শব্দটো শুধৰাই দিয়াৰ দায়িত্ব যিসকল সম্পাদকৰ আছিল সেইসকলে কামটো নকৰিলে। তেওঁলোকক হয় স্নেহে অন্ধ কৰি থৈছিল, নহয় ভয়ে ভীত কৰি ৰাখিছিল। আছু কেনে প্ৰতাপী সংগঠন, এই ঘটনাই তাৰ প্ৰমাণ। (মন্ত্ৰী হোৱা জন অতুল বৰাক সুধিলে, তেওঁ হয়তো বাতৰিকাকতৰ ভূমিকা সম্পৰ্কে বহু ঘটনাই ক'ব পাৰিব – যিবোৰ মই এতিয়া কবলৈ অপাৰগ।)

## আকৌ 'বন্ধ' অসহ্য

এতিয়া কথা হ'ল, আছুক কি কৰা যায়? মন কৰিব, প্ৰশ্নটোৰ আঁৰত ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি গভীৰ সদিচ্ছাৰ ভাব এটাও আছে। ইমান দিনে যিবোৰ কৰিলে সেইবোৰ পণ্ডশ্ৰম, খোলাকটিহে হ'ল যেতিয়া, তেওঁলোকে পঢ়া-শুনা এৰি বা তাৰ প্ৰতি গুৰুত্ব কমাই দি আকৌ উত্তাল সংগ্ৰামত জঁপিয়াই পৰিবলৈ চেষ্টা কৰা উচিত নহ'বঃ সৰহ ভাগৰে মত প্ৰায় এই ধৰণৰ। আকৌ বন্ধ, পিকেটিং, ধৰ্ণা, হৰতাল, আকৌ বৰ্জন-নিষ্প্ৰদীপ-লপাথপা-শিলগুটি, আকৌ বুঢ়া-ভতৰামখাৰ ল'ৰামতীয়া কাচুটি এৰা খদমদম, আকৌ আন্দোলনে ঘোলা কৰা পানীত বিষয়া-কৰ্মচাৰী শিক্ষক-অধ্যাপক-সাহিত্যিক,-সাংবাদিক সকলৰ জকাই-জুলুকি মৰাৰ উথপথপ, আকৌ চিন্তাৰ পুখুৰীবোৰত (think tank) বেং-ভেকুলীৰ টোৰটোৰণি, আকৌ টটাটিঙা দো-ভাষী, মুখবলী উকিল, নিবোকা সাহিত্যিক, আত্মম্ভৰি পুলিচ, উলহৰ মাদলি মহিলা, আত্মবিস্মৃত সম্পাদক, লৰক-ফৰক অধ্যাপক – অসহ্য, অসহ্য!

আছুৱে কি কৰে সেইটো আছুৰ কথা। আমি হুকুম দিবলৈ কোন! আমাৰ হুকুম তেওঁলোকে মানিবই বা কিয়! সমাজৰ অভিভাৱক সকলৰ ইচ্ছাক সন্মান জনাই ছাত্ৰ সংগঠন সংগ্ৰামৰ ক্ষেত্ৰ এৰি শ্ৰেণীলৈ উভতি গৈছে – এনেকুৱা ঘটনা মই জনাততো নাই। সময়ত উপযুক্ত পৰামৰ্শ তেওঁলোকক আমি নিদিলোৱেই, – কিছুমান স্নেহত অন্ধ হৈ থাকিলো, কিছুমান ভয়ত মৰি থাকিলো আৰু কিছুমান অহংকাৰত নিৰ্লিপ্ত হৈ থাকিলো। পৰামৰ্শ দিয়াৰ ঠাইত কৰিলো নিন্দা – 'গুণ্ডাবাহিনী' বুলি, একেবাৰে অশিক্ষিতৰ দৰে, ৰাজনীতি-শূন্য ভাষাৰে (যিটো বাহিনী মোৰ েলে যোৱা দেৰ কুৰি বছৰ ধৰি পুহি মোতায়েন কৰি ৰাখিছে পশ্চিমবংগৰ চুবুৰিয়ে চুবুৰিয়ে)।

আমাৰ সমুখত তিনিটা পথ খোলা আছেঃ এক অসমৰ পৰিবৰ্তিত আৰ্থ-সামাজিক ৰাজনৈতিক পৰিস্থিতিৰ লগত খাপ খোৱাকৈ নিজকে গঢ়ি তুলিবলৈ আছুক সহায় কৰা – তাৰ বাবে বায়বীয় ধাৰণাবোৰৰ পৰা মুক্ত কৰি তেওঁলোকক সুনিৰ্দিষ্ট প্ৰগতিশীল মতাদৰ্শত দীক্ষিত আৰু শিক্ষিত কৰা। দুই, সুকীয়া প্ৰগতিশীল ছাত্ৰ সংগঠন গঢ়ি তুলি, সংগ্ৰামৰ ক্ষেত্ৰত নমাই দি, তেওঁলোকৰ উন্নততৰ আদৰ্শ আৰু নীতিৰ জোৰত আছুক হটাই দিয়া। তিনি, আছুক বুদ্ধিসন্ধি কৰি এতিয়াই আজিৰ অৱস্থাতে শিক্ষানুষ্ঠানৰ শ্ৰেণীলৈ ওভতাই পঠিয়াই দি সংগ্ৰামৰ ফাকা ময়দানত উল্‌ফা বা আৰ এছ এছ-ক স্বাগত জনাবলৈ সাজু হোৱা। (উল্‌ফা আৰু আৰ এছ এছ অপেক্ষাকৃত ভাবে অধিক শক্তিশালী আৰু সংগঠিত আৰু তেওঁলোকৰ আবেদনত মোহিনী আছে।)

## কম বিপজ্জনক কোন

আছুৰ প্ৰতি বহুতৰে বিৰাগৰ কাৰণ, আছু। অগপ-আছুক বেয়া পাবলৈ আনে বেলেগে লগাই উচটাই দিয়াৰ প্ৰয়োজন নাথাকে। তথাপি, এনেকুৱাও হ'ব পাৰে যে অসমৰ ৰাজনীতিত হিতেশ্বৰ শইকীয়াৰ চৰকাৰী উপস্থিতিয়ে আৰু তেওঁ ক্ষমতাত বহিল যেতিয়া থাকিবই বুলি হোৱা এটা ধাৰণাই কিছুমানক আছুৰ বিৰুদ্ধে অত্যুৎসাহী হৈ লাগি যাবলৈ অনুপ্ৰাণিত কৰিব পাৰে। তেওঁলোকৰ ভাবটো হয়তো এনেকুৱা যে আছু 'ময়দান'ত থাকিলে শইকীয়াৰ বিপদ ঘটাব পাৰে আৰু সেইটোৱেই ন'হলেও, তেওঁলোকে শইকীয়া চৰকাৰৰ লগত নিত্য সংঘৰ্ষৰ ভংগী এটা লৈ অনবৰতে অশান্তি কৰি থাকিব পাৰে। এই সকল উৎসাহীয়ে ভাবি চোৱা দৰকাৰঃ আছু গলে যিসকল আহিব সেই সকল কম বিপজ্জনক হ'ব বুলি তেওঁলোক নিশ্চিত নেকি? ধৰক, মই ভবাৰ দৰে, উল্‌ফা বা আৰ এছ এছ যদি আহে, তেতিয়া শইকীয়াই চম্ভালিবলৈ বা মকামিলা কৰিবলৈ অধিক সুবিধা পাব নেকি?

আহিব লগা দিনবোৰ অতি ভয়াবহ হৈ পৰাৰ আশংকা আছে। সংকটে; সংঘাতে এনে ভয়ংকৰ বিস্ফোৰণ ঘটাব যাৰ নজিৰ হয়তো নাই, যাৰ অভিজ্ঞতা আমাৰ হোৱাই নাই। শইকীয়াই সেইবোৰ দিন বগল দি মাৰি পাৰ হ'ব নোৱাৰিব। সেই দিনবোৰত, সংগ্ৰামৰ ক্ষেত্ৰত কোন থকাটো কম বিপজ্জনক হ'ব সেইটো শইকীয়াৰ বাবে উদ্বিগ্ন হোৱা সকলে দকৈ ভাবি চোৱা ভাল।

আছু এপাত অস্ত্ৰৰ দৰে; আচলতে, মহাকাব্যৰ সেই বিখ্যাত ধনুবোৰৰ দৰে – যেয়ে দাঙিব পাৰিব, গুণ লগাব পাৰিব আৰু কাঁড় জুৰি ভিৰাব পাৰিব, সেয়ে লক্ষ্যভেদ কৰাৰ সম্ভাৱনা থাকিব। শইকীয়াৰ পক্ষৰ পৰা তেনেকুৱা চেষ্টা কৰা নহ'ব বুলি ক'ব নোৱাৰি।

আকৌ, শইকীয়া চৰকাৰ সমুখীন হোৱা পৰিস্থিতিও এপাত অস্ত্ৰৰ দৰে; শইকীয়াৰ নিজৰ আয়ত্তত নাথাকিলে, এই পাত অস্ত্ৰ কাৰ হাতত থকাটো তেওঁৰ বাবে অধিক নিৰাপদ বা কম বিপজ্জনক হ'ব, আছুৰ হাতত নে উল্‌ফাৰ হাতত নে আৰ এছ এছ-ৰ হাতত – সেইটোও শইকীয়াক দেখি উদ্দীপিত হোৱা সকলে ভাবি চোৱা ভাল হ'ব।

**আজি আছুক প্ৰসংগ কৰি লৈ অলপ সৰহ চিন্তা কৰিলো, একেলগে।** ■





# আছুৱে নতুন ভূমিকা লব পাৰিবনে?

গিৰীশ চন্দ্ৰ শৰ্মা

১৯৮৫ চনৰ ডিচেম্বৰ মাহৰ কোনোবা এটা দিনত ৰাজস্থানৰ সাংবাদিকতাৰ মহীৰুহ শ্ৰীকৰ্পূৰ চন্দ্ৰ কুলিশৰ পৰা এখন চিঠি পাইছিলো। চিঠিখনত শ্ৰীকুলিশে লিখিছিলঃ 'সদৌ অসম ছাত্ৰ সন্থা বা আছুৱে পৃথিৱীত এক বিৰল দৃষ্টান্ত ৰাখি থৈ গ'ল, ছবছৰীয়া আন্দোলন কৰি, অসমত বিদেশী নাগৰিকৰ ভয়াবহ সমস্যা দেশবাসীৰ সমুখত সম্যকৰূপে উপস্থাপন কৰি। সম্প্ৰতি সেই ছাত্ৰ নেতাসকলে শাসনৰ বাঘজৰি হাতত লৈছে। এই নতুন অভিজ্ঞতাৰ পৰিস্থিতিত এই নেতা সকলে কেনেভাবে শাসন চলাবলৈ বিচাৰে আৰু তেওঁলোকৰ সমুখত কি সুদূৰ প্ৰসাৰী লক্ষ্য আছে তাৰ ওপৰত ভিত্তি কৰি এটা দীঘলীয়া প্ৰবন্ধ লাগে।' ভাল লাগিছিল অসমৰ এই ছাত্ৰ সকলে ছবছৰীয়া আন্দোলনৰ মাধ্যমত সমগ্ৰ দেশতে আনকি বিদেশতো এটা সাংঘাতিক ভাবমূৰ্তিৰ সৃষ্টি কৰাৰ বাবে। শ্ৰীকুলিশ ডাঙৰীয়াই বিচৰা মতে 'ৰাজস্থান পত্ৰিকা'লৈ প্ৰবন্ধটো পঠিয়াইছিলো। দুটা সংখ্যাত প্ৰকাশ কৰিছিল ইংৰাজী আৰু হিন্দী উভয় সংস্কৰণতে। আছুক তেতিয়া ইমান ভাল লাগিছিল যে তেতিয়াৰ ছাত্ৰনেতা আছুৰ সভাপতি শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত আৰু সাধাৰণ সম্পাদক শ্ৰীভৃগু কুমাৰ ফুকনক একোজন পৰিণত বয়সৰ পৰিপক্ক ৰাজনীতিক যেন লাগিছিল। তেওঁলোক ক্ষমতালৈ অহাৰ ফলত অসমৰ প্ৰশাসনৰ বুৰঞ্জীত এটা নতুন অধ্যায়ৰ সূচনা হোৱাৰ উপৰিও, অসমৰ জ্বলন্ত সমস্যাবোৰে প্ৰথমবাৰৰ বাবে প্ৰকৃত দিশত সমাধানৰ পথ বিচাৰি পাব বুলি মনত দৃঢ় আশাৰ সঞ্চাৰ হৈছিল। সেয়েহে মোৰ লেখাটোৰ মাজত অজানিতে আবেগ অনুভূতি সোমাই পৰিছিল। ১৯৬৯ চনত সদৌ অসম ছাত্ৰ সন্থাই সকলোৰে মনোযোগ আকৰ্ষণ কৰাৰ সময়ৰ পৰা ১৯৭২ চনৰ মাধ্যম আন্দোলন, ১৯৭৪ চনৰ খাদ্য আন্দোলন আৰু ১৯৭৯-৮৫ চনৰ বিদেশী বিতাড়ন আন্দোলনলৈকে সকলো সময়তে জনসাধাৰণৰ উচ্ছ্বাসপূৰ্ণ সমৰ্থন পাবলৈ সক্ষম হৈছিল। আছু যেন অসমৰ স্বাৰ্থৰ বাবে মাত মতা একমাত্ৰ অনুষ্ঠান তেনে এটা বিশ্বাস জন্মিছিল জনমানসত। সেয়েহে আছুৱে দিয়া যিকোনো আহ্বানৰ প্ৰতি জনসাধাৰণে অকুণ্ঠ সঁহাৰি দিছিল। গাঁৱৰ নিৰক্ষৰ পুৰুষ-মহিলাৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়ৰ প্ৰবীণ অধ্যাপকলৈ সকলোৱে সমানে সঁহাৰি দিয়া আছুৰ দৰে অনুষ্ঠান সমগ্ৰ দেশতে পাবলৈ নাই। ১৯৮৫ চনলৈকে আছুৰ সকলো কথাই আমাৰ মনঃপূত হৈছিল। ভাল পাইছিলো আৰু মনেপ্ৰাণে বিশ্বাস কৰা আছুৰ এই ভূমিকাৰ কথা অসমৰ বাহিৰৰ বাতৰি কাকতত ধাৰাবাহিক ভাবে লিখিছিলো। বিদেশী বিতাৰণ আন্দোলন ছবছৰ ধৰি চলা কালত প্ৰফুল্ল-ভৃগু অসমৰ জনগণৰ চকুৰ মণি হৈ পৰিছিল। কিন্তু ভাবমূৰ্তি থানবান হৈ গৈছিল আছু নেতা সকল অগপ নেতা হোৱাৰ সময়ত। ১৯৮৫ চনৰ পৰা আছু যেন ক্ৰমে ক্ৰমে নেপথ্যলৈ গৈ নিষ্ক্ৰিয় হৈ পৰিছিল। তেওঁলোকে গুৰুত্ব নোপোৱা হৈ আহিল। কেৱল মাথো বিবৃতি ছপাই সাংবাদিকতা কৰা একাংশ অসমৰ কাগজতে, আছুৰ এনে অৱস্থিতি অনুভব কৰা হৈছিল। বাস্তৱত তেওঁলোকৰ প্ৰভাৱ অনুভূত নহৈছিল। বৰ্তমান সময়তো আছুৰ অৱস্থিতিৰ উন্নতি হোৱা নাই।

১৯৭২ চনত আছুৱে সফলতাৰে অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম কৰাৰ দাবীত আন্দোলন চলাওঁতে জনসাধাৰণৰ অকুন্ঠ সমৰ্থন পাবলৈ সক্ষম হৈছিল। তেতিয়াৰ ৰাজ্য চৰকাৰ বিব্ৰত হৈ পৰিছিল। শেষত এই আন্দোলন সফল হৈছিল। অসমীয়া ভাষা শিক্ষাৰ মাধ্যম হৈ পৰিছিল। অৱশ্যে উত্তৰ-পূৰ্বাঞ্চলৰ পৰিস্থিতিলৈ লক্ষ্য ৰাখি ইংৰাজীকো শিক্ষাৰ মাধ্যম হিচাপে ৰখা হৈছিল। মন কৰিব লগীয়া কথা যে উত্তৰ-পূৰ্বাঞ্চলৰ সংহতিত ইংৰাজী মাধ্যমৰ বিশেষ ভূমিকা আছে। অসমৰ স্কুল কলেজলৈ উত্তৰ-পূৰ্বাঞ্চলৰ ছাত্ৰ-ছাত্ৰী পঢ়িবলৈ আহিছিল আৰু শিক্ষাদানৰ মাধ্যম ইংৰাজী হোৱাৰ ফলতহে এইটো সম্ভৱপৰ হৈছিল। এই কথা ভাৰতৰ ক্ষেত্ৰতো খাটে। ইংৰাজে ভাৰত দখল কৰাৰ পিছত সমগ্ৰ দেশতে ইংৰাজী ভাষা প্ৰচলন কৰাৰ পিছতহে ভাৰতৰ বিভিন্ন অঞ্চলৰ মানুহৰ মাজত আবেগিক ঐক্য আৰু সংহতিৰ বান্ধোন দৃঢ়তৰ হৈছিল।

অসমত মাধ্যম আন্দোলন চলি থকাৰ সময়তে পাঞ্জাৱ চৰকাৰে তেওঁলোকৰ ৰাজ্যত হোৱা সেউজ বিপ্লৱৰ অগ্ৰগতি চাবলৈ পাঞ্জাৱত ভ্ৰমণ কৰাৰ সুযোগ দিছিল। সমগ্ৰ পাঞ্জাৱ ৰাজ্যত ভ্ৰমণ কৰাৰ উপৰিও পাতিয়ালাৰ পাঞ্জাৱী ইউনিভাৰ্চিটিলৈ গৈছিলো। উপাচাৰ্য আৰু অন্যান্য কেইবাজনো মুৰব্বী অধ্যাপকক লগ পাইছিলো। অন্যান্য কথাৰ লগতে মই পাঞ্জাৱ ইউনিভাৰ্চিটিৰ শিক্ষাৰ মাধ্যমৰ কথা গম লৈ জানিব পাৰিলো যে সেই বিশ্ববিদ্যালয়ৰ মাধ্যম দুটা ইংৰাজী আৰু গুৰুমুখী। বহুদিনৰ পৰা চলি আছে। কিন্তু ছাত্ৰৰ সংখ্যা ইংৰাজীতহে বেছি গুৰু মুখীত নগণ্য। 'গুৰু মুখীত একোটা ক্লাছত আঠ-দহজন ছাত্ৰ-ছাত্ৰী কিন্তু ইংৰাজীত ১৫০-ৰ পৰা ২০০।' তথাপি মাধ্যম আন্দোলনত আমি আছুৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছিলো।

আছুৱে ১৯৭৪ চনত চলোৱা খাদ্য আন্দোলনৰ সময়ত জনসাধাৰণৰ সঁহাৰি দেখি অবাক হৈছিলো। নগাওঁৰ ভুৰাবন্ধাত পুলিচে গুলি চালনা কৰিব লগীয়া হৈছিল আৰু পুলিচৰ গুলি চালনাত দুজন হাইস্কুলীয়া ছাত্ৰ ছহিদ হৈছিল। অৰ্থনৈতিক ইচ্যুৰ ওপৰত আন্দোলন কৰা অতি জটিল কাম। কিয়নো তেনে ইচ্যুৰ প্ৰতি জনসাধাৰণৰ সমৰ্থন আদায় কৰা অতি

কঠিন কাম। আছুৰ এই আন্দোলনে আনকি প্ৰগতিশীল ভাবধাৰাৰ বাওঁপন্থী বুদ্ধিজীৱী সকলৰো সমৰ্থন আদায় কৰিবলৈ সক্ষম হৈছিল। যিবোৰ ৰাজনৈতিক শক্তিয়ে সাধাৰণতে আছুক সমৰ্থন নকৰে সেই সকলেও খাদ্য আন্দোলনত আছুক সমৰ্থন কৰি সহযোগিতাৰ হাত আগবঢ়াইছিল। চৰকাৰেও ব্যৱস্থা লবলৈ বাধ্য হৈছিল। অসমত উৎপাদিত ধান চাউল যাতে অপৰিকল্পিত ভাবে বাহিৰলৈ ওলাই যাব নোৱাৰে চৰকাৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ ফলত দুটা লাভ হৈছিলঃ (১) খেতিয়ক সকলে উৎপাদিত সামগ্ৰীৰ ন্যায্য মূল্য পাবলৈ সক্ষম হৈছিল আৰু (২) ৰাজ্য চৰকাৰৰ হাতত ধান-চাউল মজুত থকাৰ ফলত বজাৰত মূল্যৰেখা উঠা-নমা নকৰাকৈ প্ৰায় সুস্থিৰ অৱস্থাত আছিল। চৰকাৰ তথা জনসাধাৰণে খাদ্যৰ ভঁড়াল গঢ়ি তোলাৰ আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থা গঢ়ি তোলাৰ গুৰুত্ব উপলব্ধি কৰাৰ ফলত খাদ্য শস্যৰ বজাৰখন অসমত আজিও অন্যান্য নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ তুলনাত সুস্থিৰ থকা বুলিয়েই ক'ব পৰা যায়। মিঠাতেল বা দাইলৰ কিলোত দুটকা আঢ়ৈ টকা বঢ়াৰ সময়ত চাউলৰ কিলোত ৪০/৫০ পইছাহে বাঢ়িছে। আছুৰ সেই অৰ্থনৈতিক আন্দোলনৰ ফল আজিও অব্যাহত আছে, কিন্তু বৰ্তমান সময়ত আছুৱে যদি নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ বিতৰণ ব্যৱস্থা শক্তিশালী কৰাৰ বাবে আন্দোলন চলাই সমগ্ৰ ৰাজ্যতে ভঁড়াল গঢ়ি তোলাৰ বাবে চৰকাৰক বাধ্য কৰিব পাৰে আৰু এই ভঁড়ালৰ সুবিধা তৃণমূল পৰ্যায়লৈ শিপাই যায় তেনেহলে বজাৰত সঘনে দেখা দিয়া কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি মূল্যবৃদ্ধিৰ সুযোগ লোৱা এচাম সমাজ বিৰোধী লোক কাবু হৈ থাকিব। সৰ্বসাধাৰণ ৰাইজেও সকাহ পাব।

মাধ্যম আন্দোলনৰ পৰা খাদ্য আন্দোলনলৈকে আছুৱে সঠিক পথেৰে অগ্ৰসৰ হৈ থকাৰ উপৰিও এটা শুভফলদায়ক জনমত সৃষ্টি কৰাত সফল হোৱা বুলি কব পাৰি। অসমত সময়ে সময়ে বিভিন্ন ৰাজনৈতিক দলেও অৰ্থনৈতিক বিষয়ৰ (ইচ্যুৰ) ওপৰত আন্দোলন কৰিছিল আৰু কৰি আছে। কিন্তু কোনেও আছুৰ দৰে ইমান সফল হ'ব পৰা নাই। ইমান ব্যাপক জনসমৰ্থন আদায় কৰিব পৰা নাই। সেয়েহে ইয়াৰ বাবে ছাত্ৰ সন্থা যেনেকৈ প্ৰশংসাৰ যোগ্য তেনেকৈ ১৯৭৪ চনৰ পিছৰ পৰা অৰ্থনৈতিক ইচ্যুৰ প্ৰতি গা-এৰা দিয়া মনোভাব প্ৰদৰ্শন কৰাৰ বাবে সমালোচনাৰো সন্মুখীন হৈছে।

আছুৰ ভূমিকাই অভিলেখ সৃষ্টি কৰে ১৯৭৯ চনৰ পৰা ১৯৮৫ চনৰ আগষ্টলৈকে বিদেশী বিতাড়নৰ দাবীত চলোৱা আন্দোলনৰ বাবে। সেই আন্দোলনৰ সময়ছোৱাত আছুৱে অসমীয়া মানুহৰ স্বতঃস্ফূৰ্ত সমৰ্থন লাভ কৰাৰ উপৰিও সমস্যাটোৰ গভীৰতা আৰু ইয়াৰ ভয়াবহতা সম্পৰ্কে সমগ্ৰ দেশবাসীকে সম্যকৰূপে অৱগত কৰাব পাৰিছিল। ন্যস্ত স্বাৰ্থ আৰু অসমৰ বাহিৰৰ অসম বিৰোধী চক্ৰই আৰু সেই চক্ৰৰে হাতৰ মুঠিত থকা একাংশ মেট্ৰ'পলিটান বাতৰি কাকতে এই আন্দোলনৰ ভুল ব্যাখ্যা দিবলৈ কৰা অপচেষ্টা বিফল হৈছিল। কাৰণ সমস্যাটোনো কি ভাৰতৰ উত্তৰ,পশ্চিম আৰু দক্ষিণৰ জনসাধাৰণে বুজি পাইছিল। অসমত বিদেশী বিতাড়নৰ ব্যৱস্থা হাতত ল'লেই 'ভাৰতীয় নাগৰিকক হাৰাশাস্তি' কৰা বুলি হৈ-চৈ লগোৱা সকলে পাৰ পোৱা নাছিল।

অসমলৈ যদি অবাৰিত হাৰত বিদেশী নাগৰিকৰ প্ৰব্ৰজন হৈ থাকে তেনেহলে অসমৰ খিলঞ্জীয়া মানুহে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক অস্তিত্ব হেৰুৱাই ত্ৰিপুৰাৰ জনজাতীয় ৰাইজৰ দৰে সংখ্যা লঘিষ্ঠত পৰিণত হৈ অপমান আৰু বঞ্চনাৰ জীৱন যাপন কৰিব লাগিব। প্ৰকৃততে তেনে এটা পৰিস্থিতিৰ সৃষ্টি হওঁ হওঁ অৱস্থা হৈছিল। আছুৱে কৰা এই অদ্বিতীয় আন্দোলনৰ ফলত অসমৰ খিলঞ্জীয়া মানুহ সেই চৰম দুৰ্ভাগ্যৰ পৰা আপাততঃ হাত সাৰিল যদিও প্ৰব্ৰজনৰ সোঁত যদি বন্ধ কৰিব পৰা নহয় তেনেহলে অন্য সংখ্যা গৰিষ্ঠই ক্ষমতা দখল কৰাত কোনেও বাধা দি তিষ্ঠিব নোৱাৰিব।

আছুৱে ১৯৮০ চনৰ ২ অক্টোবৰত তেতিয়াৰ প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ হাতত অৰ্পণ কৰা স্মাৰকপত্ৰত লিপিবদ্ধ কৰা সাতটা দাবীয়েই আছিল আছুৰ দিগদৰ্শনকাৰী আন্দোলনৰ কেন্দ্ৰবিন্দু। সেই দাবী পূৰণৰ মাজত আছিল অসমৰ খিলঞ্জীয়া মানুহৰ নিৰাপত্তা, স্বাৰ্থৰক্ষা আৰু সন্মানজনক ভাবে বসবাস কৰাৰ নিশ্চয়তা। সেই সাতদফীয়া স্মাৰকপত্ৰ আছিল তলত দিয়া ধৰণৰঃ

(১) বিদেশী নাগৰিকক চিনাক্ত কৰি আমাৰ দেশৰ পৰা বিতাৰণ কৰিব লাগিব।

(২) ক। অসমত যিকোনো নিৰ্বাচন অনুষ্ঠিত কৰাৰ আগতে ভোটাৰ তালিকাৰ পৰা বিদেশী নাগৰিকৰ নাম আঁতৰ কৰিব লাগিব।

খ। ভৱিষ্যতে বিদেশী নাগৰিকে ভোটাৰ তালিকাত নাম ভৰ্তি কৰাটো অসম্ভৱ কৰি তুলিব লাগিব আৰু তাৰ বাবে নিৰ্বাচনী যন্ত্ৰটো পৰ্যাপ্ত আৰু শক্তিশালী কৰিব লাগিব।

(৩) অনুপ্ৰৱেশত সম্পূৰ্ণৰূপে আৰু কাৰ্যকৰী ভাবে বাধা দিয়াৰ বাবে প্ৰতিবেশী ৰাষ্ট্ৰৰ সৈতে থকা ভাৰতৰ সীমা সুৰক্ষিত কৰিব লাগিব।

(৪) অসমত বাসকৰা ভাৰতীয় ভোটাধিকাৰ প্ৰাপ্ত লোকক ফটোগ্ৰাফ লগোৱা পৰিচয় পত্ৰ দিব লাগিব।

(৫) অহা ১৫/২০ বছৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ খিলঞ্জীয়া লোকক অস্তিত্ব ৰক্ষাৰ বাবে সাংবিধানিক ৰক্ষা কবচ দিয়াৰ বাবে প্ৰয়োজনে হলে সাংবিধানিক ব্যৱস্থা হাতত লব লাগিব।

(৬) পশ্চিমবংগ আৰু ত্ৰিপুৰাৰ জিলা কৰ্তৃপক্ষই দিয়া নাগৰিকত্বৰ প্ৰমাণ পত্ৰ অগ্ৰাহ্য কৰাৰ বাবে অসম চৰকাৰক কৰ্তৃত্ব দিব লাগিব।

(৭) আমি দাবী কৰো যে ৰাজ্য চৰকাৰ সমূহৰ নাগৰিকত্বৰ প্ৰমাণ পত্ৰ দিয়াৰ কৰ্তৃত্ব ৰহিত কৰিব লাগে যাতে ধৰা পৰা বিদেশীয়ে নাগৰিকত্বৰ প্ৰমাণ পত্ৰ আহৰণ কৰি সাৰি যাব নোৱাৰে।

ইয়াৰ উপৰিও ছাত্ৰ সন্থাই কিছুমান দাবী কৰিছিল যেনেঃ ১৯৫১ চনৰ নাগৰিকৰ ৰাষ্ট্ৰীয় পঞ্জীৰ (এন আৰ চি) বৰ্তমান সময়লৈ সংশোধন। ৰাষ্ট্ৰীয় পঞ্জী বৰ্তমান সময়লৈকে সম্পূৰ্ণ কৰি তোলোতে ১৯৫২ চনৰ পৰা প্ৰস্তুত কৰা ভোটাৰ তালিকাৰ সহায় লোৱা। গাওঁ, নগৰ আৰু পঞ্চায়ত পৰ্যায়ত জন্ম-মৃত্যুৰ পঞ্জীয়ন বাধ্যতামূলক কৰা আৰু সীমান্তত চেক পষ্টৰ সংখ্যা বৃদ্ধি কৰি ইটোৰ পৰা সিটো দৃশ্যমান কৰা।

সন্দেহ নাই আছুৱে এই কেইটা দাবীৰ ভিত্তিতে ছবছৰ জোৰা আন্দোলন চলাইছিল কিন্তু শেষলৈ অলপ দিশহাৰা হোৱাৰ দৰে হৈছিল প্ৰধান মন্ত্ৰী শ্ৰীমতী গান্ধীয়ে 'যি কৰে কৰক একো নকৰো' মনোভাব লোৱাৰ বাবে। কাট অফ বছৰতে আলোচনা ৰুদ্ধ হৈ গৈছিল। প্ৰধান মন্ত্ৰী তথা ভাৰত চৰকাৰে কৈছিল ১৯৭১ চন। ছাত্ৰ সন্থাই বিচাৰিছিল ১৯৫১ চন। অৱশেষত ইন্দিৰা গান্ধী ইমানলৈ নামি আহিছিল যে তেওঁ ১৯৭১ চনৰ পৰা কাম আৰম্ভ কৰিবলৈ বিচাৰিছিল আৰু লগতে এটা সিদ্ধান্তত উপনীত হোৱাৰ বাবে আলোচনা চলাই থকাৰ প্ৰস্তাৱত সন্মত হবলৈ আছুক জোৰ দি ধৰিছিল। আছুৱে সেই প্ৰস্তাৱ নামঞ্জুৰ কৰি দিলে। ইন্দিৰা গান্ধীয়েও মনোভাব কঠোৰ কৰিলে। ইতিমধ্যে ৰাজ্যৰ প্ৰশাসন যন্ত্ৰই এনেভাবে কাম কৰিবলৈ ধৰিলে যে আন্দোলনৰ প্ৰভাৱ কমি আহিল। আহ্বানৰ প্ৰতি সঁহাৰি নজনোৱা হৈ আহিল।

ইন্দিৰা গান্ধীৰ আততায়ীৰ হাতত মৃত্যু হোৱাৰ পিছত ৰাজীৱ গান্ধীয়ে লোৱা সিদ্ধান্তৰ ফলত ছাত্ৰ সন্থাৰ মুখ ৰক্ষা পৰিল। কিন্তু লাভ একো নহ'ল। ১৯৭১ চনকে বিদেশী খেদাৰ ভিত্তিবৰ্ষ হিচাপে মানি ল'লে। ১৯৬৬ চনৰ পৰা ১৯৭১ চনৰ ভিতৰত অহা সকলক চিনাক্ত কৰি পঞ্জীয়ন ভুক্ত কৰি দহ বছৰৰ বাবে ভোটাধিকাৰ ৰহিত কৰি পুনৰ ভাৰতীয় নাগৰিক কৰাৰ ব্যৱস্থা কৰা হ'ল। আন্দোলন কৰিছিল বিদেশী খেদাৰ বাবে কিন্তু সিদ্ধান্ত হ'ল বিদেশীক ভাৰতীয় কৰি ৰখাৰ বাবে। মুখ বচাবৰ কাৰণে চুক্তি কৰি আছুৱে জনসাধাৰণক বিশ্বাসঘাতকতা কৰিলে। অগপ গঠন কৰি ক্ষমতালৈ অহাৰ বাবে উদ্বাউল হৈ উঠিল। বিদেশী নাগৰিকৰ সমস্যাটোলৈ পিঠি দি অগপ-ৰ নেতা সকল সোণৰ সংসাৰ গঢ়াত লাগিল। চল্লিশ লাখ বিদেশী থকা বুলি কোৱা অগপ-ৰ নেতা সকলে পাঁচ বছৰত পাঁচশ বিদেশীও বহিষ্কাৰ কৰিব নোৱাৰিলে। ব্যৰ্থতাৰ আৰু ইয়াতকৈ ডাঙৰ অভিলেখ কি লাগে?

আছুৰ নেতাই অগপ সৃষ্টি কৰি ক্ষমতাত অধিষ্ঠিত হোৱাৰ পিছৰ পৰাই আছুৱে অসমৰ জনজীৱনত কোনো ভূমিকা লব পৰা নাছিল। গতানুগতিক ভাবে খবৰৰ কাগজত বিবৃতি দিয়াৰ বাহিৰে আন একো কাম কৰা প্ৰতীয়মান নহ'ল। বিদেশী নাগৰিকৰ পৰা ৰাজ্যখনক মুক্ত কৰি খিলঞ্জীয়া মানুহৰ আৰ্থিক, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক অস্তিত্বৰ ৰক্ষাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ অগপ-ক প্ৰতিশ্ৰুতি ৰক্ষাৰ বাবে বাধ্য কৰোৱাৰ উদ্দেশ্যে আছুৱে আন্দোলন কৰা উচিত আছিল।

১৯৮৫ চনৰ আগলৈ জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলো ছাত্ৰকে আছুৱে সামৰি লৈছিল কিন্তু অগপ ক্ষমতালৈ অহাৰ পিছত আছুৰ সেই সৰ্বাত্মক ৰূপ থানবান হৈছিল। শিক্ষা দীক্ষা পোৱাৰ পিছত একাংশ ছাত্ৰ পুনৰ গোষ্ঠীগত স্বাৰ্থলৈ উভতি গৈছিল। সকলোকে একমুঠ কৰি ৰখা আছুৰ বান্ধোন খহি গৈছিল নেতৃত্বৰ দুৰ্বলতাৰ বাবে। ভৈয়ামৰ জনজাতি সমূহৰ ছাত্ৰ সকলো আছুৰে সদস্য আছিল। কিন্তু তেওঁলোকো আঁতৰি গৈ গোষ্ঠীগত সংগঠন খুলিলে। অৱশ্যে ৰাজনৈতিক আকাংক্ষা প্ৰবল হৈ উঠিলে সামূহিক বান্ধোনত বান্ধ খুৱাই ৰখা টান। তথাপি অপযশটো আছুৰে হ'ল।

১৯৮৫ চনৰ আছু আৰু ১৯৭৯ চনৰ আছুৰ মাজত বহুত পাৰ্থক্য আছে। অগপৰ ৰাজত্বকালত ভালে সংখ্যক আছুৰ নেতাক অনবৰত জনতা ভৱনতে দেখা গৈছিল। বহুতে তেওঁলোকক দালালৰ চকুৰেই চাইছিল। অগপ-ৰ এজন জ্যেষ্ঠ মন্ত্ৰীয়ে এবাৰ আমাক কৈছিল আছুৰ কেইজনমান নেতাই নিযুক্তি আৰু ঠিকা ঠুকলিৰ বাবে তালিকা এখন গোপনে তেওঁৰ হাতত দাখিল কৰিছিল। সেই তালিকা মৰ্মে কাম কৰিব নোৱৰাৰ বাবে আছুৰ নেতাই সেই অগপ মন্ত্ৰীজনৰ বিৰুদ্ধে বাতৰি কাকতত বিবৃতি দিছিল। আছুৰ দৰে এটা অনুষ্ঠানৰ নেতাৰ ইয়াতকৈ বেছি অধঃপতন আৰু কি হ'ব পাৰে? আছুৱে অৰাজনৈতিক চৰিত্ৰ অক্ষুণ্ন ৰখাৰ কথা কৈছিল কিন্তু ৰাখিব পৰা নাছিল।

প্ৰফুল্ল-ভৃগুৰ পাছত ছাত্ৰ সন্থাৰ কোনো সভাপতি আৰু সাধাৰণ সম্পাদকে জনসাধাৰণৰ ওপৰত প্ৰভাৱ পেলাব পৰা নাছিল। তেওঁলোকক সচেতন জনমতে উপেক্ষাই কৰিলে। কথা, কাম, কাৰ্যসূচী কোনোটোৰে আছুৱে জনসাধাৰণক আকৰ্ষিত কৰিব নোৱৰা হ'ল। আছুৱে আহ্বান দিলেই হাজাৰ বিজাৰ লোক ৰাজপথলৈ ওলাই অহা একেখিনি মানুহ বীতশ্ৰদ্ধ হৈছিল প্ৰাক্তন ছাত্ৰ নেতা সকলৰ বিৰুদ্ধে অহা অভিযোগ দেখি। অসমত এতিয়ালৈকে গঠিত কোনোখন মন্ত্ৰী সভাৰ বিৰুদ্ধে দুৰ্নীতিৰ ইমান ৰুঢ় অভিযোগ অহা নাছিল যিমান আহিছিল অগপ-ৰ বিৰুদ্ধে। ছাত্ৰ সন্থাই অভিযোগ কৰিছিল হিতেশ্বৰ শইকীয়াৰ চৰকাৰ দুৰ্নীতিগ্ৰস্ত আছিল। অবৈধ আছিল। কিন্তু ক্ষমতা পোৱাৰ পিছত তেওঁলোকে কিয় সেই অভিযোগ সাব্যস্ত কৰিব নোৱাৰিলে? পাৰিব লাগিছিল। নোৱৰাৰ ফলত তেওঁলোকৰ অভিযোগ সমূহেই ফোঁপোলা আছিল বুলি মানুহে পতিয়ন যাবলৈ বাধ্য।

যিসকলে হিতেশ্বৰ শইকীয়াক দুৰ্নীতিৰ অভিযোগত অভিযুক্ত কৰি তেওঁক ব্ৰাত্য কৰি তুলিছিল সেই সকলৰ চকুৰ আগতে এইবাৰ নাজিৰাৰ পৰা শইকীয়াই সৰ্বাধিক ভোটত নিৰ্বাচিত হৈ অহাত আৰু তেওঁৰ দলে নিৰংকুশ সংখ্যা গৰিষ্ঠতা লাভ কৰাটোৱে অভিযোগকাৰী সকলৰ ব্যৰ্থতাৰ কথাকে সূচাইছে।

ব্যক্তিৰ দৰে অনুষ্ঠানেও ভুল কৰে। আছুৱে বিগত ছবছৰত ভুল কৰা বুলি যদি আমি ধৰি লওঁ তেনেহলে ভৱিষ্যতে তাক শুধৰাই লোৱাৰো অৱকাশ আছে। আছুৱে নিৰপেক্ষভাবে আত্মচিন্তন কৰা উচিত। অৰ্থনৈতিক ইচ্যুত আন্দোলন চলাই আছু সফল হৈছিল ভৱিষ্যতেও ৰাজ্যখনৰ অনগ্ৰসৰতা দূৰীকৰণৰ বাবে আন্দোলনত নামিব পাৰে। মূল্যবৃদ্ধি, কৃত্ৰিম নাটনি, মজুতদাৰী, ফটকা বজাৰ, ক'লা বজাৰ আৰু ভেজাল আদিৰ বিৰুদ্ধে আছুৱে আন্দোলন চলাই যোৱাই নহয়, ভৱিষ্যতে এই ক্ষেত্ৰত এক গঠনমূলক ভূমিকা গ্ৰহণ কৰি হৃত গৌৰৱ উদ্ধাৰ কৰিব পাৰে। কৰা উচিত।

সীমান্তৰ সিপাৰৰ পৰা এতিয়াও হৈ থকা অনুপ্ৰৱেশৰ বিৰুদ্ধে, অনুপ্ৰৱেশ-কাৰীক ক্ষুদ্ৰ তথা ৰাজনৈতিক স্বাৰ্থত ৰক্ষণাবেক্ষণ দিয়া ৰাষ্ট্ৰদ্ৰোহী লোকৰ বিৰুদ্ধে, ৰাজ্যখনত সকলো শ্ৰেণীৰ লোকৰ মাজত সদ্ভাৱ সম্প্ৰীতিৰ বাবে আছুৱে ভৱিষ্যত কৰ্মপন্থা গ্ৰহণ কৰিলে নিশ্চয় সকলো শ্ৰেণীৰ লোকৰ সমৰ্থন পাব। পুনৰ আগৰ স্থিতিলৈ উভতি যাব পাৰিব।

অসমত গা-কৰি উঠা গোষ্ঠীগত চিন্তাৰ বিপৰীতে ছাত্ৰ সকলৰ মাজত মাত্ৰ একেটা পৰিচয়কে সাব্যস্ত কৰাৰ বাবে এটা বহল মনোভাব গঢ়ি তোলাৰ বাবেও ছাত্ৰ সন্থাই বৰঙণি যোগাব পাৰে। জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে ছাত্ৰ সকলৰ একেটাই পৰিচয় তেওঁলোকে ছাত্ৰ নিজৰ মেধা আৰু মনীষাৰে তেওঁলোকে তেওঁলোকৰ প্ৰাপ্য অধিকাৰ, সুযোগ সুবিধা সাব্যস্ত কৰি লব। যদি ছাত্ৰ সকলে বহল দৃষ্টিভংগী এটা গঢ়ি তুলিব পাৰে তেনেহলে ভাগ ভাগ কৰিব খোজা সকল চিৰদিনৰ বাবে বিপৰ্যস্ত হ'ব। আছুক পুনৰ জনমানসত প্ৰতিষ্ঠা কৰাৰ বাবে আছুৰ নেতা সকলে পুনৰ আগবাঢ়ি আহিব লাগিব।

OKDISC

সাক্ষাৎ নিবন্ধ

# সদৌ অসম ছাত্র সংস্থা

## একবিংশ শতিকাত সোমাবলৈ কিমান সাজু?

**আল্‌ফা আৰু আছু – এই দুয়োটা সংগঠনেই প্ৰতিশ্ৰুতি দিছিল যে নিৰ্বাচনত তেওঁলোক নিৰপেক্ষ হৈ থাকিব। আল্‌ফাই তেওঁলোকৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিলে, কিন্তু আছুৱে নকৰিলে। আছুৰ কাৰ্যকলাপে সংগঠনটোক বিতৰ্কিত কৰি তুলিছে। অসমৰ ৰাজনীতিত আছুৰ ভূমিকা সম্পৰ্কেও নানা প্ৰশ্ন উঠিছে। এই ভূমিকা অসমৰ কাৰণে মংগলজনক হৈছে নে ক্ষতিকাৰক হৈছে? অদূৰ ভৱিষ্যতত আছুৰ কৰ্মসূচী আৰু লক্ষ্যৰ কিবা পৰিবৰ্তন হ'ব নে বা হোৱা উচিত নে? কেইজনমান প্ৰতিনিধি – স্থানীয় ছাত্ৰ-ছাত্ৰীক এই প্ৰশ্নবোৰ সোধা হৈছিল। তেওঁলোকৰ উত্তৰ আৰু সেইবোৰৰ বিশ্লেষণ আগবঢ়াইছে সূত্ৰধাৰৰ প্ৰতিনিধি ভাস্কৰজ্যোতি বৰা আৰু প্ৰাৰ্থপ্ৰতিম দাসে।**

যোৱা প্ৰায় এটা দশকতকৈও অধিক কাল অসমৰ জন-জীৱনৰ সৈতে জড়িত হৈ থকা এটা নাম হ'ল– সদৌ অসম ছাত্ৰ সংস্থা বা চমুকৈ 'আছু'। সত্তৰৰ দশকৰ পৰা অসমৰ সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনত আছুৰ সক্ৰিয় অংশ গ্ৰহণ আৰু প্ৰতিবাদী কণ্ঠই এই সংগঠনক অসম তথা ভাৰতবৰ্ষৰ ভিতৰতে এক অন্যতম বৃহত্তম অৰাজনৈতিক ছাত্ৰ সংগঠন হিচাপে গঢ়ি তুলিছিল। নানা সময়ত এই সংগঠনৰ ভূমিকা লৈ বহু বিতৰ্কৰো সৃষ্টি হৈছিল যদিও 'আছু'ৰ সামগ্ৰিক কাৰ্যকলাপে ইয়াক আটাইবোৰ বিতৰ্কৰ উৰ্ধ্বলৈ লৈ গৈছিল।

১৯৭২ চনত মাধ্যম আন্দোলন আৰু ১৯৭৪ চনৰ খাদ্য আন্দোলনৰ জৰিয়তে জাতীয় জীৱনৰ সংকটৰ অৱস্থাত নিজৰ প্ৰতিবাদী কণ্ঠেৰে 'আছু'ৱে কেৱল ছাত্ৰ-ছাত্ৰী সমাজৰে নহয় ৰাইজৰো ভূয়সী প্ৰশংসাৰ পাত্ৰ হৈছিল। সেই সময়ৰ পৰা ১৯৭৯ চনৰ বিদেশী বহিষ্কৰণ আন্দোলনৰ সময়লৈকে অসমৰ শিক্ষা-সংস্কৃতিৰ কেতবোৰ গুৰুত্বপূৰ্ণ বিষয়তো "আছু"ৱে তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰিছিল। ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ বিদেশী বহিষ্কৰণ আন্দোলনৰ সময়ছোৱাত 'আছু'ৱে অসমত 'জাতীয়তাবাদ'ৰ এক নতুন ধাৰাৰ সৃষ্টি কৰিবলৈ সক্ষম হোৱাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ সাতোখন ৰাজ্যৰ সাতামপুৰুষীয়া সম্প্ৰীতিৰ এনাজৰিডাল কটকটীয়া কৰিবলৈকো কিছু প্ৰচেষ্টা চলাইছিল যদিও বহু কাৰণত এই ধাৰা অব্যাহত নাথাকিল।

এচাম দূৰদৰ্শী গুণী-জ্ঞানী বিজ্ঞ আৰু বয়সৰ অভিজ্ঞতাৰে পুষ্ট লোকৰ মনত তেতিয়া উদ্ভৱ হোৱা চিন্তাবোৰ আজি সাধাৰণ মানুহৰ মনতো উদ্ভৱ হৈছে। এইখিনিতেই আক্ষৰিক অৰ্থত গুণী-জ্ঞানীজন অৰ্থাৎ বুদ্ধিজীৱী আৰু আমাৰ দৰে সাধাৰণ মানুহৰ পাৰ্থক্যখিনিও বিৰাজমান। অৱশ্যে কোন বুদ্ধিজীৱীয়ে কেনেকৈ মাত মাতিলে , কিমান চিঞৰিলে তাৰ হিচাপ ৰখা হোৱা নাই বা এই নিবন্ধৰ উদ্দেশ্যও সেয়া নহয়। কিন্তু অতি কম সংখ্যকে হ'লেও এই বিষয়সমূহ যে উনুকিয়াইছিল তাক পুৰণি কাকত-আলোচনীৰ পাত লুটিয়ালেই পোৱা যাব। কিন্তু ভাৰতবৰ্ষৰ মানুহৰ বিশেষকৈ অসমৰ মানুহৰ এটা স্বাভাৱিক বৈশিষ্ট্য এয়ে যে সমস্যাবোৰে বিশেষ গুৰুতৰ অৱস্থা নোলোৱালৈকে তাত মন-কাণ নিদিয়ে লাগিলে সেই মানুহখিনি চৰকাৰত থকাই হওক বা চৰকাৰৰ বাহিৰত হওক। ধৰি লোৱা হওক এই 'অসমৰ আল্‌ফাৰ সমস্যাটো। এটা সময় আছিল যেতিয়ালৈকে আল্‌ফাই কৈ আছিল– অৰ্থনৈতিক শোষণ বন্ধ কৰিব লাগে, ৰাজ্যসমূহক ফেডাৰেল গাঁথনিৰে পুনৰ্গঠিত কৰিব লাগে, অসমক আৰু শোষণ কৰিলে ভৱিষ্যতৰ পৰিস্থিতি বিষম হব ইত্যাদি। কিন্তু তেতিয়া এই কথাবোৰৰ মাজত কেৱল আৱেগিক উচ্ছ্বাসহে বিচাৰি পোৱা গ'ল। কিন্তু সেই আল্‌ফাই যেতিয়া সংহাৰ মূৰ্তি ধাৰণ কৰিলে– ১00/২00 জনৰ প্ৰাণহানি হ'ল– তেতিয়াই হুৱা-দুৱা লাগিল অসমত শান্তি লাগে, আলোচনা হব লাগে ইত্যাদি। জনসাধাৰণৰ অধিকাংশ শ্ৰেণী স্বাৰ্থৰে পৰিপুষ্ট। বুদ্ধিজীৱীৰো একেই অৱস্থা। কোনোৱেই ইতিহাসৰ উৰ্ধ্বত নহয়। শ্ৰেণী স্বাৰ্থৰ বেৰ ফালি ওলাই আহি যি দুই-চাৰিজনে আৰম্ভণিতে কথাটো উনুকিয়াই যে "এইটো ভাল হৈছে বা বেয়া হৈছে" তেতিয়া তেওঁলোক এঘৰীয়া হব লগীয়া হয়– অৱশ্যে এয়াও ঐতিহাসিক সত্য কিয়নো সূৰ্যৰ চাৰিওফালে পৃথিৱী ঘূৰে বুলি কোৱা কাৰণে গেলিলিঅ' আদিৰ দৰে বিজ্ঞানীও চক্ৰান্তৰ বলি হব লগীয়া হৈছিল। শ্ৰেণীস্বাৰ্থত আঘাত নলগালৈকে মানুহৰ স্বভাৱজাত যি প্ৰবৃত্তিয়ে কাম কৰে সেয়া হ'ল "ঝামেলাত নোসোমোৱাৰ মনোবৃত্তি; প্ৰবল উদাৰতাবাদৰ দ্বাৰা সন্তুষ্টি।" কিন্তু সুফল ধৰি ৰখাৰ বাবে কৰিব লগীয়া কামবোৰ সংশ্লিষ্ট সকলে নকৰাৰ ফলত সামাজিক বিবৰ্তনৰ গতি যেতিয়া মন্থৰ হৈ যায়, অৰ্থনীতিৰ বিকাশ যেতিয়া আশানুৰূপ নহয়, সামাজিক বিশৃংখলা যেতিয়া সৰ্বোচ্চ স্তৰলৈ উত্তৰিত হয় তেতিয়াই আহি পৰে অৰ্থনৈতিক প্ৰক্ৰিয়াটোৱে জন্ম দিয়া তথাকথিত নিৰাপত্তাহীনতা, হতাশাৰ প্ৰশ্ন আৰু উত্থাপিত হয় নিবনুৱা সমস্যা, বৌদ্ধিক শূন্যতা, যুৱ মানসিকতা আৰু প্ৰজন্ম ব্যৱধানৰ দৰে জটিল বিষয়। মাজৰ এই সময়ছোৱাত নিষ্কৰ্মাৰ দৰে বহি বেলেগ যতনাই দিয়া সুফল খোৱাৰ আশাত বহি থাকোতে যেতিয়া নিজৰ ল'ৰাই আহি অন্যান্য দম-দাদাগিৰিৰ লগতে "ভোটি অমুকক নিদিবি...... তমুকক দিবি" বুলি কয়হি, তেতিয়াহে জোঁকাৰ খাই উঠে ইমান দিনৰ সুপ্তাৱস্থা– আৰু আৰম্ভ হয় প্ৰতিৰোধ, নতুনকৈ গঢ়াৰ চিন্তা।

সদৌ অসম ছাত্ৰ সংস্থাৰ বিষয়ে ক'বলৈ গৈ অতি অপ্ৰাসংগিক যেন লগা সামাজিক প্ৰক্ৰিয়াৰ মাজত এই কথাখিনি এই কাৰণেই টানি আনিব লগীয়া হ'ল যে বিষয় বস্তুৰ লগত উৎসতে ওপৰোক্ত বিষয় সমূহৰ এক এৰাব নোৱৰা সম্পৰ্ক আছে।

অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে "কোনোবাই আমাক কোৱা নাই বাবেই আমি আমাৰ নীতি- আদৰ্শৰ পৰা আঁতৰি আহিম" বা দেৰিকৈ কৈছে কাৰণেই আমি নামানো বা আমাৰ যি ইচ্ছা আমি তাকে কৰিম। প্ৰশ্নটো জেদ ধৰাৰ বা বাগি মৰাৰ প্ৰশ্ন নহয়– জাতিৰ সমূহীয়া উন্নয়নৰ প্ৰশ্ন, জাতিৰ ভৱিষ্যতৰ প্ৰশ্ন, গণতন্ত্ৰৰ ভৱিষ্যতৰ প্ৰশ্ন। মানুহ মাত্ৰেই ভুল হয় যদিও বেলেগে ভুলখিনি দেখুৱাই দিলেহে শুদ্ধ কৰিম বুলি বাট চাই থকাটো নেতৃত্বৰ সদিচ্ছা, সামৰ্থ্য আৰু বিচক্ষণতাৰ অভাৱ বুলিয়েই গণ্য হয় আৰু দেখদেখকৈ এই ভুল কৰিলে সদ্যসমাপ্ত নিৰ্বাচনত সদৌ অসম ছাত্ৰ সংস্থাই। '৮৫-ত আছুৰ নেতৃত্বই 'অসম গণ পৰিষদ' নাম লৈ নিৰ্বাচনত নামিল বুলিয়েই ১৯৯১-ৰ নিৰ্বাচনত 'আছু'ৰ চাৰিজন কাৰ্যনিৰ্বাহিকে 'আছু'ত থাকিয়েই এটা বিশেষ ৰাজনৈতিক দলৰ মনোনয়ন লৈ নিৰ্বাচনত নামিল। 'আছু'ৱেও এই ঘটনাক লৈ বৰ হৈ চৈ নকৰি মাত্ৰ সদস্য চাৰিজনক বহিষ্কাৰ কৰিছো বুলি বিবৃতি দিয়েই নিজৰ দায় দায়িত্বৰ পৰা খালাচ হ'ল। কিন্তু এই ক্ষেত্ৰত কোনো স্থায়ী আৰু দীৰ্ঘম্যাদী ব্যৱস্থা গ্ৰহণৰ দ্বাৰা এনে ধৰণৰ প্ৰৱণতাক বাধা দিয়াৰ কোনো ব্যৱস্থা আজিকোপতি পৰিলক্ষিত নহল। যদি বিষয়টোৰ সন্দৰ্ভত কঠোৰ ব্যৱস্থা লোৱা নহয় তেন্তে অহাবাৰৰ 'আছু'ৰ অধিবেশনত নেতৃত্ব লবলৈ আহোতেই যদি কোনোবাই বিশেষ ৰাজনৈতিক দলৰ আনুগত্যশীল হৈ আহি আছুত থকা সময়ছোৱা এই অৰাজনৈতিক বুলি খ্যাত মঞ্চখনক ৰাজনীতিৰ কামত ব্যৱহাৰ কৰে, তাক বাধা দিব পৰা যাবনে? যদি তেনে ঘটনা প্ৰমাণিত হয় তেন্তে 'আছু'ৰ সৈতে অন্যান্য ৰাজনৈতিক দলৰ বহতীয়া ছাত্ৰ সংগঠনবোৰৰ কিবা প্ৰভেদ থাকিবনে?

গণতান্ত্ৰিক শাসন ব্যৱস্থাত ৰাইজে নিজৰ বিচাৰ-বুদ্ধি-বিবেক অনুসৰি ভোটদান কৰি নিজৰ প্ৰতিনিধি নিৰ্বাচন কৰি পঠিয়ায়। বিচাৰৰ বাবে ৰাইজে (বহুদলীয় গণতন্ত্ৰত) ৰাজনৈতিক দলসমূহৰ ইতিহাস, নেতৃত্বৰ সবলতা, বিগত বছৰসমূহৰ কামৰ খতিয়ান, নিৰ্বাচনী ইস্তাহাৰ আৰু ভৱিষ্যতৰ কৰ্মপন্থা আদিক আধাৰ হিচাপে লয়। আৰু এনেদৰেই সংখ্যাগৰিষ্ঠৰ মতামতৰ ওপৰত ভিত্তি কৰি এখন চৰকাৰ গঠন হয়। গণতন্ত্ৰত ৰাইজক সবাতোকৈ শক্তিশালী বুলি গণ্য কৰিব লাগে আৰু মতামতৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰিব লাগে। যদি ৰাইজৰ সংসদীয় গণতন্ত্ৰত আস্থা নাথাকে বা ৰাইজে যদি ভাবে যে গণতন্ত্ৰৰ দ্বাৰা তেওঁলোকক প্ৰতাৰণা কৰা হৈছে তেন্তে তাৰ বাবে তথাকথিত নিৰ্বাচন আদি বৰ্জনৰ মাজেৰে নিজৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ বাবে ৰাইজে প্ৰতিৰোধ গঢ়ি তুলিব পাৰে আৰু অসমত 'আছু'ৰ নেতৃত্বত তেনে এক ঘটনা সংঘটিত হোৱাৰ উদাহৰণ নোহোৱা নহয়। কিন্তু 'গণতন্ত্ৰ'ৰ সংজ্ঞা আৰু পৃথিৱীৰ অন্যান্য গণতান্ত্ৰিক দেশসমূহৰ ইতিহাস বিশ্লেষণ কৰিলে আমি দেখা পাওঁ যে "গণতান্ত্ৰিক শাসন ব্যৱস্থাত ক'তো "ভোট কাম দিম" এই প্ৰশ্নৰ উত্তৰৰ বাবে বাহিৰৰ পৰা কৈ দিয়া বাহিনী নাই– যাৰ নিৰ্দেশনাত ৰাইজে ভোট দিব বা নিদিব। অসমৰ সদ্যসমাপ্ত নিৰ্বাচনত আছুৱে যি নীতি নিৰ্দেশনাৰে ৰাইজক আহ্বান জনাইছিল তাক ৰাইজৰ অধিকাংশই প্ৰত্যাখ্যান কৰিলে। 'অসম গণ পৰিষদ' চৰকাৰ গঠন হোৱাৰ পিছৰ পৰা যোৱা নিৰ্বাচনলৈকে বহুজনে বহু ধৰণে 'আছু'ক বিভিন্ন সময়ত সমালোচনা কৰিছে।

কিন্তু প্ৰকৃতাৰ্থত কথাষাৰ সত্যনে? যোৱা দশকটোত 'আছু'ৱে কৰি অহা কামবোৰৰ (ভাল, বেয়া সকলো) খতিয়ান আত্ম-সমালোচনামূলক দৃষ্টিভংগীৰে কৰা হৈছেনে? নে আছুৱে ভাবে যে তেওঁলোক সমালোচনাৰ উৰ্ধ্বত আৰু তেওঁলোকক ভাল পাবই লাগিব? আছু ৰাজনৈতিক মঞ্চলৈ আৰোহণ কৰাৰ এক লান্সিং পেড্ নেকি? বিগত নিৰ্বাচনটোৱে "আছুক পুনৰ এক জটিলতা আৰু বিতৰ্কৰ মাজলৈ লৈ আহিছে। এই নিৰ্বাচনটোত আছুৰ ভূমিকাৰ সন্দৰ্ভত ৰাইজ, ছাত্ৰ-ছাত্ৰী সকলো সন্দিহান। 'আছু'ক লৈ যোৱা দশকটোত যিবোৰ জল্পনা-কল্পনা, আলোচনা-সমালোচনা প্ৰশংসা-নিন্দা প্ৰতিক্ৰিয়া হৈছে তাৰ বাস্তৱ ভেটি কি? প্ৰকৃতাৰ্থত এই সংগঠনে অসমৰ বৃহত্তৰ ছাত্ৰ-ছাত্ৰী সমাজৰ সমূহীয়া আশা-আকাঙ্ক্ষাক প্ৰতিফলিত কৰিব পাৰিছেনে? এই সংগঠন প্ৰকৃতাৰ্থত গণতন্ত্ৰত বিশ্বাসীনে?

অৰাজনৈতিক বুলি দাবী কৰা (আৰু এটা সময়লৈকে ৰাইজেও তেনেদৰে ভবা) এই সংগঠন প্ৰকৃতাৰ্থত অৰাজনৈতিক হয়নে? গঠনমূলক সমালোচনাৰ স্বীকৃতিৰে, আত্ম বিশ্লেষণ, অধ্যয়ন, বিচক্ষণতা, নিষ্ঠা আৰু সুসংহত বিচাৰ বুদ্ধিৰে এই সংগঠনে এৰি অহা দিনবোৰৰ সাফল্য আৰু ভুলৰ খতিয়ান ৰাখেনে? যদি ৰাখে কেনেকৈ? কৰি অহা ভুলৰ পৰা শিক্ষা গ্ৰহণ, বিগত দিনবোৰৰ. সাফল্যৰ পৰা নৱ উদ্দীপনা আৰু প্ৰেৰণাৰে উঠি অহা চামক বিদ্যা বুদ্ধি, চৰিত্ৰ, মনোবল আৰু সাহসেৰে উদ্বুদ্ধ কৰি অসমক একবিংশ শতিকাত প্ৰবেশ কৰিবলৈ যোৱাৰ পথত এই সংগঠনটোৱে কেনে ধৰণৰ কাম কৰা উচিত? 'আছু'ৰ লক্ষ্য আৰু উদ্দেশ্য কি?

এই সকলো বিষয় অন্তৰ্ভুক্ত কৰি "সদ্যসমাপ্ত নিৰ্বাচনত আছুৰ ভূমিকা" আৰু যোৱা এটা দশকৰ পটভূমিত "অনাগত দিনবোৰত আছুৱে অসমৰ শান্তি প্ৰগতি, শিক্ষা-সংস্কৃতি আদিৰ বাবে কেনে ধৰণৰ

ভূমিকা লোৱা উচিত" এই দুই মূল বিষয়ৰ ওপৰত বিশেষ ভাবে আলোকপাত কৰি এই বিস্তৃত প্ৰতিবেদন সূত্ৰধাৰৰ পাঠকৰ বাবে যুগুত কৰা হ'ল। অসমৰ বিভিন্ন শিক্ষানুষ্ঠানৰ কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীৰ মতামত সাপেক্ষে যুগুত কৰা এই পৰ্যালোচনাটিক আন্তৰিকতাৰে গ্ৰহণ কৰি অসমৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰী আৰু জনসাধাৰণৰ মতামতক মূল্য দি আত্ম-সমালোচনা, মুক্ত বিজ্ঞানসম্মত বিশ্লেষণ আৰু সুস্থ সবল চিন্তাধাৰাৰে অসমৰ শিক্ষা আৰু সামাজিক ক্ষেত্ৰত আছুৱে নিজৰ ভূমিকা পুনৰবাৰ সৰব কৰি তোলক– এয়ে সকলোৰে আন্তৰিক কামনা।

## দুলাল গোস্বামী,

*স্নাতক, পৰীক্ষাৰ্থী,*
*দৰং মহাবিদ্যালয়*

অসমৰ স্বাৰ্থৰ হকে মাত মাতি অহা সদৌ অসম ছাত্ৰ সংস্থাই একমাত্ৰ শক্তিশালী সংগঠন। সদৌ অসম ছাত্ৰ সংস্থাৰ বিগত ইতিহাসে ইয়াকে প্ৰতিপন্ন কৰিছে আৰু তাত কাৰো দ্বিমত থাকিব নোৱাৰে। হৈ যোৱা নিৰ্বাচনটোত ছাত্ৰ সংস্থাৰ ভূমিকাৰ সম্পৰ্কত ইতিমধ্যে বিতৰ্কৰ সৃষ্টি হৈছে। কংগ্ৰেছ(ই) দলৰ বিৰোধিতা কৰাৰ যুক্তিযুক্ততা নাই বুলি একেষাৰে ক'ব নোৱাৰি। '৮৩-ৰ শোকাবহ স্মৃতি এতিয়াও অসমৰ ৰাইজে পাহৰি পেলোৱা নাই। সেইদৰে ভাৰতীয় জনতা পাৰ্টিৰ সাম্প্ৰদায়িক চিন্তাকো ছাত্ৰ সংস্থা তথা নিৰপেক্ষ যি কোনো ব্যক্তিয়ে সমৰ্থন কৰা প্ৰশ্ন নুঠে। এনে এক পটভূমিত আছুৰ স্থিতিক নাকচ কৰিব নোৱাৰিলেও এনে অশুভ শক্তিৰ বিৰুদ্ধে সৰ্ব সাধাৰণ অসমৰ ৰাইজে কোন শক্তিক সমৰ্থন জনাব সেয়া ছাত্ৰ সংস্থাৰ আহ্বানত কিন্তু স্পষ্ট নহ'ল। এই অস্পষ্টতাই ৰাইজক প্ৰকৃতাৰ্থত বিভ্ৰান্তহে কৰিলে।

বিগত দহ বছৰৰ সদৌ অসম ছাত্ৰ সংস্থাৰ ইতিহাস আন্দোলনৰ ইতিহাস। এই কালছোৱাৰ ভিতৰতেই বিদেশী খেদা আন্দোলনে বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। আন্দোলনৰ কালছোৱাত অসমৰ আৰ্থসামাজিক ক্ষেত্ৰত বহুতো অপূৰণীয় ক্ষতি হোৱাৰ লগতে অসমৰ শৈক্ষিক বাতাবৰণতো ইয়াৰ প্ৰভাৱ পৰিছিল। অসমৰ বৃহৎ স্বাৰ্থৰ খাতিৰত ইয়াক সকলোৱে ত্যাগ হিচাপে স্বীকাৰ কৰিছিল কিন্তু সাম্প্ৰতিক পৰিবৰ্তিত পৰিস্থিতিত ছাত্ৰ সংস্থাই অসমৰ শিক্ষা, সংস্কৃতি, শান্তি আৰু প্ৰগতি যাতে কোনো প্ৰকাৰে ব্যাহত নহয় তাৰ বাবে সময় উপযোগী গঠনমূলক কাৰ্যসূচী গ্ৰহণ কৰিব লাগিব। আন্দোলনৰ কাৰণে আন্দোলন কৰা মানসিকতা ছাত্ৰ সংস্থাই ত্যাগ কৰিব লাগিব। তাৰ পৰিবৰ্তে ইতিমধ্যে বিভিন্ন জনগোষ্ঠীৰ মাজত গা-কৰি উঠা বিভাজনৰ মানসিকতা, পাৰস্পৰিক অবিশ্বাস, শিক্ষা সংস্কৃতিৰ জগতখনত দেখা দিয়া সংকটৰ সমাধানৰ বাবে ছাত্ৰ সংস্থাই সকলো জনগোষ্ঠীৰ গ্ৰহণযোগ্য নিৰপেক্ষ কাৰ্য ব্যৱস্থা গ্ৰহণ কৰাৰ সময় আহি পৰিছে। সময়ৰ আহ্বানক ছাত্ৰ সংস্থাই প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিব লাগিব তেতিয়াহে ছাত্ৰ সংস্থাৰ হৃত গৌৰৱ অসমৰ ৰাইজৰ মাজত পুনৰ প্ৰতিস্থা হব।

## সীমান্ত দাস

*তেজপুৰ মহাবিদ্যালয়*

(১) আছুৰ অৰাজনৈতিক চৰিত্ৰৰ সততা সম্পৰ্কে এটা প্ৰশ্নবোধক চিন লৈয়ে প্ৰশ্নটোৰ বিচাৰ কৰিছো– এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত ভোটাধিকাৰ ব্যক্তিৰ বিবেক আৰু বিচাৰ বুদ্ধিৰ ওপৰত প্ৰতিষ্ঠিত। তেনে ক্ষেত্ৰত জনসাধাৰণৰ প্ৰতি কোনো বিশেষ ৰাজনৈতিক দল বিৰোধৰ মুক্ত আহ্বান মানি লব নোৱাৰি, তেনে আহ্বানৰ অন্তৰালত যিমানেই সৎ উদ্দেশ্য নাথাকক কিয়? আছু যিহেতু ভাৰতীয় সংবিধানৰ প্ৰতি শ্ৰদ্ধাশীল তেনে ক্ষেত্ৰত সংবিধান – স্থিত সকলো নীতিকেই শ্ৰদ্ধা কৰা উচিত।

(২) আমি ভাবো এতিয়া কিছুমান কথা মুকলিকৈ আলোচনা কৰাৰ প্ৰয়োজন হৈছে। যি বিশেষ বিদেশী সমস্যা লৈ আছুৱে জনতাৰ কাষ চাপিছিল তাৰ ব্যৰ্থ পৰিণতিৰ নৈতিক দায়িত্বও তেওঁলোকৰ। কিন্তু তেওঁলোকৰ ফেছিষ্ট মানসিকতাই তাক স্বীকাৰ নকৰে। সেয়ে এই ১০টা বছৰৰ পটভূমিত আছুৰ বাবে এষাৰ কথা অতীব প্ৰয়োজন সেইয়া হৈছে 'নিৰ্মোহ আত্মবিশ্লেষণ'। এনে আত্মবিশ্লেষণেৰে গঢ় লৈ উঠা আছুৰ নিকা মানসিকতাৰ সমান্তৰাল ভাবে বৌদ্ধিক উন্নয়ন আৰু কৰ্ম সংস্কৃতিৰে আছুৱে অসমৰ শিক্ষা, সংস্কৃতি শান্তি, প্ৰগতি আদিৰ বাবে সুপৰিকল্পিত কাৰ্যসূচী হাতত লোৱা উচিত। এনে ক্ষেত্ৰত আবেগ বৰ্জিত প্ৰত্যেক যুক্তিৰ সূক্ষ্ম ঐতিহাসিক বিশ্লেষণৰো প্ৰয়োজন।

## যোগেন বৰা

*উচ্চতৰ মাধ্যমিকৰ ছাত্ৰ, যোৰহাট*

(১) যোৱা নিৰ্বাচনটোত সদৌ অসম ছাত্ৰ সংস্থাৰ ভূমিকা অতি দুৰ্ভাগ্যজনক। অসমৰ সামগ্ৰিক উন্নয়নৰ বাবে সততে মাত মাতি অহা এই সংগঠনটি অসমবাসীৰ অতি আদৰৰ। অসমৰ ৰাইজে ইয়াৰ পৰা বহু আশা কৰে। কিন্তু বিগত নিৰ্বাচনটিত সদৌ অসম ছাত্ৰ সংস্থাই গ্ৰহণ কৰা ভূমিকাই প্ৰতিজন সচেতন অসমীয়াৰ মনত সংগঠনটিৰ উদ্দেশ্য আৰু আদৰ্শৰ ক্ষেত্ৰত সন্দেহৰ বীজ ৰোপণ কৰিলে। নিজকে এক অৰাজনৈতিক সংগঠন বুলি প্ৰচাৰ কৰি অহা এই সংগঠনটিয়ে বিগত নিৰ্বাচনত নিজৰ ৰাজনৈতিক মানসিকতা অসমবাসীক প্ৰত্যক্ষ কৰালে। নিৰ্বাচনটোত নিৰপেক্ষ ভূমিকা লব বুলি সংগঠনটোৱে উত্তৰ লক্ষীমপুৰত গ্ৰহণ কৰা প্ৰস্তাৱটো যে অমূলক আছিল তাক অপ্ৰিয় হ'লেও ক'বলৈ বাধ্য। ভোটদান সকলোৰে ৰাজনৈতিক অধিকাৰ। তেনেস্থলত নিৰ্বাচনৰ প্ৰাকমূহূৰ্তত ছাত্ৰ সংস্থাই অসমবাসীয়ে কাক ভোট দিব; কাক নিদিব তাক লৈ হৈ চৈ লগাই য'তে ত'তে 'বেনাৰ' সমূহ আঁৰি ফুৰিছিল কিয়? কংগ্ৰেছ(ই), আৰ্মকা আদিক কটু ভাষাৰে সমালোচনা কৰি ফুৰা ছাত্ৰ সংস্থাই সেই সময়ত 'অসম গণ পৰিষদ'ৰ দুৰ্নীতি সম্বন্ধে নীৰৱ আছিল কিয়? নক'লেও হব যে ছাত্ৰ সংস্থাই পৰোক্ষভাবে অগপ-ক সমৰ্থন কৰিছিল। অন্যহাতেদি সদৌ অসম ছাত্ৰ সংস্থাৰ কিছুমান সদস্যই দলীয় টিকট লৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি সংগঠনটিৰ প্ৰকৃত স্বৰূপ জনমানসত দাঙি ধৰিলে। ছাত্ৰ সংস্থাই এনে কাৰ্যৰ দ্বাৰা নিজৰ স্থিতি দুৰ্বল কৰিলে আৰু অসম বাসীৰ আগত নিজকে হেয় প্ৰতিপন্ন কৰিলে।

(২) ছাত্ৰ সকলৰ ওপৰতেই দেশৰ ভৱিষ্যত নিৰ্ভৰশীল। বিশ্বৰ অন্যতম ছাত্ৰ সংগঠন সদৌ অসম ছাত্ৰ সংস্থাৰ অসমৰ প্ৰতি এক গধুৰ দায়িত্ব আছে। যোৱা দহ বছৰে সংগঠনটিয়ে অসমৰ সাহিত্য সংস্কৃতি আদি ক্ষেত্ৰত কিছু কাম কৰিছে যদিও সম্পূৰ্ণ ফলবতী হব পৰা নাই। আন্দোলনৰ কালছোৱাত স্তিমিত হব ধৰা শৈক্ষিক পৰিবেশৰ প্ৰভাৱ আজিও বিৰাজমান। বৰ্তমানে ঘোষিত পৰীক্ষাৰ ফলাফলে আমাক বিনষ্ট হোৱা আমাৰ শৈক্ষিক পৰিবেশ আৰু উচ্ছৃংখল যুৱ মানসিকতাৰ কথাই সোঁৱৰাই দিয়ে। ছাত্ৰ সংস্থাই এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা উচিত। আনহাতেদি অসমীয়া সংস্কৃতি হ'ল অসমৰ সকলো জাতি-উপজাতি, গোষ্ঠী-সম্প্ৰদায়ৰ সামূহিক সংস্কৃতি। ই বহুৰঙী। ছাত্ৰ সংস্থাই অসমৰ সংস্কৃতিৰ উন্নতি সাধিবলৈ হ'লে এই সকলোকে আদৰি লব লাগিব। পূজা-পাৰ্বন, বিহু-সংক্ৰান্তি মানি, জ্যোতি দিৱস বা বিষ্ণু দিৱস পাতি বা সভা সমিতি পাতিয়েই অসমীয়া সংস্কৃতি জীয়াই ৰাখিব নোৱাৰি। সকলোৰে সংস্কৃতিক শ্ৰদ্ধা জনাই ঐক্যবদ্ধ প্ৰচেষ্টাৰ দ্বাৰাইহে আমি অসমৰ সংস্কৃতি জীয়াই ৰাখিব পাৰিম। ছাত্ৰ সংস্থাই অসমৰ শান্তিৰ বাবে সকলো সম্প্ৰদায়ৰ মাজত সম্প্ৰীতিৰ ভাব জগাই তুলি সকলোৰে উন্নতি সাধিবলৈ চেষ্টা চলাব লাগিব।

## চিন্ময়ী গোস্বামী

*স্নাতক (কলা) ২য় বাৰ্ষিকৰ ছাত্ৰী*

(১) নিৰ্বাচনটোৰ সংক্ৰান্তত নিৰপেক্ষ হৈ থাকিব বুলি কোৱাৰ পিছতো 'আছু' কিন্তু সম্পূৰ্ণ নিৰপেক্ষ হৈ থাকিব নোৱাৰিলে। নিৰ্বাচনী প্ৰচাৰৰ সামৰণিৰ আগমুহূৰ্তত 'আছু'ৱে সৰ্বভাৰতীয় দলসমূহৰ বিৰোধিতা কৰি ঠায়ে ঠায়ে যি সমদল উলিয়াইছিল বা প্ৰচাৰ-পত্ৰ আদি বিলাইছিল তাৰ দ্বাৰা অসমত বাস কৰা অনা-অসমীয়া ভোটাৰ সকলৰ ক্ষোভৰ জুইত ঘিউহে ঢালিছিল। অৰ্থাৎ ই পৰোক্ষভাবে কিছুমান ভোটাৰক সৰ্বভাৰতীয় দলৰ প্ৰতি আকৰ্ষিতহে কৰিছিল।

(২) আছু মুখ্যতঃ এটা ছাত্ৰ সংগঠন। সমাজৰ বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত যদিওবা আছু সৰব হৈ উঠিছে শিক্ষাৰ ক্ষেত্ৰত ইয়াৰ ভূমিকা বৰ্তমানো পুতৌজনক। যোৱা দহটা বছৰ ধৰি বিভিন্ন সমস্যা সমাধানৰ বাবে শ্ৰেণী বৰ্জন, প্ৰতিবাদ দিৱস আদিক অস্ত্ৰ হিচাপে লৈ 'আছু'ৱে ইয়াৰ মুখ্য উদ্দেশ্যৰ পৰা ফালৰি কাটি যোৱা যেন লাগে। মূল্য বৃদ্ধিৰ বিৰুদ্ধে মাত মতা ছাত্ৰ সংগঠন 'আছু' পৰীক্ষা গৃহৰ পৱিত্ৰতা নষ্ট কৰা ছাত্ৰসকলৰ ক্ষেত্ৰত মৌন কিয়? সংস্কৃতি ৰক্ষাৰ নামত মাত্ৰ দিৱস-উদ্‌যাপনেই শেষ পদক্ষেপ নহয়। জ্যোতি, ৰাভাৰ নামত প্ৰতিযোগিতা পাতি নহয়, সমাজত তেওঁলোকৰ আদৰ্শ প্ৰতিষ্ঠাৰ চেষ্টাৰেহে সংস্কৃতি ৰক্ষাৰ প্ৰয়াস কৰা উচিত। সুশিক্ষা আৰু সংস্কৃতিৰে পৰিপুষ্ট এটা জাতিৰ প্ৰগতিৰ বাবে আন কোনো বিশেষ প্ৰয়াসৰ প্ৰয়োজন নহয়। শান্তি প্ৰতিষ্ঠা এটা উমৈহতীয়া প্ৰচেষ্টা। ই কোনো বিশেষ সংগঠনৰ ব্যক্তিগত দায়িত্ব নহয়। অৱশ্যে ছাত্ৰ সমাজৰ শৃংখলা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ইয়াৰ দায়িত্ব নোহোৱা নহয়।

## উদয় চহৰীয়া

*গুৱাহাটী বিশ্ববিদ্যালয়*

(১) বিগত নিৰ্বাচনত আছুৱে নিৰপেক্ষ ভূমিকা লব বুলি কৈছিল, কিন্তু কাৰ্যক্ষেত্ৰত সেইটো দেখা নগ'ল। কোনো এটা দলৰ সপক্ষে বা বিপক্ষে ৰাইজক ভোট দিবলৈ বা নিদিবলৈ আহ্বান জনোৱাটো জানো নিৰপেক্ষতা। ই আছুৰ প্ৰতি ৰাইজৰ আস্থাৰ ভাব কমোৱাত সহায় কৰিছে।

(২) আজি প্ৰায় ১২ বছৰ ধৰি যি কাৰণতেই নহওক কিয় অসমত স্কুল-কলেজ আদি শিক্ষানুষ্ঠান সমূহ ভালদৰে চলা নাই। বিভিন্ন ধৰ্মঘট আদিৰ বাবে বছৰটোৰ বেছি কেইটা দিন শিক্ষানুষ্ঠান সমূহ বন্ধ হৈ থাকে। গতিকে বৰ্তমান অসমৰ শৈক্ষিক পৰিবেশ একেবাৰে বিনষ্ট হৈছে। সেয়ে বৰ্তমান অসমত সুস্থ শৈক্ষিক পৰিবেশ সৃষ্টিৰ বাবে আছুৱে কাম কৰা উচিত।

## চন্দনা শৰ্মা,

*ছাত্ৰী গোৱালপাৰা মহাবিদ্যালয়*

(১) অসমৰ বিভিন্ন সমষ্টিত আছুৰ প্ৰাক্তন নেতা সকলে ১৯৮৫-ৰ নিৰ্বাচনত প্ৰাৰ্থী ৰূপে থিয় দি সোণৰ অসম (?) গঢ়াৰ যি বৃথা প্ৰচেষ্টা চলাইছিল, তাৰেই পুনৰাবৃত্তি পাকে প্ৰকাৰে এইবাৰো কৰি আছুৱে নিজৰ ভাব মূৰ্তি জন সমাজত পুনৰবাৰৰ বাবে ম্লান কৰিলে। দেখা যায় আছুৰ নেতা সকলে অৱসৰ লোৱাৰ পিছত আছুৰ অৰাজনৈতিক সংবিধানখন তেওঁলোকৰ বাবে অৰ্থহীন হৈ পৰে। অৱশ্যে মই নকওঁ যে নিৰ্বাচনত দলীয় প্ৰাৰ্থী হোৱাৰ অধিকাৰ তেওঁলোকৰ নাই। তেওঁলোকে ভাৰতীয় সংবিধান মৰ্মে এই অধিকাৰ পাইছে। কিন্তু এটা অৰাজনৈতিক সংগঠনৰ নেতা হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ পিছত, ৰাতিটোৰ ভিতৰতে ৰাজনীতিলৈ প্ৰত্যাবৰ্তন কৰিলে, মোৰ বিবেচনাৰে নুশুৱায়। এনেহেন লাগে যেন অতিৰিক্তি এলকহ'ল পান কৰি শক্তিৰ ভাৰসাম্য ৰাখিব নোৱৰাৰ দৰে আছুক যেন ক্ষমতাৰ ৰাগিয়ে অন্ধ কৰি পেলাইছে।

তাৰ পিছতেই আহে নিৰ্বাচনৰ কালছোৱাত উৰা বাতৰি(?) সদৃশ কথাবোৰ। আছুয়ে কোনোবা প্ৰাৰ্থীৰ হৈ প্ৰচাৰ কৰিছে, কংগ্ৰেছ(ই) বা বিজেপি-ক ভোট নিদিবলৈ কৈছে, আন কাৰোবাক আকৌ ভোট দিবলৈ কৈছে। এইবোৰ জানো এটা অৰাজনৈতিক সংগঠনৰ কথা হব পাৰে? ভোটাধিকাৰ জানো ভাৰতীয় নাগৰিকৰ এক স্বকীয় অধিকাৰ নহয়? তেনে ক্ষেত্ৰত আছুয়ে ভোটদাতাক ওপৰোক্ত কথাবোৰ কৈ নিজৰ ঠেক মনৰ পৰিচয় নিদি মোৰ বোধেৰে আছুৰ সম্পূৰ্ণ নীৰৱতাহে বাঞ্ছনীয় আছিল। একমাত্ৰ শান্তিপূৰ্ণ ভাবে নিৰ্বাচন পৰিচালিত কৰিবলৈ চৰকাৰক সহায় কৰিবলৈ জনতাক আহ্বান জনোৱাহেঁতেন ইয়াৰ দ্বাৰা আছুৱে জনমানসত উচ্চ আসন পালেহেঁতেন। মোৰ বিশ্বাস অনাগত নিৰ্বাচনবোৰত আছুৱে সম্পূৰ্ণ নিৰপেক্ষতা অবলম্বনেৰে নিজকে নিকা ভাবে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হব।

(২) এটা অৰাজনৈতক সংগঠন হিচাপে আছুৱে ৰাজনীতিৰ ফাল সম্পূৰ্ণ ভাবে পিঠি দি শিক্ষা শান্তি সংস্কৃতি আৰু সামগ্ৰিক উন্নতিৰ পিনে চকু দিব লাগে, অন্ততঃ অসমৰ জনসাধাৰণে বৰ্তমানে তাকেই বিচাৰে। কিন্তু নিৰ্দিষ্ট অঞ্চল কিছুমানৰ বাহিৰে এনে উন্নয়নমূলক কামবোৰৰ প্ৰতি আছুৰ হেমাহি পৰিলক্ষিত হয়। আছুৱে যদি তেওঁলোকৰ কৰ্তব্যখিনিয়েই নকৰে তেন্তে আন কি কৰিব? বৰ্তমান অসমত আছু যেন এটা সীমাহীন শক্তিৰ পুতলা স্বৰূপ, যাৰ কৰিবলগীয়া একোৱেই নাই। আছুয়ে ইচ্ছা কৰিলেই নিজৰ স্থান পুনৰাই ঘূৰাই আনিব পাৰিব একমাত্ৰ নিজৰ কৰ্মৰে। এসময়ত আছুৰ সদস্য সংখ্যা শুনি মানুহ আচৰিত হৈছিল। কিয়নো কোৱা হৈছিল যে অসমৰ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়েই আছুৰ সদস্য। এই সদস্য শক্তিৰে কৰিব নোৱৰা কাম কি আছে। কিন্তু অসম আজিও ভাৰতৰ এখন দুখীয়া লগতে অশিক্ষিত ৰাজ্য। এনে পৰিস্থিতিত শান্তি, শিক্ষা, সংস্কৃতিৰ উন্নতিৰ নিমিত্তে আছুৰ কৰণীয় নিশ্চয় বহুত আছে। ৰাজ্যখনত শান্তি স্থাপনত ৰাইজৰ সহযোগ বিচাৰি আহ্বান জনাই, শান্তি ভংগকাৰীক চৰকাৰৰ ওচৰত চিনাক্ত

কৰি দি শান্তি ৰক্ষা কৰিব পাৰে।

### ইমৰাণ হুছেইন

*গুঃ বিঃ, ৰাজনীতি বিভাগ*

(১) বিগত নিৰ্ৱাচনত অৰাজনৈতিক সংগঠন হিচাপে সদৌ অসম ছাত্ৰ সংস্থাই নিৰপেক্ষ ভূমিকা গ্ৰহণ কৰিব বুলি উত্তৰ লক্ষীমপুৰ অধিবেশনত প্ৰস্তাৱ লৈছিল। কিন্তু ভালেমান ছাত্ৰ নেতাই দলীয় টিকট লৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিলে। তথাকথিত সেই নেতা সকলক ছাত্ৰ সংস্থাই বহিষ্কাৰ কৰাত সুখী হৈছিলো কাৰণ এয়া নিৰপেক্ষ পদক্ষেপ আছিল। কিন্তু নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত কংগ্ৰেছ (আই), বিজেপি আৰু আৰ্মকাৰ বিৰুদ্ধে ভোট দিবলৈ আহ্বান কৰাত দুঃখিত হ'লো কাৰণ সংগঠনে নিৰপেক্ষতাৰ প্ৰতিশ্ৰুতি ভংগ কৰিলে। কেতবোৰ দলক সংহতি বিনষ্টকাৰী কলুষিত, শোষণকাৰী হিচাপে অভিহিত কৰিলে! এয়া সঁচা যে বিজেপি দেশৰ সংহতিৰ কন্টক, কংগ্ৰেছ চৰকাৰে অসমত বিগত চল্লিছ বছৰে বিশেষ উন্নতি নকৰিলে আৰু তেওঁলোকৰ উপেক্ষাৰ বাবেই আজি অসমত নানা ধৰণৰ বিদ্ৰোহ, বিভেদে গা কৰি উঠিছে। কিন্তু সেই প্ৰচাৰত অসমৰ আঞ্চলিক দল সমূহৰ নাম নথকাত সেয়া আঞ্চলিক দল সমূহৰ বাবে বিশেষকৈ ন-পুৰণি গণপৰিষদৰ বাবে কৌশলী প্ৰচাৰ হৈ পৰিল। এয়া আঞ্চলিকতাবাদৰ প্ৰতি মোহ নে অন্ধৰ হস্তীদৰ্শন নে ফ্ৰেংকেষ্টাইন পুত্ৰৰ প্ৰতি পিতৃস্নেহ? যদি ছাত্ৰ সংস্থাই নিৰপেক্ষ ৰাজনৈতিক পৰ্যালোচনা কৰিছে, সেই পৰ্যালোচনা সম্পূৰ্ণ হোৱা উচিত আছিল।

(২) ৰাজ্যৰ শান্তি, প্ৰগতি, শিক্ষা, সংস্কৃতি আদি বৰ্তমান অশান্তি, দুৰ্নীতি, অনৈক্য, হিংসা, অপসংস্কৃতি, ঔপনিবেশিক অৰ্থনীতি, নিৰাশাবাদ আৰু সামন্তবাদী চিন্তাধাৰাৰ চক্ৰবেহুত বন্দী। সেয়ে অহিংস নীতিত বিশ্বাসী ছাত্ৰ সংস্থাৰ অনাগত দিনবোৰৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। কিন্তু অসমক এই অপশক্তিৰ চক্ৰবেহুৰ পৰা মুক্ত কৰাৰ আগতে ছাত্ৰ সংস্থাই নিজেই চক্ৰবেহুৰ পৰা মুক্ত হব লাগিব। অপ্ৰিয় হ'লেও সঁচা যে সংগঠনটোৱে গণ পৰিষদৰ শাসনকালত চৰকাৰখনৰ সন্দৰ্ভত এক সুস্পষ্ট স্থিতি গ্ৰহণ কৰিব নোৱাৰিলে। আল্‌ফাৰ কাৰ্যকলাপৰ বিষয়ে নিৰপেক্ষতা প্ৰশ্নহীন নহয়, কাৰণ বৰ্তমানে অসমৰ ভৱিষ্যত আল্‌ফাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। বৰাক উপত্যকাত কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ সন্দৰ্ভত লোৱা প্ৰাথমিক বিৰুদ্ধ নীতিয়ে অসমৰ সামগ্ৰিক একতাৰ পৰিপন্থী আছিল। নিৰ্বাচনৰ সময়ত ৰাজনৈতিক ভূমিকা আদিয়ে আছুৰ ভাবমূৰ্তি ম্লান কৰিছে নিৰ্বাচনৰ ফলাফলেই তাৰ প্ৰমাণ। এইবিলাক কথাই সংগঠনৰ বিপুল জনপ্ৰিয়তা হেৰুৱাই পেলালেও মই ভাবো ছাত্ৰ সংস্থাৰ প্ৰতি, তেওঁলোকৰ নেতৃত্বৰ প্ৰতি অসমবাসীৰ দুৰ্বলতা এতিয়াও আছে। যদি অতি সোনকালেই সংগঠনে সুস্পষ্ট নীতিৰে আৰু বলিষ্ঠ কৰ্ম পদ্ধতিৰে অসমৰ সমস্যা বিলাকৰ প্ৰতি স্পষ্টীকৰণ দিব নোৱাৰে, তেতিয়াহলে নিশ্চয় সংগঠনটোৰ জনপ্ৰিয়তা সম্পূৰ্ণভাবে লোপ পাব। বৰ্ণ হিন্দুৰ সুবিধাবাদী সংগঠন হিচাপে যি অভিযোগ আহিছে তাক অসত্য বুলি প্ৰমাণ কৰাৰ দায়িত্ব ছাত্ৰ সংস্থাৰ। গঠনমূলক সমালোচনা, আত্ম সমালোচনা আৰু আত্ম সংশোধনহেহে তেওঁলোকৰ সমুখৰ গভীৰ সমস্যাবোৰৰ পথ প্ৰশস্ত কৰিব।


### ধ্ৰুৱজ্যোতি চৌধুৰী

*ৰসায়ন বিভাগৰ গৱেষক*

বিগত নিৰ্বাচনত 'আছু'ৰ ভূমিকা সম্পৰ্কত মোৰ মনত মিশ্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। এহাতে 'আছু'ৰ আঞ্চলিক ৰাজনীতিৰ প্ৰতি দুৰ্বলতা, অন্যহাতে 'আছু'ৰ সংবিধানত উল্লিখিত অৰাজনৈতিক চৰিত্ৰ। আঞ্চলিক ৰাজনীতিৰ প্ৰতি থকা দুৰ্বলতাৰ ফলস্বৰূপে 'আছু'ৰ নেতৃবৃন্দৰ অৰাজনৈতিক চৰিত্ৰৰ প্ৰতি সাধাৰণ শ্ৰেণীৰ মানুহৰ যথেষ্ট সন্দেহৰ অৱকাশ পৰিলক্ষিত হয়। এই সন্দেহ ঘনীভূত হোৱাৰ অন্য এটা কাৰণ আছুৰ কেন্দ্ৰীয় বা জিলা সংস্থাৰ বিষয়ববীয়া বিগত নিৰ্বাচনত প্ৰত্যক্ষ বা পৰোক্ষ ভাবে জড়িত হোৱাটো। যদিও কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকে তেনে কৰ্মীৰ প্ৰতি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিছে তথাপিও সাধাৰণ ৰাইজক কিন্তু সেইটোৱে পতিয়ন নিয়াব পৰা নাই যেন অনুমান হয়।

আছুৱে যিহেতু অসমৰ ছাত্ৰ সমাজৰ লগতে সমগ্ৰ অসমবাসীৰ হিতৰ বাবে চিন্তা কৰা, বা অসমৰ যি কোনো সাংস্কৃতিক উন্নতিৰ বাবে ভবা বুলি দাবী কৰিব পাৰে মোৰ ধাৰণাত সময় থাকোতেই তেওঁলোকে তেওঁলোকৰ সংগঠনটোত এটা নিজা সংস্কৃতি গঢ়ি তোলক যি সংস্কৃতি অসমৰ

# আমাৰ নীতিৰ যথাৰ্থতাই প্ৰমাণিত হ'ল



অতুল বৰা

সদৌ অসম ছাত্ৰ সংস্থাৰ সভাপতি অতুল বৰাৰ সৈতে এক সাক্ষাৎকাৰ। সাক্ষাৎ গ্ৰহণ কৰিলে বুবুল কুমাৰ গগৈয়ে।

**প্ৰশ্নাৱলী**

১) আছু আৰু আল্‌ফা দুয়োটা সংগঠনেই নিৰ্বাচনৰ আগতে ঘোষণা কৰিছিল যে তেওঁলোকে নিৰ্বাচনত কোনো প্ৰকাৰে হস্তক্ষেপ নকৰে বা কাৰো পক্ষ নলয়। আল্‌ফাই নিজৰ কথা ৰাখিলে। কিন্তু আছুৱে কোনো কোনো ঠাইত কোনো এটা বিশেষ দলৰ হৈ বা কোনো এটা বিশেষ দলৰ বিপক্ষে নিৰ্বাচনত সক্ৰিয় অংশ গ্ৰহণ কৰিলে। ইয়াৰ ফলত আছুৰ বিশ্বাসযোগ্যতা নষ্ট হোৱা বুলি আপুনি নাভাবেনে?

২) যোৱা ১৩ বছৰে আছুৱে অসমৰ স্বাৰ্থ ৰক্ষাৰ হকে যিবোৰ আন্দোলন কৰি আহিছে সেই আন্দোলনবোৰৰ ফলত অসমৰ কি কি লাভ হ'ল বুলি আপুনি দাবী কৰিব খোজে।

৩) অদূৰ ভৱিষ্যতত আছুৱে নিজৰ ভূমিকা আৰু কৰ্মপন্থা সলনি কৰাৰ কিবা সম্ভাৱনা আছেনে?

১) নিৰ্বাচনৰ আগতে ঘোষণা কৰা ধৰণেই আছুৱেও নিজৰ কথা ৰাখিছে। আছুৰ সাধাৰণ সভাৰ সিদ্ধান্ত মৰ্মে আমি নিৰ্বাচনৰ আগতেই ঘোষণা কৰিছিলো যে –আছুৰ সকলো পৰ্যায়ৰ বিষয়ববীয়াই কোনো ৰাজনৈতিক দলক সমৰ্থন নকৰে আৰু কোনো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ নলয়। তাৰ উপৰি আমি কংগ্ৰেছ (ই), বিজেপি আৰু আৰ্মকাক বিৰোধিতা কৰি জাতীয়তাবোধ সম্পন্ন, নিকা ভাবমূৰ্ত্তিৰ যোগ্য ব্যক্তিক নিৰ্বাচিত কৰিবলৈ ৰাইজলৈ আহ্বান জনাইছিলো। স্বাধীনোত্তৰ কালৰ কংগ্ৰেছী অপশাসনৰ দীৰ্ঘদিনীয়া তিক্ত অভিজ্ঞতা অসমৰ ৰাইজৰ আছে। ১৯৭৫ চনত জৰুৰীকালীন অৱস্থাত কংগ্ৰেছে গণতন্ত্ৰত বিশ্বাসী অসমৰ ৰাইজৰ ওপৰত কৰা অবৰ্ণনীয় অত্যাচাৰ, ১৯৮৩ চনত অসমৰ ৰাইজে কৰা এটা গণতান্ত্ৰিক আন্দোলন ভৰিৰে গচকি হাজাৰ জনক পংগু কৰি, শ-শ লোকক হত্যা কৰি, মৃতদেহৰ ওপৰেদি খোজ কাঢ়ি দিছপুৰৰ গাদী দখল কৰা; সৌ-সিদিনা ৰাষ্ট্ৰপতি শাসনৰ কালত আমাৰেই মাতৃ-ভগ্নীৰ ওপৰত ভাৰতীয় সামৰিক, অৰ্দ্ধ সামৰিক বাহিনীৰ হতুৱাই হত্যালীলা, ধৰ্ষণ চলাই এটা প্ৰজন্মকেই নিঃশেষ কৰি দিব বিচৰা দেশৰ পুঁজিপতি গোষ্ঠীৰ পৃষ্ঠপোষকতাত তিষ্ঠি থকা অৰ্থসৰ্বস্ব দল এটাক আমি নীতিগত কাৰণতেই বিৰোধিতা কৰিবলৈ ৰাইজলৈ আহ্বান জনাইছিলো। সেইদৰে ধৰ্ম, মন্দিৰ-মছজিদৰ নামত ৰাজনীতি কৰা, অসমত ৰাষ্ট্ৰপতি শাসন আৰু ক'লা আইনৰ পোষকতা কৰা বিজেপি-য়ে অসমত সৃষ্টি কৰিব পৰা ভয়াবহতাৰ কথা উপলব্ধি কৰিয়েই আমি বিজেপি-ৰ বিৰোধিতা কৰিছিলো। সংহতি বিনষ্টকাৰী আৰ্মকাকো স্বাভাৱিক কাৰণতেই বিৰোধিতা কৰা হৈছিল। মুকলি মুৰীয়াকৈ কবলৈ হলে উক্ত তিনিটা দলৰ প্ৰতিক্ৰিয়াশীল চৰিত্ৰবোৰ উদঙাই দি অসমৰ ৰাইজক সঠিক পথেৰে আগুৱাই নিবলৈহে এনে ব্যৱস্থা সময়োচিত ভাবে লোৱা হৈছিল। এই তিনিটা দলক আমি বিৰোধিতা কৰিবলৈ আহ্বান জনাইছিলো যদিও নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা বাকী কুৰিটাতকৈও অধিক দল নাইবা অজস্ৰ নিৰ্দলীয় প্ৰাৰ্থীৰ কাৰো সপক্ষে নিৰ্বাচনৰ আগতে ঘোষণা কৰা ধৰণেই থিয় দিয়া নাছিলো। উক্ত তিনিটা দলক বিৰোধিতা কৰাটো আছুৰ প্ৰাক-নিৰ্বাচনী স্থিতিৰ পৰিপন্থী নাছিল। দুই-এঠাইত আমাৰ সদস্যই কোনো বিশেষ দলৰ সপক্ষে নিৰ্বাচনত সক্ৰিয় অংশ গ্ৰহণ কৰা বুলি যি অভিযোগ উত্থাপিত হৈছে সেই সম্পৰ্কত কওঁ –অভিযোগৰ সত্যতা প্ৰমাণৰ ভিত্তিত সাংবিধানিক ব্যৱস্থা লোৱাৰ প্ৰক্ৰিয়া অব্যাহত আছে।

আমি জাতীয়তা বোধ সম্পন্ন যোগ্যজনক নিৰ্বাচিত কৰিবলৈ কৈ, কংগ্ৰেছ (ই), বিজেপি আৰু আৰ্মকাক বিৰোধিতা কৰি ভোট দানৰ পৰা বিৰত নাথাকি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ অসমবাসীক আহ্বান জনাইছিলো। এইখিনিতেই আমি আমাৰ কাৰ্যৰ সীমাবদ্ধতা ৰাখিছিলো। কংগ্ৰেছ বিৰোধী শক্তি সমূহক একত্ৰিত কৰা আৰু আঞ্চলিকতাবাদৰ পোষকতা কৰা হিচাপে আঞ্চলিক দল বিভক্ত হোৱাৰ সময়ত ৮৫' চনৰ দৰে এই দল সমূহক একত্ৰিত কৰাৰ ক্ষেত্ৰত কোনো কাৰ্য ব্যৱস্থা লোৱাৰ পৰা আমি বিৰত আছিলো। কাৰণ কোনো ৰাজনৈতিক দলৰ ভৱিষ্যত নিৰাপত্তা দিয়াৰ দায়িত্ব ছাত্ৰ সংস্থাৰ নহয়। যাৰ বাবে অসম বাসীৰ সংখ্যা গৰিষ্ঠই কংগ্ৰেছ (ই)কে ধৰি অপশক্তি সমূহৰ বিৰুদ্ধে প্ৰকাশ কৰা মত একত্ৰিত আৰু সামগ্ৰিক ভাবে প্ৰকাশ নহ'ল। বস্তুনিষ্ঠভাবে অসমৰ জনসাধাৰণে সামগ্ৰিক দৃষ্টিত ছাত্ৰ সংস্থাৰ নীতিৰ যথাৰ্থতা অশেষ প্ৰতিকূল পৰিস্থিতিটো প্ৰমাণ কৰি দেখুৱালে।

সেয়েহে আমি বিশ্বাসযোগ্যতা হেৰুওৱা বুলি নাভাবো।

২) আছুৰ সংগ্ৰামী ইতিহাস মাত্ৰ ১৩ বছৰৰ নহয়। আছুৱে অসমৰ জনসাধাৰণৰ স্বাৰ্থত আজিলৈকে কৰি অহা আন্দোলনবোৰৰ ফলত কি কি লাভ হ'ল, সেইটোৰ মূল্যায়ন অসমৰ জনসাধাৰণে কৰিছে। কিন্তু আমি এই কথা নিশ্চয়কৈ কব পাৰো যে স্বাধীনোত্তৰ কালৰ বিগত দশক কেইটাত যদি অসমৰ জনসাধাৰণে কিবা পাইছে, তেতিয়া হলে সেইবোৰ ছাত্ৰ আন্দোলনৰেই ফল। শোধনাগাৰ আন্দোলন, মাধ্যম আন্দোলন, খাদ্য আন্দোলন আৰু ভাষা আন্দোলনৰ ফল জনসাধাৰণৰ জ্ঞাত। অসমৰ ৰাইজৰ বিভিন্ন সংকটৰ মুহূৰ্তত আছুৱে সদায় ৰাইজৰ সপক্ষেই থিয় দিছে, ইপিনত ফল পাওকেই বা নাপাওকেই। বিভিন্ন সময়ত শিক্ষা ব্যৱস্থাৰ ত্ৰুটি-বিচ্যুতি সমূহ দূৰ কৰিবলৈ সক্ৰিয় ভূমিকা গ্ৰহণ কৰা হৈছে আৰু শৈক্ষিক পৰিবেশৰ উন্নতিৰ বাবে নিজস্ব কৰ্মসূচীৰ আধাৰত কাৰ্য ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ১৯৭৯ চনৰ পৰা হোৱা বিদেশী নাগৰিক বহিষ্কাৰ আন্দোলনৰ গূঢ়াৰ্থ স্বীকাৰ কৰিয়েই কেন্দ্ৰীয় চৰকাৰে চুক্তি কৰিছিল। এতিয়া অসম চুক্তি যিহেতু ইন্দিৰা কংগ্ৰেছৰ দৰে বাৰে শতৰুৱেও কাৰ্যকৰী কৰিম বুলি কৈছে, এনেক্ষেত্ৰত আমাৰ আন্দোলনবোৰৰ ফলশ্ৰুতি নিশ্চিতভাবে ইতিবাচক। পৃথিৱীৰ যিকোনো নিৰপেক্ষ লোকেও স্বীকাৰ কৰিব যে – আছুৱে অন্ততঃ ত্ৰিপুৰী লোকৰ দৰে অসমীয়া খিলঞ্জীয়া লোকৰ অৱস্থা হোৱাৰ আগতে অসমীয়া লোকক জাতীয় অস্তিত্ব ৰাখিবলৈ সচেতনতা আনি দিলে, অন্যহাতে আঞ্চলিকতাবাদৰ ভেটিটোও গঢ়ি তোলাত আছু সফল কাম হৈছিল। এইটো কোনেও ঢাকি ৰাখিব পৰা বিষয় নহয়। কিন্তু ক্ষমতাৰ অপব্যৱহাৰ, দুনীতি অকৰ্মণ্যতা আৰু আত্মশ্লাঘাত মত্ত অগপ চৰকাৰে আঞ্চলিকতাবাদত কলংক সানিলে।

যদিও অগপ-ৰ অপশাসনে স্বাধীনোত্তৰ কালৰ আছুৰ বিভিন্ন আন্দোলনৰ ইতিবাচক দিশবোৰ স্তিমিত কৰি তুলিছে, তথাপিও সত্যৰ খাতিৰত কোনেও আছুৰ সফলতাখিনি নুই কৰিব নোৱাৰে।

৩) বৰ্তমান সময়ত বাতৰি কাকত, আলোচনী আদিত আছুৰ ওপৰত আগবঢ়োৱা বিভিন্ন ধৰণৰ সমালোচনা আমি প্ৰত্যক্ষ কৰিছো। ছাত্ৰ সংস্থাই আন্তৰিকতাৰে বিশ্বাস কৰে যে অসমে প্ৰকৃত শান্তিহে বিচাৰে, আত্মবিকাশৰ সুস্থ পৰিবেশ বিচাৰে, য'ত অসমৰ সুৰক্ষিত ভৱিষ্যতৰ বীজ থাকিব।

সংস্থাৰ প্ৰতি আগবঢ়োৱা একপক্ষীয় আৰু ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত বক্তব্য সমূহ অগ্ৰাহ্য কৰি আন গঠনমূলক সকলো পৰামৰ্শ আমি গুৰুত্বসহকাৰে গ্ৰহণ কৰিছো। আছুৰ ভৱিষ্যতৰ কৰ্মৰাজিত ইয়াৰ প্ৰতিফলন ঘটিব।

প্ৰত্যেকজন সচেতন নাগৰিকৰ গ্ৰহণ যোগ্য হয়। যাৰ ফলত আছুৰ প্ৰত্যেক শাৰী কথা প্ৰত্যেকটো ভাবনা অসমবাসীয়ে বিনা দ্বিধাই গ্ৰহণ কৰিব পাৰে।

অসমৰ ৰাইজে যিহেতু এতিয়ালৈকে কোনো ৰাজনৈতিক দলৰ কবচ পিন্ধা নাই, বা কোনো ৰাজনৈতিক দলৰ চিন্তা-চৰ্চাৰে খোজ আগবঢ়োৱা নাই তেনে অৱস্থা এটাত আছুৰ দৰে এটা ছাত্ৰ সংগঠনে (যিটো গণ সংগঠন বুলিব পৰা আছিল) অসমবাসীক আগুৱাই নিয়াত গুৰিবঠা ধৰিবলৈ সুবিধা পোৱাটো সংগঠনটোৰ কৃতিত্ব। এনে এক সংগঠনৰ নেতৃত্বৰ ভাৰ লবলৈ আগবঢ়া যি কোনো এজনে আত্ম-স্বাৰ্থতকৈ ৰাজহুৱা স্বাৰ্থক সাৰোগত কৰা উচিত।

## আচৰাফুল হক

*গোৱালপাৰা মহাবিদ্যালয়ৰ স্নাতক মহলা*

প্ৰথম অৱস্থাত 'আছু' এটা অতি সম্ভাৱনাপূৰ্ণ সংগঠন ৰূপে ঠন ধৰি উঠিছিল। কিন্তু ইয়াৰ পৰিসৰ আৰু জনপ্ৰিয়তা বৃদ্ধিৰ লগে লগে ইয়াৰ মাজত কেৰোণ ধৰিলে আৰু এই ছাত্ৰ সংগঠনটো সম্পূৰ্ণ বিপথে পৰিচালিত হ'ল। মোৰ বোধেৰে যিহেতু 'আছু' ছাত্ৰৰ সংগঠন সেই হেতুকে বৰ্তমান 'আছু'ৱে আন ক্ষেত্ৰত মাত মতাৰ পৰিবৰ্তে শিক্ষাৰ ক্ষেত্ৰত মাত মতাহে উচিত। অসমৰ শৈক্ষিক পৰিবেশৰ উন্নতি আৰু সুস্থ যুৱ মানসিকতাৰ আধাৰতহে অসমৰ সামগ্ৰিক প্ৰগতিৰ কথা চিন্তা কৰিব পাৰি। গতিকে অসমৰ প্ৰগতি তথা অসমত এটি সুস্থ বাতাবৰণ গঢ়ি তুলিবৰ বাবে 'আছু'ৱে প্ৰথমে শিক্ষা ক্ষেত্ৰত জোৰ দিয়া উচিত।

সংবিধান মতে 'আছু' এটি অৰাজনৈতিক সংগঠন। কিন্তু ৰাজনৈতিক ক্ষেত্ৰত 'আছু'ৰ ভূমিকাই মোক ক্ষোভিত কৰিছে। বিশেষকৈ বিগত নিৰ্বাচনত 'আছু'ৰ কৰ্মকতই খোলা খুলিকৈ নিৰ্বাচনী প্ৰচাৰত নমা দেখা গৈছিল তদুপৰি যোৱা নিৰ্বাচনত কংগ্ৰেছ (ই) আৰু বিজেপি-ৰ বিৰুদ্ধে 'আছুৱে' চলোৱা প্ৰচাৰ অতি অশোভনীয়। এইটো স্বীকাৰ্য যে আছু অসমৰ হিত চিন্তক তথা অসমৰ ৰাইজৰ পথ প্ৰদৰ্শক। কিন্তু গণতান্ত্ৰিক দেশ এখনত কোনটো ৰাজনৈতিক দল ভাল বা বেয়া সেয়া বিবেচনা কৰাৰ দায়িত্ব ৰাইজৰ। তাত আছুৱে মাত মতাটো মোৰ মতে উচিত হোৱা নাই। এই কাৰ্যই পৰোক্ষ ভাবে ইয়াকেই প্ৰতিপন্ন কৰিলে যে আছু ৰাজনীতিৰ সৈতে জড়িত। যিটো অতি দৃষ্টিকটু।

## ৰীতা কাকতি

*ছাত্ৰী, শিৱসাগৰ*

বিগত নিৰ্বাচনটোত সদৌ অসম ছাত্ৰ সংস্থাৰ ভূমিকাত এইটো স্পষ্ট হৈ পৰিছে যে ছাত্ৰ সংস্থাই সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সুস্থিৰ মত লব নোৱাৰি দুমুখীয়া নীতি গ্ৰহণ কৰিলে। প্ৰথম অৱস্থাত নিৰ্বাচনৰ ৰাজনৈতিক প্ৰচ্ছায়াৰ পৰা সকলো ছাত্ৰ-ছাত্ৰীকে আঁতৰত থাকিবলৈ আহ্বান জনাই নিৰ্বাচনৰ প্ৰচাৰৰ ঠিক চৰম মুহূৰ্তত অমুক দলক ভোট নিদিব তমুক দলক ভোট নিদিব এইবুলি প্ৰচাৰ চলাই দৰাচলতে মাছ বুলি নাখাই জিজি বুলি 'খোৱাৰ পন্হা' ললে। প্ৰথমটো ঘোষণাৰ জৰিয়তে সংস্থাৰ অৰাজনৈতিক ভাবমূৰ্তি উজ্জ্বল কৰিবলৈ গৈ শেষত ৰাজনৈতিক ভাবধাৰাৰে পৰিচালিত হ'ল। নিৰ্বাচন প্ৰক্ৰিয়াৰ আৰম্ভণিৰে পৰা আছুৱে আঞ্চলিক দল এটা ক্ষমতালৈ অহাৰ পোষকতা কৰা হলে আমাৰ বোধেৰে আঞ্চলিক দলৰ জয়ৰ ক্ষেত্ৰত কিছু পৰিমাণে সহায় হ'লহেঁতেন। বিগত নিৰ্বাচনত সদৌ অসম ছাত্ৰ সংস্থাই লোৱা ভূমিকাক অসমৰ জনসাধাৰণে সহজে গ্ৰহণ কৰিব পৰা নাই।

যোৱা দহটা বছৰত আছুৰ ভূমিকা লক্ষ্য কৰিলে এইটো কথা স্পষ্ট হৈ পৰে যে ১৯৮৫ চনৰ আগলৈকে জনমানসত থকা আছুৰ নিকা ভাবমূৰ্তি ৮৫-ৰ পৰা ৯১ এই কেইটা বছৰত যথেষ্ট ম্লান পৰিল। অপ্ৰিয় হলেও এটা কথা স্বীকাৰ কৰিবই লাগিব বৰ্তমান আঞ্চলিকতাবাদৰ নামত অসমত জন্ম হোৱা এশ এটা সংগঠনৰ বাবে আছুৱেই পৰোক্ষ নাইবা প্ৰত্যক্ষ ভাবে দায়ী। অৰ্থাৎ আছুৱে অসমৰ সমূহ জনগোষ্ঠীৰ হৈ প্ৰতিনিধিত্ব কৰাত ব্যৰ্থ হৈছে।

## ৰূপালীম পাটগিৰি

*দিল্লী বিশ্ববিদ্যালয়*

আমাৰ চামটোৰ বাবে সদৌ অসম ছাত্ৰ সংস্থাৰ নামটো ১৯৮০-৮৫-ৰ বিদেশী বহিষ্কাৰ আন্দোলনটোৰ অনুৰূপ শব্দৰ (synonym) দৰেই হৈ পৰিছে। ১৯৭৯ৰ শেষৰ ফালে এটা ৰাষ্ট্ৰীয় সমস্যাৰ গুৰুত্ব উপলব্ধি কৰি আৰম্ভ কৰা এই আন্দোলনেৰে সঃ অঃ ছাঃ সঃ প্ৰতিজন অসমবাসীৰ বুকুৰ কুটুম হৈ পৰিছিল। ইয়াৰ একোটা বৈপ্লৱিক আহ্বানত সঁহাৰি দি আবাল-বৃদ্ধ-বনিতা ওলাই আহিছিল ৰাজপথলৈ – নিৰ্বাচন প্ৰতিৰোধ কৰিবলৈ, কাৰফিউ ভাঙিবলৈ, ছহিদ হবলৈ। বহুতো দুৰ্ভোগ যাতনা ভোগাৰ পিছত কেন্দ্ৰৰ স'তে আলোচনাৰ মাজেৰে পাঁচ বছৰৰ মূৰত কৰা হ'ল, অসম চুক্তি। সকলোৱে স্বস্তিৰ নিশ্বাস পেলালে। বিজয়ৰ উল্লাসত ছাত্ৰ নেতাক দেশৰ নেতা পাতিলে।

১৯৮৫ চনৰ পৰা 'ছাত্ৰ সংস্থা' অনুষ্ঠানটোৰ পৰা আঁতৰি আহি ৰাইজৰ দৃষ্টি স্বাভাৱিকতেই নিবদ্ধ হ'ল পূৰ্বৰ ছাত্ৰনেতা, বৰ্তমান মন্ত্ৰী-বিধায়ক সকলৰ ওপৰত – যি আছিল তেওঁলোকৰ মৰম, শ্ৰদ্ধা, আশা-ভাৰসাৰ থল। কিন্তু লংকালৈ যি যায় সিয়েই ৰাৱন হোৱাৰ দৰে আমাৰ এসময়ৰ প্ৰিয় নেতা সকলেও ৰূপ সলনি কৰিলে।

'৭৯-'৯১ – এই বাৰ বছৰৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ পৰা সদৌ অসম ছাত্ৰ সংস্থাই অন্ততঃ এইখিনি শিকনি লোৱা উচিত যে এখন দেশৰ প্ৰতিজন নাগৰিক সু-শিক্ষিত আৰু সুস্থ জীৱন দৰ্শনৰ অধিকাৰী হ'ব নোৱাৰিলে হিংস অহিংস কোনো আন্দোলনে বা পৰমুখাপেক্ষী চুক্তি একোখনে একো কৰিব নোৱাৰে। সদৌ অসম ছাত্ৰ সংস্থাই লাভ-লোকচানৰ হিচাপ-নিকাচটোত নিশ্চয় লক্ষ্য কৰিছে যে যোৱা আন্দোলনটোৰ ফলত যিমান বিদেশীক ভাৰতৰ পৰা বহিষ্কাৰ কৰা হ'ল তাতকৈ বহু বেছি সংখ্যক খৰ্গেশ্বৰ তালুকদাৰক ইহ সংসাৰৰ পৰাই বিদায় দিয়া হ'ল। সেই পাপ আৰু শাপৰ পৰা আমি কোনেও মুক্ত হ'ব নোৱাৰো যদিহে আমি তাৰ কিঞ্চিত হলেও ক্ষতিপূৰণ কৰিব নোৱাৰো আন এটা আন্দোলনৰ মাজেৰে।

অৱশ্যেই এই নতুন আন্দোলনটোৰ স্বৰূপ যে আগৰটোৰ পুনৰাবৃত্তি হ'ব নোৱাৰে ই ধুৰুপ। আমি কোনেও নিবিচাৰো আৰু এটা শিক্ষা বছৰ নষ্ট হওক, বহু নাৰী ধৰ্ষিতা হওক, আমাৰ বন্ধু সকলে প্ৰাণ দিয়ক। গঠনমূখী পথ পৰিকল্পনাৰ সময় এটা উপযুক্ত সময়। সদৌ অসম ছাত্ৰ সংস্থাই এতিয়া এনে কিছুমান কাৰ্যসূচী হাতত ল'ব লাগে যাৰ দ্বাৰা প্ৰতিটো শিশু, প্ৰতিজন ব্যক্তিকে শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ অধিকাৰী কৰি গঢ়ি তুলিব পাৰি।

এই নতুন আন্দোলনৰ বাবে প্ৰাণ দিয়াৰ প্ৰয়োজন নাই, আছে মাথো ছাত্ৰ সুলভ নিস্বাৰ্থ ইচ্ছা শক্তিৰ। ■






# 'মাজ মূৰত নাই চুলি পৈয়েকে মাতে ৰূপহী বুলি'

সাবিত্ৰী মহন্ত

মাজ মূৰত চুলি নোহোৱা কোনোৱা ঘৈণীয়েকক কোনোৱা পৈয়েকে ৰূপহী বুলি মতাত কাৰো কোনো আপত্তি নাই বা থাকিবও নোৱাৰে। সেইটো এটা গণতান্ত্ৰিক অধিকাৰ। মাজ মূৰত চুলি নোহোৱা ঘৈণীক ৰূপহী বুলি মতাৰ মানসিকতা যোগাৰ কৰি লব পৰাৰ বাবে সেইজন পৈয়েক অভিনন্দনৰহে যোগ্য। কিন্তু গাৰ জোৰেৰে যেতিয়া সেইজন পৈয়েকে তেওঁৰ ব্যক্তিগত সিদ্ধান্তটোকে অসমৰ ৰাইজৰ সিদ্ধান্ত বুলি কৈ ৰূপহী বুলি সকলোৱে মাতিবই লাগিব বুলি ফটোৱা জাৰি কৰি দিয়ে তেতিয়াহে আপত্তি উঠে।

আজিৰ অসমত এনে কিছুমান পৈয়েকৰ দপদপনি, অগণতান্ত্ৰিক পৰাক্ৰমত মানুহে প্ৰমাদ গণিব লগা হৈছে। তেওঁলোকৰ মাজ মূৰত চুলি নোহোৱা ঘৈণীবোৰক ৰূপহী বুলি মাতিবলৈ অস্বীকাৰ কৰিলেই, বন্দুক, সামাজিক বৰ্জন, চৰ, গোৰবোৰতো আছেই। সেইবোৰ কৰিব নোৱাৰিলে আখ্যা দিয়া যায় চৰকাৰী কীৰ্তন কৰা ভকত বুলি ইত্যাদি ইত্যাদি। 'সদৌ অসম ছাত্ৰ সংস্থা' নামৰ অনুষ্ঠানটোও এনে এটা অনুষ্ঠান। প্ৰাক্তন গড়কাপ্তানী মন্ত্ৰী শ্ৰীঅতুল বৰাৰ মতে এই গৰাকীৰ বাপেক অসমৰ ৰাইজ, মাতৃ 'দৈনিক অসম' নামৰ কাগজখন আৰু ৰূপহী বুলি মতা সকল বদলি হৈ থাকে, নিয়ম মাফিক চলিলে বছৰত এবাৰ কৈ বদলি হয়, কিন্তু জুতি পোৱা সকলৰ বাহুবল আৰু পৰাক্ৰম মাজে মাজে ইমান বেছি হয় যে কেতিয়াবা ইচ্ছা মতেই থাকি যায়। আৰম্ভণিতে ভোগ কৰা সকলে কিছু নিয়ম নীতি বনাই (যিবোৰক তেখেত সকলৰ ভাষাত সংবিধান বুলি কোৱা হয়) লৈছিল।

কলিয়াবৰ সমষ্টিৰ এটি ভোট কেন্দ্ৰৰ কাষত আছুৰ বেনাৰ




ফটো: পৰাগ পাঠক

কিন্তু ১৯৭৯ চনৰ পাছৰ পৰা এইবোৰৰ কোনো দৰকাৰ নাই বুলি কৈ দিয়া হ'ল। প্ৰবল পৰাক্ৰমী পাঁচোটাকৈ পৈয়েক উপস্থিত থকা ৰাজসভাত ৰজঃস্বলা দ্ৰৌপদীৰ নগ্ন দেহা চাবলৈ উদ্যত হৈ বস্ত্ৰ হৰণ কৰিবলৈ আৰম্ভ কৰা হৈছিল। সেইখন সভাত পিতৃ পুৰুষৰ পৰা আৰম্ভ কৰি পৰামৰ্শদাতালৈকে সকলো উপস্থিত আছিল (আজিৰ ভাষাত Adviser) শুনিলে হাঁহি উঠা কিছুমান যুক্তিৰে তেওঁলোকৰ মৌনতাৰ কথা কৈছিল। পৰম পুৰুষ আহি উপস্থিত হৈ দূৰৰ পৰা যেতিয়া বন্ধু পত্নীক এই চৰম দুৰ্দশাৰ পৰা বচালে, তাৰ পাছত ভৱিষ্যতে গাদীত বহিলে পৈয়েক কেইজনে প্ৰতিশোধ লম বুলি হুংকাৰ কৰিলে। সময়ত কিন্তু এটা কথা ভবা নহল – প্ৰতিশোধ লব পৰা হ'ব, কিন্তু ইতিহাসৰ পৰা এই কলংকিত অধ্যায়টো মুচি পেলাব পৰা নহ'ব। গাদী দখলৰ যুদ্ধত বিভিন্ন কায়দাৰে জয়লাভ কৰা হ'ল, প্ৰতিশোধো লোৱা হ'ল, কিন্তু যুদ্ধৰ অন্তত ককাই ভাই সমন্বিতে সকলো প্ৰজাৰে মৃত্যু হ'ল, আনে নৰ ৰক্ত পান কৰাৰ দৃশ্য শগুণে গছৰ ডালৰ পৰাই চাব লগা হ'ল। ৰাজ সিংহাসন আছে কিন্তু প্ৰজা নাই। শাসন কৰিব কাক? শোষণ কৰিব কাক? এনেকৈয়ে ভাৰতীয় ইতিহাসৰ কিছু অধ্যায়ৰ আৰম্ভ আৰু সমাপ্তি ঘটিছে। 'সদৌ অসম ছাত্ৰ সংস্থা' নামৰ অনুষ্ঠানটোৰ বিভিন্ন সময়ত বস্ত্ৰ হৰণৰ দৃশ্য দেখাৰ সৌভাগ্য আমাৰ ঘটিছে। পৰম পুৰুষৰ হস্তক্ষেপত দ্ৰৌপদীৰ সম্পূৰ্ণ বস্ত্ৰহৰণ চোৱাৰ পৰা সভাসদ সকল মহাভাৰতত‌হে বঞ্চিত হ'ল, কিন্তু এই সংস্থাটোৰ এনে এজন বন্ধু পৰম পুৰুষ নাই যি আনক সম্পূৰ্ণ উলংগ হোৱাৰ পৰা বচাব পাৰিছে। অসহায় ৰমণীৰ উলংগ দেহা উপভোগ কৰাৰ হিংস্ৰ প্ৰবৃত্তি অসমৰ জনসাধাৰণৰ নাই, অসমৰ কবিয়ে সদ্যস্নাতা গাভৰুৰ ৰূপৰ, লাজেৰে তিওৱা মুখ স্বভাৱ সুন্দৰী নিৰলংকাৰ ৰমণীৰ সৌন্দৰ্য কল্পনাহে কৰিব পাৰে, উলংগ ৰূপত চাবলৈ নিবিচাৰে।

অনিচ্ছা সত্ত্বেও প্ৰবল পৰাক্ৰমৰ হেঁচাত পৰি বিভিন্ন সময়ত আমি উলংগ দৃশ্যৰ চকুমুদা দৰ্শক হ'ব লগা হৈছে। কেৱল ছাত্ৰৰে গঠিত এই সংগঠনটোৱে, কোনো দিনেই কেৱল ছাত্ৰ সকলৰ স্বাৰ্থত কিবা এটা কৰাৰ পৰিবৰ্তে উচ্চমধ্যবিত্ত শ্ৰেণীটোৰ স্বাৰ্থত উঠা-বহা কৰি আহিছে। 'মাকৰ' উচটনিত মহান অসমীয়া জাতিটোৰ ভঙা-পতা কামত নিজকে অজ্ঞাতে নিয়োগ কৰি পেলাইছে। এই সংস্থাটোৰ নেতৃত্বতেই অসমত বিভিন্ন আবেগিক আন্দোলন গঢ়ি উঠিছে, উচ্চ মধ্যবিত্ত সকলে যেতিয়াই অসহায় বোধ কৰে তেতিয়াই একো একোটা আন্দোলন আৰম্ভ কৰাই দিয়ে তেওঁলোকৰ খিতাপ বাহাল ৰাখিবৰ বাবে। আজি অসমৰ ৰাইজক আকৌ উল্লেখ নকৰিলেও হ'ব সেই আন্দোলন বোৰৰ কৰুণ সমাপ্তিৰ দৃশ্য। আশ্চৰ্যজনক ভাবে কোনো দিনেই কোনো মেধাবী ছাত্ৰই যোগাত্মক চিন্তাচৰ্চাৰে এই সংগঠনটোৰ নেতৃত্বৰ দায়িত্ব পোৱা নাই বা চেষ্টাও চলা নাই। পাঠ্যপুথিৰ আমূল পৰিবৰ্তন হ'ব লাগে বুলি বা বিশ্বদৰবাৰত থিয় হ'ব পৰাকৈ আমাৰ শিক্ষা ব্যৱস্থা ঠিক কৰিব লাগে বুলি ছাত্ৰ সংস্থাই মাত মতাৰ প্ৰয়োজন আছে বুলি নাভাবে। দিছপুৰ দখলৰ বাবে অবিৰত শোভাযাত্ৰা কৰিবলৈ তেওঁলোক প্ৰস্তুত, কিন্তু শিক্ষাবৰ্ষ আৰম্ভ হোৱাৰ লগে লগেই অসমত সকলো ছাত্ৰ-ছাত্ৰীয়ে কিতাপ পাবই লাগিব বুলি কবলৈ তেওঁলোকৰ আহৰি নাই। সদৌ গুৱাহাটী ছাত্ৰ সংস্থাই এদিন পৰিচালন সঞ্চালকৰ কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা দিয়াতে কৰ্তব্য শেষ। বিভিন্ন বন্ধ আহ্বান দি ছাত্ৰ-ছাত্ৰী সকলক শিক্ষা অনুষ্ঠানৰ পৰা বিৰত ৰাখিব পৰাটোৱেই বৰ্তমানৰ নেতৃত্বৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য হিচাপে স্বীকৃত হৈছে। দুটাকৈ শিক্ষা বছৰ নষ্ট কৰি দি অসমত লাখ লাখ সম্ভাৱনা পূৰ্ণ ছাত্ৰ-ছাত্ৰীৰ জীৱন ধ্বংস কৰি ৰাজপাট ভগাই খাই জীৱনৰ বাবে ৰাজনৈতিক পেঞ্চন আদায় কৰি কাৰশলাহে গছত উঠিল, কাঠি চেলেকা বোৰৰ কিন্তু মৰণ মিলিল। উচ্চ মধ্যবিত্ত সকল, যি সকলৰ বুদ্ধিৰে তেওঁলোক চলে, তেওঁলোকৰ ল'ৰা-ছোৱালীৰ শিক্ষা বছৰ নষ্ট নহ'ল অসমৰ বাহিৰত নাম ভৰ্তি কৰোৱায়। তেওঁলোকৰ ল'ৰা-ছোৱালী সময় মতেই শিক্ষা গ্ৰহণ কৰি ঘূৰি আহিল। প্ৰফুল্ল-ভৃগুৰ নেতৃত্বত গঠন হোৱা চৰকাৰৰ পৰা বিভিন্ন ভাল ভাল চাকৰিও আদায় কৰিলে। লগতে চৰকাৰী ঠিকা ঠুকলিও সৰকালে। বিনিময়ত অসমৰ ৰাইজক উপহাৰ দিলে প্ৰায় ৭০০ জন ছহিদৰ এখন লিষ্ট, ৩০ হাজাৰ টকীয়া এক কালীন সাহায্য আৰু কিছু প্ৰতিশ্ৰুতি। যোৱা পাঁচ বছৰত প্ৰফুল্ল, ভৃগুহঁতে এই কামৰ বাবে অনুতপ্ত বুলি ভাবিবলৈও ৰাইজক সুবিধা দিয়া নাই। এনে দৰেই কিছুমান ছাত্ৰৰ ৰাজনৈতিক লালসাৰ বলি হৈয়েই থাকিম বুলি ভাবি থকাতো অসমৰ বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী সকলৰ উচিত ব্যৱস্থা হৈছেনে? অকণমান কষ্ট কৰি যদি ইতিহাসৰ পাত লুটিয়াই চোৱাৰ চেষ্টা কৰা যায় তেন্তে দেখা যাব যে বিশ্বত খলকনি সৃষ্টি কৰা বহুত আন্দোলনৰ নেতৃত্ব লৈছে ছাত্ৰ সমাজে। কিন্তু যেতিয়াই নিৰ্দিষ্ট কাম শেষ হৈছে হাত-পাত ধুই পঢ়া টেবুললৈ ঘূৰি গৈছে। আমাৰ দৰে পিছৰ কেইজন মুখ্য মন্ত্ৰী গৃহ মন্ত্ৰী, নোহোৱা পৰ্যন্ত আন্দোলন চলায়েই থাকিম পঢ়া-শুনা নহলেও হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰা সংস্থা, সম্ভৱ পৃথিৱীত এইটোৱেই একমাত্ৰ। দ্বিতীয় এটা থকাৰো সম্ভাৱনা নাই, কাৰণ পৃথিৱীত এনে ধৰণৰ নিৰ্বিকাৰ অভিভাৱকো নাই, যি ধৰি লৈছে 'ৰজাই ভুল কৰিব নোৱাৰে'। কাৰণ আজিৰ অসমত ডেকা চামৰ প্ৰকোপত শিক্ষা, বয়স, বাস্তৱ, ইতিহাস, ভৱিষ্যত আদিৰ অভিজ্ঞতাৰ কোনো প্ৰয়োজন নোহোৱা হৈছে। ইতিহাস আৰু বিজ্ঞানে যিবোৰক অসম্ভৱ বুলি কয়, ছাত্ৰ-সংস্থাৰ দৰে অনুষ্ঠানবোৰে সেইবোৰকেই সম্ভৱ বুলি কয় আৰু আমি নিৰ্বিবাদে মানি লওঁ। কি বেদনাদায়ক দৃশ্য বাস্তৱৰ এই বিৰম্বনাৰ। এইখন অসমত জন্ম গ্ৰহণ কৰি আৰ্থিক অনাটন আৰু অভিভাৱকৰ অবিবেচক সিদ্ধান্তৰ বলি হৈ লাখ লাখ শিশুৱে প্ৰাথমিক শিক্ষাৰ পৰাও বঞ্চিত হ'ব লগা হৈছে, খাদ্যাভাৱত কণ-কণ শিশুহঁতৰবুকুৰ জঁকা ওলাই পৰিছে, বৰষুণ দিলে শিক্ষা অনুষ্ঠানৰ পৰা ওলাই দৌৰ ধৰিব লগা হৈছে, নামঘৰত ডবাৰ কোব শুনিলে পঢ়াই থকা শিক্ষকৰ অনুমতি নোহোৱাকৈ দুপৰীয়াৰ একমাত্ৰ আহাৰ মাহপ্ৰসাদ খাবলৈ লাইন ধৰাৰ দৃশ্য চাবলৈ বা এওঁলোকৰ বাবে কিবা এটা কৰিবলৈ শুভবুদ্ধি হ'ব বুলি ভাবি থকা সকলক হতাশ কৰি নেতা সকলে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত সোমাই অসমৰ ভৱিষ্যত ৰাজনীতিৰ অংক কৰিছে। ১৯৮৩ চনত চৰকাৰে চাহ-বাগানৰ শ্ৰমিক সকলৰ ল'ৰা-ছোৱালী সকলক পঢ়া-শুনাৰ বাবে আকৃষ্ট কৰিবৰ বাবে দুপৰীয়াৰ আহাৰৰ ব্যৱস্থা কৰি এখন আঁচনি গ্ৰহণ কৰিছিল। ১৯৮৫ চনৰ চৰকাৰে সেই আঁচনি বন্ধ কৰি দিলে। আঁচনিখন বাহাল থাকিবই লাগিব বুলি ছাত্ৰ সংস্থাই কোনো আন্দোলন কৰাৰ কথা বাদেই চৰকাৰক এটা হুমকি শুনাবলৈও চেষ্টা নকৰিলে। তেওঁলোকৰ বাবে তাতকৈ ডাঙৰ বস্তু হ'ল, কোনখন তালিকাৰে ভোট হলে উচিত হ'ব, ভৰত নৰহৰ বিয়ালৈ হিতেশ্বৰ শইকীয়া যোৱাৰ পাছতো ভৰত নৰহক মন্ত্ৰী সভাত ৰখাটো উচিত হ'বনে নহয় ইত্যাদি ইত্যাদি কাহে তেওঁলোকৰ বাবে ডাঙৰ কথা। প্ৰোটিনৰ অভাৱত লাখ লাখ ছাত্ৰ-ছাত্ৰীৰ যদি মৃত্যুও হয়, তাত তেওঁলোকৰ কব লগা নাই বা।




থকাটো উচিত নহয় বুলিয়েই তেওঁলোকে ভাবে। এনেদৰেই এই সংস্থাটোৱেই দাবী কৰে অসমৰ ৰাইজৰ অনুষ্ঠান বুলি। ব্ৰহ্মপুত্ৰ উপত্যকাৰ ধনবিত থকা কিছু বছা বছা মানুহৰ ল'ৰা-ছোৱালীৰ এই অনুষ্ঠানটোৰ পৰা ইতিমধ্যে অসমৰ সকলো জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী সকল আঁতৰি গৈ নিজৰ নিজৰ অনুষ্ঠান কৰি লৈছে। কাৰণ তেওঁলোকে বুজি পাইছে যে 'অসম সাহিত্য সভা' আৰু 'সদৌ অসম ছাত্ৰ সংস্থা' নামৰ বছা বছা লোকৰ এই অনুষ্ঠানবোৰ তেওঁলোকৰ কোনো কামত নাহে। যি সকলৰ ভৱিষ্যতে ৰাজনীতি কৰি এম এল এ, এম পি হোৱাৰ হাবিয়াস আছে বা মন্ত্ৰী, এম এল এ-ৰ খেমা ধৰা হৈ জীৱন ধন্য হ'ল বুলি ভবাৰ মানসিক প্ৰস্তুতি যি সকলে আয়ত্ত কৰি লৈছে, তেওঁলোকৰ বাবেহে এনে ধৰণৰ অনুষ্ঠান। এতিয়া অসমত কোনো । শক্তিক যদি সংগ্ৰামী চেতনাৰ অৱক্ষয় ঘটাবলৈ সহায়ৰ প্ৰয়োজন তেন্তে যিকোনো মুহূৰ্ততে এই সংগঠনবোৰৰ ওচৰলৈ যাব পাৰে তেওঁলোকে বিনা দ্বিধাই সহায়ৰ হাত আগ বঢ়াব। 'সদৌ অসম ছাত্ৰ সংস্থা' নামৰ অনুষ্ঠানটোৱে যেতিয়া অমানৱীয় ঘটনাৰ প্ৰতিবাদ কৰাৰ নৈতিক দায়িত্বৰ পৰাও মূৰ পোলোকা মাৰিবলৈ আৰম্ভ কৰিলে মানুহৰ তেতিয়া আৰু বুজিবলৈ বাকী ৰোৱা নাই তেওঁলোকৰ সাংগঠনিক চৰিত্ৰ। মানৱীয় মূল্যবোধৰ বান্ধোন তেওঁলোকৰ কিমান থুনুকা সেই কথা প্ৰকাশ পালে সেই দিনাই, যি দিনা আন্দোলন বিৰোধিতা কৰা পিতৃতুল্য ব্যক্তিক ৰাজহুৱা স্থানত আঠুকঢ়াই পৰম গৌৰৱ অনুভৱ কৰিলে। ডকা-হকা দি, অনা ছাগলী, হাঁহৰ মাংসৰে ৰান্ধিবলৈ আনন্দত আত্মহাৰা হৈ ভোজ খাবলৈ আৰম্ভ কৰোতে, ছাগলী-হাঁহৰ গৃহস্থই প্ৰতিবাদ কৰিবলৈ আহোতে হোৱা দুৰ্দশাৰ সন্ধান লবলৈ আপত্তি কৰাৰ পাছতো নেতৃত্বৰ আহৰি নোহোৱা হ'ল। চৰম ৰাজহুৱা দুৰ্নীতিত লিপ্ত হোৱা সকলৰ গালৈ ফুল, তুলসী চটিয়াই, সৰ্বভাৰতীয় ৰাজনৈতিক দলক অসমৰ ভৌগোলিক সীমাৰ পৰা উচন কৰিবলৈ নেতৃত্বই নিৰ্দেশ জাৰি কৰিব পৰা হ'ল। ভাৰতীয় সংবিধান আৰু গণতান্ত্ৰিক পৰম্পৰাৰ ওপৰত পূৰা মাত্ৰাই বিশ্বাস আছে বুলি কৈ বুকুত মহাত্মা গান্ধীৰ ফটো ওলোমাই, অহিংসা পদ্ধতিৰে আন্দোলনৰ বিয়োগাত্মক দিশবোৰ দেখুৱাই দিয়া বিশ্ববিদ্যালয়ৰ শিক্ষকক দিন দুপৰতে মৰিয়াই তেজেৰে লুতুৰি-পুতুৰি কৰি দিয়া হ'ল। আজিও মনত আছে, চিকিৎসা মহাবিদ্যালয়ত (তেতিয়া পান বজাৰত আছিল) শিষ্যৰ পৰম কৰ্তব্য হিচাপে খবৰ কৰিবলৈ গৈ কৈছিলো চাৰ, ঘটনাতো বৰ দুৰ্ভাগ্যজনক উত্তৰ দিলে – 'মই দুখ পোৱা নাই কাৰণ চলি থকা আন্দোলনতো অহিংস আৰু মোক পিটিছেও অহিংস উপায়েৰে, গতিকে দুখ পোৱাৰ প্ৰশ্ন নুঠে।'

নিজৰে বৰ ধিক্কাৰ জন্মিছিল, আনহে নালাগে বৰ্তমানৰ 'সূত্ৰধাৰ'ৰ মাননীয় সম্পাদককো ৰাস্তাত দেখিলে নমস্কাৰ জনাবলৈও চাৰিওফালে চাই লব লগা অৱস্থা। কোনোৱা ছাত্ৰ-সংস্থাৰ সদস্যৰ চকুত পৰিলে, অপমান অনিবাৰ্য – কোনেও বচাব নোৱাৰে। আৰু যে কত কি ঘটনা ৰাইজৰ অজ্ঞাতে ঘটিছে তাৰ বৰ্ণনাৰ কোনো প্ৰয়োজন নাই। সদৌ অসম ছাত্ৰ সংস্থাই যদি কব খোজে সোণৰ অসমৰ নতুন সূৰ্যৰ ৰেঙণি এয়াই তেন্তে কাতৰে নিবেদন কৰিছো কোনো দিনেই আমাক সোণালী সূৰ্যৰ ৰেঙণি নালাগে আন্ধাৰেই আমাৰ হ'ব। দিনে কেৱল ১টাকৈ নম্বৰ সংগ্ৰহ কৰিলেও ৩৬৫ দিনত ৩৬৫ নম্বৰ হয়। অৰ্থাৎ এজন ছাত্ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব পৰা এটা পৰ্যায় পায়গৈ, তাকে নহৈ উত্তীৰ্ণৰ হাৰ কি দৰে হ্ৰাস পাইছে তাৰ প্ৰতি ভ্ৰূক্ষেপ নেতৃত্বই কোনো দিনেই কৰা নাই। অ-ৰাজনৈতিক নামধাৰী এই অনুষ্ঠানটোৱে কেৱল ৰাজনৈতিক চিন্তা-চৰ্চাতে সদস্য সকলক ব্যস্ত ৰাখিবলৈ অহৰহ চেষ্টা কৰি আহিছে। এই অনুষ্ঠানটোৰ হাততেই ব্ৰহ্মপুত্ৰ উপত্যকাৰ ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যত নিৰ্ভৰ কৰি আহিছে। সময় থাকোতেই এই সংগঠনটোত সুস্থ চিন্তা চৰ্চা কৰা সকলে যদি বিপথে নিবলৈ অহৰহ চেষ্টা কৰি থকা সকলক আগভেটা নিদিয়ে, তেন্তে পৰিণাম কিন্তু অতি ভয়াবহ। আমি কবহে পাৰো, অনুৰোধ কৰিবহে পাৰো হাত পাত ধুই পঢ়া টেবুলত বহাটো উচিত বুলিবহে পাৰো তাৰ বাদে অন্য কোনো উপায় আমাৰ ওচৰত নাই।

আমি কব বিচৰা নাই যে প্ৰয়োজনীয় স্থানত মাত মাতিব নালাগে, নিশ্চয় লাগিব। সমাজ তথা অভিভাৱকৰ দুৰ্দশাত চকু মুদি থকা সকলো নিশ্চয় সু-নাগৰিক নহয়। লগতে মুষ্টিমেয় কেইজন মানৰ ৰাজনৈতিক স্বাৰ্থ-চৰিতাৰ্থ কৰাৰ অবিৰত শোভাযাত্ৰাৰ সমস্ত দিনৰ বাবে অংশীদাৰ হলো বুলি ভবাটো যে উজ্জ্বল ভৱিষ্যতৰ শুভ লক্ষণ নহয় সেইটোও মনত ৰখা দৰকাৰ। মুক্তিত নিস্পৃহ ভকতেও নাম শেষ কৰি মাহ-প্ৰসাদ খাই ঘৰলৈ ঘূৰে কাৰণ সেইটো পাৰ্থিৱ কৰ্তব্য।

১৯৯১ চনৰ অসমৰ সাধাৰণ নিৰ্বাচনটোত শেহতীয়া ভাবে বিশ্বৰ বৃহত্তম অ-ৰাজনৈতিক ছাত্ৰ সংগঠনটোৰ অ-ৰাজনৈতিক চৰিত্ৰ কেনেকৈ ধৰা দিছে এই আলোচনীতে প্ৰকাশ পোৱা ফটোবোৰলৈ লক্ষ্য কৰিলেই হ'ব। এতিয়াৰ পৰা নিৰ্বাচনত কাক ভোট দিব লাগিব তাৰ নিৰ্দেশ দিব ছাত্ৰ সংস্থাই অৰ্থাৎ মাজ মূৰত চুলি নোহোৱা ঘৈণীক আমিও ৰূপহী বুলি মাতিবই লাগিব। সূ



ফটো: পদ্ম পাটৰ

*আছুৰ এই প্ৰচাৰে ৰাজনৈতিক নিৰপেক্ষতাক সূচাইছেনে?*

# সংকীৰ্ণ জাতি বিদ্বেষৰ দাম্ভিক আস্ফালনে যি অশুভ সংকেত বহণ কৰিছে

সুৰেন ভট্ট

তাহানি ত্ৰিশৰ দশকত তৃতীয় কমিউনিষ্ট আন্তৰ্জাতিকৰ সপ্তম মহা সন্মিলনৰ সম্পাদকীয় প্ৰতিবেদনত তেতিয়া প্ৰথম মহাসমৰৰ পাছত হোৱা ফেছিবাদৰ অভ্যুত্থান সম্বন্ধে, সেইটোনো কিয় কেনেকৈ ঘটিছিল, তাৰ আচল ৰূপ কি, চৰিত্ৰ কেনেকুৱা, কেনে বিপদৰ ভাবুকি সৃষ্টি কৰিছে ইত্যাদি বিষয়ে অতি সুন্দৰ, সুস্পষ্ট আৰু মনোগ্ৰাহীকৈ এটা বিশদ বস্তুনিষ্ঠ ব্যাখ্যা দাঙি ধৰিছিল। লগতে এই আসুৰিক শক্তিক কেনেকৈ প্ৰতিৰোধ কৰিব পাৰি, কেনেকৈ প্ৰতিহত, নিৰ্মূল কৰা যায়, তাৰ বাবে কি কৰা দৰ্কাৰ, কেনেবোৰ শক্তিৰ ঐক্য আৰু যুক্ত উদ্যোগেৰে জাতীয় আৰু আন্তৰ্জাতিক পৰিসৰতো জনসাধাৰণক সমস্যাটো সম্বন্ধে সজাগ আৰু সংগঠিত ভাবে সংগ্ৰামত সমাবেশ কৰা প্ৰয়োজন, সেই বিষয়েও সুস্পষ্ট পথ-পদ্ধতি-কৌশলৰ নিৰ্দেশ সহ উদাত্ত আহ্বান জনোৱা হৈছিল।

দুৰ্ভাগ্যবশতঃ সময় মতে সেই শিক্ষামালা গ্ৰহণ কৰিব নোৱৰা বাবে, তাৰ আহ্বানত সঁহাৰি জনাব নোৱৰা বাবে, ফেছিষ্ট শক্তিৰ ভয়ংকৰ অভ্যুত্থান বাধা দিব পৰা নগ'ল। ফলস্বৰূপে বিশ্ব জুৰি মৃত্যু-ধ্বংসৰ তাণ্ডৱ সৃষ্টি হৈছিল। সমগ্ৰ মানৱ জাতিয়ে অপূৰণীয় ক্ষতিৰ বিষম মূল্য দিব লগা হৈছিল। উন্মত্ত হিংসাৰ দাবানলত ছাৰখাৰ হোৱা সমাজ-সভ্যতাৰ মৰিশালিৰ মৰ্মন্তুদ দৃশ্য, ম্ৰিয়মান জীৱনৰ যাতনা, বঞ্চনা, অপমানৰ সকৰুণ কাহিনীবোৰ হাজাৰ ৰামায়ণ মহাভাৰতৰ দৰে কালজয়ী অমৰ মহাকাব্যৰ বিচিত্ৰ বৰ্ণাঢ্য উপাদান হৈ থাকিছে।

ফেছিবাদে জ্বলোৱা যুদ্ধৰ বিস্তৃতি পৃথিৱীৰ দুকুৰিখন দেশৰ এলাকা জুৰি ঘটিছিল। পাঁচ কোটি লোকে প্ৰাণাহুতি দিব লগা হৈছিল। ন কোটি জীৱনৰ কাৰণে ঘুণীয়া, বিকলাংগ হৈছিল। ক'ত যে নগৰ, গাঁও, সা-সম্পত্তি ভষ্মীভূত হৈছিল, কিমান যে অসহায় নিঠৰুৱা, গৃহহীন হৈ পৰিছিল, তাৰ হিচাপ দিয়া দুঃসাধ্য। এই মহাপ্ৰলয়ৰ প্ৰস্তুতিৰ বাবেও আদি পৰ্বত কম নিৰ্যাতন, নৃশংসতা, প্ৰাণ হননৰ বিভীষিকা সৃষ্টি কৰা হোৱা নাছিল। জাৰ্মানী, ইটালি আদি দেশবোৰত ফেছিষ্ট শাসকহঁতে কেতিয়া যে কাক ক'ত মাজনিশা ঘৰ ঘেৰি ধৰি নি বা ৰাজপথৰ পৰা অপহৰণ কৰি নিৰ্মম ভাবে হত্যা কৰিছিল বা বন্দীশালতে বিনা বিচাৰে বধ কৰিছিল তাৰ হিচাপ দিয়া বা পোৱা টান। হাড়ত কঁপনি তোলা সেই আতংক সৃষ্টি কৰি, সন্ত্ৰস্ত মানুহৰ মুখবোৰ বন্ধ কৰি থৈ দানৱীয় এটা শাসন ব্যৱস্থা গঢ়ি তুলিছিল। শাসক শ্ৰেণীৰ জাতীয় আৰু গোষ্ঠীগত স্বাৰ্থৰ সংঘাত আপোচ কৰিব নোৱৰা আৰু তীব্ৰতৰ হোৱাতেই সেই ভয়াবহ পৰিণতি ঘটিছিল।

প্ৰথম মহাসমৰত (১৯১৪-১৯১৮) বিজয়ী পক্ষই বিজিত পক্ষৰ ওপৰত জাপি দিয়া ক্ষতিপূৰণৰ বিৰাট বোজাৰ ভাৰে জৰ্জৰিত দেশ বিলাকৰ পৰাজিত শাসকমহলবোৰক পেপুৱা লগাইছিল; প্ৰতিকাৰৰ বাবে প্ৰতিহিংসাৰ পথ বিচাৰি বেপৰোৱা হৈ উঠিছিল। কিন্তু তাৰ বাবে জনসাধাৰণক লগত পোৱা দৰ্কাৰ। যুদ্ধ বিধ্বস্ত জনসাধাৰণে আকৌ যুদ্ধ প্ৰস্তুতিত সহযোগ কৰাৰ আশা জানো কৰিব পাৰি? গতিকে প্ৰলোভন, প্ৰতাৰণা, ভীতি-সঞ্চাৰ, দমন-পীড়নৰ দ্বাৰা আদায় কৰিব লাগিব আনুগত্য, সহযোগিতা। সেয়েহে হিটলাৰৰ নাৎসী দলে জাতীয় সমাজতন্ত্ৰৰ ধ্বনি তুলিছিল। দুৰ্নীতি ব্যভিচাৰৰ বিৰুদ্ধে শঠতাপূৰ্ণ অভিযানো চলাইছিল, নিবনুৱা সমস্যা সমাধানৰ লোভনীয় প্ৰতিশ্ৰুতিও দিছিল।

লগে লগে জাতি-বিদ্বেষ, ইহুদীৰ প্ৰতি হিংস্ৰ শত্ৰুতা, কমিউনিষ্ট, সমাজবাদী আৰু উদাৰপন্থী বিলাকৰ প্ৰতি বিদ্বেষ, নিষ্ঠুৰতা পোষণ আৰু প্ৰচাৰ কৰিছিল। বিৰোধিতা স্তব্ধ কৰিবলৈ বিৰোধী মাত্ৰকেই নিধনৰ আসুৰিক কৰ্ম নীতিৰে একনায়কত্ব সুসংহত কৰি লৈ বিশ্বত আধিপত্য বিস্তাৰৰ সপোন দেখিছিল। তাৰ বাবে বশ্যতা স্বীকাৰ কৰিব নিবিচৰা দেশবোৰক সামৰিক বল আৰু যুদ্ধৰ দ্বাৰা বশীভূত কৰাৰ লক্ষ্যত দুৰন্ত গতিৰে অগ্ৰসৰ হৈছিল। প্ৰথম অৱস্থাত চমকপ্ৰদ কিছু সামৰিক সাফল্য অৰ্জন কৰি মানুহৰ মাজত বিভ্ৰান্তিও কম সৃষ্টি কৰা নাছিল।

চূড়ান্ত ফলাফল কাকো কৈ দিব নালাগে। সাম্প্ৰতিক কালৰ ইতিহাসতে তাৰ বিবৰণ জ্বলন্ত ৰূপতে সকলোৰে দৃষ্টিপটত ভাহি আছে। বস্তুতঃ দ্বিতীয় মহাসমৰৰ (১৯৩৯-৪৫) জেৰ এতিয়াও চলিয়ে আছে। বোধহয় যুদ্ধৰ সম্ভাৱনা চিৰকালৰ কাৰণে নোহোৱা কৰিব নোৱৰালৈ তাৰ কুফলবোৰৰ পৰা, বিষম বিৰূপ প্ৰতিক্ৰিয়াবোৰৰ পৰা বিশ্ব মানৱ সমাজে পৰিত্ৰাণ পাবও নোৱাৰে।

পিছে মজাৰ কথা আৰু লক্ষণীয় বিষয়টো হৈছে যে প্ৰথম মহাসমৰৰ পাছত য'ত পৰাজিত দেশবোৰে যুদ্ধৰ ক্ষতিপূৰণ দিব লগা হৈছিল, দ্বিতীয় মহাসমৰৰ পাছত পৰাজিত দেশ বিলাক জাৰ্মানী, জাপান আদিৰ বিধ্বস্ত অৰ্থনীতিৰ পুনৰ্গঠনৰ বাবে বিজয়ী ৰাষ্ট্ৰবোৰেহে প্ৰধানতঃ আমেৰিকা যুক্তৰাষ্ট্ৰই বিপুল অৰ্থ সাহায্য বৰাদ্দ কৰিব লগা হৈছিল। ফলস্বৰূপে যুদ্ধ বন্ধ হোৱাৰ দুকুৰি ছয় বছৰ পাছত আজি জাপান, জাৰ্মানী পৃথিৱীৰ সবাতোকৈ স্বচ্ছল, অৰ্থনৈতিক সমৃদ্ধিৰ শিখৰত– আনহাতেদি আমেৰিকা যুক্তৰাষ্ট্ৰ ঋণৰ ভাৰত, অৰ্থনৈতিক বিশৃংখলাত বিদীৰ্ণ, তাৰ অৰ্থনীতি একপ্ৰকাৰ বন্ধকীত বিপন্ন। ততোধিক দুৰৱস্থা অন্যতম বিজয়ী মহাশক্তি ছোভিয়েত ইউনিয়নৰ। কাৰণ কি? বুজা দৰ্কাৰ।

ফেছিষ্ট চক্ৰ শক্তিৰ বিৰুদ্ধে যুদ্ধত যি মাৰ্কিন-বৃটিছ-ছোভিয়েত সহযোগিতা গঢ় উঠিছিল সেইটো এক অসুস্থ সম্পৰ্কৰ বন্ধনহে আছিল। যুদ্ধত সাধাৰণ উমৈহতীয়া শত্ৰুৰ বিৰুদ্ধে আত্মৰক্ষা আৰু প্ৰতিপক্ষৰ বিৰুদ্ধে জয়লাভৰ গৰজতে সেই সম্পৰ্ক গঢ়ি তুলিব লগা হৈছিল। সামাজিক ৰাষ্ট্ৰীয় নীতি আৰু লক্ষ্যৰ পিনৰ পৰা ছোভিয়েত ইউনিয়নতকৈ জাৰ্মানী আৰু জাপানৰ সৈতেই ইংলণ্ড আমেৰিকাৰ মিল আছিল বেছি আৰু মৌলিক। কিন্তু আশু অৰ্থনৈতিক স্বাৰ্থৰ সংঘাত তেনেকৈ বেছি তীব্ৰ আছিল সাম্ৰাজ্যবাদী দেশ বিলাকৰ মাজতেই। ছোভিয়েত আৰু সমাজতান্ত্ৰিক গোষ্ঠীৰ সৈতে বিৰোধ সংঘৰ্ষতো সৰ্বাত্মক আৰু সকলো সাম্ৰাজ্যবাদীহঁতৰেই। সেই বাবেই মিউনিক চুক্তিৰে ইংৰাজ-আমেৰিকানহঁতে হিটলাৰ তোষণৰ পথেই অনুসৰণ কৰিছিল। উদ্দেশ্য হিটলাৰৰ সামৰিক বল পূবৰ পিনে ছোভিয়েত ব্যৱস্থা, সমাজতন্ত্ৰ মষিমূৰ কৰাৰ কাৰণে ব্যৱহাৰ কৰা। বহু নানা কাৰণত সেই অভীষ্ট সিদ্ধি নহ'ল।

প্ৰথম মহাসমৰৰ তিক্ত অভিজ্ঞতাৰেও হিটলাৰে পূবমুৱা নহৈ পশ্চিম মুৱাহে কৰিলে সামৰিক অভিযান। ফলত চাৰ্চিলৰ দৰে ধুৰন্ধৰ সাম্ৰাজ্যবাদী আৰু ছোভিয়েত বিদ্বেষীয়ে ষ্ট্যালিনৰ সৈতে হাত মিলাব লগা হৈছিল। তথাপি যুদ্ধ জয় কৰাৰ পাছত সেই চাৰ্চিলেই শীতল যুদ্ধৰ পাতনি মেলিছিল ফুল্টন, উদ্‌ফোৰ্ড বক্তৃতামালাৰ দ্বাৰা। এনেকি যুদ্ধৰ সামৰণি নৌ পৰোতেই লাল ফৌজৰ অগ্ৰগতি বাধা দিবলৈ নাৎসী বাহিনীৰ সৈতে বুজাপৰা কৰাৰ চিন্তাও চাৰ্চিলৰ উৰ্বৰ মগজুতে অংকুৰিত হৈছিল। কাৰণ যুদ্ধত সাম্ৰাজ্যবাদৰ শক্তি পাৰস্পৰিক হানাহানিত দুৰ্বল হোৱাত আৰু তাৰ বিপৰীতেদি সমাজতন্ত্ৰৰ শক্তিৰ বিস্তৃতি আৰু প্ৰতিপত্তি লাভে বিশ্ব পুঁজিবাদৰে নাভিশ্বাস তুলিছিল। সেই বাবে ক্ষিপ্ৰ গতিত শীতল যুদ্ধৰ পাতনি আৰু জাৰ্মানী জাপানৰ পুনৰগঠনৰ উদাৰ ব্যাপক ব্যৱস্থা দেখিবলৈ পোৱা গৈছিল।

ইতিহাসৰ গতিৰোধ কৰাৰ সাধ্য কাৰো নাই। নাই কাৰণেই বৃটিছ সাম্ৰাজ্যৰ পতনত পৌৰোহিত্য কৰিবলৈ অমান্তি হোৱা চাৰ্চিলে সেই পতনৰ অসহায় দৰ্শক নহৈ নোৱাৰিলে। যুদ্ধ জয় কৰা কৃতিত্বৰে ১৯৪৫ চনত বৃটিছ পাৰ্লামেন্টৰ নিৰ্বাচনত নিজ দলৰ পৰাজয় ভেটা দিব নোৱাৰিলে। ইতিহাসৰ সেই জটিল বক্ৰ গতিৰেই পৃথিৱীত আজি আকৌ ফেছিষ্ট শক্তিৰ পুনৰভ্যুত্থানৰ বিপদ দেখা দিছে। অৱশ্যে হিটলাৰ-মুছোলিনীহঁতৰ লগতে যে ফেছিবাদৰ মৃত্যু হোৱা নাই বা হব নোৱাৰে, সেইটো বুজিবলৈ একো জটিল সাঁথৰ নহয়। দিন যায় মানে পুঁজিবাদৰ কঠিন সংকট আৰু সমাজতন্ত্ৰৰ বিকৃতিৰ সুযোগ লৈ আকৌ ফেছিবাদৰ অভ্যুত্থানৰ প্ৰৱণতাবোৰ পৰিস্ফুট হব ধৰিছে। নুৰেমবাৰ্গৰ যুদ্ধ অপৰাধীৰ বিচাৰত কিছুমানৰ মৃত্যু দণ্ড হৈছিল যদিও বহুতেই আত্মগোপন কৰাৰ সুবিধাও প্ৰধানতঃ মাৰ্কিন যাজক মহলৰ সাহায্যতে পাইছিল।

সেই নাৎসী যুদ্ধ অপৰাধী বিলাকেই লেটিন আমেৰিকাৰ দেশ বিলাকতঃ আফ্ৰিকা আৰু মধ্যপ্ৰাচ্যতো বহু ফেছিষ্ট বাহিনী গঠন আৰু সশস্ত্ৰ অভ্যুত্থান সংগঠনৰ মন্ত্ৰণাদাতা প্ৰশিক্ষকৰ ভূমিকা পালন কৰাৰ বহু দৃষ্টান্ত আছে। কাৰণ পুঁজিবাদী ব্যৱস্থাৰ সংকট পাৰ হবলৈ বুৰ্জোৱা বা ধনিক শাসক শ্ৰেণীয়ে ফেছিবাদৰ আশ্ৰয় লব বিচাৰে। জনসাধাৰণৰ ৰাজনৈতিক চেতনাৰ অভাৱ, গণ সংগঠন আৰু গণতান্ত্ৰিক আন্দোলনৰ দুৰ্বলতাৰ সুযোগ লৈ এই অসুস্থ ধাৰাই গা কৰি উঠে। তেনেকৈয়ে মিলিত সামৰিক অভ্যুত্থান ঘটাই ফেছিবাদ কায়েম কৰিছিল সত্তৰৰ দশকৰ আগভাগত। কাম্পুচিয়াত পলপটহঁতৰ নেতৃত্বতো ফেছিবাদকে কায়েম কৰা হৈছিল।

আমাৰ দেশতো তাৰ তালিম নচলাকৈ থকা নাই। প্ৰস্তুতি যেনে সুদীৰ্ঘ তেনে ব্যাপক আৰু আন্তৰ্জাতিক যোগাযোগৰ ভিত্তিত চলিছে। ঘটনা ধাৰাৰ গতি প্ৰকৃতিবোৰৰো সাদৃশ্য লক্ষণীয়। জীৱন জুৰুলা কৰা আৰ্থ-সামাজিক কাৰণবোৰ দুৰ্নীতি-ভ্ৰষ্টাচাৰ, চৰম নৈতিক অধঃপতনে পংগু কৰা সমাজ-শাসন ব্যৱস্থা, বিক্ষুব্ধ যুৱ শক্তিৰ মাজত হতাশাজনিত বেপৰোৱামি, উচ্ছৃংখলতাৰ প্ৰাদুৰ্ভাৱ, অচল সমাজ আৰু ৰুগ্ন ৰাজনৈতিক ব্যৱস্থাৰ পৰিবৰ্তন বাধা দিবলৈ, সংকীৰ্ণ জাতি-বৰ্ণ, ধৰ্ম, ভাষাৰ ভিত্তিত সাম্প্ৰদায়িক বিদ্বেষ, হিংসা আৰু বিভাজনৰ উচতনি, তাৰ বাবে ভাবাবেগ সৃষ্টি আৰু প্ৰৰোচনাৰে গণতন্ত্ৰ বিৰোধী হুকুমচাহী আৰু জোৰ জৱৰদস্তিৰ গুণ কীৰ্তন– এইবোৰেই ফেছিজিমৰ বাট কটাৰ অশুভ সূচনা।

অৱশ্যে পৰিবৰ্তিত বিশ্ব পৰিস্থিতিত এতিয়া ফেছিজিমৰ বাবেও কিছুমান নতুন কৌশল উদ্ভাৱন কৰিব লগা হৈছে। উদ্দেশ্য কিন্তু একেটাই। কৰ্মক্ষেত্ৰও বহু বিস্তৃত। হিটলাৰ মুছোলিনীহঁতে নিজ দেশত ফেছিজিম কায়েম কৰি পৰ ৰাজ্য গ্ৰাস আৰু বিশ্বত আধিপত্য স্থাপনৰ বাবে অগ্ৰসৰ হৈছিল। এতিয়া কছ-মেজৰ সকলে সিবিলাকৰ কৰ্তৃত্ব আধিপত্যৰ অন্তৰায় স্বৰূপ বিবেচনা কৰা বিভিন্ন দেশৰ গণতান্ত্ৰিক ব্যৱস্থা চূৰ্ণ আৰু জাতীয় নেতৃত্ব কাবু কৰিবলৈ ভেটি, ঘোচ, ষড়যন্ত্ৰ, ঘাতক, বিদ্ৰোহৰ উচতনি, অস্ত্ৰ যোগান আদিৰ প্ৰণালীবদ্ধ ব্যৱহাৰ কৰিছে।

তাৰ ফল স্বৰূপেই উপজাতীয় বিদ্ৰোহ, বিচ্ছিন্নতাবাদী হিংসাত্মক আন্দোলন-বোৰলৈ বিপুল অৰ্থ আৰু অস্ত্ৰ সাহায্যৰ উপৰিও বিৰাট প্ৰচাৰ যন্ত্ৰৰ মিছা-কুৎসা প্ৰচাৰৰ দ্বাৰা সেইবোৰক জাতীয় চৰিত্ৰ আৰু ন্যায্যতা দানৰ ব্যৱস্থা দেখিবলৈ পোৱা গৈছে। এখন দেশৰ বিৰুদ্ধে প্ৰতিবেশী আন এখন দেশৰ অনুগত শাসক চক্ৰক সংঘৰ্ষৰ বাবে উচতনি দিয়া হৈছে। শ্ৰীলংকাত সলোমন বন্দৰনায়কক, বাংলাদেশত মুজিবৰ ৰহমানক সপৰিয়ালে বধ কৰা হৈছিল। আমাৰ দেশতেই তিনিজনকৈ বৰেণ্য জননায়কক ঘাতকৰ হতুৱাই হত্যা কৰা হৈছে। উদ্দেশ্য অস্থিৰতা সৃষ্টি কৰা, উন্নয়নত বাধা দিয়া আৰু সাম্ৰাজ্যবাদহঁতৰ অনুগত প্ৰতিক্ৰিয়াশীল চক্ৰক ক্ষমতাত বহুওৱা। ক'তোই গুপ্ত



সূত্ৰধাৰ □ ১-১৫ আগষ্ট ১৯৯১

ঘাতক ধৰা নপৰে। পৰিলেও বাচি যায়। বাংলাদেশত কোনে মুজিবৰ ৰহমানক হত্যা কৰিছিল, জেলৰ ভিতৰতে তেওঁৰ সহকৰ্মী বিশিষ্ট কেইজনমান নেতাক বধ কৰিছিল সকলোৱে জানে। কিন্তু কেৱে বিচাৰৰ সমুখীন হব লগা হোৱা নাই শাস্তি ভোগতো দূৰৈৰ কথা।

কাৰণ সেই হত্যাকান্ডৰ দ্বাৰা যাৰ শাসন ক্ষমতা লাভৰ বাবে বাট মুকলি কৰি দিয়া হৈছিল, সেই বিলাকেই ঘাতকইঁতক ৰক্ষাকবচ দিছে। নিদি পাৰে কেনেকৈ? কাৰণ যিয়ে ক্ষমতাৰ গাদীত বহাৰ সুবিধা কৰি দিব পাৰে, সেয়ে ক্ষমতাৰ গাদীৰ পৰা টানি নমাবও পাৰে।

আমাৰ দেশতেই, জানো বিজেপি-য়ে ভি পি সিঙক তথা নেচনেল ফ্ৰন্টক ক্ষমতাত বহুৱাবলৈ বাওঁফ্ৰন্টৰ লগ লাগিবলৈও উৎসাহিত হোৱা নাছিল? আকৌ সময়ত গাদীচ্যুত নকৰিছে জানো। কোন লাভবান হৈছে সেইটো নিৰ্বাচনেই দেখুৱাই দিছে। বিজেপি-ৰ ৮৬-ৰ পৰা ১১৯ আৰু জনতা দলৰ ১৪২-ৰ পৰা ৫৫ খন আসন লাভেই দেখুৱাই দিছে নীতিহীন সুবিধাবাদী মিত্ৰতাৰে কাৰ কি লাভ-লোকচান হৈছে।

বাওঁফ্ৰন্টেও ভি পি সিঙৰ পাছত থিয় দিবলৈ বিজেপি-ৰ সৈতে একে শাৰীত চামিল হোৱাৰ খেছাৰৎ নিদি পৰা নাই। কেৰালাত ক্ষমতাচ্যুত হৈছে। পশ্চিম-বংগতো বিজেপি-ৰ ভোট বৃদ্ধিয়ে চকু নি কপালত তুলিছে। সিফালে বিজেপি-য়ে উত্তৰ প্ৰদেশ দখল কৰিছে।

ৰাজীৱ গান্ধীৰ চৰিত্ৰহনন আৰু কংগ্ৰেছ(ই)-ৰ ভাবমূৰ্তি নষ্ট কৰাৰ অভিযানটো যে কেৱল ভি পি সিং গয়ৰহৰ ক্ষমতাৰ লোভ চৰিতাৰ্থ কৰিবলৈহে নাছিল, সেইটো এতিয়া ক্ৰমে বেছি পৰিষ্কাৰ হৈছে। সেই চৰিত্ৰ হননৰ বাবে সৃষ্টি হোৱা বাতাবৰণেই বিভেদ-বিচ্ছিন্নতাবাদী হিংসাৰে বিদীৰ্ণ দেশৰ অশান্ত পৰিস্থিতিত ৰাজীৱ গান্ধীৰ প্ৰাণ হননৰো অনুকূল বাতাবৰণ সৃষ্টি কৰি দিছিল। ভি পি সিং সকলে আদৱানিৰ ৰথযাত্ৰাৰ দ্বাৰা প্ৰৰোচিত সাম্প্ৰদায়িক বিদ্বেষ-বিভাজনৰ মৌখিক বিৰোধিতা কৰা কৃতিত্ব দাবী কৰিলে কি হব? বৰ্ণ বিদ্বেষৰ জুই যে সিবিলাকেই দেশজুৰি বিয়পাই দিছে সেইটোনো আৰু লুকুৱাব পাৰে নে?

ক্ষমতা দখলৰ উদ্দেশ্যে হিংসা, বিদ্বেষ, বিভাজনৰ উচতনি দি তাৰ সুবিধা লোৱা শক্তিবোৰেই বাহিৰৰ পৰা দেশৰ বৈৰিতা কৰা সন্ত্ৰাসবাদী বিলাকৰ সহযোগী, অনুচৰ। নিৰ্বাচনত সাফল্য লাভৰ বাবে ক্ষমতা দখলৰ যুঁজত হিংসাৰ প্লাৱন ঘটোৱাইঁতে এতিয়া ক্ষমতা ৰক্ষা কৰাৰ গৰজত নৰম সুৰ ধৰা দেখা গৈছে। বিজেপি-য়ে মন্দিৰ-মছজিদ সমস্যাটো পাৰস্পৰিক বুজাবুজিৰে নোৱাৰিলে আদালতৰ ৰায়ৰ দ্বাৰাই সমাধানৰ ওকালতি কৰা দেখা গৈছে। সাম্প্ৰদায়িক সম্প্ৰীতি বা ধৰ্মনিৰপেক্ষতাৰ নীতিৰ প্ৰতি নিষ্ঠাৰে অৱশ্যেই নহয়-ক্ষমতাৰ গাদী খামুচি ধৰি ৰখাৰ গৰজতহে। এইটো পৰিষ্কাৰ হোৱা কথা।

এতিয়া চি পি এম নেতা নাম্বুদ্ৰিপাদে কংগ্ৰেছ সভাপতিলৈ চিঠি লিখিছে। বাওঁপন্থী সকলৰ প্ৰতি কংগ্ৰেছ(ই)-ৰ মনোভাব পৰিবৰ্তনৰ কথা কৈছে। জ্যোতিবাবুৱে সেইটো তেওঁৰ নিজা মত বুলিহে প্ৰকাৰান্তৰে ভৰ্ৎসনাই কৰিছে। কিন্তু চি পি আইৰ চতুৰানন মিশ্ৰই আৰু এখোপ আগুৱাই গৈ কংগ্ৰেছ(ই)-ৰ সৈতে সহযোগিতাৰ সেতু বান্ধিবলৈয়ে উৎসাহ দেখুৱাইছে।

আনহাতেদি বি জে পি-ৰ আদৱানি চাহাবে অভিযোগ কৰিছে কমিউনিষ্টসকলে স্থিতি আৰু নীতি পৰিবৰ্তন কৰা বুলি। পিছে আদৱানিয়েই আকৌ কৈছে কংগ্ৰেছ বিৰোধিতাৰ দিন উকলি যোৱা বুলি। নিতান্তই প্ৰণিধানযোগ্য। কিন্তু বিজেপি-য়েই চোন আস্থাসূচক ভোটৰ ক্ষেত্ৰত বিৰোধিতা কৰাৰ সিদ্ধান্ত আগ ধৰি সদৰি কৰিছে। অৱশ্যে ভি পি সিং সকলৰ জনতা দলকো লগতে পাইছে এই ক্ষেত্ৰত। কথা তেনেই অমূলক নহয়- অন্যহে।

কংগ্ৰেছৰ ভিতৰতো আদৱানি সকলৰ সগোত্ৰীয় মাল বস্তু কিছুমান যে আছে সেইটোনো কোনে নেজানে? আদৱানি সকলেতো বেছি ভালকৈয়ে জনা কথা। বোম্বাইৰ ধনকুবেৰ সকলৰ পৰম বিশ্বস্ত মধ্য মণিটি নো কেন্দ্ৰৰ আসন এখন পোৱাৰ বাবেহ মহাৰাষ্ট্ৰৰ মছনদ এৰি দিল্লীলৈ দৌৰ দিছে নে? কংগ্ৰেছ(ই)-ৰ পৰা (ই)-টো বাদ দিলে হেনো মহামান্য হেগড়ে চাহাবেও দলবল লৈ কংগ্ৰেছতে যোগদান কৰিবলৈ ঠেং দাঙিয়ে আছে। আকৌ একালৰ মহাৰথী নিজলিংগাপ্পাইও কেচি পন্তাৰ পৰা মোৰাৰজী ভাইলৈ বয়োবৃদ্ধ পুৰণি কংগ্ৰেছী সকলক গোটাবলৈ উদ্যোগ লোৱা বুলি প্ৰকাশ। সম্ভাৱনা দেখিলে বিজেপি-ৰ সহযোগত, ৰাষ্ট্ৰীয় মৰ্চাৰো সমৰ্থনত কংগ্ৰেছ(ই)-ৰ পৰা এচামক উলিয়াই আনি চন্দ্ৰ শেখৰৰ দৰে এটা চৰকাৰ গঠন কৰিব পাৰিলে বিজেপি-ৰ বাবে, জনতা দলৰ বাবেও কেল্লা ফতে। "গণতন্ত্ৰ"ৰ মহিমা কীৰ্ত্তন কৰা কাকত আৰু লেখক সকলতো আছেই। যিবিলাকে লাগিলে নিজ-লিংগাপ্পা, হেগড়ে সকলৰ গুণ কীৰ্ত্তনত যিমান লাগে পদাৱলী ৰচনা কৰি দিব পাৰিব। ঠিক যেনেকৈ এদিন মোৰাৰজীৰ গুণ কীৰ্ত্তনৰ বাবে কৰিছিল, ভি পি-ৰ কাৰণেও।

এইয়া কিবা অলীক বা মনগঢ়া কল্পনা নহয়। নিতান্তই নিৰ্মম ৰূঢ় বাস্তৱ সম্ভাৱনা। সেয়েহে বাওঁফ্ৰন্টৰ বাওঁমাৰ্গী বন্ধুসকলে অলপ সাৱধানতাৰে পৰিণাম চিন্তা কৰি চোৱা দৰ্কাৰ। একালৰ কংগ্ৰেছ ঘাটি বিহাৰ উত্তৰ-প্ৰদেশ এতিয়া জনতা দল, বিজেপি-ৰ দুৰ্গত পৰিণত হৈছে। জনতা দলৰো চাবিকাঠি লালু প্ৰসাদৰ হাতত। নিম্নবৰ্ণৰ অধিকাৰ প্ৰতিষ্ঠাৰ কথা যিমানেই পাগুলিয়াই নাথাকক নকছালী হিংসাৰ অতিৰঞ্জিত অভিযোগৰ আঁৰত নতুন ধনী গাঁও অঞ্চলৰ মাটি গৰাকী শ্ৰেণীৰ স্বাৰ্থত হৰিজন, কৃষক মজদুৰ সকলৰ বিৰুদ্ধে জমিদাৰইঁতৰ মাফিয়া মাস্তান কাহিনী-বোৰৰ নৃশংস অভিযানকে বিহাৰ চৰকাৰে উৎসাহ দিয়া দেখা গৈছে। নিদি পাৰে কেনেকৈ? বহু দাগী অপৰাধী গুন্ডা মাষ্টানেই হেনো বিধায়ক নিৰ্বাচিত হৈছে। মন্ত্ৰীও হৈছে চাগৈ দুই-চাৰিজন! উত্তৰ-প্ৰদেশত কিবা বেলেগ নে অৱস্থাটো?

ইফালে নৰসিংহ ৰাও চৰকাৰক স্বাৰ্থলোভী অসৎ লোকৰ এটা চক্ৰই ঘেৰি ধৰা বুলি অভিযোগ কম সৰৱ হোৱা নাই। খোদ নিজলিংগাপ্পাজীৰ মুখেৰেও শুনিবলৈ পোৱা গৈছে। একেবাৰে ভিত্তিহীন কথা বুলি উৰুৱাই দিব নোৱাৰি যদিও ইয়াৰ উদ্দেশ্য যে সৎ নহয় সেইটোও দুৰ্বোধ্য নহয়। এনেকৈ পাৰস্পৰিক সন্দেহ অবিশ্বাস, ঈৰ্ষা-বিদ্বেষৰ জুই জ্বলোৱা উদ্দেশ্য চৰিতাৰ্থ কৰিব পাৰিলে দিল্লীত "পাশ্চাত্য বন্ধু" সকলৰ মনঃপুত চৰকাৰ এটাক ভালকৈ বহুৱাই লবলৈ আৰু কাকো হত্যা কৰাৰ ঝুকি লোৱা বা ষড়যন্ত্ৰ পকোৱা জঞ্জাল থুপুৰিয়াব নালাগে। শান্তিপূৰ্ণ ভাবেই কামটো সম্পন্ন হৈ যাব। আৰু নো কি কঠোৰ সকীয়নী লাগিছে? ■



ছুঁই যাওঁ

# উল্‌ফা অপৰাধী নেকি – নহ'লে, ক্ষমাদান কিয়?

অনিল বৰুৱা

হিতেশ্বৰ শইকীয়া চৰকাৰে উল্‌ফাক ক্ষমাদানৰ প্ৰস্তাৱ দিছে আৰু উল্‌ফাই এই ক্ষমাদান গ্ৰহণ কৰিব বুলি আশা কৰি আছে। শইকীয়াই অতি কৌশলেৰে চৰকাৰী মতৰ লগতে বিৰোধী আৰু নিৰপেক্ষ মতৰো অনুমোদন আদায় কৰি লোৱাত প্ৰস্তাৱটো 'ৰাইজ'ৰ প্ৰস্তাৱ হৈ পৰিল আৰু সেই কাৰণে ক'ব পাৰি যে উল্‌ফাই ক্ষমাদান গ্ৰহণ কৰিব বুলি এই ভাগ ৰাইজেও আশা কৰি আছে। মোৰ কাৰণে কি যে এক অদ্ভুত পৰিস্থিতি! একেবাৰে চুব নোৱৰা। হতভম্ব হৈ থাকোতে যোৱাবাৰ লিখাই নহ'ল।

কোনো বিপ্লৱী সংগঠনক তেওঁলোকৰ শত্ৰু পক্ষই ক্ষমাদানৰ প্ৰস্তাৱ দিয়া ক'ত শুনিছে? প্ৰকৃত বিপ্লৱী সংগঠনে তেওঁলোকৰ শত্ৰুপক্ষৰ ক্ষমাদান গ্ৰহণ কৰে নেকি? মই একেবাৰে হতভম্ব। কি কয়, কি কৰিছে শইকীয়াইঁতে! বিয়াগোম বিয়াগোম ৰাজনীতিক, পন্ডিত, সম্পাদক আৰু সাংবাদিক, সাহিত্যিক, শিল্পী, উকিল, অধ্যাপক সকলে কি কৈছে, কি কৰিছে এইবোৰ!

উল্‌ফাই নিজকে কি বুলি ভাবে, সেইটোহে এই ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ কথা; আপুনি-মই-তেওঁ উল্‌ফাক কি বুলি ভাবো, সেইটো নহয়। উল্‌ফাই নিজকে বিপ্লৱী সংগঠন বুলি ভাবে – তেওঁলোকে বিপ্লৱ কৰিবলৈ ওলাইছে, অসমক এখন স্বাধীন আৰু সাৰ্বভৌম ৰাষ্ট্ৰ কৰিবলৈ বিচাৰিছে। তেওঁলোকে যিবোৰ কৰি আছে, সেইবোৰ তেওঁলোকে ভাবোতে, বিপ্লৱৰ কাৰণেই কৰিছে বিপ্লৱী কাৰ্যকলাপ – 'একচন'। মনত ৰাখিব, তেওঁলোকে জীৱন পণ কৰি লৈ সেইবোৰ কাম কৰিছে – মৃত্যুভয় জয় কৰি লৈ। কোনো প্ৰদীপ্ত, মহত্তম আদৰ্শবাদেৰে উদ্বুদ্ধ নহ'লে মানুহে এইদৰে হাঁহি হাঁহি জীৱন দিবলৈ ওলাই আহিব পাৰে নেকি? বিপ্লৱত বাদে আন কি হ'ব পাৰে সেই আদৰ্শবাদ!

কিন্তু আপোনালোকে কৰিলে কি? উল্‌ফাক ক্ষমাদানৰ প্ৰস্তাৱ দি প্ৰকাৰান্তৰে তেওঁলোকক কৈ দিছে যে তেওঁলোকে ইমান দিনে যিবোৰ কৰিছে, সেইবোৰ অপৰাধ – 'ক্ৰাইম' আৰু তেওঁলোক 'অপৰাধী' 'ক্ৰিমিনেল'। তেওঁলোকে যিটোক বিপ্লৱ বুলিছে, আপোনালোকে সেইটোক অপৰাধ কাৰ্য বুলিছে আৰু তাৰ পাছতো আশা কৰিছে যে তেওঁলোকে হাতে হাতে মালা লৈ আপোনালোকক বৰিবহি! কি অদ্ভুত চিন্তাধাৰা!

উল্‌ফাই নিজকে যিটো বুলি ভাবি আছে, তেওঁলোক প্ৰকৃতপক্ষে সেইটোৱেই বুলি আপোনালোকেও যদি ভাবিব নোৱাৰে, নাভাবিব। কোনো কথা নাই। তেওঁলোক বিপ্লৱী বুলি বহুতেই নাভাবে। বহুতে তেওঁলোকক প্ৰকাশ্যে নিন্দাও কৰিছে, গৰিহণাও দিছে। সেইটো এটা সম্পূৰ্ণ বেলেগ কথা।

## উল্‌ফাক তেওঁলোকৰ নাম ধৰি মাতক

কিন্তু উল্‌ফাই নিজকে যিটো বুলি ভাবি আছে, তেওঁলোক সেইটো নহয় বুলি আপোনালোকে প্ৰকাৰান্তৰে কৈছে, তাকো সহিবলৈ টান হোৱাকৈ তেওঁলোক বেয়া বুলি কৈছে আৰু লগতে আপোনালোকৰ সেই মূল্যায়নকে তেওঁলোকে সাৰোগত কৰি লোৱাটো বিচাৰিছে। এইটো কেনেকুৱা কথা হৈছে, এবাৰ ভাবি চাবনে? ধৰক, আপোনালোকৰ ভিতৰত যি কেইজনে সাংঘাতিক ৰাজনীতি জানে বুলি আৰু সাংঘাতিক সাংবাদিকতা কৰে বুলি অনবৰতে ভাবি থাকে সেইকেইজনক যদি মই কওঁ, হে অলগৰ্ধসকল! আপোনালোকে একো নাজানে, মই শিকাই দিম, পুৱা-গধূলি মোৰ ঘৰলৈ আহিব – আপোনালোক আহিবনে?

উল্‌ফাক তেওঁলোকৰ নাম ধৰি মাতক, তেওঁলোকে যি নামত নিজৰ পৰিচয় দিছে সেই নামত মাতক।

□ □ □

এইখিনিতে এটা কথা একেবাৰে স্পষ্ট কৰি দিয়াৰ প্ৰয়োজন আছে। যিমান দূৰ মনত পৰে, উল্‌ফাই ক্ষমা বিচৰা নাছিল। তেওঁলোকক উপযাচি ক্ষমাদান কৰিব খোজা হৈছে। মোৰ অতি লাজ লগা ধৰণৰ শিক্ষা-দীক্ষা, পঢ়াশুনাৰেও এটা কথা মই বুজো যে মাৰ্ক্সবাদ-লেনিনবাদৰ লগত অতি প্ৰাথমিক ধৰণৰ পৰিচয়হে থকা অৰ্থাৎ প্ৰকৃত বিপ্লৱী কৰ্মকান্ডৰ লগত নিচেই সামান্য সম্পৰ্কহে থকা লোকেও তেওঁলোকৰ কাৰ্যৰ বাবে শত্ৰুপক্ষৰ ক্ষমাদান গ্ৰহণ নকৰে – গ্ৰহণ কৰাৰ কথা সপোনতো ভাবিব নোৱাৰে। যি অপৰাধী, অপৰাধমূলক কাম কৰে সিহে ক্ষমা বিচাৰে আৰু পালে গ্ৰহণ কৰে। বিপ্লৱৰ বাবে সংঘটিত কাৰ্যকলাপবোৰক বিপ্লৱী সকলে অপৰাধ বুলি নাভাবে।

কিন্তু উল্‌ফাই ক্ষমাদান গ্ৰহণ নকৰিবই বুলি মই কোৱা নাই। তেওঁলোক প্ৰকৃতপক্ষে বিপ্লৱী হলে কেতিয়াও নকৰে, সেইটোহে কৈছো। যদি কৰে, উল্‌ফাই ক্ষমাদান গ্ৰহণ কৰে, তেতিয়াহলে বুজিব লাগিব যে বিপ্লৱী ভাও-ভংগী, ছল-চাতুৰীৰ আঁৰত তেওঁলোক এদল সন্ত্ৰাসবাদী মাত্ৰ। (ৰণনীতি, ৰণকৌশল, বিপ্লৱী কৰ্মকান্ড, গেৰিলা যুদ্ধ, সন্ত্ৰাস, অপহৰণ, হত্যা, গণভিত্তি, সংগঠন, মুক্তাঞ্চল – এনেকুৱা হাজাৰটা বিষয় আছে যিবোৰৰ মূল্যায়ন সকলো সময়তে একে হৈ থকা নাই, বিশেষকৈ যোৱা কিছু বছৰত ঢেৰ ওলট-পালট হৈছে, সেইবোৰ অকল চুই যাব পৰা কথা নহয় – স্বতন্ত্ৰ পৰিসৰত আলোচনা কৰিব লগা, তাৰ বাবে মোৰ যোগ্যতা নাই, গতিকে উল্‌ফাৰ প্ৰকৃত উদ্দেশ্য আৰু লক্ষ্য বিপ্লৱ হয় নে নহয় আৰু বৰ্তমানলৈকে যিখিনি কৰিছে সেইখিনি বিপ্লৱী কৰ্মকান্ড হয় নে নহয় সেই বিষয়ে এই লেখাত মন্তব্য কৰাৰ পৰা বিৰত থাকিলো।)

□ □ □



OKDISCD

## বিচক্ষণতা দেখুওৱা নহ'ল!

উল্‌ফা প্ৰকৃতপক্ষে কি সেইটো বেলেগ কথা; যিহেতু তেওঁলোকে নিজকে বিপ্লৱী বুলি ভাবে, গতিকে তেওঁলোকৰ লগত কৰমৰ্দন কৰাৰ গৰজ অনুভৱ কৰা সকলে হাত আগবঢ়াই দিওঁতে বিপ্লৱীলৈ দিয়া দি আগবঢ়াই দিয়াই উচিত। সেইটোৱেই বিচক্ষণতা। নহয়নে বাৰু?

হিতেশ্বৰ শইকীয়া মানুহজন, হয় ৰাজনৈতিক ভাবে একেবাৰে হোজা, সৰল –যাক কয় নেইভ্ (naive), নহয় অতিপাত ধূৰ্ত, টেঙৰ – যাক কয় ৱাইলী (wily)। এনেকুৱাও হ'ব পাৰে, হয়তো শইকীয়াই বিপ্লৱী ৰাজনীতিৰ পৰিভাষা নাজানে আৰু নুবুজে, অকল কংগ্ৰেছৰ এশ বছৰীয়া দ'মটোকে মূৰত লৈ ফুৰিছে। হয়তো উল্‌ফাৰ উদ্দেশ্যক নগা-মিজোৰ, শিখ-কাশ্মীৰীৰ বিদ্ৰোহৰ সমাৰ্থক কৰি ভাবিছে। নহ'লে, হয়তো সকলো জানে সকলো বুজে –উল্‌ফাই তেওঁৰ ক্ষমাদান গ্ৰহণ কৰিব নোৱাৰে, কৰাত অসুবিধা আছে বুলি তেওঁ ঠিকেই জানে, ঠিকেই বুজে। তথাপি তেওঁ ক্ষমাদানৰ প্ৰস্তাৱ দিলে আৰু তাক যথাবিহিত ভাবে 'বামুণ-সজ্জন'ৰ হতুৱাই 'স্পৰ্শ' কৰাই 'অসমৰ ৰাইজ'ৰ প্ৰস্তাৱ বুলি দাঙি ধৰিলে। আৰু বেয়াকৈ কওঁ বুলিলে এনেকৈও ক'ব পাৰি যে একেটা সিদ্ধান্তৰেই তেওঁ অসমৰ আটাইতকৈ প্ৰভাৱশালী ভাগ জনমত তেওঁৰ অনুকূলে কৰি ল'লে, তেওঁৰ প্ৰতি সহানুভূতিশীল কৰি ল'লে; ৰাজ্যখনত যোৱা ১১/১২ বছৰে আন্দোলন উচটাই থাকি উদ্ভণ্ডালি কৰি ফুৰা সকলকো আনিলে আৰু এতিয়া অবাধ ৰাজনীতি কৰিব পৰা পৰিবেশত জজ খেলপথাৰ ধূলিয়ৰি কৰিবলৈ যাব পৰা সকলকো আনিলে, মুঠতে সোঁ-বাওঁ-মাজ – কোনো ফালে কাকো নেৰিলে আৰু গোটেই মখাকে বান্ধি পেলালে একেটা মুঠাতে।

পৰিহাস থৈ কওঁ, মুখ্য মন্ত্ৰী শইকীয়াই সিদ্ধান্তটো ল'বৰ সময়ত সকলো দিশ চিন্তা কৰি নাচালে বোধকৰো। তেওঁক দিহা যুগুতি দিয়া সকলেও আটাইবোৰ কথা নাভাবিলে। প্ৰতিপক্ষ এনে এটা সংগঠন, যি বিপ্লৱী বুলি দাবী কৰিছে। শইকীয়াই তেওঁৰ ৰাজনৈতিক জীৱনত ইয়াৰ আগেয়ে এনে প্ৰতিপক্ষ পোৱা নাছিল। মই ওপৰত পৰিহাস কৰি কোৱাৰ দৰে যদি নহয়, শইকীয়াই যি বুলি কৈছে সেইটোৱেই যদি তেওঁৰ উদ্দেশ্য, তেতিয়াহলে তেওঁ অধিক সন্তৰ্পণে হাত আগবঢ়াব লাগিছিল।

□ □ □

## সাংবাদিক সকলে কি কৰিলেগৈ

আন সকলৰ কথা মই নকওঁ, কিন্তু সাংবাদিক সকলৰ কথা ক'ব পাৰো। বাতৰি কাকতৰ সম্পাদক সকলে কি কৰিলে? তেওঁলোকে নিজে জনা আৰু ভবা অতি মূল্যবান কথাবোৰ নিজৰ কাকতত লিখিব লাগে আৰু ৰাজনীতি কৰা সকলে সেইবোৰ পঢ়িশুনি সিদ্ধান্ত ল'ব লাগে। মোৰ বোধেৰে বাতৰি কাকতে সৃষ্টি কৰা সভ্যতাটোৰ এইটোৱেই নিয়ম। তাকে নকৰি মুখ্য মন্ত্ৰীয়ে মাতি পঠিয়ালেই তেওঁক দিহা-যুগুতি দিবলৈ আৰু লগতে মুখ্য মন্ত্ৰীৰ আৰাজনৈতিক সিদ্ধান্তবোৰৰ অংশীদাৰ হৈ পৰিবলৈ তেওঁলোক কিয় ঢপলিয়াই যায়? তাৰ পৰা ঘূৰি আহি মুখ্য মন্ত্ৰীৰ সিদ্ধান্তটোৰ সম্পৰ্কত আৰু সেই সিদ্ধান্তৰ লগত সম্বন্ধ থকা পৰৱৰ্তী ঘটনাৱলীৰ সম্পৰ্কত তেওঁলোকৰ মন্তব্য কৰাৰ নৈতিক অধিকাৰটো তেওঁলোকৰ থাকি যায় বুলি ভাবিছে নেকি? মই ভাবো, যিকেইজন সম্পাদকে নিজেও লিখিব পাৰে তেওঁলোকে লিখিব লাগে আৰু তেওঁলোকৰ পাঠক সকলক জনাব লাগে। সম্পাদক এজনৰ দায়বদ্ধতা প্ৰধানকৈ তেওঁৰ কাকতখনৰ পাঠক সমাজৰ প্ৰতিহে, কোনো মুখ্য মন্ত্ৰীৰ প্ৰতি নহয়। তাকে নকৰি মুখ্য মন্ত্ৰীৰ পৰামৰ্শদাতা হ'বলৈ গ'লে তেওঁৰ চৰকাৰটোৰ কাম-কাজৰ সম্পৰ্কত সমালোচনা কৰাৰ অধিকাৰটো জনতা ভৱনতে এৰি থৈ অহাৰ দৰে হয়। আনহাতে, তাৰ পাছত প্ৰশংসা কৰিলে নিজে অংশীদাৰ হৈ থকা সিদ্ধান্তটোৰ প্ৰশংসা কৰাৰ দৰে ভণ্ডামি হয়। সম্পাদক সকল নিজে মাননীয় হৈ নাথাকিলে আৰু হৈ থাকিব নুখুজিলে তেওঁলোকক মানি থকাৰ গৰজ আনকি কোনো সাংবাদিকৰে নাথাকে –পাঠক-সমাজৰতো নাথাকেই।

এওঁলোকে বাৰু মুখ্য মন্ত্ৰী শইকীয়াক কি পৰামৰ্শটো দিলেগৈ! মুখ্য মন্ত্ৰীৰ পক্ষৰ পৰা যেতিয়া পৰামৰ্শ বিচৰা হয় আৰু জাতৰ লাজ, নাকৰ লাজ নথকাৰ কাৰণে যেতিয়া মুখ্য মন্ত্ৰীক পৰামৰ্শ দিয়াটো উচিত বুলি ভবা হয়, তেতিয়া সম্পাদকৰ লেখীয়া পদমৰ্যাদাত থকা সকলে সৰ্বোত্তম পৰামৰ্শহি দিব লাগে। কিন্তু আলোচ্য প্ৰসংগত কি দিলে? মুখ্য মন্ত্ৰীৰ সিদ্ধান্তটো যে ভুল, তেওঁৰ ভাষা-ভংগী আৰু ভুল, বিপ্লৱৰ কথাবাৰ্তা কোৱা সকলে গ্ৰহণ কৰিব পৰা বিধৰ নহয়, সেই কথাটোলৈ তেওঁলোকে আঙুলিয়াই নিদিলে বা দিবলৈ তাৰ তাৎপৰ্য নুবুজিলেই।

## আত্মাভিমানত নুখুচিব

সকলোৰে আত্মাভিমান (pride) থাকে। ৰাজনীতিত, সেই আত্মাভিমানত আঘাত হানিবলৈ চেষ্টা কৰাটো বিচক্ষণতা নহয়। শইকীয়াই অসম-চুক্তিৰ পাছত মুখ্য মন্ত্ৰীৰ গাদী এৰি দি নিৰ্বাচন পাতিব লগা হৈছিল, কিন্তু তেওঁক তেওঁৰ আত্মাভিমান লৈয়ে সেইটো কৰিবলৈ দিয়া হৈছিল। আন্দোলনকাৰীকো তেওঁলোকৰ আত্মাভিমান লৈয়ে – কাকো জয়ৰ ভাবো নিদিয়া, পৰাজয়ৰ ভাবো নিদিয়া চুক্তি এখনেৰে আন্দোলন সামৰিবলৈ দিয়া হৈছিল। এতিয়া উল্‌ফাকো তেওঁলোকৰ আত্মাভিমান লৈয়ে আলোচনাৰ মেজত বহিবলৈ দিব লাগিব, যদি তেওঁলোক শইকীয়াৰ লগত আলোচনা কৰিবলৈ মান্তি হয় আৰু শইকীয়াই অসমৰ স্বাধীনতা আৰু সাৰ্বভৌমত্বৰ প্ৰশ্নটো 'আলোচনাৰ যোগে মীমাংসা হ'ব লগা' বিষয় কৰিবলৈ কেন্দ্ৰৰ পৰা অনুমতি আদায় কৰিব পাৰে। সেইটোৱেই ৰাজনৈতিক বিচক্ষণতা। কিন্তু শইকীয়াৰ বুৰ্জোৱা ৰাজনীতি আৰু তাৰ বিচক্ষণতাৰ দৰে গুণবোৰ সাংঘাতিক সীমাবদ্ধতাৰ নাগপাশত বান্ধ খাই আছে।

এনেয়ে বুৰ্জোৱা ৰাজনীতিত কোনেও কাকো সম্পূৰ্ণ নাঙঠ কৰি নিদিয়ে – অন্ততঃ অন্তৰ্বাসটো লৈ থাকিবলৈ দিয়ে। খেলখনৰ এইটোৱেই নিয়ম। কথাতে কয়, নাঙঠ হোৱাৰো লাজ, কৰাবো লাজ আৰু দেখাৰো লাজ। কিন্তু এটা পক্ষত বিপ্লৱী ৰাজনীতি থাকিলে কথা সেইটোৱেই হৈ নাথাকে, এটা পক্ষ নাঙঠ হ'ব লগা হয়, কাৰণ আনটো পক্ষই নাঙঠ কৰিহে এৰে। এতিয়ালৈকে 'শান্তিপূৰ্ণ উপায়েৰে' খেলি থকা 'সহোদৰ-সহোদৰ' খেলখন দুই-এদিনৰ পাছতে বন্ধ হৈ যাব; ২৬ জুলাইটো গুৰুত্বপূৰ্ণ দিন, কিন্তু আজি ২২ জুলাই পুৱা পৰ্যন্ত কেনিও সুৰুঙা ওলোৱা নাই। হঠাৎ কোনটো পক্ষৰ ওপৰত কোন জঁপিয়াই পৰে কোৱা টান; মূৰকত কোন কাৰ হাতত নাঙঠ হয়গৈ সেইটোও কব নোৱাৰি। নাঙঠ কৰাৰ লাজ, হোৱাৰ লাজ নাথাকিব – এই লাজটো বুৰ্জোৱা ৰাজনীতিৰ ভিতৰ চ'ৰাৰ কথাহে।







## আমি নাঙঠঃ আমাৰ লাজ


কিন্তু দেখাৰ লাজ থাকি যাব আৰু দুৰ্ভোগটো হ'ব আমাৰ। আমাৰ অপূৰ্ব স্থিতি। আমি সদায় নিজে নিজে নাঙঠ হৈ থাকো। শইকীয়াক নাঙঠ কৰিবলৈ আমি বিপ্লৱীৰ পক্ষ নলওঁ, আমি ল'ব নোৱাৰো, আমি কেতিয়াও নলওঁ। বিপ্লৱী সকল সদায় আমাৰ কাৰণে কিছুমান অশিক্ষিত, আধাখুন্দা, অপৈণত, বিপথে চালিত, গুণ্ডা প্ৰকৃতিৰ, মানৱোচিত গুণাৱলী বৰ্জিত, কাৰ্ডিনেল নিউমেনৰ ভদ্ৰতাৰ সূত্ৰ নজনা, কামু-কাফকা উদ্ধৃত কৰিব নোৱৰা, ডালি নেদেখা, বিঠোভেন নুশুনা, আমি পছন্দ কৰা সকলৰ মাজৰ পৰা নোলোৱা, আমি নিৰ্ধাৰণ কৰি দিয়া উপযুক্ত সময়টোলৈ নোৰোৱা, সৰসৰীয়াকৈ ইংৰাজী গাব নজনা মুঠতে অকাল-অসৃষ্টি ডেকা-গাভৰু কিছুমান। সেইদৰে বিপ্লৱো সদায় আমাৰ কাৰণে কিছুমান অকাৰণ চঞ্চলতা – উপযুক্ত সময়লৈ নৰৈ সম্ভাৱনা মাটি কৰি দিয়া কাৰবাৰ কিছুমান। নিখুঁত আৰু সম্পূৰ্ণ প্ৰস্তুতিটোলৈ ৰওঁতে ৰওঁতে, উপযুক্ততা বিচাৰ কৰোতে কৰোতে, আমি যোগ দিয়াৰ মুহূৰ্তটো স্থগিত ৰাখোতে ৰাখোতে হয়তো এদিন আচল বিপ্লৱ সম্পন্নই হৈ যাবগৈ আৰু তেতিয়াও হয়তো শংখ-ঘন্টা-উৰুলিৰ ধ্বনি শুনি (ধেৎ, বিপ্লৱ প্ৰফুল্ল-ভৃগইঁতে কৰা আন্দোলনটোনে কি, সেইবোৰ ধ্বনি হ'বলৈ!) আমি কম, হে'ৰ' চাইঁকচোন সেইবোৰ ধ্বনি কৰ পৰা আহিছে আৰু কোনে কৰিছে!

শইকীয়াৰ পক্ষও যে ল'ব নোৱাৰো, সেইটোহে বিপদ! যৌৱনত ভৰি দিয়াৰ পৰাই অমৰত্বৰ বাসনা এটাই যে দেহ-মন-প্ৰাণ খুলি খুলি খাব লাগিছে; বিপ্লৱী ভাবমূৰ্তি এটা, অলৌকিক ভাবাবেশ জন্মোৱা কিছু মহিমা, কিছু দীপ্তি লৈও যাম আৰু থৈও যাম – ক'ত আশা!

আমাক কোনেও নাঙঠ নকৰে। শইকীয়াৰ পক্ষয়ো নকৰে আৰু বিপ্লৱীৰ পক্ষয়ো নকৰে – তেওঁলোকে হুমিয়াই থাকে মাজে মাজে, কিন্তু নকৰে। তেওঁলোকে হয়তো জানে, তেওঁলোকে নকৰিলেও হ'ব। আমি সদায় নিজকে নাঙঠ কৰি আহিছো, কামটো আনলৈ থোৱা নাই। এইবাৰো তাকে কৰিম।

সেই কাৰণে কৈছো, মূৰকত আমাৰ দেখাৰ লাজহে হ'ব – কেনেবাকৈ আনক দেখাৰ লাজ নহ'লেও নিজক দেখাৰ লাজ হ'ব। স্

# বানপানী সমস্যাঃ বাধা আৰু সমাধান



নৰেণ বৰা

প্ৰত্যেক বছৰেই একেখিনি কথাৰে সংবাদ জগতৰ শিৰোনামা দখল কৰি অহা বিষয়টো হৈছে বানপানী। বানৰ তাণ্ডৱলীলা, ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বিপদ সীমাৰ ওপৰত, ৰাজ্যখনৰ অৰ্ধাংশ জলমগ্ন, উজনি আৰু নামনিৰ যোগাযোগ বিচ্ছিন্ন, ইমান জনৰ প্ৰাণহানি, শস্যৰ বিস্তৰ ক্ষতি –বাৰিষা কালত সংবাদপত্ৰ দখল কৰে এইবোৰ শিৰোনামাই। মন্ত্ৰীৰ বান-বিধ্বস্ত এলেকা ভ্ৰমণ, সাহায্য শিৱিৰ প্ৰতিষ্ঠা, সাহায্যৰ কামত সেনা বাহিনী নিয়োগ, সাহায্য বিতৰণ, ৰিলিফত দুৰ্নীতি, প্ৰলয়ংকৰী বানপানীৰ ওপৰত সংসদত আলোচনা, প্ৰধান মন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা সাহায্য – সংবাদ মাধ্যমৰ এই বাতৰি সমূহ দুৰ্ভগীয়া অসমবাসীয়ে প্ৰতিটো বৰ্ষাত শুনি আহিছে।

বানপানী সমস্যা সমাধানৰ বাবে চৰকাৰে বহু কেইটা প্ৰতিষ্ঠান পাতি দিছে; বছৰে বছৰে কোটি কোটি টকা খৰচ কৰি আহিছে। কিন্তু সমস্যাটো একেদৰেই থাকি গৈছে। ব্ৰহ্মপুত্ৰ বোৰ্ড, ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আয়োগ, নদী গৱেষণা কেন্দ্ৰ আৰু ভালেকেইটা প্ৰতিষ্ঠান আছে যদিও এই প্ৰতিষ্ঠান সমূহে আজিলৈকে কি পদক্ষেপ লৈছে আৰু কি পৰিকল্পনা হাতত লৈছে তাক জনসাধাৰণে জনাৰ কোনো উপায় নাই।

বানপানী যিহেতু জাতীয় পৰ্যায়ৰ সমস্যা, সেয়ে জাতীয় স্তৰত নীতি নিৰ্ধাৰণ কৰি ইয়াৰ সমাধান কৰিব লাগে। কিন্তু অতি দুখৰ বিষয় যে এই বিধ্বংসী বানৰ সমাধান হ'ব লাগে বুলি চিঞৰ-বাখৰ কৰাৰ বাহিৰে আজি পৰ্যন্ত কোনো বাস্তৱ সন্মত পদক্ষেপ লোৱা হোৱা নাই। বান দুৰ্গত ৰাইজক সমাধানৰ কামত জড়িত কৰোৱাৰ কোনো প্ৰয়াস এতিয়াও নহ'ল, যাৰ বাবে সমস্যাটোৰ সমাধান আজিৰ যুগতো অলীক স্বপ্ন হৈয়ে ৰ'ল।

চলিত পদ্ধতিত চলিত ব্যৱস্থাৰে বানপানী সমস্যাৰ সমাধান সম্ভৱ হৈ নুঠে। আমোলাতান্ত্ৰিক আৰু দুৰ্বোধ্য নীতি পদ্ধতি কাহানিও কাৰ্যকৰী হ'ব নোৱাৰে। চৰকাৰৰ হাতত কি পৰিকল্পনা আছে তাক মুকলিকৈ প্ৰকাশ কৰিব লাগে আৰু সেই আঁচনিৰ ওপৰত মুকলি ভাবে আলোচনা-বিলোচনা হ'ব লাগে; আঁচনিৰ ক্ৰুটি-বিচ্যুতি অথবা অসম্পূৰ্ণতা – নাটনিক কেন্দ্ৰ কৰে বিশেষজ্ঞ সকলৰ মাজত বিতৰ্ক হ'ব লাগে। কিন্তু সংশ্লিষ্ট বিভাগ সমূহে নতুন চিন্তা, নতুন পৰামৰ্শক উৎসাহিত কৰা দেখা নাযায় আনকি বিশেষজ্ঞ সন্মিলনে আগবঢ়োৱা পৰামৰ্শাৱলী সমূহকো পৰীক্ষা কৰি চোৱাৰ ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ কৰা নাই।

বিভিন্ন শিৱিৰে বানপানী সমস্যাক জাতীয় পৰ্যায়ৰ সমস্যা হিচাপে তুলি ধৰিছে যদিও এই বিষয়ত কোনো নিৰ্দিষ্ট নীতি স্পষ্টভাবে দাঙি ধৰিব পৰা নাই যাৰ বাবে এই সম্পৰ্কীয় বিতৰ্ক গতিশীল হৈ উঠা নাই; উচ্চ স্তৰলৈ উন্নীত হোৱা নাই।

সমস্যাটোৰ ওপৰত বদ্ধমূল ধাৰণা থকাৰ বাবে ই সৰ্বসাধাৰণৰ বাবে সপোন হৈয়েই আছে আনহাতে বিশেষজ্ঞ সকলো




হতাশ। বিশেষজ্ঞ সকলৰ আঁচনি, চৰকাৰৰ সাহসী পদক্ষেপ আৰু জনসাধাৰণৰ সক্ৰিয় সঁহাৰি – এই আটাইকেইটা দিশৰ সমিল-মিলেৰেহে আমি আগবাঢ়িব পাৰিম।

সাহায্য শিৱিৰ, ৰিলিফ, আশ্ৰয় স্থলৰ প্ৰয়োজনীয়তা থাকিবই; বানপানী থাকে মানে সেইখিনি কৰিবই লাগিব; কিন্তু ই স্থায়ী সমাধানৰ পথ হ'ব নোৱাৰে। বানপানী থকা পৰ্যন্ত ইয়াৰ সৈতে জনসাধাৰণে সহ অৱস্থান কৰিবই লাগিব –আশ্ৰয় স্থল, আশ্ৰয় ব্যৱস্থা গঢ়ি তুলিব লাগিব, শালি খেতিৰ পৰিবৰ্তে ৰবি শস্য কৰিব লাগিব কিন্তু এই পদক্ষেপৰ মাজেৰে স্থায়ী সমাধানৰ চিন্তা-ভাবনাৰ বিকাশ নঘটে।

ৰাজ্যখনৰ প্ৰায় ৩.১৫ নিযুত হেক্টৰ অৰ্থাৎ ৪০ শতাংশ মাটি বিধ্বংসী বানপানীৰ দ্বাৰা আক্ৰান্ত হয়; অৱশ্যে এই পৰিমাণ বছৰ সাপেক্ষে বেলেগ বেলেগ হোৱা দেখা যায়। এই মাটি কালিৰ নব্বৈ শতাংশই কৃষিভূমি আৰু এনেদৰে প্লাবিত কৰা বিস্তৰ এলেকাৰ খেতিবাতি প্ৰতি বছৰেই ধ্বংস হয়। বাৰিষাৰ পৰিবৰ্তে অন্য মাহত খেতি কৰাৰ বাবে কোনো বিজ্ঞান সন্মত আঁচনি গ্ৰহণ কৰিব নোৱৰাৰ ফলত এই ব্যাপক পৰিমাণৰ কৃষি মাটি উৎপাদনহীন ক্ষেত্ৰ হিচাপে পৰি আছে। বান বিধ্বস্ত এলেকাৰ ২০/২৫ বিঘা পৰ্যন্ত খেতিমাটি থকা কৃষক সকলো ভূমিহীনৰ পৰ্যায়ত। খৰালি কালত পানী যোগানৰ ব্যৱস্থা নথকাৰ বাবে কৃষকে হাড়ভঙা শ্ৰম কৰি অতি সামান্য অংশতহে ৰবি শস্য কৰিব পাৰে। অসম খাদ্য সামগ্ৰীত পৰনিৰ্ভৰশীল যাৰ মূলতে দায়ী অসমৰ চিৰকলীয়া বানপানী।

এই সমস্যা সমাধানৰ বাবে দুই ধৰণৰ পদক্ষেপ লবই লাগিব। সমস্যাটোৰ স্থায়ী সমাধান নোহোৱা পৰ্যন্ত বানপানীৰ বিপদৰ পৰা জনসাধাৰণ, ঘৰবাৰী, সা-সম্পত্তি আৰু খোঁতবাটি ৰক্ষা কৰিবৰ বাবে হ্ৰস্বম্যাদী ব্যৱস্থা নিয়াৰীকৈ কাৰ্যকৰী কৰিব লাগে; চলি থকা আঁচনি সমূহৰ ত্ৰুটি-বিচ্যুতি কমাব লাগে – প্ৰয়োজনীয় ঠাইত মথাউৰিৰ উচ্চতা বৃদ্ধি কৰা; কাঠৰ বুৰুজ, শিলৰ স্পাৰ নিৰ্মাণেৰে গৰাখহনীয়াৰ প্ৰতিৰোধ ব্যৱস্থা; হঠাৎ অহা বানৰ বিৰুদ্ধে প্ৰতিৰক্ষাৰ বাবে নাও, ওখ-ঠাইকৈ ধৰি আশ্ৰয়ৰ ব্যৱস্থা গঢ়ি তোলা; শিৱিৰ প্ৰতিষ্ঠা, ৰিলিফ বিতৰণত জনসাধাৰণক জড়িত কৰা আৰু জন-তদাৰকী গঢ়ি তোলা – যাৰ জৰিয়তে ক্ষয়-ক্ষতিৰ পৰিমাণ বহুখিনি কমাব পৰা যাব।

স্থায়ী সমাধানৰ বিষয়টো ভাবিব লাগিব হ্ৰস্বম্যাদী নীতিৰ বাহিৰত বহল পৰিসৰত। দীৰ্ঘম্যাদী নীতি লোৱাৰ বাবে কোনো ধৰণৰ ফলপ্ৰসূ ব্যৱস্থা কৰা হোৱা নাই; ব্ৰহ্মপুত্ৰ বোৰ্ডে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত কি আঁচনি দাখিল কৰিছে আৰু চৰকাৰৰ তৰফৰ পৰা কাৰ্যকৰী কৰণৰ কি পৰিকল্পনা হাতত লৈছে তাৰ ওপৰত বিস্তৃত আলোচনা, গঠনমূলক বিতৰ্ক হোৱা নিতান্তই প্ৰয়োজনীয়। চলিত মথাউৰি ভাঙি দি অতিৰিক্ত পানীখিনি স্বাভাৱিক ভাবে বৈ যাবলৈ দিয়া, নদীৰ গৰ্ভ খন্দা, উপনৈ সমূহৰ নিয়ন্ত্ৰণ, ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে ওখ পকী দেৱাল নিৰ্মাণকে ধৰি বিশেষজ্ঞ সকলৰ মাজত বহুতো মতামত আছে। দুখৰ বিষয় যে মতবাদ সমূহৰ সঠিকতাক লৈ কোনো ধৰণৰ গঠনমূলক বিতৰ্ক হোৱা নাই যাৰ বাবে কোনোটো মতবাদকেই গ্ৰহণযোগ্য হিচাপে স্বীকৃতি দিব পৰা নাই। এই অস্পষ্ট আৰু গোমা বাতাবৰণ বানপানীৰ দৰে এক জ্বলন্ত সমস্যাক কেন্দ্ৰ কৰি বৰ্তি থকাটো সমগ্ৰ দেশবাসীৰ বাবেই দুৰ্ভাগ্যজনক।

অসমৰ প্ৰত্যেকটো জনগোষ্ঠীৰ জীৱনলৈ ধ্বংস মাতি অনা বানপানী আজিও অসমৰ ৰাইজৰ মূল ইচ্যু হিচাপে সমুখলৈ অহা নাই – ইয়াক সমাধানাতীত হিচাপেই এটা পৰ্যায়লৈকে মানি লোৱা হৈছে যাৰ বাবে প্ৰাযুক্তিক আঁচনি, ধনবল তথা জনবলৰ সংহতি সাধন সম্ভৱ হৈ উঠা নাই। বহু সময়ত অৰ্থৰ অভাৱকেই সমাধানৰ পথত মূল হেঙাৰ হিচাপে দেখুওৱা হয়। কিন্তু সৰ্বসাধাৰণ ৰাইজক জড়িত কৰিব পাৰিলে সেই কাম অসম্ভৱ হৈ নাথাকে। জনসাধাৰণে শ্ৰম নিয়োগ কৰিব; অসমৰ কৃষক সকলে কৃষিৰ স্বাৰ্থতেই বানপানী সমাধান নিধিলৈ স্ব-ইচ্ছাই কৰ দিব, চাকৰিজীৱী সকলৰ পৰাও সেই কৰ লব পৰা যাব। অসমৰ চাহ বাগিচা, তৈল উদ্যোগ, খনি আৰু অন্যান্য কোম্পানী তথা শিল্প উদ্যোগ আৰু ব্যৱসায়ী সকলৰ বাধ্যতামূলক বিশেষ কৰ আৰোপ কৰিব পৰা যায়। তাৰ উপৰি থাকিল কেন্দ্ৰৰ সাহায্য। এই দৰে আমাৰ সম্পদ ভাণ্ডাৰক ব্যৱহাৰ কৰিব পাৰিলে এই জটিল সমস্যাটো সমাধানৰ নতুন মোৰ পোৱা যাব। এই কামৰ বাবে লাগে এক গ্ৰহণযোগ্য আঁচনি যাক মুকলি আলোচনা আৰু বিতৰ্কৰ মাজেৰে গ্ৰহণযোগ্য কৰি তুলিব পৰা যাব। জাতীয় পৰ্যায়ৰ এই সমস্যাটো সমাধানৰ বাবে সংশ্লিষ্ট বিভাগ, বিশেষজ্ঞ সকল আৰু চৰকাৰে নতুন দৃষ্টিকোণেৰে ঐকান্তিক প্ৰচেষ্টা চলোৱা একান্তই বাঞ্ছনীয়। – সূ







# ভণ্ড নেতা আৰু সুপ্ত ছাত্ৰ সমাজ

সদৌ অসম ছাত্ৰ সন্থাৰ জন্ম কেতিয়া এই বিষয়ে সঠিক নথি-পত্ৰ পোৱা নাযায়। কেৱল ১৯৬০ চনত এনে এটা সংগঠন জন্ম হোৱাৰ বিষয়ে কিছু তথ্যপাতি পোৱা যায়। অৱশ্যে ১৯১৬ চনতেই অসম ছাত্ৰ সন্মিলন নামেৰে গুৱাহাটীত অসম এছোচিয়েশ্বনৰ সভামণ্ডপত এটা ছাত্ৰ সংগঠনৰ জন্ম হৈছিল। এই ছাত্ৰ সংগঠনটোৰ জন্মৰ আঁৰত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, সত্যনাথ বৰা প্ৰমুখ্যে ব্যক্তি সকলে মুখ্য ভূমিকা পালন কৰিছিল। পিছলৈ অসম ছাত্ৰ সন্মিলনৰ কাম-কাজ লুপ্ত পায় যদিও ইয়াৰ আৰ্হিতেই সদৌ অসম ছাত্ৰ সন্থাৰ জন্ম হৈছিল।

সদৌ অসম ছাত্ৰ সন্থাই (সংক্ষেপে আছু) ১৯৬০ চনৰ ভাষা আন্দোলন, ১৯৬৮ চনৰ শোধনাগাৰ আন্দোলন, ১৯৭৪ চনৰ খাদ্য আন্দোলন, ১৯৭১ চনৰ মাধ্যম আন্দোলন আৰু ১৯৭৯ চনত বিদেশী খেদা আন্দোলনৰ নেতৃত্ব দিয়ে।

যি কি নহওক, ১৯৬০ চনৰে পৰা আছুৱে অসমৰ সামাজিক-ৰাজনৈতিক জীৱনত প্ৰাধান্য বিস্তাৰ কৰি আহিছে যদিও বৰ্তমান সেই গৌৰৱোজ্জ্বল ইতিহাস বহু পৰিমাণে মচ খাই গৈছে। অপ্ৰিয় হলেও সত্য যে আছুক এতিয়া কেৱল এটা ছাত্ৰ সংগঠন বুলি কোৱাৰ কোনো থল নাই। বিগত কেইবছৰমানত আছুৰ নেতৃবৃন্দই গ্ৰহণ কৰা নীতিয়েই সংগঠনটোৰ বিশ্বাসযোগ্যতা সম্পূৰ্ণভাবে বিনষ্ট কৰিছে।

একালত বিশ্বৰ বৃহত্তম অ-ৰাজনৈতিক ছাত্ৰ সংগঠন বুলি প্ৰচাৰিত আছু এতিয়া কোনো গৌৰৱৰ নাম বা প্ৰতীক নহয়। সাম্প্ৰতিককালত আছুৰ ভাবমূৰ্ত্তিৰ যি স্খলন ঘটিছে, সংগঠনটোৰ ইতিহাসত সম্ভৱ ইয়াৰ আগেয়ে কেতিয়াও এনে বিপৰ্যয় হোৱা নাছিল।

আছু আৰু ৰাজনীতি এই বিষয়টো অসমৰ ৰাইজৰ মাজত এতিয়া অন্যতম আলোচ্য বিষয়। এই বিষয়টোক কেন্দ্ৰ কৰিয়েই আছুৱে সম্প্ৰতি কঠোৰৰ পৰা কঠোৰতম সমালোচনাৰ সমুখীন হ'ব লগা হৈছে। আছুৰ নীতি আৰু আদৰ্শৰ বিষয়ত আছুৱে এনে বহু প্ৰশ্নৰ সমুখীন হৈছে, যিবোৰৰ সদুত্তৰ সংগঠনটোৰ নেতৃবৃন্দই দিব পৰা নাই।

এক কথাত কবলৈ গলে অগপ-ৰ পাঁচ বছৰীয়া শাসনকালত আছু আৰু অগপ-ৰ মাজত ৰাইজে পাৰ্থক্য বিচাৰি নোপোৱা হ'ল। ৰাজনৈতিক মুনাফা আদায়ৰ বাবেই যে অগপ-ই আছুক ব্যৱহাৰ কৰিছিল, সেই বিষয়ে এতিয়া কাৰো সন্দেহ নাই। এনেকুৱা অজস্ৰ উদাহৰণ দিব পাৰি। শাসনকালত থকা সময়ছোৱাত অগপ-ই অসমত পঞ্চায়তী নিৰ্বাচন অনুষ্ঠিত হোৱাটো নিবিচাৰিছিল। সেয়ে ভোটাৰ তালিকাত বিদেশীৰ নাম থকাৰ অজুহাত লৈ আছুৱে সমস্ত নিৰ্বাচনী প্ৰক্ৰিয়াটো বন্ধ কৰিছিল। সেইদৰে ১৯৮৯ চনত সমগ্ৰ দেশতে অনুষ্ঠিত হৈ যোৱা লোক সভাৰ নিৰ্বাচন অসমত অনুষ্ঠিত হোৱাটো অগপ-ই নিবিচাৰিছিল। একেটা অজুহাত লৈয়েই আছুৱে লোক সভাৰ নিৰ্বাচনৰ বিৰোধিতা কৰিছিল। কিন্তু মজাৰ কথাটো হ'ল এয়ে যে একেখন ভোটাৰ তালিকাৰ ভিত্তিতেই যেতিয়া শাসন ক্ষমতাত থকাৰ সময়ত অগপ-ই অসমত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ বাবে দাবী জনালে, তেতিয়া আছুৰ নেতৃবৃন্দইও একেটা সুৰতে অসমত নিৰ্বাচন পাতিবলৈ ৰাউচি জুৰিলে। ভোটাৰ তালিকাত বিদেশীৰ নাম থকাৰ বিষয়টো তেতিয়া তল পৰিল। ইয়াৰ পিছতো আছুৱে ৰাজনীতি কৰা নাই বুলি কোৱাৰ কিবা থল থাকিলনে?

ৰাজনৈতিক ক্ষমতাৰ প্ৰতি আছুৰ নেতা-পালি নেতাৰ লোভেই সংগঠনটোৰ বিপৰ্যয়ৰ মূল কাৰণ বুলি ক'ব পাৰি। ছাত্ৰ সংগঠন হিচাপে বিগত দহবছৰত অসমৰ শিক্ষা বিষয়টোৰ প্ৰতি সম্পূৰ্ণ পিঠি দি অনাহকত বন্ধ, আন্দোলন আদি কাৰ্যসূচীৰে অৰাজকতাৰ সৃষ্টি কৰি শৈক্ষিক পৰিবেশৰ যি ক্ষতিসাধন কৰিলে, তাৰ দৃষ্টান্ত বোধহয় পৃথিৱীৰ আন কোনো দেশতেই পোৱা নাযাব। আছুৰ নেতৃবৃন্দই বিগত দহ বছৰত এটা কথাই অসমৰ ৰাইজক পতিয়ন নিয়াব বিচাৰিলে যে অসমৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আদি সকলো বিষয়তে মাত মতাৰ অধিকাৰ কেৱল তেওঁলোকৰহে আছে। আন কোনো ব্যক্তি বা সংগঠনৰ এই বিষয়ে মাত মতাৰ অধিকাৰ নাই।

কৰবাত এখন চিকিৎসালয় লাগে, তাৰ বাবেও আছুৰ নেতাৰ নিৰ্দেশত স্কুল কলেজ বন্ধ ঘোষণা কৰি তাৰ বাবে দাবী জনোৱা হৈছে। চিকিৎসালয় এখন স্থাপনৰ বাবেও যদিহে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনা ক্ষতি কৰি আন্দোলন কৰিব লাগে, তেনেহলে অসমৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনা কৰিব কেতিয়া? অসমত প্ৰতি বছৰে মেট্ৰিক, বি এ, বি এছ চি, আদি পৰীক্ষাত উত্তীৰ্ণৰ হাৰ কিয় হ্ৰাস পাইছে, এই বিষয়ে আছুৰ নেতৃবৃন্দই কেতিয়াবা মূৰ ঘমাইছেনে? পৰীক্ষাত ছাত্ৰ-ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ যদিহে প্ৰতি বছৰে হ্ৰাস পায়েই থাকে, তেনেস্থলত অসমত আই-আই-টি, কেন্দ্ৰীয় বিশ্ব-বিদ্যালয় এইবোৰ স্থাপন কৰি কি লাভ? কেৱল বাতৰি কাকতৰ জৰিয়তে একোটা বিবৃতি প্ৰচাৰ কৰিলেই অসমৰ উন্নতি সাধন হ'ব নে?

বিগত নিৰ্বাচনটোৰ সময়ত আছুৰ নেতৃবৃন্দই যি নিৰ্লজ্জ ভূমিকা পালন কৰিলে, সেইটোৱে আছুৰ ভাবমূৰ্ত্তি বিনষ্ট হোৱাত যথেষ্ট ইন্ধন যোগালে। আচলতে নেতৃবৃন্দৰ প্ৰকৃত স্বৰূপ নিৰ্বাচনৰ সময়ত গ্ৰহণ কৰা ভূমিকাৰ পৰাই ওলাই পৰিল। নিৰ্বাচনৰ আগমুহূৰ্তত আছুৱে বাতৰি কাকতৰ জৰিয়তে বিবৃতি দি ঘোষণা কৰিলে যে নিৰ্বাচনত তেওঁলোকে নিৰপেক্ষ ভূমিকা পালন কৰিব। কিন্তু কিছুদিনৰ পিছতে নেতৃবৃন্দই লুটি বাগৰ মাৰি কংগ্ৰেছ (ই) আৰু বিজেপি দলৰ সপক্ষে ভোট নিদিবলৈ অসমৰ ৰাইজৰ প্ৰতি আহ্বান জনালে। ইয়াৰ দুদিনৰ পিছতে আছুৰ নেতৃবৃন্দই সৰ্বভাৰতীয় দলৰ সপক্ষে ভোট নিদিবলৈ অসমৰ ৰাইজৰ প্ৰতি আহ্বান জনালে। ইয়াৰ পিছত বাকী থাকিল কি? কেৱল এটা আঞ্চলিক দলক ভোট দিয়ক বুলি ক'বলৈহে বাকী থাকিল।

কিন্তু অসমৰ ৰাইজে আছুৰ নেতৃবৃন্দৰ এই ভণ্ডামিৰ এইবাৰ যথোচিত প্ৰত্যুত্তৰ দিলে। এতিয়া অসমৰ ছাত্ৰ সমাজ আছুৰ নেতৃবৃন্দৰ এই ভণ্ডামিৰ বিৰুদ্ধে সজাগ হ'বৰ হ'ল।

ত্ৰিনয়ন





OSID

## পেঁপাৰ মাতত এদিন......

ধ্রুৱজ্যোতি দাস

আজি পুৱাই পুৱাই বৰষুণ দিব।
গছৰ পাতৰ ধূলি ধুই নিয়া বৰষুণৰ বাবে
ম'হৰ পিঠিৰ পেঁপাৰ মাতটো বৈ আছেহি......

কথাবোৰ খুটিয়াই খটিয়াই
দৰা-কইনা খেলিবলৈ নোপোৱা ছোৱালীজনী গ'লগৈ।

মোৰ কান্ধত কান্ধ দি
বিশাল দুখৰ গছৰ শিল্প;
চকুৰ মেঘ নমাই ৰ'দ-বৰষুণ গণি গণি ছোৱালীজনী!
(মাকৰ হাতৰ চুঙা-পিঠা আনি লগৰীয়াৰ স'তে
বিলাই খোৱা ছোৱালীজনী.....)

খোজত এতিয়া কলিজা কঁপে
বজাৰৰ বাটত মৃত মানুহ।

ৰাতি ৰাতি পাতৰ শীহৰ উচুপনিত
জেতুকা লোৱা হাত
পেঁপাৰ মাতত অপাৰ দুৱাৰ.........

## চবকা

হৰেন গগৈ

আটাহ পাৰি উঠে শাওণৰ বিপৰ্যস্ত ঘৰ-দুৱাৰ,
দূৰৰ বাটত ৰিং মাৰি গুচি যায় দেওলগা দিন
বিষাদৰ ঘোলাপানীত ডুব যায় গাওঁ
সাঁজ লগাপৰত সতেজ সময় নিমাও মাও

বুকুখন কুটি কুটি গিৰিপাই উঠিল দুচকুৰ বিশাল প্ৰত্যাশা
কোনখন হাতে বাৰু সামৰি থওঁ উৰ্বৰ মাটিৰ হতাশা
কাহানিও কাৰো ওচৰত অৱনত কৰা নাছিলো উচ্চ শিৰ
আলোকিত অৰণ্যত বুৰ গ'ল গৰ্ভস্থ বেলি
বোকা খচি খচি ভাগৰত শুই পৰিল ঘূণীয়া শৰীৰ
মাটি ফালি ফালি চিঞৰি থাক তই ৰহীমলা
চকুৰ পতাত থাকক সংশয়
সাৰ পাই উঠক বুকুৰ লুপ্ত সাহ ☐

## গোৱালপাৰা

*(সাহিত্য সভাৰ পৰা অহাৰ পাছত)*

অজিত গগৈ

সূৰ্য পাহাৰত দুখত কাতৰ হৈ পৰি থকা দেখিছিলো
ঈশ্বৰৰ কিছুমান ভগ্ন অস্তিত্ব
টুক্ৰেশ্বৰৰ বুকুত ইতিহাসক বিচাৰি শিলবোৰৰ বুকুলৈ
সোমোৱাই দিছিলো আঙুলিবোৰ
বান্দৰবোৰে যে বৰকৈ ইতিকিং কৰিছিল আমাক!

কোনে ক'ত ঈশ্বৰ আৰু ইতিহাসক লগ পালে মই
নাজানিলো
সিদিনা কিন্তু শালবনৰ মাজত সেউজীয়াৰ বিয়া হৈছিল
জীৱনৰ সতে
সেই কথা মই ঠিক জানিছিলো

মৰমৰ বন্ধু-বান্ধৱীবোৰে প্ৰত্যেকেই প্ৰত্যেকৰ বুকুত
সাগৰ আছে নেকি জুমি চাইছিল
দুধনৈৰ ধূলিময় দুপৰীয়া এটা তেওঁলোকে হাঁহিৰে ভৰাই
তুলিছিল

আকাশ নেদেখা এখন ৰভাৰ তলত কিছুমান মানুহে
এইখিনি কথাৰ চৰ্বিত-চৰ্বণ কৰিছিল
ভণ্ডামিৰ মুখা পিন্ধি আমিও ৰভাঘৰত বহি আছিলো
(অনিলৰ হেনো ঘনে ঘনে ভোজ ঘৰত পানী দিয়া গাভৰু
জনীলৈহে মনত পৰি আছিল!)

বুকুত একোখনকৈ স্বচ্ছ দাপোণলৈ বৈ আছিল বকো,
কৃষ্ণাই, দুধনৈ
লাজ লাগিছিল বৰ, তাত প্ৰতিবিম্বিত হোৱা আমাৰ
মুখাহীন মুখবোৰ এবাৰ চাই লবলৈ!

জুঙৰ ৰাগিত মাতাল হৈ বিপিন বড়োক মাতি শুনালো
নীলিমৰ কবিতা
ৰত্নু ৰাভাক দিলো শান্তি আৰু সম্প্ৰীতিৰ বতৰা
ক্ষোভেৰে সিহঁতে কলে তৰা-বছা ৰাতিৰ আকাশ এখন
জ্বলাই দিয়াৰ কথা

(মোৰ বৰ ভয় লাগিছিল সিহঁতৰ দীপ্ত চকুবোৰলৈ......)

নৈশ বাছত আমি যেতিয়া উলটিছিলো ডিবুৰুলৈ
বাটত লগ পোৱা পাহাৰবোৰত অ'ত-ত'ত জুই জ্বলিছিল
পাহাৰত জুই জ্বলা ৰাতি এটা বুকুত সাবটি আমি
আহিছিলো
আমাৰ বুকুতো তেতিয়া নিশ্চয় জুয়েই জ্বলিছিল
সেই জুইৰ ৰং আছিল সেউজীয়া। ☐






# স্বৰ্ণলতাঃ অসম্পূৰ্ণ অন্বীক্ষা




ৰাজেন শইকীয়া

**স্বৰ্ণলতা**
তিলোত্তমা মিশ্ৰ,
পূৰ্বাঞ্চল প্ৰকাশ,
গুৱাহাটী–১৯৯১
মূল্য– ৩৫.00 টকা

'স্বৰ্ণলতা' এখন জীৱন ভিত্তিক উপন্যাস। ইতিপূৰ্বে আমি অসমীয়া ভাষাত চৈয়দ আব্দুল মালিক, মেদিনী মোহন চৌধুৰী, প্ৰদীপ শইকীয়া আৰু কুমুদ গোস্বামীৰ পৰা এনে কেইবাখনো উপন্যাস পাইছো।

ঊনবিংশ শতিকাৰ স্থিতধী পুৰুষ গুণাভিৰাম বৰুৱাৰ কন্যা স্বৰ্ণলতা। প্ৰথমা পত্নীৰ মৃত্যুৰ পিছত গুণাভিৰামে ব্ৰাহ্ম ধৰ্ম মতে পৰশুৰাম বৰুৱাৰ বিধৱা স্ত্ৰী বিষ্ণুপ্ৰিয়াক বিয়া কৰায়। তেওঁলোকৰ একমাত্ৰ কন্যা সন্তান স্বৰ্ণলতা, মৰমত মতা নাম মাইছেনা। নগাঁও ফৌজদাৰীপট্টীৰ 'বিল্বকুটীৰ'ত স্বৰ্ণলতা আৰু তেওঁৰ ভায়েকহঁতে শৈশৱকাল কটায়। এফালে ব্ৰাহ্মধৰ্ম গ্ৰহণ, আনফালে বিধৱা বিবাহ এই দুয়ো প্ৰথা বিৰোধী কাৰ্যক নগাঁও চহৰৰ লোকে বৰ ভাল চকুৰে চোৱা নাছিল। কিন্তু চৰকাৰৰ ঘৰত গুণাভিৰামৰ প্ৰতিপত্তিয়ে সকলো অপবাদ-আলোচনা তল পেলাই ৰাখিছিল।

উপন্যাসৰ মূল বিষয়ৰ লগত সমান্তৰাল ভাৱে দুটা কাহিনী আগবাঢ়িছে। পঞ্চানন শৰ্মা নামৰ এজন ৰক্ষণশীল উকিলৰ ওচৰত স্বৰ্ণলতাৰ বিদ্যাৰম্ভ হয়। অলপ দিনৰ পিছত পঞ্চানন শৰ্মাৰ জীয়েক লক্ষ্মীপ্ৰিয়াও স্বৰ্ণৰ পঢ়াৰ লগ হয়হি। পিছে সেই সময়ৰ নিয়ম অনুসৰি অচিৰেই লক্ষ্মীৰ বাল্য বিবাহ হ'ল কলিয়াবৰৰ গোবিন্দ প্ৰসাদ গোস্বামী নামৰ ল'ৰা এজনৰ লগত। কিন্তু লক্ষ্মী ডাঙৰ হৈ স্বামী গৃহলৈ যোৱাৰ নিৰ্ধাৰিত দিনটোতেই লক্ষ্মীৰ গিৰিয়েকৰ মৃত্যু হয়। মাইলছ্ ব্ৰন্ছনৰ সহায়কাৰী অসমীয়া খৃষ্টান মহিলা গোলাপী আৰু গোলাপীৰ জীয়েক তৰা। ব্ৰন্ছনৰ প্ৰতি গভীৰ আনুগত্য থকা গোলাপীয়ে ৰুগীয়া ব্ৰন্ছনৰ সেৱা শুশ্ৰূষাৰ বাবে নিজৰ জীয়েক তৰাক ব্ৰন্ছনৰ লগতে আমেৰিকালৈকো পঠিয়াইছিল। লক্ষ্মী আৰু তৰা দুয়ো আছিল স্বৰ্ণলতাৰ সৰুকালৰ অস্থায়ী লগৰী। গুণাভিৰামৰ ঘৰত জিৰণীয়া মোৰ অভাৱ নাছিল। লক্ষেশ্বৰ কটকী তাৰ ভিতৰৰে এজন।

গুণাভিৰাম আৰু বিষ্ণুপ্ৰিয়াই বিচৰা মতে সেই সময়ত নগাঁৱত 'ছোৱালীৰ স্কুলীয়া শিক্ষাৰ সুচল নথকাত তেওঁলোকে স্বৰ্ণলতাক কলিকতাৰ বেথুন স্কুলত পঢ়িবলৈ পঠিয়ায়। কলিকতাৰ স্কুলত পঢ়িবলৈ যোৱা প্ৰথম অসমীয়া ছোৱালী স্বৰ্ণলতা স্ত্ৰী শিক্ষা ইতিহাসৰ এটা সংযোগ সূত্ৰ।

কলিকতাত পঢ়ি থকা অৱস্থাতেই স্বৰ্ণলতাৰ বিয়াৰ কথা ওলাল। প্ৰথমে বিয়া বাৰুৰ কথা চলিছিল ৰবীন্দ্ৰ নাথ ঠাকুৰৰ লগত। প্ৰস্তাৱ আহিছিল অসমৰ প্ৰথম আই চি এচ আনন্দৰাম বৰুৱাৰ পৰাও। কিন্তু শেষত বিয়া হ'লগৈ বিলাতফেৰং ডাক্তৰ নন্দ কুমাৰ ৰায়ৰ লগত। বিয়াৰ তিনিবছৰ পূৰ্ণ নৌহওঁতেই নন্দ কুমাৰৰ অকাল মৃত্যু ঘটে। সেয়া আছিল স্বৰ্ণলতাৰ জীৱনত আপোনজনৰ মৃত্যু শোকৰ আৰম্ভণি। স্বামীহীনা হৈ দুটি কন্যা সন্তানেৰে সৈতে পিতৃ-মাতৃৰ আশ্ৰয়ত নিশ্চিন্ত হৈ কালাতিপাত কৰাও সম্ভৱ নাছিল। দুবছৰৰ পিছত স্বৰ্ণলতাৰ মাক বিষ্ণুপ্ৰিয়াৰ মৃত্যু হ'ল। তাৰ পোন্ধৰ মাহৰ পিছত ঢুকাল তেওঁৰ ডাঙৰ ভায়েক কৰুণাভিৰাম, আকৌ আঠ মাহৰ পিছতেই




OKDISCD

তেওঁলোকৰ সকলোৰে আশ্ৰয়ৰ স্হল গুণাভিৰামেও চক্ষু মুদিলে। কাল্পনিক কাহিনীতো যি মৃত্যু শোক কষ্টকল্পিত বুলি অনুভূত হোৱা স্বাভাৱিক, স্বৰ্ণলতাই তাৰ মুখামুখি হব লগা হৈছিল বাস্তৱ জীৱনতে। দেউতাকৰ মৃত্যুৰ আঠমাহৰ পিছতেই স্বৰ্ণলতাই হেৰুৱালে মাজু ভায়েক কমলাভিৰামক। স্বৰ্ণলতাৰ বৰজনাক ৰজনীনাথ ৰায়, বিজ্ঞানী জগদীশ চন্দ্ৰ বসু, লক্ষ্মীনাথ বেজবৰুৱা আৰু আন শুভাকাংখী সকলৰ সহযোগত স্বৰ্ণলতাৰ সৰু ভাই জ্ঞানদাভিৰাম বিলাতলৈ পঢ়িবলৈ গ'ল ঠিক তাৰ পিছৰ বছৰতে। স্বৰ্ণলতা থাকিল ভৱানীপুৰৰ ভাড়াঘৰ এটাত।

ইফালে বিধৱা লক্ষ্মীপ্ৰিয়াই এম ই পৰীক্ষা পাছ কৰি মাষ্টৰনী হ'ল। গুণাভিৰামৰ স্নেহধন্য শিৱসাগৰৰ ধৰ্মকান্ত বৰুৱাৰ লগত 'বিল্বকুটীৰ'তে লক্ষ্মীৰ প্ৰথম চিনাকি হৈছিল। অলপ দিনৰ ভিতৰতে ব্ৰাহ্মণ বিধান মতে দুয়োৰে বিয়া হয়। পিছলৈ ধৰ্মকান্ত কামৰূপ আৰু দৰঙৰ খেতিয়ক সংগঠনৰ নেতা হয়গৈ। আমেৰিকাতে নাৰ্চৰ প্ৰশিক্ষণ লৈ অসমলৈ উভতি আহি তৰাই তেতিয়া সংসাৰ কৰিছে হেনৰিৰ লগত। ১৮৯৭ চনৰ বৰ ভুঁইকঁপত কৰ্মৰত অৱস্থাত গুৱাহাটী চিভিল হস্পিটেলত তৰাৰ শোকাবহ মৃত্যু হ'ল।

জগদীশ বসুৰ ঘৰত এদিন স্বৰ্ণলতাৰ চিনাকি হয় হুগলী কলেজৰ অধ্যক্ষ ক্ষীৰোদ চন্দ্ৰ ৰায়চৌধুৰীৰ লগত। তেওঁলোক পৰস্পৰৰ প্ৰতি আকৰ্ষিত হয় আৰু পিছত দুয়ো বিয়া পতা স্হিৰ কৰে। উপন্যাসখন ইয়াতে শেষ হৈছে।

কলিকতাত পঢ়িবলৈ যোৱা প্ৰথম অসমীয়া ছোৱালী স্বৰ্ণলতা। দেখিবলৈ সাঁচত মৰা তিলোত্তমাৰ দৰে, যাৰ ৰূপ চাই মুগ্ধ হৈছিল ৰবীন্দ্ৰনাথ। গ্ৰন্হকীট চিভিলিয়ান আনন্দৰামেও স্বৰ্ণলতাক দেখিয়েই চিৰকুমাৰ ব্ৰত ত্যাগ কৰি পোন প্ৰথমবাৰৰ বাবে গভীৰ ভাবে ভাবিছিল নিজৰ বিয়াৰ কথা। ঔপন্যাসিকাই অন্যভাবে কলেও জ্ঞানদাভিৰামৰ ৰচনাৰ পৰা আমি ধৰিব পাৰো যে অসবৰ্ণ বিবাহৰ প্ৰতি গুণাভিৰাম আৰু বিষ্ণুপ্ৰিয়াৰ আগ্ৰহ নাছিল। চঞ্চলতা বা জীৱনৰ প্ৰতি ভীতি-বিহ্বল বিৰাগ নহয়, শান্ত সমাহিত ব্যক্তিৰূপ, অদৃষ্টৰ ওচৰত আত্ম সমৰ্পণ নহয়, সকলো ভ্ৰূকুটিৰ বিপৰীতে অনায়াস সাহসিকতাৰ প্ৰদৰ্শন, প্ৰতিটো বিষয়তে স্হিৰচিত্ত সিদ্ধান্ত লোৱাৰ ক্ষমতা, কুসংস্কাৰৰ প্ৰতি অনুচ্চাৰিত ঘৃণা, জীৱনৰ প্ৰতি প্ৰেম আৰু শ্ৰদ্ধাশীল আস্হা আছিল স্বৰ্ণলতাৰ ব্যক্তিত্বৰ বৈশিষ্ট্য। স্বৰ্ণলতাৰ ব্যক্তিত্ব কেৱল পিতৃ-মাতৃৰ পৰা পোৱা জৈৱিক উপাদানেৰে গঢ়ি উঠা নাছিল। স্বৰ্ণলতা ঘৰুৱা পৰিৱেশতকৈ বেছি প্ৰভাৱান্বিত হৈছিল কলিকতাৰ উদাৰ ব্ৰাহ্ম পৰিমন্ডলৰ দ্বাৰা। তেওঁ পঢ়া বেথুন স্কুলেই আছিল এটা জাগৰণৰ মূৰ্ত প্ৰতীক; তাৰ প্ৰতি গৰাকী ছাত্ৰীয়েই আছিল সেই কথাৰ প্ৰতি সম্পূৰ্ণ সচেতন। সেই যুগৰ কলিকতাৰ সাৰস্বত সাধনা প্ৰতি গৰাকী শিক্ষিতা নাৰীৰ অস্তিত্ব চেতনাৰেই অংগ আছিল বুলি ভাবিব পাৰি। উপন্যাসত স্বৰ্ণলতা যেন সেইবোৰৰ প্ৰতি অনুৰাগবিহীন।

ৰজনীনাথ ৰায় আৰু ক্ষীৰোদচন্দ্ৰ ৰায়চৌধুৰীৰ ব্যক্তিমানসৰ লগত গুণাভিৰামৰ যি সাজাত্য তাক পোহৰলৈ অনা হ'লে স্বৰ্ণলতাক আমি আৰু উজ্জ্বল ৰূপত দেখা পালোহেঁতেন। কলিকতা বিশ্ববিদ্যালয়ৰ কৃতী ছাত্ৰ ৰজনীনাথ আছিল স্ত্ৰী-শিক্ষা, বিধৱা আৰু অসবৰ্ণ বিবাহৰ উদ্যমী প্ৰবক্তা। তেওঁ বিয়া কৰাইছিল এক বহু পত্নীক কুলীন বৃদ্ধ ব্ৰাহ্মণৰ হাতৰ পৰা উদ্ধাৰ কৰা বিধুমুখীক। এই ঘটনাই 'বিধুমুখী চৰিত' নামৰ লঘু গ্ৰন্হৰ উপজীব্য। ক্ষীৰোদচন্দ্ৰ উপস্হিত হোৱাৰ লগে লগেই উপন্যাসখন সমাপ্ত হৈছে। অথচ এই কথা সুপৰিজ্ঞাত যে ক্ষীৰোদবাবু স্বৰ্ণলতাৰ ওচৰত খন্তেকীয়া প্ৰেমপ্ৰাৰ্থী বা যাক কোৱা হয় Philander নাছিল। তেতিয়া স্বৰ্ণলতাৰ বয়স মাত্ৰ আঠাইশ, তাৰ পিছতো আৰু তেত্ৰিশ বছৰ তেওঁ জীয়াই আছিল। স্বৰ্ণলতাই তেওঁৰ প্ৰথম স্বামীৰ লগত সংসাৰ কৰিছিল তিনি বছৰতকৈও কম সময়। আনহাতে ক্ষীৰোদচন্দ্ৰৰ পত্নী ৰূপে তেওঁ সোতৰ বছৰতকৈও অধিককাল কটাইছিল। স্বৰ্ণলতা সম্পৰ্কে লেখিকাৰ বক্তব্য কি সেই কথা অস্পষ্ট হৈ ৰ'ল। তদুপৰি স্বৰ্ণলতাৰ পৰৱৰ্তী জীৱন অনিবাৰ্যতাৰ সূত্ৰত গ্ৰথিত নাছিল। লক্ষ্মী আৰু তৰাৰ কাহিনী দুটাক স্বয়ংসম্পূৰ্ণ কৰি স্বৰ্ণলতাৰ এই পৰিণতি চিত্ৰণ আঙিগক বিন্যাসৰ ফালৰ পৰাও এটা ডাঙৰ খুঁত।

ক্ষীৰোদচন্দ্ৰ-স্বৰ্ণলতাৰ পৰৱৰ্তী জীৱন কি সম্পূৰ্ণ উপেক্ষণীয়? এবাৰ চোৱা যাওক। তেওঁলোকৰ বিয়া দুয়োজনৰ আগ্ৰহ আৰু সিদ্ধান্তক্ৰমেই হৈছিল বুলি ভাবিব লাগিব। যি মুহূৰ্ততে স্বৰ্ণলতাই স্বতন্ত্ৰ ব্যক্তিসত্তাৰ পৰিচয় দিলে সেই মুহূৰ্ততে তেওঁৰ কাহিনীৰ অন্ত পৰিল। বেজবৰুৱাই তেওঁৰ 'জীৱন সোঁৱৰণ'ত ক্ষীৰোদচন্দ্ৰক পৰিচয় কৰি দিছে "হুগলী কলেজৰ প্ৰিঞ্চিপেল গুণী আৰু বিদ্বান শ্ৰীযুত ক্ষীৰোদচন্দ্ৰ ৰায়চৌধুৰী" বুলি। স্বৰ্ণলতাৰ দ্বিতীয় বিবাহ হয় ১৮৯৯ চনৰ ফেব্ৰুৱাৰী মাহত। ১৮৭৩ চনতে ৰায় চৌধুৰীৰ 'মানব প্ৰকৃতি' প্ৰকাশিত হৈছিল। নৃতত্ত্ব বিজ্ঞানৰ বিষয়ে বঙলা ভাষাত লেখা এইখনেই প্ৰথম কিতাপ। কলেজৰ চাকৰিৰ পৰা ৰায়চৌধুৰীয়ে অৱসৰ লোৱাৰ পিছত তেওঁলোক কটকলৈ যায়। তাৰ পৰাই ১৯০৫ চনত ক্ষীৰোদ চন্দ্ৰই Star of Utkal নামৰ এখন জাতীয় ভাবাপন্ন সাপ্তাহিক সংবাদপত্ৰ প্ৰকাশ কৰে। এই কাকতৰ ভূমিকাত অসন্তুষ্ট হৈ চৰকাৰে সৰহীয়া জামিন দাবী কৰাৰ প্ৰতিবাদত ১৯১২ চনত ৰায়চৌধুৰীয়ে তাৰ প্ৰকাশ বন্ধ কৰি দিয়ে। তেৱেঁই সম্পাদনা কৰিছিল বঙলা মাহেকীয়া আলোচনী 'মৃন্ময়ী' ১৯০৯ চনত। ক্ষণস্হায়ী হ'লেও 'মৃন্ময়ী' আছিল এফালে বেজবৰুৱা-জ্ঞানদাভিৰাম আৰু আনফালে যোগেশ চন্দ্ৰ ৰায়ৰ ৰণক্ষেত্ৰ। কটকত তেওঁ এখন হাইস্কুলো প্ৰতিষ্ঠা কৰিছিল। কেৱল স্বৰ্ণলতাৰ দৰে এগৰাকী মুক্তচেতা জীৱন সঙিগনীৰ নৈকট্যই ক্ষীৰোদচন্দ্ৰক জীৱনৰ ভাটি বেলালৈকে এইদৰে উদ্দীপ্ত কৰি ৰখা বুলি ভাবিলে ভুল হব নেকি?

ধৰ্মকান্ত আৰু লক্ষ্মেশ্বৰ– এই চৰিত্ৰ দুটা ইংৰাজীত যাক কোৱা হয় character with a key সেই আৰ্হিত সৃষ্টি কৰা। আধুনিক অসমৰ গৰ্ভক্ৰান্তিৰ ইতিহাস যি সকলৰ পৰিচিত তেওঁলোকে সেই সঁচাৰ কাঠি প্ৰয়োগ কৰি চাব পাৰিব। ধৰ্মকান্তৰ চৰিত্ৰ চিত্ৰণত impulse of passion-এ ঔপন্যাসিকাক দূৰলৈ লৈ গৈছে। শশীপদ বন্দ্যোপাধ্যায় এটি আদৰ্শনীয় আৱিষ্কাৰ। ব্ৰাহ্মবৃত্তৰ বাহিৰত হ'লেও শশীপদ আছিল সকলো ৰক্ষণশীলতাৰ পৰা মুক্ত। 'অন্তঃপুৰ' নামৰ মহিলা আলোচনী এখনো তেওঁ প্ৰকাশ কৰিছিল। কাদম্বিনী গাঙগুলী আছিল স্বৰ্ণলতাৰ মন-আকাশৰ ভোটা তৰা। পিছে কাদম্বিনী কেতিয়াও চিকাগোলৈ যোৱা নাছিল। ১৮৯২ চনত তেওঁ ইংলন্ডলৈ গৈছিল উচ্চ শিক্ষাৰ বাবে। যদিও নিঃসন্দেহে যোগেন্দ্ৰ নাৰায়ণ ভূঞাৰ দ্বাৰা সম্পাদিত 'জ্ঞানদাভিৰাম ৰচনাৱলী' ঔপন্যাসিকাৰ ডাঙৰ সম্বল, জ্ঞানদাভিৰামৰ বৃদ্ধকালৰ স্মৃতি লেখাতকৈ আন নিৰ্ভৰযোগ্য সূত্ৰৰ পৰা কাদম্বিনী সম্পৰ্কে তথ্য সংগ্ৰহ কৰা উচিত আছিল।



উপন্যাসখনত পি এইছ মূৰৰ দ্বাৰা সম্পাদিত 'Twenty Years in Assam'-ৰ পৰা সংগৃহীত মিশ্যনেৰী সংবাদ সংশ্লেষণ সুন্দৰ হৈছে।

গুণাভিৰাম-স্বৰ্ণলতাৰ বন্ধু সকলৰ বিষয়ে মাৰাত্মক ত্ৰুটি ঘটিছে উপন্যাসখনত। কলিকতাৰ সুপৰিচিত 'দুই বসু' পৰিয়ালৰ সদস্য সকলক একেটা পৰিয়ালৰ লোক বুলি দেখুওৱা হ'ল। মোহিনী মোহন আৰু জগদীশ বসু 'দুয়োজন' আনন্দ মোহনৰ 'ভায়েক' নহয়। সেইদৰে লাবণ্যপ্ৰভা, চাৰুপ্ৰভা আৰু হেমপ্ৰভা এই তিনি গৰাকীও আনন্দমোহনৰ ভনীয়েক নাছিল। প্ৰথমটো ভুলৰ পৰা দ্বিতীয়টো ভুলৰ উৎপত্তি হৈছে। আনন্দমোহনৰ ভাতৃ মোহিনীমোহন; তেওঁলোক দুয়ো জগদীশ বসুৰ ভগ্নীপতিহে। লাবণ্য প্ৰভাহঁতৰ দাদাক জগদীশ বসুহে; আনন্দমোহন আৰু মোহিনীমোহনে লাবণ্য প্ৰভাহঁতৰ ডাঙৰ আৰু ডাঙৰ-মাজু বায়েক ক্ৰমে স্বৰ্ণপ্ৰভা আৰু সুবৰ্ণপ্ৰভাক বিয়া কৰাইছিল।

'স্বৰ্ণলতা'ত উপন্যাস সাহিত্য কৰ্মৰ সকলো মৌলিক গুণ উপস্হিত। তথ্যৰ বিসংগতিবোৰ জনা নাথাকিলে ইয়াক এখন উপভোগ্য উপন্যাস বুলি কোৱাত বোধহয় কোনো পাঠকৰ আপত্তি নাথাকিব। Stock characters-ৰ সংখ্যা সীমিত কৰি লেখিকাই চৰিত্ৰ বিশ্বাসযোগ্য ভাবে ফুটাই তুলিব পাৰিছে। উপন্যাসোপম বিষয় নিৰ্বাচন আৰু কল্পনা শক্তি প্ৰমিত প্ৰয়োগে উপন্যাসখনক যি স্তৰলৈ তুলিছিল লেখিকাৰ দুৰ্বল সত্যন্বেষাই তাক তললৈ নমাই আনিলে। শব্দৰ বানানৰ প্ৰতি তেওঁৰ উদাসীনতা আৰু অৱহেলায়ো বহু পাঠকক হতাশ কৰিব। লক্ষ্মীপ্ৰিয়াৰ বিয়া হৈছিল গোবিন্দ প্ৰসাদৰ লগত, মৃত্যু হোৱাৰ সময়ত তেওঁ 'হৰিপ্ৰসাদ' হ'ল কেনেকৈ? ৰবীন্দ্ৰনাথ ঠাকুৰৰ পত্নীৰ সুবিদিত নাম মৃণালিনী। স্বৰ্ণলতাৰ বিয়ালৈ আহি তেওঁ কেনেকৈ 'মৃন্ময়ী' হ'ল বাৰু? এনেকুৱা অসতৰ্ক বিচ্যুতিৰ বাদেও আন দুটামান কালানুক্ৰমিক প্ৰমাদো ঘটিছে।

সাহিত্যিক অক্ষমতা নহয়, বিষয়ৰ অসম্পূৰ্ণ অন্বীক্ষা ঔপন্যাসিকাৰ ডাঙৰ ত্ৰুটি। সম্ভাৱনা থকা সত্বেও এই নাৰী-ভাবনাৰ যুগত স্বৰ্ণলতাই মুখ চাই দাপোণ নাপালে এয়ে আমাৰ আক্ষেপ।

তথ্যপ্ৰমাদমুক্ত উন্নত ৰূপত 'স্বৰ্ণলতা' আমাৰ সাহিত্যৰ এটি মূল্যবান সম্পদ হব।



# স্বৰ্ণলতাঃ এখন ভিন্নসুৰী উপন্যাস

কমলা বৰগোহাঁই

তিলোত্তমা মিশ্ৰৰ প্ৰথম উপন্যাস 'স্বৰ্ণলতা' নিঃসন্দেহে এখন ভিন্নসুৰী উপন্যাস। গুণাভিৰাম বৰুৱাৰ কন্যা স্বৰ্ণলতা দেৱীৰ জীৱনৰ আধাৰত ৰচিত কিছু অগতানুগতিক ধৰণৰ বিষয় বস্তুৰ এই উপন্যাসখনৰ যোগেদি লেখিকাই ঊনবিংশ শতিকাৰ শেষভাগত অসমীয়া সমাজত সূচনা হোৱা এটা সামাজিক বিপ্লৱৰ কথা অত্যন্ত কলাসুলভ ভাবে দাঙি ধৰিছে। বহুতো কাৰণত ঊনবিংশ শতিকাৰ শেষ ভাগটো অসমীয়া সমাজৰ বাবে বিশেষ তাৎপৰ্যপূৰ্ণ। বংগদেশত ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, ৰাজা ৰামমোহন ৰায় আদিৰ নেতৃত্বত ঘটা সামাজিক বিপ্লৱৰ ঢৌৱে অসমকো বাৰুকৈয়ে স্পৰ্শ কৰিছিল। বিধৱা বিবাহৰ সমৰ্থনত গুণাভিৰাম বৰুৱাই কেৱল 'ৰামনৱমী' নাটকেই লিখা নাছিল; নিজে বিধৱা বিবাহ কৰাই সমকালীন অসমীয়া সমাজত প্ৰবল আলোড়নৰ সৃষ্টি কৰিছিল। বিধৱা বিবাহ প্ৰচলন হোৱাৰ



তিলোত্তমা মিশ্ৰ

লগতে নাৰী মুক্তিৰ অন্য এক আনুষংগিক দিশ স্ত্ৰী শিক্ষাৰো সেই সময়তে প্ৰসাৰ ঘটিছিল। মিশ্যনেৰী সকলৰ উদ্যোগত খৃষ্টান ধৰ্মৰ প্ৰচাৰ ঘটিছিল আৰু নগৰ সমূহত ব্ৰাহ্ম সমাজ স্হাপিত হৈছিল। কলিকতাত পঢ়িবলৈ যোৱা এমুঠি অসমীয়া ছাত্ৰই অসমীয়া সাহিত্যত ৰমন্যাসিক যুগৰ সূচনা কৰিছিল। জীৱন কাল চমু হ'লেও ভালেকেইখন অসমীয়া আলোচনী আৰু বাতৰি কাকত প্ৰকাশিত হৈছিল। অসমৰ চাহ বাগিচাসমূহত কাম কৰিবৰ বাবে অন্যান্য প্ৰদেশৰ পৰা বনুৱা অনা হৈছিল। ৰঙিয়া আৰু পথৰুঘাটত কৃষক বিদ্ৰোহ ঘটিছিল। ১৮৯৭ চনৰ বৰভূঁইকঁপত অসমত বিস্তৰ ক্ষতি হৈছিল। আলোচিত এই উপন্যাসখনত এইবোৰ ঘটনাৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ চিত্ৰিত হোৱাৰ লগতে তদানীন্তন অসমীয়া সমাজত দেখা দিয়া ক্ৰান্তিকালৰ দ্বন্দ্ব আৰু সমস্যাসমূহ সুন্দৰকৈ ফুটি উঠিছে। সেয়ে এই উপন্যাসখনক 'জীৱনীমূলক' বা 'ঐতিহাসিক' কোনো এটা শ্ৰেণীৰ অন্তৰ্ভুক্ত নকৰি Edwin Muir-ৰ ভাষাত 'যুগ-উপন্যাস' (Period Novel) বোলাটোহে সমীচীন হব।

উপন্যাসৰ নায়িকা স্বৰ্ণলতাৰ জীৱনৰ বৈচিত্ৰ্যপূৰ্ণ দিশসমূহ দাঙি ধৰাৰ লগতে এটা বিশেষ যুগৰ দ্বন্দ্ব আৰু সমস্যা চিত্ৰিত কৰিবৰ বাবে এটা ব্যাপক পৰিসৰ সামৰিব লগা এই উপন্যাসখন কলা-কৌশলৰ দিশৰ পৰা নিখুঁত কৰিবৰ বাবে ঔপন্যাসিকাই যৎপৰোনাস্তি চেষ্টা কৰিছে। তিনিটা খন্ডত বিভক্ত আৰু একাধিক উপ-কাহিনী যুক্ত এই উপন্যাসখনত মুঠতে ৫৩টা অধ্যায় আছে যদিও ইয়াৰ কাহিনী ভাগ নিটোল আৰু সুসংহত। নায়িকা আৰু অন্যান্য চৰিত্ৰ সমূহৰ জীৱনৰ বিশেষ ঘটনা একোটা বাছি লৈ প্ৰকৃত নাটকীয় গুণসম্পন্ন পৰিস্হিতি চিত্ৰণত ঔপন্যাসিকা সফল হৈছে।

উপন্যাসৰ নায়িকা স্বৰ্ণলতা বাস্তৱ চৰিত্ৰ হোৱা বাবে ইয়াত কল্পনাৰ ৰহণ সনাৰ স্থল কম। কিন্তু বৈপৰীত্যৰ যোগেদি এই চৰিত্ৰটোৰ অধিক পৰিস্ফূটনৰ বাবে সৃষ্টি কৰা তৰা আৰু লক্ষ্মীপ্ৰিয়া চৰিত্ৰ দুটা মনোগ্ৰাহী হোৱাৰ উপৰিও সমকালীন অসমীয়া নাৰীৰ দুটা ৰূপ উন্মোচিত কৰিছে। বাস্তৱ চৰিত্ৰ গুণাভিৰাম বৰুৱাৰ লগতে কাল্পনিক চৰিত্ৰ পঞ্চানন শৰ্মা, ধৰ্মকান্ত, লক্ষেশ্বৰ, হেনৰীৰ চৰিত্ৰাংকন নিখুঁত হৈছে।

বিধৱা বিবাহ, স্ত্ৰী শিক্ষাৰ প্ৰয়োজনীয়তা আদি বিষয়ৰ ওপৰত গুণাভিৰাম বৰুৱাৰ মুখত দিয়া দুই এটা সংলাপ কিছু নীৰস হৈছে যদিও সৰহভাগ সংলাপ বুদ্ধিদীপ্ত আৰু মনোগ্ৰাহী হৈছে।

এটা বিশেষ যুগৰ পটভূমিত ৰচিত এইখন উপন্যাসত লেখিকাৰ গভীৰ জীৱনবোধ আৰু বস্তুনিষ্ঠ দৃষ্টিভংগী সুন্দৰকৈ প্ৰকাশিত হৈছে।

সংলাপৰ মাধুৰ্যৰ লগতে ঔপন্যাসিকাৰ জীৱন দৰ্শনৰ উমান দিবলৈ দুটামান সংলাপৰ উদ্ধৃতি দিয়া হৈছে–

"মূৰত ওৰণি লৈ নিজৰ মুখখন লুকাই ৰখাটোকে লাজ নোবোলে নহয়। লাজৰ অৰ্থ হ'ল পাপ কাম কৰিবলৈ ভয় কৰা" (পৃঃ ১৪৮) "আপোনাৰ বাবে ৰজা কোন, সেইটোৱেই আচল প্ৰশ্ন। মোৰ বাবে ৰাইজেই ৰজা। গতিকে মই ৰাজদ্ৰোহ কৰা নাই, ৰাজসেৱাহে কৰিছো।" (পৃঃ ১৮০)


"ক'ত বিধৱাই স্বামীৰ আত্মাৰ মুক্তিৰ কাৰণে বৰত-উপবাস কৰিব, কিতাপ পঢ়ি ফলাবলৈ আহিছে। কেৰাণী হবি নে মহৰি হবি?

– মই কেৰাণী, মহৰি একো হব খোজা নাই। মানুহহে হব খুজিছো।" (পৃঃ১০৫)

কিতাপখনত হোৱা মাত্ৰাধিক ছপাৰ ভুল দৃষ্টিকটু হৈছে। লেখিকাই ভৱিষ্যত দ্ৰষ্টাৰ দৰে ঘটনাৰ পৰিণতি সম্পৰ্কে আগতীয়াকৈ কোৱা এষাৰ কথাই কলাগুণ খৰ্ব কৰিছে– "কোনেনো জানিছিল যে এনে এটা আবেলি সিহঁত তিনিজনীয়ে একেলগে আৰু কোনোদিন কটাব নোৱাৰিব।" (পৃঃ ১৮৪)

এনে এখন ভিন্নসুৰী উপন্যাস পাঠক সমাজলৈ আগবঢ়োৱা বাবে পূৰ্বাঞ্চল প্ৰকাশকক ধন্যবাদ জনাইছো আৰু ঔপন্যাসিকাৰ পৰৱৰ্তী সৃষ্টিলৈ আগ্ৰহেৰে বাট চাইছো। সূ

# 'স্বৰ্ণলতা' সম্পৰ্কে দু-আষাৰ



তিলোত্তমা মিশ্ৰ

'স্বৰ্ণলতা' উপন্যাসখনৰ মই কোনো পাতনি লিখা নাছিলো। নিজৰ বক্তব্য সমূহ আগতীয়াকৈ পাঠকৰ ওপৰত জাপি দিয়াতকৈ পাঠকৰ ৰুচিবোধ আৰু বিচাৰ বুদ্ধিৰ ওপৰত সম্পূৰ্ণ বিশ্বাস ৰখাটোকে সমীচীন বুলি ভাবিছিলো। কিন্তু এতিয়া 'সূত্ৰধাৰ'ৰ সম্পাদক শ্ৰীযুত হোমেন বৰগোহাঞি দেৱৰ অনুৰোধ প্ৰত্যাখ্যান কৰিব নোৱাৰি উপন্যাসখনৰ বিষয়ে মোৰ মনলৈ অহা দুটামান কথা লিখিবলগীয়া হ'ল।

প্ৰথম কথা, 'স্বৰ্ণলতা'খন এখন উপন্যাসহে, জীৱন চৰিত বা গৱেষণামূলক গ্ৰন্থ নহয়। পাঠকে পঢ়োতে যদি উপন্যাসখন তেনেধৰণে গ্ৰহণ কৰিব পৰা নাই তেন্তে ই মোৰ সৃষ্টিকলাৰে ব্যৰ্থতা বুলি মানি ল'ব লাগিব। কবিতা বা নাটক ৰচনা কৰাৰ দৰে উপন্যাস লিখাটোও যিহেতু এক সৃজনমূলক কাৰ্য, গতিকে যিডাল মাপকাঠিৰে বুৰঞ্জীৰ কিতাপ এখনৰ তথ্য সমূহৰ 'বিশুদ্ধতা' বা 'বিশ্বাসযোগ্যতা' বিচাৰ কৰি চোৱা হয় সেই একেডাল মাপকাঠিকে সৃষ্টিমূলক লেখাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰাটো অনুচিত। এখন উপন্যাসৰ গাঁথনি, দাৰ্শনিক ভিত্তি বা চৰিত্ৰ-অংকনৰ প্ৰয়োজনত বহু সময়ত বাস্তৱক হুবহুৰূপে উপস্থাপন কৰাটো সম্ভৱ নহয়। উপন্যাস এখনৰ কলাত্মক মানদণ্ডইহে নিৰ্দ্ধাৰণ কৰিব তাত থকা 'তথ্য' সমূহ কিমানদূৰ বিশ্বাসযোগ্য। সৃষ্টিমূলক লেখাই এইখিনি স্বাধীনতা বোধকৰো দাবী কৰাটো অযুক্তিকৰ নহ'ব। গুণাভিৰাম বৰুৱা, বিষ্ণুপ্ৰিয়া দেৱী আৰু তেখেত সকলৰ পুত্ৰ-কন্যা সকলৰ বিষয়ে মই যদি এখন সুবৃহৎ জীৱনী লিখিলোহেঁতেন তেনেহলে তথ্যৰ নিৰ্ভৰযোগ্যতা বা বিকৃতিকৰণৰ প্ৰশ্ন উঠিলেহেঁতেন। কিন্তু 'স্বৰ্ণলতা' লিখোতে মোৰ সমুখত আটাইতকৈ ডাঙৰ সমস্যাটো আছিল জীৱনী সাহিত্য বা সামাজিক বুৰঞ্জীৰ পৰা সংগ্ৰহ কৰা সমলসমূহক কেনেদৰে এক সৃষ্টিশীল নতুন ৰূপ দিব পাৰি। পদে পদে মোৰ ভয় হৈছিল জানোচা কিতাপখন উপন্যাসৰ পৰ্যায় পোৱাগৈ নাই। মোৰ এই অসুবিধাখিনি শ্ৰীযুতা নিৰুপমা বৰগোহাঞি-এ (তেখেতৰ অলপতে প্ৰকাশিত সমালোচনা এটাত) উপলব্ধি কৰিব পাৰিছে বাবে মই তেখেতৰ ওচৰত কৃতজ্ঞ। উনৈশ শতিকাৰ অসম আৰু বংগৰ ইতিহাসৰ যিবোৰ চৰিত্ৰই মোক বিভিন্ন কাৰণত আকৃষ্ট কৰিছে তেওঁলোকৰ দৃষ্টিভঙ্গিৰে মই সেই সময়ৰ সমাজখনক চাবলৈ চেষ্টা কৰিছিলো আৰু সমাজৰ একাংশ লোকৰ উদাৰতা, সংকীৰ্ণতা, মহানুভৱতা, দুৰ্বলতা এই সকলোবোৰে কি ধৰণে সমাজৰ বিভিন্ন দিশ চুই গৈছিল তাক বুজিবলৈ প্ৰয়াস কৰিছিলো। সূক্ষ্ম বিচাৰ সম্পন্ন পাঠক সকলে বুজিব পাৰিব যে ইতিহাসৰ পাতৰ পৰা মই যিকেইটা চৰিত্ৰ এই উপন্যাসখনৰ মাজলৈ লৈ আহিছো তেওঁলোকৰ ব্যক্তিত্বত কিছুমান দিশৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰিছো। কেতিয়াবা ইচ্ছাকৃত ভাবেই কিছুমান 'প্ৰখ্যাত' ব্যক্তিক উপন্যাসখনৰ গৌণ চৰিত্ৰ কৰি ৰাখিছো আৰু সাধাৰণতে ইতিহাসৰ পাতত 'ফুট-নট' (foot-note) হৈ থকা কেইটিমান চৰিত্ৰক নতুনকৈ গঢ় দিবলৈ চেষ্টা কৰিছো।

উপন্যাসখনত যিকেইটা কাল্পনিক নামৰ চৰিত্ৰ আছে সেই কেইটাকো মই দৰাচলতে সম্পূৰ্ণৰূপে কাল্পনিক বা ঐতিহাসিক ভিত্তি নথকা চৰিত্ৰ বুলি ক'ব নোখোজো। ইতিহাসৰ পাতত নাম নথকা অজস্ৰ লোকৰ মাজৰে এইসকল। অথচ এওঁলোকক লৈয়ে মানৱ-সমাজৰ ইতিহাস সৃষ্টি হৈছে। মোৰ বাবে এই কাল্পনিক নামৰ চৰিত্ৰ সমূহ সেয়েহে সম্পূৰ্ণভাবে প্ৰাণৱন্ত। এই চৰিত্ৰ সমূহৰ সৃষ্টিত কিছু আদৰ্শবাদো আছে। হয়তো কেতিয়াবা এই আদৰ্শবাদ ৰোমাণ্টিক আদৰ্শবাদো হৈ পৰিছে। তথাপি এক সবল ঐতিহাসিক ভিত্তিৰ ওপৰত এই চৰিত্ৰ কেইটা প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিলো। উপন্যাসখনৰ কোনবোৰ চৰিত্ৰ সম্পূৰ্ণভাবে 'ঐতিহাসিক' আৰু কোনবোৰ কাল্পনিক সেই কথা স্পষ্টভাবে কোৱাটো মোৰ বাবে বৰ টান কাম। কাৰণ, সকলোবোৰ চৰিত্ৰই ঐতিহাসিক আৰু কাল্পনিকো। পাঠক সকলে যদি উপন্যাসখনত কিছুমান পৰিচিত নাম বিচাৰি পায় তেনেহলে হয়তো এক বিশেষ ধৰণৰ ইনটেলেকচুৱেল আনন্দ উপভোগ কৰিব। কিন্তু এই যুগটোৰ বিষয়ে খৰচি মাৰি পঢ়া-শুনা নকৰা পাঠক সকলেও উপন্যাসখন উপভোগ কৰিব পাৰিব যদিহে ইয়াত কিছু কলাত্মক গুণ আছে। আৰু, মোৰ বিশ্বাস যে বহুতে হয়তো উপন্যাসখন পঢ়াৰ পাছত বুৰঞ্জীৰ পাত লুটিয়াই সেই যুগটোৰ কথা পঢ়িবলৈ অনুপ্ৰাণিত হ'ব।

উপন্যাসখনৰ বিষয়-বস্তু বাছি লোৱাৰ সময়ত মোৰ প্ৰধান উদ্দেশ্য আছিল অতীতৰ আলোকত মোৰ নিজৰ বৰ্তমানটো বুজি পোৱাৰ। ইতিহাসক মই এক ক্ৰমাগ্ৰসৰণ প্ৰক্ৰিয়াৰূপে চাবলৈ চেষ্টা কৰিছো – গীয়ৰ্গ লুকাস্কে কোৱাৰ দৰে, 'History as the concrete precondition of the present' 'স্বৰ্ণলতা'ৰ ৰচনা সেই বাবে মোৰ কাৰণে এক প্ৰকাৰৰ আত্ম-অন্বেষণৰ যাত্ৰাৰ দৰেই আছিল – যেন সময়ৰ সোঁতৰ বিপৰীতে উজাই গৈ মই দেখিবলৈ পাইছিলো যে অতীত আহি বৰ্তমানত মিলিত হৈ গৈছে। এতিয়াৰ অসমীয়া সমাজ-জীৱনত দেখা পোৱা দ্বন্দ্ব বা সংঘাত সমূহৰ ঐতিহাসিক উৎস বিচাৰি গৈ দেখিছিলো যে এসময়ত অসমীয়া মধ্যবিত্তৰ মাজত ক্ষীণকৈ হলেও যেনেধৰণৰ এক উদাৰনৈতিক ধাৰা প্ৰবাহিত হৈছিল সি সমাজখনক এক বহল দৃষ্টিভংগী দিছিল আৰু অসমীয়া শিক্ষিত শ্ৰেণীৰ মনত এক নতুন ধৰণৰ আত্মবিশ্বাস জগাই তুলিছিল। কিন্তু কিছুমান ঐতিহাসিক কাৰণতেই এই সুস্থ প্ৰক্ৰিয়াটো বন্ধ হৈ গ'ল। কুৰি শতিকাৰ দুৱাৰডলিত থিয় হৈ সেই সময়ৰ শিক্ষিত অসমীয়াই দেশখনৰ ভৱিষ্যতৰ বিষয়ে যেনেধৰণৰ আশাৰ সপোন দেখিছিল, আজি একৈশ শতিকাৰ সংক্ৰান্তিকালত আমাৰ মনত তেনেধৰণৰ আশাৰ সঞ্চাৰ হ'বনে? এনেবোৰ চিন্তা মনলৈ বাৰে বাৰে আহি থকাৰ বাবেই হয়তো উপন্যাসখনৰ মাজেৰে মই এক অবান্তৰ হলেও আদৰ্শবাদী সমাধান বিচাৰিছিলো।

এটা ভাল কবিতা বা এখন ভাল নাটক লিখাৰ দৰেই উপন্যাস ৰচনাও এটা চিৰিয়াচ কাম। এই কামৰ বাবে নিজকে প্ৰস্তুত কৰিবৰ বাবে ভালেখিনি পঢ়া-শুনাৰ প্ৰয়োজন। নহ'লে, নিজৰ হা-হুমুনিয়াহৰ বোজাবোৰ আনৰ ওপৰত জাপি দি আমনি দিয়াহে হ'ব। 'স্বৰ্ণলতা' লিখাৰ সময়ত মই উনৈশ শতিকাৰ অসম আৰু বংগৰ ইতিহাস মনোযোগেৰে অধ্যয়ন কৰাৰ উপৰিও সেই সময়ৰ যাতায়াত ব্যৱস্থা, প্ৰাকৃতিক বিবৰণ ঘৰ-দুৱাৰৰ নিৰ্মাণ কৌশল, সাজ-পোছাক, আচাৰ-ব্যৱহাৰ, ইত্যাদি কথাবোৰ যিমানদূৰ সম্ভৱ জানিবলৈ চেষ্টা কৰিছিলো। পুৰণি কলিকতাৰ স্কেচ্, ফটোগ্ৰাফ ইত্যাদি সহজেই পোৱা যায়। কিন্তু অসমৰ বিষয়ে তথ্য সংগ্ৰহ কৰাত ভালেখিনি আহুকাল হৈছিল। এই ক্ষেত্ৰত মই প্ৰধানত খ্ৰীষ্টান মিশ্যনেৰী সকলৰ ডায়েৰী, টোকাবহী, বিভিন্ন প্ৰবন্ধপাতি, স্কেচ্ আৰু পুৰণি ফটোগ্ৰাফৰ ওপৰতেই নিৰ্ভৰ কৰিছিলো। গুণাভিৰাম বৰুৱা আৰু স্বৰ্ণলতাৰ বিষয়ে লক্ষ্মীনাথ বেজবৰুৱা আৰু জ্ঞানদাভিৰাম বৰুৱাৰ আত্মজীৱনীৰ পৰা ভালেখিনি কথা জানিবলৈ পাইছিলো যদিও 'অৰুণোদয়' আৰু 'আসাম বন্ধুত' প্ৰকাশিত তেখেত সকলৰ লেখা সমূহহে মোৰ বাবে অধিক মূল্যবান আছিল। মই সহায় লোৱা সকলোবোৰ কিতাপ পত্ৰৰ বিস্তৃত তালিকা দিয়াটো ইয়াত সম্ভৱ নহ'ব। তথাপি, দুখন কিতাপৰ নাম বিশেষ ভাবে উল্লেখ নকৰি নোৱাৰিলো – এখন হ'ল শিবনাথ শাস্ত্ৰীৰ 'ৰামতনু লাহিড়ী ও তৎকালীন বংগ সমাজ' আৰু আনখন গুণাভিৰাম বৰুৱাৰ 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত'।

সদ্য অতীতৰ বিষয় বস্তুৰ ওপৰত ভিত্তি কৰি উপন্যাস লিখাটো বহু ক্ষেত্ৰত এক বিপদজনক কাম। তথাপি এক 'চেলেঞ্জ' হিচাপেই উপন্যাসখন লিখিবলৈ আগবাঢ়িছিলো আৰু কামটোত অৰ্থ বিচাৰি পাইছিলো বাবে কৰি ভাল লাগিছিল। সূ





OKDISCD

বিশেষ নিবন্ধ

# জনগোষ্ঠী আন্দোলন প্ৰসংগ

প্ৰসেনজিৎ চৌধুৰী

> অসমীয়া জাতিৰ আত্মীকৰণ প্ৰক্ৰিয়াটো এতিয়াও অব্যাহত। অন্যহাতে অসমৰ বিভিন্ন জনগোষ্ঠীৰ আত্ম পৰিচয় কেন্দ্ৰিক সচেতনতাই এক ৰাজনৈতিক মাত্ৰা লাভ কৰিছে। এই সম্পৰ্কত কেইবাজনো চিন্তাবিদে বিষয়টোক গভীৰ ভাবে আলোচনা কৰিছে। তাৰেই আলমত এই বিশেষ প্ৰবন্ধ।

অসমীয়া কোন? অসমীয়াৰ সংজ্ঞা কি? আত্মীকৰণ প্ৰক্ৰিয়াৰ কোনটো পৰ্যায়ত এজন লোকক অসমীয়া বুলিব পাৰি? প্ৰশ্নবোৰ উজু যেন লাগিলেও ইয়াৰ সহজ বা সৰ্বজন সমৰ্থিত কোনো উত্তৰ আছে বুলি মনে নধৰে। অথচ অসমীয়া সমাজৰ সাম্প্ৰতিক সমস্যা-সংকটৰ উহ বিচাৰোতে আৰু জাতি-গঠন প্ৰক্ৰিয়াৰ চৰিত্ৰ তথা আপেক্ষিক অসম্পূৰ্ণতাৰ স্বৰূপ ফঁহিয়াই চাওঁতে এই প্ৰশ্নবোৰে মনত উকি মৰাটো অত্যন্ত স্বাভাৱিক। বিজ্ঞ পণ্ডিত আৰু দেশপ্ৰেমিক চিন্তাশীল লোক সকলে এইবোৰ প্ৰশ্নৰ গভীৰ গুৰুত্ব উপলব্ধি কৰি সুস্থিৰ আৰু বস্তুনিষ্ঠভাবে বিশেষ চিন্তা-চৰ্চা কৰাৰ প্ৰমাণ আমাৰ চকুত বৰকৈ পৰা নাই। চিন্তা-চৰ্চাৰ এই প্ৰভাৱৰ বাবেই বহুলাংশে আমাৰ ধ্যান-ধাৰণাই স্বচ্ছতা লাভ কৰিব পৰা নাই। আমি অহৰহ অস্বস্তিকৰ প্ৰশ্নৰহে সমুখীন হৈছো, নিৰ্ভৰযোগ্য উত্তৰ পোৱা নাই।

আমি আলোচনা কৰিব বিচৰা সংকলনখনৰ* সম্পাদক পাৰ্থ সাৰথি দত্তৰ সম্পাদকীয় ভূমিকাৰ কেতবোৰ কথা পঢ়ি যাওঁতে সচেতন পঢ়ুৱৈৰ মনত এই অস্বস্তিকৰ প্ৰশ্নবোৰে যে পুনৰ ভুমুকি মাৰিব সেই বিষয়ে সন্দেহৰ অকণো থল নাই। দত্তই তেওঁৰ ভূমিকাত অসমীয়াৰ সংজ্ঞা সম্পৰ্কে পোনপটীয়াভাবে কিছু কথা লিখিছেঃ 'We are yet to have a defination of Assamese which is stable over time and place and people. With the changing circumstances the defination too changes.' (p.19) এনে উক্তিক নিৰপেক্ষভাবে চালি-জাৰি চাব পৰা মানুহ আমাৰ মাজত বৰ তাকৰ। তথাপি আমি আশা ৰাখিছো যে সম্পাদকীয় ভূমিকাৰ এই কথা কেইষাৰে সচেতন আৰু শুভবুদ্ধি সম্পন্ন লোক সকলক চিন্তাৰ কিছু খোৰাক দিব। এনে চিন্তাই নিশ্চয় আত্ম-জিজ্ঞাসা আৰু আত্ম-বিশ্লেষণৰো দুৱাৰ মুকলি কৰিব। ই নিঃসন্দেহে আমাৰ অসমীয়া সমাজখনৰ বাবেই মংগলজনক। কিয়নো, আমি কেতিয়াবা পাহৰি যাওঁ যে আত্মীকৰণ প্ৰক্ৰিয়াটো এটা দীৰ্ঘম্যাদী স্বতঃস্ফূৰ্ত, নীৰৱ আৰু মন্থৰ প্ৰক্ৰিয়া। এই সমাজতাত্ত্বিক সত্যটোক অস্বীকাৰ কৰিলে আত্মীকৰণ প্ৰক্ৰিয়া বৈ যোৱাৰ বা তাৰ ক্ৰমাৱক্ষয় আৰম্ভ হোৱাৰ অশুভ সম্ভাৱনা থাকে। উচ্ছ্বাস বা উগ্ৰতাৰে সমন্বয়ৰ কথা কলেই জাতি-গঠনৰ প্ৰক্ৰিয়া দ্ৰুততৰ বা দৃঢ়তৰ নহয়। আত্মীকৰণৰ বাবে প্ৰয়োজন অনুকূল পৰিবেশ – যত বিশ্বাস আৰু বন্ধুত্বই প্ৰাধান্য প্ৰায়, প্ৰাধান্য পায় নিৰ্ভেজাল গণতান্ত্ৰিক প্ৰমূল্যই।

চমু ভূমিকাত সম্পাদক পাৰ্থ সাৰথি দত্তই বেছ সাৰুৱা কিছু কথা লিখিছে। ঔপনিবেশিক অসমত আধুনিক শিক্ষাৰ প্ৰসাৰ আৰু চাকৰিৰ সুযোগ-সুবিধাৰ ফলত এটা নতুন মধ্য শ্ৰেণীৰ জন্ম হৈছিল। কেৱল মূল অসমীয়া সমাজতেই নহয়, পিছ পৰি থকা জনজাতীয় সমাজতো এই নতুন শ্ৰেণীটোৱে থিয় দঙা দিছিল। জনজাতীয় সমাজত আত্মপৰিচয়-কেন্দ্ৰিক সচেতনতাৰ জন্ম আৰু বিকাশৰ সতে এই শ্ৰেণীটোৰ সম্পৰ্ক ঘনিষ্ঠ আৰু গভীৰ। (একে কথা নিশ্চয় মূল অসমীয়া সমাজৰ বিষয়েও কব পাৰি।) সম্পাদক দত্তৰ মতে প্ৰথম অৱস্থাত এই নব্য চেতনাৰ বাহক সকলে মূল অসমীয়া সমাজৰ লগত একাত্ম বোধ কৰিছিল। পিছে কালক্ৰমত অসমীয়া আৰু জনজাতীয় মধ্যশ্ৰেণীৰ মাজত বিৰোধ উপস্থিত হ'ল –অৰ্থনৈতিক আৰু সামাজিক দুয়োটা ক্ষেত্ৰতেই। পৰৱৰ্তীকালত জনজাতীয় আত্ম সচেতনতাই যি ৰাজনৈতিক মাত্ৰা লাভ কৰিলে তাৰ লগত জনজাতীয় মধ্য শ্ৰেণীৰ বাধাপ্ৰাপ্ত আকাংক্ষা আৰু আহত অনুভূতিৰ সম্পৰ্ক নোহোৱা নহয়। (pp. 16-17) মধ্য শ্ৰেণীৰ এই ভূমিকাৰ কথা লিখিলেও দত্তই পিছে ভূমিকাৰ আৰম্ভণিতেই আমাক জনাইছে যে অন্ততঃ পাহাৰৰ জনজাতীয় সমাজত আত্মপৰিচয়-কেন্দ্ৰিক সচেতনতাৰ ধাৰা এটা আধুনিক শিক্ষা তথা মধ্যশ্ৰেণীৰ অস্তিত্বৰ অবিহনেও থাকিলহেঁতেন। (p. 15) ইয়াৰ দ্বাৰা দত্তই কিন্তু মধ্য শ্ৰেণীৰ ভূমিকাৰ গুৰুত্বক নুই বা লঘু কৰিব বিচৰা নাই। অৱশ্যে মধ্য শ্ৰেণীৰ প্ৰেৰণা আৰু নেতৃত্বৰ কাৰণে জনগোষ্ঠীৰ আন্দোলন সমূহত কি ধৰণৰ দুৰ্বলতা/সীমাৱদ্ধতা দেখা দিব পাৰে বা দিয়ে সেই বিষয়ে সম্পাদক গৰাকীয়ে থোৰতে কিছু আলোচনা কৰাৰ থল আছিল বুলি মনে ধৰে।

সংকলনখনত পাৰ্থ সাৰথি দত্তৰ দুটা তথ্যপূৰ্ণ আৰু ব্যাখ্যা-সমৃদ্ধ প্ৰবন্ধ আছে। তেওঁৰ প্ৰথম প্ৰবন্ধটোৰ নাম 'Karbi-Dimasa Autonomy Movement'। আমি সাধাৰণতে ক্ষোভ, শংকা বা বিদ্বেষৰ দ্বাৰা প্ৰভাৱিত/নিয়ন্ত্ৰিত হৈ আত্ম-নিয়ন্ত্ৰণৰ আন্দোলনবোৰ বিচাৰ কৰো। এই কথা ঠিক যে এনে ধৰণৰ আন্দোলনৰ নেপথ্যত কেতিয়াবা অপৰাজনৈতিক প্ৰভাৱ সক্ৰিয় থাকে, কেতিয়াবা জনজাতীয় স্বাৰ্থ-ৰক্ষাৰ নামত এচাম সুবিধাবাদী নেতাই নিজৰ স্বাৰ্থ পূৰণৰ চেষ্টাও কৰে। কিন্তু শূন্যত – কোনো ভিত্তি নাথাকিলে – এটা ব্যাপক আৰু দীৰ্ঘস্থায়ী আন্দোলনৰ জানো জন্ম হ'ব পাৰে? কাৰ্বি-ডিমাছা আন্দোলনৰ উৎস সন্ধান কৰিবলৈ গৈ পাৰ্থ সাৰথি দত্তই লিখা কথাখিনি পঢ়িলে আমি এই প্ৰশ্নটোৰ তাৎপৰ্য আৰু ভালদৰে বুজিম। তেওঁ কৈছে, ১৯৬০ চনত ৰাজ্যভাষা বিষয়ক বিলখন পাছ হোৱাৰ পাছত যি পৰিস্থিতিৰ সৃষ্টি হৈছিল তাৰ মাজতেই আত্মনিয়ন্ত্ৰণৰ দাবীৰ মূল শিপাডাল নিহিত হৈ আছে। (p. 112) এই সময়ত উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰৰ (এতিয়াৰ কাৰ্বি আংলঙ) বিধায়কে ৰাজ্যভাষা বিষয়ক বিলখনৰ বিৰোধিতা কৰিছিল। (p. 112) ১৯৭৩ চনত Mikir and North Cachar Hills Leaders' Conferenceৰ তৰফৰ পৰা প্ৰধান মন্ত্ৰীক দিয়া স্মাৰক-পত্ৰত বহুতো অভিযোগৰ কথা আমি পাওঁঃ অসমৰ নেতা সকলে তেওঁলোকক দিয়া প্ৰতিশ্ৰুতিবোৰ পাহৰি যোৱাৰ কথা, অসমীয়া ভাষা তেওঁলোকৰ ওপৰত জাপি দিয়া বুলি কৰা অভিযোগ, তেওঁলোকৰ ভাষা-কৃষ্টিক নিশ্চিহ্ন কৰাৰ প্ৰচেষ্টাৰ কথা ইত্যাদি। (p. 115) দত্তৰ প্ৰবন্ধত থকা এই তথ্যবোৰে কাৰ্বি-ডিমাছা আন্দোলনৰ বিষয়ে নতুনকৈ কিছু চিন্তা-চৰ্চা কৰাত নিশ্চয় সহায় কৰিব।

কাৰ্বি-ডিমাছা আন্দোলনৰ নেতৃত্বৰ ৰাজনৈতিক চৰিত্ৰৰ বিষয়ে দত্তই আগবঢ়োৱা বিশ্লেষণ বেছ তাৎপৰ্যপূৰ্ণ। তেওঁ কৈছে যে নগা-মিজো-খাছী-গাৰোৰ আত্মনিয়ন্ত্ৰণ আন্দোলনৰ নেতৃত্বত আছিল মূলতঃ অ-কংগ্ৰেছী লোক। পিছে কাৰ্বি-ডিমাছা আন্দোলনৰ কথা সুকীয়াঃ ১৯৮২ চনলৈকে নেতৃত্ব আছিল কংগ্ৰেছী বা কংগ্ৰেছধৰ্মী লোকৰ হাতত (p. 119)। কালক্ৰমত এই আন্দোলনৰ নেতৃত্ব যায়গৈ ১৯৮৬ চনত প্ৰতিষ্ঠিত Autonomous State Demand Committeeৰ হাতলৈ। কাৰ্বি ছাত্ৰ-ছাত্ৰীৰ অনুষ্ঠান KSA-ও এই নতুন নেতৃত্বৰ সক্ৰিয় সহযোগী হৈ পৰে। দত্তই তেওঁৰ আলোচনাত বিশ্লেষণ কৰি দেখুৱাইছে যে কাৰ্বি-ডিমাছা আন্দোলনৰ এই নতুন ASDC-KSA পৰ্বটোৰ এনে কেতবোৰ বৈশিষ্ট্য আছে যিবোৰৰ ৰাজনৈতিক আৰু সামাজিক তাৎপৰ্য মুঠেও উপেক্ষণীয় নহয়। তেওঁৰ মতে, এই নতুন নেতৃত্বই প্ৰথম বাৰৰ বাবে 'elite-oriented platform'ৰ সলনি 'man-based prolonged movement' সংগঠিত কৰিবলৈ যত্ন কৰিলে (p. 122)। তদুপৰি, উগ্ৰ কাৰ্বি-প্ৰীতিৰ ফলত যি বিপদজনক সংকীৰ্ণতাৰ জন্ম হ'ব পাৰে তাৰ পৰাও নতুন নেতৃত্বই জনসাধাৰণক ৰক্ষা কৰিবলৈ চেষ্টা কৰিলে। (P. 122) অন্যান্য উল্লেখযোগ্য বৈশিষ্ট্যৰ কথাও দত্তৰ আলোচনাত আছে।

> আমি পাহৰি যোৱা উচিত নহয় যে অসমীয়া মধ্য শ্ৰেণীৰ একাংশৰ উগ্ৰতাৰ বিৰোধিতা কৰিবলৈ যাওঁতে সুনিৰ্দিষ্ট ভাবাদৰ্শৰ অবিহনে – অ-সাম্প্ৰদায়িক চৰিত্ৰ অটুট ৰখাটো সহজ কথা নহয়।

পাৰ্থ সাৰথি দত্তৰ 'Koch-Rajbongshi Movement For Scheduled Status' শীৰ্ষক প্ৰবন্ধটো বেছ চিত্তাকৰ্ষক আৰু চিন্তা-উদ্ৰেককাৰী। তেওঁৰ প্ৰবন্ধটোৰ পৰা আমি জানিব পাৰো যে কোঁচ সকল উত্তৰবংগত অনুসূচীভুক্ত জাতি হিচাপে স্বীকৃত যদিও অসমৰ গোৱালপাৰাত তেওঁলোক MOBC-ভুক্ত আৰু অন্যান্য জিলাত OBC-ভুক্ত। (p. 162) এই তথ্যটো বেছ তাৎপৰ্যপূৰ্ণ, কিয়নো একেটা জনগোষ্ঠীয়ে তিনিটা অঞ্চলত তিনিধৰণৰ সুকীয়া স্বীকৃতি লাভ কৰাৰ পৰা অনুমান কৰিব পাৰি যে সংৰক্ষণ-কেন্দ্ৰিক আন্দোলন/দাবীৰ কাৰণে উৰ্বৰ ভূমি কিছু ক্ষেত্ৰত প্ৰশাসনেই তৈয়াৰ কৰি থৈছে।

১৯৮০ চনৰ পৰা কোঁচ সকলে অনুসূচীভুক্ত জনজাতিৰ স্বীকৃতি বিচাৰিছে। এই দাবী কিন্তু পুৰণি নহয়। কোঁচ-ৰাজবংশী সন্মিলনৰ বিভিন্ন স্মাৰকপত্ৰৰ বিষয়বস্তু বিশ্লেষণ কৰি পাৰ্থ সাৰথি দত্তই দেখুৱাইছে যে ১৯৬৮ চনত অনুসূচীভুক্ত কৰাৰ দাবী উত্থাপন কৰোতে কোঁচ নেতৃবৃন্দৰ স্পষ্ট কোনো লক্ষ্য নাছিলঃ জাতি নে জনজাতি হিচাপে কোঁচ সকল অনুসূচীভুক্ত হ'ব বিচাৰিছে তাৰ স্পষ্ট অভিব্যক্তি তেওঁলোকৰ দাবীত অনুপস্থিত। ১৯৬৯ চনত এই অস্পষ্টতা দূৰ হ'ল। তেওঁলোকে পৰিষ্কাৰভাবে দাবী কৰিলে অনুসূচীভুক্ত জাতিৰ স্বীকৃতি। এই দাবীও কিন্তু পৰৱৰ্তী কালত সলনি হ'লঃ ১৯৮০ চনত তেওঁলোকে জাতিৰ পৰিবৰ্তে অনুসূচীভুক্ত জনজাতিৰ স্বীকৃতি বিচাৰিলে। (pp. 168-169)

দাবীৰ এই চিত্তাকৰ্ষক ক্ৰমবিৱৰ্তনৰ আধাৰত দত্তই এই সিদ্ধান্তলৈ আহিছে যে অসমৰ কোঁচ-ৰাজবংশী সকল আত্ম-পৰিচয়ৰ সংকট বা identity crisisৰ পৰা মুক্ত নহয়। কেৱল জাতি-জনজাতিৰ স্বীকৃতিৰ ক্ষেত্ৰতেই নহয়, অন্যান্য ক্ষেত্ৰতো এই সংকট বিদ্যমান। যেনে, কেতিয়াবা তেওঁলোকে নিষ্ঠাবান হিন্দু বুলি নিজকে প্ৰতিপন্ন কৰি গৰ্ববোধ কৰে, কেতিয়াবা আকৌ নিজৰ মংগোলীয় উৎস প্ৰমাণ কৰিবলৈ তৎপৰ হৈ পৰে। (p. 169) আলোচ্য প্ৰবন্ধটোত কোৱা হৈছে যে অসমৰ কোঁচ-ৰাজবংশী সকলৰ 'reference group' উত্তৰ-পূব ভাৰতৰ মংগোলীয় গোষ্ঠী সমূহহে, বংগৰ কোঁচ-ৰাজবংশী সকল নহয়। (p. 171) সেই গতিকে বংগৰ কোঁচ-ৰাজবংশীৰ দৰে অসমৰ কোঁচ-ৰাজবংশীসকলে 'caste frame work'ৰ ভিতৰতেই নিজৰ সামাজিক উত্তৰণ আৱদ্ধ ৰখা নাই। তেওঁলোকৰ মাজত দৰাচলতে আৰম্ভ হৈছে 'retribalisation'ৰ প্ৰক্ৰিয়া। (p. 169) এই retribalisation প্ৰক্ৰিয়াৰ সতে অনুদাৰ বৰ্ণ হিন্দু সমাজৰ অৱজ্ঞা-অনাদৰৰ সম্পৰ্ক কি ধৰণৰ সি অৱশ্যে এক অনুসন্ধেয় বিষয়। উল্লেখ্য যে কোঁচ-ৰাজবংশী সকলৰ প্ৰথম স্মাৰকপত্ৰত 'innational conspiracy of other

---

* *P. S. Datta (Ed),* ***Ethnic Movements in Poly-Cultural Assam,*** *Vikas Publishing House, New Delhi, 1990*

forward people'ৰ উল্লেখ আছে (p. 164)। পিছে সামাজিক বিৰোধ-বৈষম্যৰ উপৰিও 'retribalisation' প্ৰক্ৰিয়াৰ সতে সমাজৰ অৰ্থনৈতিক সংকটৰ সম্পৰ্ক আছে বুলিও অনুমান কৰিব পাৰি। এই বিষয়ে নিঃসন্দেহে অধ্যয়ন-অনুসন্ধানৰ থল আছে।

আলোচ্য সংকলনখনত টি লাহনৰ 'Ujani Asom Rajya Parisad: A Phase in Ahom Aspiration' শীৰ্ষক প্ৰবন্ধ এটি সন্নিবিষ্ট কৰা হৈছে। আমি জানো, ১৮৯৩ চনতেই আহোম এছোচিয়েচন প্ৰতিষ্ঠিত হৈছিল। এক অৰ্থত ই আছিল বৃহৎ অসমীয়া সমাজৰ মাজত নিহিত থকা অন্তৰ্দ্বন্দ্বৰ সাংগঠনিক অভিব্যক্তি। ইয়াৰ পাছত আহোম সকলৰ আন্দোলনে নানা পৰ্যায়ত নানা ৰূপ ললে। স্বাধীনতা আন্দোলনৰ সময়ত আহোম সকলৰ সংগঠনৰ মাজত ফাঁট মেলিলে – সৃষ্টি হ'ল Nationalist All Assam Ahom Association। লাহনৰ প্ৰবন্ধৰ পৰা জানিব পাৰি যে এই বিভাজন সৃষ্টিত তৎকালীন কংগ্ৰেছী নেতৃত্বৰ বৰঙণি আছিল (p. 25) ১৯৬৭ চনত গঠিত হ'ল Ahom Tai Mongoliya Rajya Parisad। আসন্ন নিৰ্বাচনৰ কথা মনত ৰাখি এই সংগঠনটোৰ নেতৃত্বই কিন্তু ১৯৭০ চনত –ভাবাদৰ্শ তথা লক্ষ্য সলনি নকৰাকৈ – সংগঠনৰ নামটোক অ-সাম্প্ৰদায়িক ৰূপ দিবলৈ চেষ্টা কৰিলে। এই চেষ্টাৰ ফলতেই Ahom Tai Mongoliya Rajya Parisadৰ নতুন নাম হ'ল Ujani Asom Rajya Parisad (p. 28)। উল্লেখযোগ্য যে পূৰ্বৰ দুই-এটা আহোম সংগঠনৰ দৰে উজনি অসম ৰাজ্য পৰিষদেও প্ৰথম অৱস্থাত কেৱল আহোম সকলকহে সদস্য পদ দিছিল। পাছলৈ অৱশ্যে সংগঠনটোৱে অনা-আহোম লোককো সদস্য পদ দিয়া হ'ল (p. 32)। পিছে এই 'উদাৰতা'ৰ নেপথ্যত সম্ভৱত; সম্প্ৰদায় নিৰ্বিশেষে সাধাৰণ ৰাইজক একগোট কৰি সংগ্ৰাম কৰাৰ প্ৰেৰণা নাছিল, আছিল নিৰ্বাচনৰ বৈতৰণী পাৰ হোৱাৰ প্ৰয়োজনহে। (কোৱা বাহুল্য যে নিৰ্বাচন বা লোক গণনাৰ প্ৰয়োজনত অসমীয়া মধ্য শ্ৰেণীৰ অগ্ৰণী এটা অংশও কেতিয়াবা বেছ 'উদাৰ' হৈ পৰে। উৰ্ধ্ব ক'মাৰ বন্ধ্যা বন্ধনৰ পৰা মুক্ত নোহোৱা পৰ্যন্ত এই প্ৰকাৰ 'উদাৰতা'ই জানো অসমীয়া সমাজখনক নিৰাপদ আৰু সুস্থিৰ ভৱিষ্যতৰ পিনে আগুৱাই নিব পাৰিব?)

লাহনে তেওঁৰ প্ৰবন্ধত উজনি অসম ৰাজ্য পৰিষদৰ অন্তৰ্নিহিত দুৰ্বলতা/সীমাবদ্ধতাৰ কথা উনুকিয়াইছে। তেওঁ কৈছে যে পৰিষদে এই কথা উপলব্ধি কৰা নাছিল যে 'man movement' আৰু 'direct action'ৰ অবিহনে সুকীয়া ৰাজ্যৰ দাবী সফল হোৱাটো সহজ নহয় (p. 41)। তেওঁ সঠিক ভাবেই আঙুলিয়াই দেখুৱাইছে যে উজনি অসম ৰাজ্য পৰিষদ আচলতে 'elitist community association'হে (p. 32); তেওঁৰ মতে পৰিষদৰ নেতৃত্বই ব্যক্তিগত উচ্চাকাংক্ষা পূৰণৰ কাৰণে সংগঠনটোক ব্যৱহাৰ কৰিছিল (p. 52)। লাহনে তেওঁৰ প্ৰবন্ধৰ শেহত কৈছে যে আহোম সম্প্ৰদায়ৰ আত্মপ্ৰতিষ্ঠাৰ আন্দোলনৰ কোনো ভৱিষ্যৎ নাই বুলিব নোৱাৰিঃ অনুসূচীত জনজাতিৰ স্বীকৃতি বিচাৰি আন্দোলন কৰিলে সাফল্যৰ পূৰ্ণ সম্ভাৱনা আছে বুলি তেওঁৰ বিশ্বাস। (p. 52)

সংকলনখনত থকা ৰবিজিৎ চৌধুৰীৰ 'Minority Movements: Emergence of the United Minorities Front' শীৰ্ষক প্ৰবন্ধটোত অসম আন্দোলনৰ স্বৰূপ, সংখ্যালঘুৰ সমস্যা তথা United Minorities Front (UMF)ৰ কাৰ্যকলাপৰ বিষয়ে কিছু আভাস দিয়া হৈছে। পৰিসংখ্যাৰ ভিত্তিত তেওঁ দেখুৱাইছে যে অনা-অসমীয়া লোকৰ সংখ্যা বৃদ্ধিৰ ফলত অসমীয়া অস্তিত্ব তথা ভাষা-কৃষ্টি বিপন্ন হোৱা বুলি যি প্ৰচাৰ চলোৱা হয় সি আচলতে এটা অতি কথাহে। চৌধুৰীৰ প্ৰবন্ধৰ পৰা আমি জানিব পাৰো যে ১৯১১ চনৰ পৰা ১৯৭১ চনৰ ভিতৰত অসমীয়া ভাষী মানুহৰ সংখ্যা-বৃদ্ধিৰ হাৰ শতকৰা ৯৬৬; অন্যাহাতেদি এই কালছোৱাৰ ভিতৰত বঙলা ভাষী লোকৰ সংখ্যা-বৃদ্ধিৰ হাৰ শতকৰা ৬৪ মাত্ৰ। (p. 183) প্ৰবন্ধটোত এই ধৰণৰ আৰু তথ্য আছে। আমাৰ ভাষিক-সাংস্কৃতিক অস্তিত্ব বিপদাপন্ন বুলি সাধাৰণতে যি প্ৰচাৰ আমি শুনিবলৈ/পঢ়িবলৈ পাওঁ তাৰ স্বৰূপ ফঁহিয়াই চাবলৈ এই তথ্যবোৰে নিশ্চয় সহায় কৰিব। (লক্ষ্যনীয় যে ফোপোল আৰু অনুকৰণমূলক পাশ্চাত্য-প্ৰীতিয়ে যে অসমীয়াৰ সাংস্কৃতিক অস্তিত্বক বহু ক্ষেত্ৰত বিপদাপন্ন আৰু বিকৃত কৰিছে সেই কথা পিছে অস্তিত্বৰ ৰক্ষক সকলে প্ৰচাৰ নকৰে।)

ৰবিজিৎ চৌধুৰীয়ে তেওঁৰ প্ৰবন্ধত UMFৰ জন্মৰ পটভূমি আৰু লক্ষ্যৰ বিষয়ে আমাক জানিবলৈ দিছে। ৰাজনৈতিক দলবোৰৰ সাধাৰণতে যি ভাবাদৰ্শগত ভিত্তি থাকে UMFৰ ক্ষেত্ৰত তাৰ অভাৱ থকা বুলি চৌধুৰীয়ে ইংগিত দিছে। (p. 224) দৰাচলতে অসম আন্দোলনে পৰোক্ষভাবে UMFৰ জন্ম-প্ৰক্ৰিয়াত ইন্ধন যোগাইছিল। ফলত নানা তৰহৰ ৰাজনৈতিক উপাদান সংগঠনটোত সোমাই পৰিল (p. 224)। এনে অৱস্থাত সুনিৰ্দিষ্ট ভাবাদৰ্শ নথকাটোৱেই স্বাভাৱিক। এই প্ৰকাৰ সংগঠনৰ ঐক্য – আৰু সম্ভৱতঃ অস্তিত্বও – দীৰ্ঘস্থায়ী হোৱাৰ সম্ভাৱনা কম।

প্ৰবন্ধটোত UMFৰ লক্ষ্যৰ কথা আছে। এই লক্ষ্য সমূহৰ এটা হ'ল – সংগঠনটোৱে বিভিন্ন সম্প্ৰদায়ক ৰাজনৈতিক ভাবে সচেতন কৰিবলৈ যত্ন কৰিব যদিও ই 'communalisation of politics'ৰ সপক্ষে নহয়। (p. 222-23) লক্ষ্যটো নিঃসন্দেহে প্ৰশংসনীয়। কিন্তু আমি পাহৰি যোৱা উচিত নহব যে অসমীয়া মধ্যশ্ৰেণীৰ একাংশৰ উগ্ৰতাৰ বিৰোধিতা কৰিবলৈ যাওঁতে – সুনিৰ্দিষ্ট বৈজ্ঞানিক ভাবাদৰ্শৰ অবিহনে – অ-সাম্প্ৰদায়িক চৰিত্ৰ অটুট ৰখাটো সহজ কথা নহয়। উগ্ৰতাৰ প্ৰত্যুত্তৰ উগ্ৰভাবে দিয়াৰ স্বতঃস্ফূৰ্ত প্ৰতিক্ৰিয়া বা কৃত্ৰিমভাবে সৃষ্ট মানসিকতাৰ পৰা 'communalisation of Politics'ৰ জন্ম হ'ব পাৰে। আনকি বৃহৎ অসমীয়া সমাজৰ বিভেদ-বিভাজনৰ ওপৰত মাত্ৰাধিক গুৰুত্ব দি অসমীয়া জাতিৰ অস্তিত্বকো পাকে-প্ৰকাৰে অস্বীকাৰ কৰাৰ প্ৰৱণতাইও গা কৰি উঠিব পাৰে। এনে ক্ষেত্ৰত সমাজ-ৰূপান্তৰৰ কাৰণে সম্প্ৰদায়-নিৰ্বিশেষে জনসাধাৰণৰ যি সামূহিক ঐক্যৱদ্ধ সংগ্ৰামৰ প্ৰয়োজন সি বেয়াকৈ ক্ষতিগ্ৰস্ত বা বাধাপ্ৰাপ্ত হ'ব পাৰে। সম্ভৱতঃ এইবোৰ কথা চিন্তা কৰিয়েই ৰবিজিৎ চৌধুৰীয়ে এটা তাৎপৰ্যপূৰ্ণ সিদ্ধান্তলৈ আহিছেঃ গণতান্ত্ৰিক আন্দোলনৰ চাৰি সীমাৰ বাহিৰত থাকিলে UMFৰ ভূমিকা বিপদজনকো হ'ব পাৰে (p. 234)।

পাৰ্থ সাৰথি দত্তই সম্পাদনা কৰা এই সংকলনখনৰ প্ৰতিটো প্ৰবন্ধৰ শেহত স্মাৰকপত্ৰ আৰু অন্যান্য দলিল সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ ফলত গৱেষক সকলৰ বাবে সংকলনখন যে বিশেষভাবে মূল্যবান বুলি বিবেচিত হ'ব সেই বিষয়ে কোনো সংশয় নাই। অন্যহাতেদি, বিভিন্ন জনগোষ্ঠীৰ আন্দোলনৰ স্বৰূপ বুজিবলৈ সাধাৰণ পঢ়ুৱৈ সমাজকো এই দলিলবোৰে নিশ্চয় সহায় কৰিব। ■





# কলেজৰ অধ্যক্ষঃ এতিয়া আৰু তেতিয়া

সচ্চিদানন্দ ভৰালী

দেশ এখন বা জাতি এটাৰ সৰ্বাঙ্গীন উন্নতি নিৰ্ভৰ কৰে শিক্ষাৰ অগ্ৰগতিৰ ওপৰত। শিক্ষাৰ অগ্ৰগতি আকৌ নিৰ্ভৰ কৰে তাৰ তিনিটা নিজস্ব উপাদানৰ ওপৰত। শিক্ষাৰ অগ্ৰগতিৰ বাবে অপৰিহাৰ্য সেই তিনিটা উপাদান হ'ল, অনুশাসন, অধ্যয়ন আৰু অনুশীলন। কোৱা বাহুল্য যে অসম আন্দোলনৰ সময়ৰ পৰাই আনুষ্ঠানিক ভাবে অসমৰ শিক্ষা জগতৰ পৰা এইকেইটা উপাদান সম্পূৰ্ণৰূপে অন্তৰ্হিত হৈছে। শিক্ষানুষ্ঠানত বিশেষকৈ কলেজত অধ্যক্ষ আছে, অনুশাসন নাই; অধ্যাপক আছে, অধ্যাপনা নাই; ছাত্ৰ আছে অধ্যয়ন নাই, নাই অনুশীলন। সকলোৱে নিজৰ নিজৰ দায়িত্ব আৰু কৰ্তব্য বাদ দি তথাকথিত দেশ তথা জাতিৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত ব্যস্ত। অধ্যক্ষ সকলৰ বহুতেই নিজকে আছু অগপ-ৰ পোহনীয় গোলাম আৰু মণ্ডল অফিচৰ হেড কেৰাণীৰ পৰ্যায়লৈ অধঃপতিত কৰিছে। তোষামোদকাৰীৰে পৰিবেষ্টিত হৈ আসন শোভা কৰি আছে। ফলত সামাজিক দায়িত্ববোধৰ অৱলুপ্তি ঘটিছে।

আজি কেইবছৰমান আগতে গুৱাহাটী বিশ্ববিদ্যালয় কেন্টিনত বহি চাহ খাই গল্প কৰি থাকোতে অধ্যাপক বন্ধু এজনে কৈছিল যে তেওঁ কাম কৰা কলেজখনৰ বুৰঞ্জীৰ মুৰব্বী অধ্যাপক জনক 'বঙ্গভাষী প্ৰবাসী বঙালী অসমীয়া সকলে' অসমৰ ঐতিহাসিক বীৰ সকলৰ ওপৰত এটি ভাষণ দিবলৈ মাতিছিল। নিমন্ত্ৰণ গ্ৰহণ কৰি বুৰঞ্জীৰ মুৰব্বী অধ্যাপক জনে সেই সম্পৰ্কে কিছু কথা জানিবলৈ বুৰঞ্জীবিদ বেণুধৰ শৰ্মাৰ 'ৰং পাতা'খন বিচাৰি চলাথ কৰিছিল, কাৰণ তেওঁৰ মতে তাতেই হেনো অসমৰ ঐতিহাসিক বীৰ সকলৰ জীৱন কীৰ্ত্তি বিস্তাৰিত ভাবে সন্নিবিষ্ট আৰু বৰ্ণিত হৈ আছে।

আমি কটন কলেজত পঢ়ি থকা সময়ত আমাৰ কলেজৰ অধ্যক্ষ আছিল পৰম শ্ৰদ্ধাস্পদ শ্ৰীযুত নুৰুল ইছলাম। ওচৰতে থকা সন্দিকৈ ছোৱালী কলেজৰ অধ্যক্ষ আছিল পৰম শ্ৰদ্ধাস্পদ প্ৰয়াত শৰৎচন্দ্ৰ গোস্বামী চাৰ। আমি বিশেষকৈ গুৱাহাটীৰে ছাত্ৰ-ছাত্ৰী সকলে সামাজিক ৰাজনৈতিক আৰু শৈক্ষিক আদি বিষয়ত এই দুজন অধ্যক্ষক স্কুলীয়া দিনৰে পৰা বৰ ঘনিষ্টভাবে লগ পোৱাৰ আৰু তেখেত সকলৰ কাৰ্যাৱলী নিৰীক্ষণ কৰাৰ সুযোগ পাইছিলো। দুয়োজনেই শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত যাতে অনুশাসন আৰু অনুশীলনৰ কোনো বিচ্যুতি নঘটে তাৰ প্ৰতি চোকা দৃষ্টি ৰাখিছিল। অধ্যক্ষ ইছলাম চাৰে কটন কলেজৰ ছাত্ৰাবাস আৰু ছাত্ৰী-নিবাস সমূহৰ ওচৰে পাঁজৰে মাজে মাজে সান্ধ্য ভ্ৰমণো কৰিছিল। লক্ষ্য আছিল কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে যাতে নিজ দায়িত্ব আৰু কৰ্তব্য পাহৰি অধঃপতনে যোৱাৰ পথ নলয় তাক চোৱাটো।

নতুন শিক্ষা বৰ্ষৰ আৰম্ভণিৰ লগে লগে কলেজত বিশেষকৈ ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসলৈ নতুন ছাত্ৰ-ছাত্ৰী অহাৰ লগে লগে পুৰণি ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা নতুন ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰত মানসিক নিৰ্যাতন আৰম্ভ হয়। সেইবাৰো হৈছিল। সময়টো আছিল বোধহয় ১৯৬৮ চনৰ আগষ্ট মাহ। তৃতীয় ছাত্ৰাবাসৰ জ্যেষ্ঠ ছাত্ৰ সকলে নবাগত কনিষ্ঠ ছাত্ৰ সকলক ইতিমধ্যে কেইবাদিনো ৰেগিং কৰি জুৰুলা কৰিছে। সেইদিনাখনো দিন দুপৰতে জ্যেষ্ঠ সকলে বাৰান্দাত চকি পাৰিলৈ আৰামেৰে বহি চিগাৰেট হুপি হুপি কনিষ্ঠ সকলক কলেজলৈ যাবলৈ নিদি টিকা ফটা ৰ'দত শগুণ গঁঠাবন উঘালিবলৈ লগাইদি ৰং চাই আছিল। কাৰ্যালয়ত উপস্থিত থকা অধ্যক্ষ চাৰে কেনেবাকৈ খবৰ পায়েই কেইজনমান জ্যেষ্ঠ অধ্যাপকক লগত লৈ ছাত্ৰা বাসলৈ সোমাই গৈ জ্যেষ্ঠ ছাত্ৰ সকলক সেই টিকা ফটা ৰ'দতে ওভোতাই শগুণ গঁঠা বন উঘালিবলৈ লগাই দি ৰেগিং কৰাৰ বাবে শাস্তি দিছিল। আনকি তেওঁৰ উপস্থিতিত পলাই পত্ৰং দিয়া কেইবাজনো জ্যেষ্ঠ ছাত্ৰক নিজেই গৰু খেদা দি খেদি গৈ ধৰি আনি শাস্তি প্ৰদান কৰাৰ কথাও মনত পৰে।

অংকৰ অধ্যাপক এজন পলমকৈ শ্ৰেণীলৈ যোৱাটো অভ্যাসত পৰিণত হোৱাত আৰু সেইটো অধ্যক্ষ চাৰৰ দৃষ্টি গোচৰ হোৱাত অধ্যক্ষ ইছলাম চাৰে নিজে শ্ৰেণীলৈ গৈ পাঠদান কৰিছিল। ইফালে পলমকৈ অহা অধ্যাপক জনে শ্ৰেণীলৈ গৈ চাৰে পাঠদান কৰি থকা দেখা পাই নৈমিত্তিক ছুটীৰ দৰখাস্ত দি থৈ সেইদিনালৈ অহাবাটেৰে উভতি গৈছিল। আৰু তাৰ পিছৰ পৰা তেওঁ সময়মতে শ্ৰেণীলৈ আহিছিল বুলি শুনিছিলো।

এবাৰ এজন ল'ৰাই ছাত্ৰ সভাৰ নিৰ্বাচনত সাধাৰণ সম্পাদকৰ প্ৰাৰ্থী এজনৰ হৈ শিক্ষকৰ অনুপস্থিতিত ক্লাছ ৰূমলৈ সোমাই গৈ প্লেটফ'ৰমত থিয় হৈ অনৰ্গল নিৰ্বাচনী প্ৰচাৰ চলাই বৰ হুলস্থূল কৰিছিল। নতুন ছাত্ৰ-ছাত্ৰী সকলে তেওঁ চাৰেই নে ছাত্ৰই প্ৰথমতে তৰ্কিবই নোৱাৰিছিল। যেতিয়াই পাৰিছিল, তেতিয়াই হুলস্থূলো বৃদ্ধি পাইছিল। হুলস্থূল শুনি অধ্যক্ষ চাৰ গপগপাই ক্লাছ ৰূমলৈ সোমাই আহি ছাত্ৰজনক কাণত ধৰি নিজৰ কোঠালৈ লৈ গৈ নিজৰ দায়িত্ববোধৰ পৰিচয় দিব নোৱৰা আৰু অনুশাসন ভঙ্গ কৰাৰ অপৰাধত উপযুক্ত শাস্তি বিহি এৰি দিছিল।

আমি পঢ়ি থকা সময়ত চাৰৰ প্ৰশাসনিক চৰিত্ৰৰ আৰু এটি দিশ আমাৰ আগত উন্মোচিত হৈছিল। সেইটো হ'ল, তেওঁৰ বোধহয় প্ৰথম ল'ৰাজনে কটন কলেজত নাম ভৰ্ত্তিৰ বাবে ইতিমধ্যে উত্তীৰ্ণ হৈ শিক্ষান্ত পৰীক্ষাত ন্যূনতম নম্বৰখিনি পোৱা নাছিল বাবে অন্য কলেজত নাম ভৰ্ত্তি কৰাই দিছিল। আমাৰ লগৰ আৰু ভালেমান জ্যেষ্ঠ ছাত্ৰৰ মাজতো চাৰৰ এই প্ৰশাসনিক বৈশিষ্ট্য বিলাকৰ সপ্ৰশংস আলোচনা চলিছিল আৰু আমি তেখেতৰ অধ্যক্ষতাতে সেইখন কলেজত অধ্যয়ন কৰিবলৈ পাই গৌৰৱান্বিত অনুভৱ কৰিছিলো আৰু সেই কলেজৰ প্ৰাক্তন ছাত্ৰ হিচাপে এতিয়াও গৰ্ব বোধ কৰো।

ওচৰতে থকা ৰাধাকান্ত সন্দিকৈ ছোৱালী কলেজৰ তদানীন্তন অধ্যক্ষ প্ৰয়াত শৰৎচন্দ্ৰ গোস্বামী চাৰৰ নামো ইতিপূৰ্বে উল্লেখ কৰি আহিছো। তেখেতে কলেজৰ অধ্যক্ষ হিচাপে কাৰ্যভাৰ লোৱাৰ আগতে সন্দিকৈ ছোৱালী কলেজৰ আগৰ দীঘলীপুখুৰী পাৰৰ পথটো সমস্ত দঙুৱা ল'ৰাৰ আড্ডাৰ ভূস্বৰ্গ আছিল। কাৰ্যভাৰ লৈয়েই কেইদিনমানৰ ভিতৰতে তেখেতে সেই আড্ডাৰ ভূস্বৰ্গ ভাঙি পেলাইছিল। অধ্যক্ষ ইছলাম চাৰৰ দৰে অধ্যক্ষ গোস্বামী চাৰেও কলেজ খোলাৰ ১০/১৫ মিনিট আগতেই কাৰ্যালয়ত তথা কলেজত উপস্থিত গৈছিল। (আজিকালি অধ্যক্ষ সকল ১২ টা বজাৰ আগতে কলেজলৈ অহাতো এক অপৰিহাৰ্য নিয়ম হৈ নাথাকি ব্যতিক্ৰম হৈ পৰিছে।) গোস্বামী চাৰে ঘন্টা বজাৰ ৪/৫ মিনিটমান পিছতে শিক্ষকৰ কমন ৰূমলৈ গৈ চায় কোন কোন ক্লাছলৈ গ'ল, কোন যোৱা নাই, কোন কোন আড্ডা মাৰাত ব্যস্ত ইত্যাদি। চাৰৰ কোঠাত দৈনন্দিন ৰুটিনখন থাকেই। গতিকে কাৰ কি ক্লাছ থাকে সেইটো চাৰৰ মনত থাকে আৰু সেই মতে ক্লাছলৈ নোযোৱা, আড্ডা পিটি থকা শিক্ষক সকলক ক্লাছৰ কথা সোঁৱৰাই দিয়ে। অধ্যক্ষ গোস্বামী চাৰে নিজৰ বিষয়ৰ নিয়মিত ক্লাছো লৈছিল। এইখিনিতে আৰু এটি কথা মনত পৰিছে। ১৯৪২ চনৰ 'ভাৰত ত্যাগ' আন্দোলনৰ সময়ৰ কথা। আগষ্ট মাহৰ ১০ তাৰিখ। বেনাৰছ হিন্দু বিশ্ববিদ্যালয়ৰ কূলপতি ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণনে স্নাতকোত্তৰ মহলাৰ দৰ্শনৰ ক্লাছলৈ গৈ তেওঁৰ পাঠদান কাৰ্য শেষ কৰিছে। তাৰ পিছত ক্লাছৰ পৰা উভতি অহাৰ আগমুহূৰ্তত ছাত্ৰ সকলক এটি গুৰুত্বপূৰ্ণ খবৰ দিছিল। সেই খবৰটি আছিল এই যে ৯ আগষ্টৰ কাহিলি পুৱাতে 'ভাৰত ত্যাগ' প্ৰস্তাৱ গৃহীত কৰাৰ অপৰাধত (?) বৃটিছ-ভাৰত চৰকাৰে মহাত্মা গান্ধীকে ধৰি বোম্বাইত কংগ্ৰেছৰ নেতৃবৃন্দক গ্ৰেপ্তাৰ কৰিছে।

এই কথাখিনি উল্লেখ কৰা হ'ল এই কাৰণেই যে বেনাৰছ হিন্দু বিশ্ববিদ্যালয়ৰ দৰে শীৰ্ষস্থানীয় শিক্ষানুষ্ঠানৰ প্ৰধান হৈ থাকিও ডঃ ৰাধাকৃষ্ণনে তেওঁৰ ছাত্ৰ-ছাত্ৰীক পাঠদান কৰিবলৈ সময় পাইছিল, কিন্তু আজিকালি কলেজৰ অধ্যক্ষজনে নিজে ক্লাছ কৰাৰ কথা চিন্তাই নকৰে, বৰং তেওঁলোকে কেৰাণীৰ কাম কৰিয়েই সুখ পায়। এজন দায়িত্বশীল শিক্ষক হিচাপে ডঃ ৰাধাকৃষ্ণনে তেওঁৰ পাঠদান কাৰ্য শেষ নকৰাকৈ ক্লাছত উত্তেজনাপূৰ্ণ ৰাজনৈতিক খবৰ প্ৰকাশ কৰা নাছিল। আজিকালি ৬০০০ টকা দৰ্মহা পোৱা অধ্যাপকে ৭০/৮০ লাখ টকা লুট কৰা আছুৰ জিলা সম্পাদক এজনক পুলিচে কৰায়ত্ত কৰিলে তাৰ প্ৰতিবাদ কৰিবলৈ ছাত্ৰ সকলক প্ৰৰোচিত কৰি গৰ্ববোধ কৰে!

সি যি কি নহওক, আজি আৰু অধ্যক্ষ ইছলাম চাৰ নতুবা অধ্যক্ষ গোস্বামী চাৰৰ দৰে চৰিত্ৰবান শিক্ষাবিদ আৰু কৰ্মদক্ষ অধ্যক্ষ পাবলৈ নাই। আমি ইয়াৰ দ্বাৰা কাকো হেয় প্ৰতিপন্ন কৰিব বিচৰা নাই। মাত্ৰ ঐতিহাসিক সভ্যতাৰ প্ৰমাণ হিচাপে তেখেত সকললৈ মনত পেলাইছো। আজি তেনেকুৱা ব্যক্তিত্বসম্পন্ন অধ্যক্ষৰ অভাৱতেই অসমৰ শিক্ষা ব্যৱস্থা বিধ্বস্তপ্ৰায়।

কলেজৰ অধ্যক্ষজন কলেজখনৰ অকল উচ্চ বেতন ভোগী কৰ্মচাৰীয়েই নহয়; লগতে তেওঁ কলেজখনৰ নেতা তথা পৰিচালকো। কলেজখনৰ আভ্যন্তৰীণ নিয়ম শৃংখলা ৰক্ষা কৰা, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰয়োজনীয় অনুশাসন বোধ জগাই তোলা, অধ্যয়ন আৰু অনুশীলনৰ অনুকূল পৰিবেশ সৃষ্টি কৰা আদি সকলোখিনি নিৰ্ভৰ কৰে অধ্যক্ষজনৰ ব্যক্তিত্ব, কৰ্মোদ্যম আৰু জ্ঞান-স্পৃহাৰ ওপৰত। এই সকলো গুণৰ অধিকাৰী অধ্যক্ষজনৰ ব্যক্তিত্বৰ প্ৰভাৱ কলেজৰ অধ্যাপক আৰু ছাত্ৰ সকলৰ ওপৰত অলপ নহয় অলপ পৰিবই।

সি যি কি নহওক, অসম আন্দোলনৰ আৰম্ভণিৰে পৰা অসমত বিৰাজ কৰা অশুভ পৰিবেশত কলেজৰ বহুতো অধ্যক্ষই লোৱা মেৰুদন্ডহীন ভূমিকাই কলেজীয়া শিক্ষাৰ যথেষ্ট ক্ষতি সাধন কৰিছে। প্ৰথমতে, অসম আন্দোলনৰ সময়ত আছুৰ নিৰ্দেশত কাম কৰি তেওঁলোকৰ প্ৰায় সকলোৱেই নিজৰ বিদ্যাবুদ্ধি পুৰি খোৱাৰ লগতে স্থূল বিচাৰ বিবেচনাৰ পৰিচয় দিছিল আৰু শৈক্ষিক ব্যৱস্থা বিধ্বস্ত কৰাত অৰিহণা যোগাইছিল। দ্বিতীয়তে, অগপ-ৰ আমোলত তেওঁলোকৰ অধ্যক্ষতাত থকা কলেজ সমূহক 'অসম গণ পৰিষদ'ৰ একোটা শাখালৈ পৰ্যবসিত কৰি এক চূড়ান্ত অশুভ পৰম্পৰাৰ সৃষ্টি কৰিছিল। ভালেমান অধ্যক্ষই আছু তথা আন্দোলনকাৰী সকলৰ প্ৰতি অন্ধ সমৰ্থন আগবঢ়াই সমস্যাটোৰ গণতান্ত্ৰিক সমাধান বিচৰা অধ্যাপক সকলক নিৰ্যাতন কৰাৰ মুখ্য ভূমিকাত অৱতীৰ্ণ হৈছিল আৰু তেনে কাৰ্যৰ জৰিয়তে বহুতো ক্ষেত্ৰত কলেজৰ ভিতৰত আইন শৃংখলাৰ সমস্যা সৃষ্টি কৰি শৈক্ষিক পৰিবেশ কলুষিত কৰিছিল। অসম কলেজ শিক্ষক সংস্থাই অধ্যক্ষ সকলৰ এই প্ৰৱণতাক নিজৰ সুবিধাৰ বাবে ব্যৱহাৰ কৰি শিক্ষা জীৱনত অৰাজকতাৰ সৃষ্টি কৰিছিল।

এনে এটি পৰিবেশত অসম কলেজ শিক্ষক সংস্থাৰ বহুতো বিষয়-ববীয়াই বছৰৰ পিছত বছৰ নিজৰ আচল দায়িত্বৰ প্ৰতি সামান্যতমো মনোযোগ নিদিয়াকৈও হাজাৰ হাজাৰ টকাৰ দৰমহা লৈ ৰাজহুৱা ধনৰ অপচয় কৰিছিল।

আমি কলেজত পঢ়া সময়ত শতকৰা হিচাপত অতি কমেও ৫০ বা তাতকৈ কম দিন শ্ৰেণীত উপস্থিত থাকিলে পৰীক্ষা দিব নোৱৰা অৰ্থাৎ দিছকলেজিয়েট কৰাৰ ব্যৱস্থা আছিল। শতকৰা ৬০টা দিন শ্ৰেণীত উপস্থিত নাথাকিলে নন-কলেজিয়েট কৰিছিল আৰু তাৰ বাবে ২৫/৩০ টকা মান জৰিমনা দিলেহে পৰীক্ষাত বহিব পাৰিছিল। কোনো বাধা বিপত্তি নোহোৱাকৈ পৰীক্ষা দিবলৈ হলে শতকৰা ৭৫ দিন শ্ৰেণীত নিশ্চয়কৈ উপস্থিত থাকি পাঠ আহৰণ কৰিব লাগিছিল। সেই কাৰণে নিয়ম শৃংখলা আৰু অনুশাসন অক্ষুণ্ণ আছিল। তেতিয়া বিদ্যাৰ্থী সকলে শ্ৰেণীত উপস্থিত থাকি পাঠ আহৰণ নকৰাকৈ আজিৰ দৰে কোনোবা বেনামী অধ্যাপক দাস আৰু ভট্টৰ দ্বাৰা ৰচিত সহায়ক পুথি হাততলৈ পৰীক্ষা গৃহত প্ৰৱেশ কৰাৰ অৱকাশ নাছিল। পৰীক্ষাও এনে কলুষিত পৰিবেশত পাতিব লগীয়া অৱস্থাৰ সৃষ্টি হোৱা নাছিল। আজি কেইবছৰ মানৰ পৰা ছাত্ৰ সকলে প্ৰায় পাইকাৰী হাৰত নকল কৰিবলৈ লৈছে, নকল নকৰাকৈ ভালকৈ পৰীক্ষাত বহা সকলেও শান্তিৰে পৰীক্ষা দিব পৰা নাই। তেওঁলোকেও সততে অসৎ উপায় অৱলম্বন কৰা সকলৰ দ্বাৰা বাধাপ্ৰাপ্ত হৈছে।

এই ক্ষেত্ৰত শিক্ষক অধ্যাপক সকলৰ প্ৰত্যক্ষ সহযোগৰ কথা উলাই কৰিব পৰা বিধৰ নহয়। পৰীক্ষাত নকল ধৰি শাস্তি প্ৰদান কৰা দূৰৰে কথা, নকল ধৰিবলৈ যোৱাটোৱেই আজি কেইবছৰমানৰ পৰা এক অক্ষমনীয় অপৰাধত পৰিণত হৈছে। যোৱা কেইবছৰৰ ভিতৰত আমাৰ জাতীয় চৰিত্ৰৰ কিমান অধঃপতন হৈছে তাক এইবোৰ কথাই প্ৰমাণ কৰে। ✦






# উচ্চাকাংক্ষাৰ উচ্চতম সীমা

ফৰাচী সকলে নিজকে পৃথিৱীৰ আটাইতকৈ সভ্য আৰু প্ৰতিভাবান জাতি বুলি ভাবে। আন সকলোকে তেওঁলোকে অলপ পুতৌ আৰু অৱজ্ঞাৰ দৃষ্টিৰে চায়। ইংৰাজ নাট্যকাৰ শেক্সপীয়েৰক সমগ্ৰ পৃথিৱীয়ে সৰ্বশ্ৰেষ্ঠ নাট্যকাৰ বুলি স্বীকাৰ কৰি ললেও ফৰাচী সকলৰ মতে ৰেচিনৰ তুলনাত শেক্সপীয়েৰ একোৱেই নহয়। ফৰাচী সকল পৃথিৱীৰ আটাইতকৈ সভ্য জাতি হওক বা নহওক, এটা কথাত অৱশ্যে কোনো সন্দেহ নাই যে পৃথিৱীৰ আন সকলো দেশৰ তুলনাত ফ্ৰাঞ্চে অধিক সংখ্যক প্ৰতিভাশালী মানুহৰ জন্ম দিছে। ফ্ৰাঞ্চৰ ৰাজধানী পেৰিচ সমগ্ৰ পাশ্চাত্য জগতৰ সাংস্কৃতিক ৰাজধানী। ইউৰোপৰ শিল্পী-সাহিত্যিক সকলে সুবিধা পালেই এই কথা কবলৈ নেৰে যে তেওঁলোকৰ প্ৰত্যেকৰে দুখন স্বদেশ আছেঃ এখন হ'ল তেওঁলোকৰ নিজৰ দেশ, আনখন পেৰিচ।

যোৱা এহেজাৰ বছৰ ধৰি ফ্ৰাঞ্চে অসংখ্য প্ৰতিভাশালী মানুহৰ জন্ম দিছে – যিসকলে মানৱ জাতিৰ সভ্যতা-সংস্কৃতিক বিভিন্ন প্ৰকাৰে সমৃদ্ধ কৰিছে। ইমানবোৰ বিশ্ব-বৰেণ্য প্ৰতিভাশালী মানুহৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ প্ৰতিভা ৰূপে পৰিগণিত হবলৈ এজন মানুহ কিমান অসাধাৰণ প্ৰতিভাৰ অধিকাৰী হ'ব লাগিব সেই কথা কল্পনা কৰিবলৈ চেষ্টা কৰকচোন! বিখ্যাত ফৰাচী লেখক আৰু সমালোচক ছাঁ বোভৰ মতে ফ্ৰাঞ্চৰ ইতিহাসৰ সৰ্বশ্ৰেষ্ঠ মানুহজন হ'ল বালজাক। হনৰ দ্য বালজাক।

এখন আমেৰিকান আলোচনীৰ সম্পাদকৰ অনুৰোধ ক্ৰমে ছমাৰছেট মমে পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ দহজন ঔপন্যাসিক আৰু দহখন উপন্যাসৰ এখন তালিকা প্ৰস্তুত কৰিব লগা হৈছিল। সেই তালিকা প্ৰস্তুত কৰিবলৈ গৈ মমে Ten Novels And Their Authors নামৰ এখন কিতাপেই লিখি পেলালে। এই সুখপাঠ্য কিতাপখন 'সূত্ৰধাৰ'ৰ পাঠক সকলৰ বহুতেই নিশ্চয় পঢ়িছে। যিসকলে পঢ়া নাই তেওঁলোকে জানিবৰ কাৰণে মমৰ বাছনিত উঠা দহখন সৰ্বশ্ৰেষ্ঠ উপন্যাস আৰু সেইবোৰৰ লেখক সকলৰ নাম এইখিনিতে উল্লেখ কৰা হ'লঃ টম জোনছ (হেনৰি ফিল্ডিং), প্ৰাইড এন্ড প্ৰেজুডিছ (জেন অষ্টেন), ডা ৰেড এন্ড ডা ব্লেক (ষ্টাঁধাল), ডি ওল্ড মেন গৰিঅ' (বালজাক), ডেভিদ কপাৰফিল্ড (চাৰ্লছ ডিকেঞ্চ), মাডাম বোভাৰি (ফ্লবেয়ৰ), মবি ডিক (হেৰমান মেলভিল), ওৱাডাৰিং হাইটছ (এমিলি ব্ৰন্টে), দা ব্ৰাডাৰছ কাৰমাজত (ডষ্টয়েভস্কি) আৰু ওৱাৰ এন্ড পীচ (টলষ্টয়)।

ছমাৰছেট মমে তেওঁৰ বাছনিত উঠা সৰ্বশ্ৰেষ্ঠ দহখন উপন্যাসৰ ভিতৰত আটাইতকৈ ওপৰত স্থান দিছে টলষ্টয়ৰ ওৱাৰ এন্ড পীচক। দ্ব্যৰ্থহীন ভাষাৰে তেওঁ লিখিছে – War and Peace is surely the greatest of all novels। কিন্তু সেই মমেই বালজাকৰ বিষয়ে লিখিবলৈ গৈ মন্তব্য কৰিছে যে যিসকল মহৎ ঔপন্যাসিকে তেওঁলোকৰ ৰচনাৰ দ্বাৰা পৃথিৱীৰ আধ্যাত্মিক ৰত্ন-ভান্ডাৰ চহকী কৰিছে তেওঁলোকৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ ঔপন্যাসিকজন হ'ল নিঃসন্দেহে বালজাক।

বালজাকৰ জীৱনকালতেই তেওঁৰ খ্যাতি ইউৰোপত বৈ বৈ গৈছিল যদিও কোনেও হয়তো তেতিয়া কল্পনা কৰিব পৰা নাছিল যে উত্তৰ পুৰুষে তেওঁক এদিন বিশ্ব সাহিত্যৰ মহৎ প্ৰতিভা বুলি বা ছাঁ বোভে ভবাৰ দৰে ফ্ৰাঞ্চৰ ইতিহাসৰ সৰ্বশ্ৰেষ্ঠ মানুহ বুলি স্বীকাৰ কৰি লব। খ্যাতি আৰু জনপ্ৰিয়তাৰ প্ৰতি বালজাকৰ লোভ আছিল সীমাহীন। লেখক হিচাপে তেওঁ যেতিয়া খুব বেছি বিখ্যাত হোৱা নাছিল সেই সময়তে তেওঁ এদিন এজন বন্ধুক কৈছিল – 'মই এদিন ইমান বেছি বিখ্যাত হ'ব খোজো, ইমান বেছি জনপ্ৰিয় হ'ব খোজো, ইমান বেছি প্ৰশংসাৰ পাত্ৰ হ'ব খোজো যে 'অমুকটো' কাম কৰিলেও সমাজে মোক বেয়া চকুৰে নাচাব, বৰং সেই কামটোকে সমাজে অতি স্বাভাৱিক বুলি গণ্য কৰিব।'

বালজাকে যিটো কাম কৰিব খুজিছিল সেইটো আছিল তেওঁৰ উচ্চাকাংক্ষাৰ উচ্চতম সীমা। বালজাকৰ সেই উচ্চাকাংক্ষা কি আছিল সেইটো মই এতিয়াই প্ৰকাশ কৰিব খোজা নাই। 'অমুক' বুলি কৈ পাঠক সকলৰ কৌতূহল জীয়াই ৰাখিব খুজিছো। ফ্ৰাঞ্চৰ সৰ্বশ্ৰেষ্ঠ সাহিত্যিক পুৰস্কাৰ (গঁকুৰ পুৰস্কাৰ) যাৰ নামেৰে কৰা হৈছে সেই বিখ্যাত লেখক গঁকুৱে তেওঁৰ জাৰ্ণালত প্ৰশ্ন কৰিছে – 'কি হ'ব পাৰে সেই অসম্ভৱ উচ্চাকাংক্ষা? সি কি এনে এটা উচ্চাকাংক্ষা – যাৰ কথা আনকি এজন সৰ্বশক্তিমান স্বেচ্ছাচাৰী শাসক বা কোনো এটা জাতিৰ মুক্তিদাতা বা মহামান্য পোপ বা আনকি সসাগৰা পৃথিৱীৰ অধিকাৰীয়েও কল্পন কৰিব নোৱাৰে? সৃষ্টিৰ পাতনিৰে পৰা মানুহৰ মূৰত যিমানবোৰ উচ্চাকাংক্ষাই ঠাই লৈছে, বালজাকৰ উচ্চাকাংক্ষা কি সেই সকলোবোৰতকৈ ডাঙৰ?'

প্ৰিয় পাঠক, বালজাকৰ সেই উচ্চতম উচ্চাকাংক্ষা কি হ'ব পাৰে সেই কথা আপুনি কল্পনা কৰিবলৈ চেষ্টা কৰকচোন। মোৰ কিন্তু দৃঢ় ধাৰণা যে কাৰো পক্ষেই আচল কথাটো অনুমান কৰা অসম্ভৱ – যদিহে যিখন কিতাপৰ পৰা মই এই কাহিনীটো কৈছো সেই কিতাপখন তেওঁৱো পঢ়া নাই।

ইও এক প্ৰকাৰৰ সাঁথৰেই। অহা সংখ্যা সূত্ৰধাৰত মই সাঁথৰৰ উত্তৰটো প্ৰকাশ কৰিম।

জোছেফ কনৰাড যে এজন প্ৰতিভাশালী লেখক আছিল সেই বিষয়ে কোনো সন্দেহ নাই। তাৰ আটাইতকৈ ডাঙৰ প্ৰমাণ হ'ল – মহিলা সকলে তেওঁৰ উপন্যাসবোৰ সমূলি ভাল নাপায়।

*জৰ্জ অৰৱেল*

চুমা খাবলৈ সেইবোৰ ওঁঠেই আটাইতকৈ ভাল যিবোৰ ওঁঠত চকুপানীৰ সোৱাদ লাগি থাকে।

*ডৰথি পাৰ্কাৰ*

বিচাৰৰ বাবে

# শিক্ষক সকলক শিক্ষিত কৰিবনে?

প্ৰহ্লাদ বৰুৱা

শিক্ষা গুৰুসকল নিৰপেক্ষ হোৱাটো সকলো ছাত্ৰই বাঞ্ছা কৰে। মহাভাৰতৰ দিনৰ পৰাই গুৰুৰ ৰোষত পৰি ছাত্ৰই বহুত কিছু হেৰুৱাব লগা হৈছে। দ্ৰোণাচাৰ্য নিৰপেক্ষ হোৱা হ'লে একলব্যৰ দৰে সম্ভাৱনাপূৰ্ণ ধনুৰ্ধৰে অকালতে সোঁহাতৰ বুঢ়া আঙুলি হেৰুৱাব নালাগিলহেঁতেন। সাম্প্ৰদায়িক চিন্তা-চৰ্চাৰ পৰা গুৰু মুক্ত হোৱা হ'লে পৃথিৱীৰ অদ্বিতীয় বীৰ কৰ্ণও গুৰুৰ শাপৰ পৰা মুক্ত হব পাৰিলেহেঁতেন বা শিক্ষাৰ তাগিদাত ফাকিৰ আশ্ৰয় লব লগা নহ'লহেঁতেন। এনেদৰেই যুগ যুগ ধৰি বহুতো সম্ভাৱনাপূৰ্ণ ছাত্ৰই অকালতে নিজৰ প্ৰতিভা জলাঞ্জলি দিব লগা হৈছে।

শিক্ষকসকলে ছাত্ৰ সকলক অধ্যয়নেই একমাত্ৰ তপ হোৱাটো উচিত বুলি সদায় ছাত্ৰক কৈ আহিছে। একে যুক্তিৰে আমি ভাবিব নোৱাৰোনে যে শিক্ষক সকলৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য হ'ল ছাত্ৰ সকলক জ্ঞান দান কৰাতো? অনন্ত অসীম জ্ঞানৰ ভাণ্ডাৰ আহৰণ কৰি ছাত্ৰক দিয়াটো একেবাৰে অসম্ভৱ কিন্তু যিমান দূৰলৈ পৰা যায় চেষ্টা চলেনে? নিশ্চয় নচলে। বহুতে ক'ব খোজে যে শিক্ষক সকলক যি দৰমহা দিয়া হৈছে সেই দৰমহাৰে সামাজিক দায়-দায়িত্ব পালন কৰি নিজৰ সংসাৰৰৰ যোৰা মাৰি এক চিত্তে নিজৰ দায়িত্ব পালন কৰি যোৱাটো অসম্ভৱ। গতিকেই উপৰুৱাকৈ অন্য বৃত্তি গ্ৰহণ কৰিব লগা হয়। এনে কোনো উদাহৰণ আছে নেকি যে ৰাইজে কাৰোবাক তুমি শিক্ষক হবই লাগিব বুলি জোৰ জুলুম কৰি ধৰি আনিছে? চাকৰিৰ বিজ্ঞাপনত কিমান দৰমহা দিব উল্লেখ থাকে, সেইটো জানিহে শিক্ষকসকলে চাকৰিৰ আবেদন কৰে! তাৰ পাছত বিভিন্ন জনে বিভিন্ন যুক্তিৰে কোৱা কথাবোৰৰ কিবা মূল্য থাকিব পাৰেনে? এনে কিছু প্ৰশ্নৰ অৱতাৰণা কৰিলে শিক্ষকসকলে কয়, ইঞ্জিনিয়াৰ সকলে যদি অমুকটো কৰিব পাৰে, ডাক্তৰসকলে যদি তমুকটো কৰিব পাৰে বা অন্য অন্য বৃত্তিৰ মানুহে যদি এইবোৰ কৰিব পাৰে আমি নোৱাৰো কিয়? তাৰ উত্তৰ এটাই আপোনালোক দেশৰ বুনিয়াদ, নাগৰিক বনোৱাৰ খনিকৰ।

এফালে ছাত্ৰসকলক কোৱা হয় যে ছাত্ৰসকলে কোনো দলীয় ৰাজনীতিত পোনপটীয়া ভাবে অংশ লোৱাটো অনুচিত, অন্যহাতেদি এজন শিক্ষকে বিভিন্ন ৰাজনৈতিক দলৰ অংশীদাৰ হোৱাই নহয়-ছুটী লৈ এম এল এ, এম পি হব পাৰে। এম এল এ, এম পি-ৰ কাৰ্যকাল শেষ কৰি ঘূৰি আহি পুনৰ নিজৰ চাকৰিত যোগ দিবগৈও পাৰে। এটা নিৰ্দিষ্ট ৰাজনৈতিক আদৰ্শৰ হৈ কাম কৰা এজন শিক্ষক নিৰপেক্ষ হব পাৰিব নে? তেখেতৰ দলীয়া আদৰ্শক সমালোচনা কৰা ছাত্ৰজনৰ প্ৰতি তেখেত কিমান দূৰলৈ অসহিষ্ণু হব? তেখেতৰ আদৰ্শক জয়ধ্বনি দিয়া ছাত্ৰজনে যে সমালোচনা কৰা জনতকৈ বেছি নম্বৰ পাবই তাত কোনো সন্দেহ নাই। যিমান জোৰেৰে প্ৰতিবাদ কৰিলেও আমি মানি নলওঁ কাৰণ সীমাহীন উদাহৰণ আমাৰ আছে। বিভাগীয় মুৰব্বীজনে বেয়া পোৱা ছাত্ৰজন যিমান মেধা হ'লেও প্ৰথম শ্ৰেণীৰ প্ৰথম স্থানৰ পৰা বঞ্চিত হবই। আজি প্ৰায় এক দশকৰ আগৰ পৰা এটা সাংঘাতিক বস্তু গা কৰি উঠিছে, সেইটো হৈছে শিক্ষা অনুষ্ঠান সমূহ ৰাজনীতিৰ কেন্দ্ৰ বিন্দু হৈ পৰিছে। ছাত্ৰ শিক্ষক একাকাৰ হৈ কেৱল ৰাজনীতি কৰা আৰম্ভ হৈ গৈছে। য'ত কেৱল জ্ঞানৰ চৰ্চাই প্ৰথম স্থান অধিকাৰ কৰিব লাগে, সেই স্থান হেৰুৱাই পেলাইছে আৰু তাৰ স্থান অধিকাৰ কৰিছে দিছপুৰত কোন বহিলে আমাৰ সুবিধা তেনে চিন্তা. চৰ্চাই। জাঙুৰ খাই উঠিলেও এটা কথা অপ্ৰিয় হ'লেও সত্য যে যোৱা প্ৰায় ১১টা বছৰে কেৱল শিক্ষকৰ উচতনিত ছাত্ৰই মহান অসমীয়া জাতিটোৰ বহু অপূৰণীয় ক্ষতি কৰি পেলাইছে। উপাচাৰ্য এজনে যেতিয়া মুখ্য মন্ত্ৰীজনক তোষামোদ কৰিবলৈ শহুৰৰ ৰূপ লব লগা হয় তাতকৈ দুৰ্ভাগ্যজনক কথা কিবা হব পাৰেনে? কৃষ্ণকান্ত সন্দিকৈৰ দৰে পৰম শ্ৰদ্ধেয় ব্যক্তি যিখন চকীত বহিছিল সেইখন চকীত এনে ক্ষয়িষ্ণু ৰূপ আমি ধৈৰ্যৰে চাই থকা উচিতনে? এসময়ৰ নিজৰ ছাত্ৰ শিক্ষা মন্ত্ৰীজনে টেলিফোন কৰিলেই-গামোচা বান্ধি দিছপুৰলৈ দৌৰ ধৰা সকলক শিক্ষা জগতৰ ১ নম্বৰ চকীখনত বহুৱাই আমি নিচিন্ত হোৱাটো উচিত নে? ইত্যাদি প্ৰশ্নবোৰৰ উত্তৰ কিন্তু চৰকাৰে দিব লাগিব। আমি জনা মতে বোলে এজন মন্ত্ৰীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য বিশ্ববৰেণ্য পণ্ডিত কৃষ্ণকান্ত সন্দিকৈক টেলিফোন কৰি আৱৰ্ত ভৱনলৈ মাতি পঠাইছিল, তেখেতেতো নাহিলে তাৰ প ৰবৰ্তী পৰিস্থিতি ইমান ভয়ংকৰ হ'ল যে মন্ত্ৰীজনে উপাচাৰ্যক সষ্টাংগে প্ৰণাম কৰিব লগা হয়। সেইজন উপাচাৰ্যই বোলে ড০ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ বাহিৰে নিজে গৈ কোনো ৰাজনীতি কৰা মানুহক লগ ধৰা নাছিল। পৰিবৰ্তিত পৰিস্থিতিত আজিৰ শিক্ষা জগতৰ কৰুণ ছবিখন দেখি আমি বৰ লজ্জিত।

অসমৰ বৰ্তমানৰ মুখ্য মন্ত্ৰী শ্ৰীশইকীয়াদেৱ প্ৰাক্তন শিক্ষক, ইতিহাসৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী তেখেতক কেইটামান অনুৰোধ কৰি এই লেখা সামৰিব খুজিছো। ডাঙৰ ডাঙৰ ৰাজনৈতিক পণ্ডিত আৰু বুদ্ধিজীৱীয়ে আগুৰি ৰখা মুখ্য মন্ত্ৰীজনে আমাৰ দৰে গচকত মৰা মানুহৰ অনুৰোধৰ কিবা মূল্য দিব বুলি বিশ্বাস কৰিব পৰা নাই, তথাপিও–

(১) বিশ্ববিদ্যালয়কে আৰম্ভ কৰি অসমৰ সকলো শিক্ষা অনুষ্ঠানৰে বিভিন্ন কমিটিবোৰত ৰাজনৈতিক ব্যক্তিৰ প্ৰবেশ বন্ধ কৰি দিয়ক।

(২) শিক্ষা বিভাগৰ লগত জড়িত থকা চৰকাৰী অৰ্ধচৰকাৰী অনুষ্ঠানবোৰত এম এল এ, মন্ত্ৰী সভাপতি হোৱাৰ পৰম্পৰা ভাঙি দি শিক্ষাৰ লগত জড়িত ব্যক্তিক তাৰ দায়িত্ব দিয়ক। এম এল এ সকলে আপত্তি কৰিলে কৈ দিয়ক 'তোমালোকক ৰাইজে বিধান সভালৈ নিৰ্বাচন কৰিছে ৰাইজৰ অভাৱ-অভিযোগৰ কথা ক'বলৈ, অনুষ্ঠানবোৰৰ সভাপতি হৈ চৰকাৰী গাড়ী, টেলিফোন লৈ ধন ঘটিবলৈ নহয়।

(৩) কোনো শিক্ষকে দলীয় ৰাজনীতিৰ যোগেদি এম এল এ, এম পি হব খুজিলে প্ৰথমে শিক্ষকতাৰ পৰা অব্যাহতি লব লাগিব, ছুটী নহয়।

এতিয়ালৈ ইমানেই, পদক্ষেপ শুভ যেন দেখিলে আৰু কিছু কোৱাৰ সুবিধা লম। আপোনাক ঘেৰি থকা তোষামোদকাৰী সকলে নিশ্চয় ক'ব- "এনে কাম কৰিলে অহা নিৰ্বাচনত পাৰ্টি ক্ষমতালৈ নাহে, আপুনি অপ্ৰিয় হব, ইত্যাদি ইত্যাদি"। কিন্তু জাতিৰ স্বাৰ্থৰ বাবে প্ৰতিষ্ঠা কৰিবলৈ বিচৰা পৰম্পৰাইহে আপোনাক আপুনি নভবা স্থানলৈ লৈ যাব পাৰিব। সূ






ধাৰাবাহিক স্মৃতিকথা

মুশ্ৰী শোভা ব্ৰহ্ম

# (১২) অতীত ঐকতান বিষাদ

গুৰুদেৱ কালীচৰণ ব্ৰহ্মৰ বহুতো বৈ যোৱা কাহিনীৰ এটা প্ৰধান অংশ ইতিমধ্যে আমাৰ দৃষ্টিপথত আহি ধৰা দিছে। শ্ৰীযুত ৰোহিনী কুমাৰ ব্ৰহ্মৰ আদি বাসস্থান টিপকাই চহৰৰ পৰা তিনি মাইল দক্ষিণে ডুলি গাঁৱত। তেওঁ আমাৰ এজন মামা ৰাজেন ব্ৰহ্মৰ ডাঙৰ ল'ৰা। ৰোহিনী কুমাৰ ব্ৰহ্ম অৱসৰপ্ৰাপ্ত পুলিচ বিষয়া আৰু বহু বছৰ ধৰি ফটাশিল আমবাৰীৰ নিজা বাসভৱনত নানা অবৰ্ণনীয়. জীৱন-সংগ্ৰামৰ মাজেদি তেওঁৰ জন্মগত বড়ো-ভাষা-সাহিত্য-প্ৰীতিৰ গা-গছ জোপাত সঞ্জীৱনীৰস প্ৰয়োগ কৰি তাক বতহি ৰাখিবলৈ প্ৰয়াস কৰিছে। তেওঁৰ নিচিনা ব্যোমভোলা, সহজ-সৰল, আমোদজনক ব্যক্তি বিংশ শতাব্দীত দ্বিতীয়জন বিচাৰি উলিওৱা টান হ'ব। গুৱাহাটী চহৰত বহুবছৰ আগতে ১৯৬০ চনত তেওঁৰ লগত মোৰ প্ৰথম সাক্ষাৎ। সদ্যহতে, অৱসৰ গ্ৰহণৰ পাছত ফটাশিল আমবাৰীৰ ওচৰৰে ধীৰেনপাৰাত নিজা বাসভৱনত আহি থাকিবলৈ লোৱাত তেওঁৰ লগত সঘনাই সাক্ষাৎ হোৱাৰ সুযোগ ঘটিছে।

ৰোহিনী ব্ৰহ্মৰ আত্মকাহিনীৰ এটা চমকপ্ৰদ অংশৰ লগত পৰিচয় হোৱাৰ লগে লগে ইমান দিনে গুৰুদেৱ কালীচৰণ ব্ৰহ্মৰ ধৰ্ম প্ৰচাৰ সম্বন্ধে জন্মা মোৰ জ্ঞানৰ পৰিধিৰ কিছু পৰিবৰ্তন সাধিত হ'ল। গুৰুদেৱৰ ধৰ্ম প্ৰচাৰ কাৰ্য সামগ্ৰিকভাবে নিৰ্বিঘ্ন আছিল ইমানদিনে এনে ধাৰণাহে পোষণ কৰা গৈছিল। পৰ্বতজোৱাৰ অঞ্চলৰ গাওঁ সমূহত সামগ্ৰিকভাবে এই কাৰ্য নিৰ্বিঘ্ন হলেও, সেই অঞ্চলৰে ডুলি গাঁৱত গুৰুদেৱে প্ৰচণ্ড বাধাৰ সমুখীন হৈছিল। এই কথা ৰোহিনী ব্ৰহ্মৰ উল্লিখিত কাহিনীৰ পৰা জনা যায়। কাহিনীটো এনে ধৰণৰ–

ৰোহিনী ব্ৰহ্মৰ দেউতাক ৰাজেন ব্ৰহ্মই পৰ্বতজোৱাৰ অঞ্চলত কাঠৰ ইজাৰালৈ যথেষ্ট ধনসম্পত্তিৰ গৰাকী হৈছিল। উল্লেখ নিষ্প্ৰয়োজন, সেইকালত গভীৰ অৰণ্যানি পৰিবেষ্টিত পৰ্বতজোৱাৰ অঞ্চলৰ গাওঁবিলাকত ধনী, আঢ্যবন্ত মানুহে সৰ্বতোভাবে আনবোৰ মানুহৰ ঈৰ্ষাৰ পাত্ৰ হৈছিল, ডকাইতিৰ আশংকা তেওঁলোকৰ কাৰণে জীৱনৰ অংশবিশেষ হৈ পৰিছিল। এনে সঘন ডকাইতিৰ কাৰণে আৰু তেনে কামত বড়ো মানুহ প্ৰায়ভাগ ক্ষেত্ৰতে লিপ্ত থকাত সেইকালৰ বৃটিছ চৰকাৰে বড়ো মানুহক 'অপৰাধপ্ৰৱণ জনজাতি' (Criminal Tribe)ৰ পঞ্জীভূক্ত কৰাৰ সিদ্ধান্ত লৈছিল। গুৰুদেৱ কালীচৰণ ব্ৰহ্মই চৰম অসম্মানজনক এনে অৱনতিৰ পৰা জাতিটোক ৰক্ষা কৰিছিল। তাৰ কাৰণে ৰাজেন ব্ৰহ্মও যথেষ্ট ঈৰ্ষাৰ পাত্ৰ হৈছিল। তাৰউপৰি গাওঁখনৰ ভিতৰতে ব্ৰহ্মধৰ্ম গ্ৰহণ কৰা একমাত্ৰ মানুহ হোৱাত, ডুলিগাঁৱৰ প্ৰধান ব্যক্তি আশ্বিনা দেওৱানীৰ প্ৰৰোচনাত সেই গাঁৱৰ মানুহে ৰাজেন ব্ৰহ্মক তেওঁলোকৰ চিৰাচৰিত বাথৌ ধৰ্মত আঘাত কৰা বুলি জ্ঞান কৰি জীৱনধাৰণৰ প্ৰতিটো ক্ষেত্ৰত চৰম শত্ৰুতা কৰিছিল।

১৯২৪-২৫ চনত টিপকাইৰে ওচৰৰ তুলসীঝড়া গাঁৱৰ সুবিস্তৃত প্ৰাঙ্গনত 'জনজাতি মহা-সন্মিলন' হৈছিল। সেইখন সভাত গুৰুদেৱ কালীচৰণ ব্ৰহ্ম প্ৰমুখ্যে ৰূপনাথ ব্ৰহ্ম, সতীশচন্দ্ৰ বসুমতাৰী, ৰবি কছাৰী, যাদব চন্দ্ৰ খাখলাৰী, মদাৰাম ব্ৰহ্ম আৰু অন্যান্য বহু জনজাতীয় নেতৃস্থানীয় লোকৰ সমাগম হৈছিল। সন্দেহ নাই, সেইখন সভা আন জনজাতীয় সভাসন্মিলনৰ দৰেই ৰাইজৰ ধন-ধান-সহায় সহযোগত সুসম্পন্ন হৈছিল। প্ৰতিটো গাঁৱৰ প্ৰধান ব্যক্তি গাঁওবুঢ়া সকলক মাতি পঠাই উদ্যোক্তাসকলে ধান-চাউল খৰি ইত্যাদি যাবতীয় সামগ্ৰী যোগানৰ দায়-দায়িত্ব সমৰ্পণ কৰিছিল। ডুলি গাঁৱৰ প্ৰধান ব্যক্তি গাওঁবুঢ়া আশ্বিনা দেওয়ানীৰো ডাক পৰিল –সন্মিলনৰ দায়-দায়িত্ব সম্প্ৰদানৰ সেই সভাত। কিন্তু দায়-দায়িত্বৰ বোজা বহণৰ ভয়ত তেওঁ মিটিঙলৈ নগল। ডুলি গাওঁৰ পৰা গাওঁবুঢ়াৰ অনুপস্থিতিত উদ্যোক্তা-সকলে তাত ৰাজেন ব্ৰহ্মক দেখা পাই তেওঁৰ হাততে গাওঁখনৰ দায়-দায়িত্বৰ ভাৰ অৰ্পণ কৰি পঠালে। আশ্বিনা দেওৱানীৰ ভায়েকে সেই কথা জানিব পাৰি ককায়েকক জনালে –আৰু ককায়েকে গাঁৱৰ সভা আহ্বান কৰি ৰাজেন ব্ৰহ্মই গাওঁবুঢ়াৰ কৰ্তৃত্ব অবিহনে গাওঁৰ দায়-দায়িত্ব বৰণ কৰাৰ অভিযোগত তেওঁক অপৰাধী সাব্যস্ত কৰিলে। সভাৰ অন্তিম ভাগত, সন্ধিয়া হবৰ সময়ত প্ৰকাৰান্তৰে, ৰাজেন ব্ৰহ্মৰ প্ৰাণ নাশৰ চেষ্টা কৰা হ'ল – তেওঁ কথমপি পলাই প্ৰাণ ৰক্ষা কৰিলে। আৰু এবাৰ বিষ পান কৰাই তেওঁৰ প্ৰাণ লোৱাৰ চেষ্টা কৰা হ'ল। কিন্তু সেইবাৰো তেনে চেষ্টা ব্যৰ্থ হ'ল।

ব্ৰহ্ম ধৰ্ম পৰ্বতজোৱাৰৰ সকলো গাঁৱতে গৃহীত হ'ল – কিন্তু ডুলিগাঁৱত গুৰুদেৱ কালীচৰণ ব্ৰহ্মই সেই ধৰ্ম প্ৰচাৰৰ কাৰণে চাৰিবাৰ গৈয়ো প্ৰতিবাৰেই প্ৰাণ লৈ পলাই আহিবলৈ বাধ্য হ'ল।

চাংবান্দা গাওঁৰ দুখীয়া গিৰীয়েকৰ ঘৰ-সংসাৰ চলাই থকা আকৰ্ষণীয় চেহেৰাৰ ঘৈণীয়েকৰ ৰূপত মুগ্ধ হৈ আশ্বিনা দেওয়ানীয়ে গাওঁৰ সকলে। মানুহ খেতিৰ পথাৰলৈ ওলাই যোৱাৰ সময়ত সদলবলে গৈ সেই ছোৱালী জনীক বলপূৰ্বক কাঢ়িলৈ আহি নিজা ঘৰত সুমুৱাই ললে। তেওঁ ছোৱালীজনীৰ লগত কিছুদিন সংসাৰ কৰিলে। তাৰে পাল্টা জবাব দিবলৈ

চাংবান্দাৰ মানুহে সদলবলে, বন্দুক, তীৰ, ধনুলৈ গাওঁৰ সকলো মানুহ খেতিৰ পথাৰলৈ ওলাই যোৱাৰ সময়ত ডুলি গাঁৱৰ প্ৰধান ব্যক্তি আশ্বিনা দেওৱানীৰ ঘৰৰ চাৰিওকাষে বেৰি ধৰিলে – তেওঁক বেগতে ছোৱালী উলিয়াই দিবলৈ আদেশ দিয়া হ'ল। ঘৰৰ অভ্যন্তৰত, অকলশৰে ছোৱালী-জনীকলৈ থকা অৱস্থাত মানুহজন ভয়বিহ্বল হৈ কঁপি কঁপি বলপূৰ্বক ধৰ্ষণ কৰি অনা ছোৱালীজনীক উলিয়াই দিলে।

ফালাখাতা গাওঁৰ পৰা উঠি আহি ডুলিত থিতাপি লোৱা গাওঁখনৰ একমাত্ৰ ব্ৰহ্ম ধৰ্মত দীক্ষিত ব্যক্তি, কাঠৰ ইজাৰাদাৰ, ধনী, আঢ্যবন্ত, সম্পত্তিৰ মালিক ৰাজেন ব্ৰহ্মৰ একাধিকবাৰ প্ৰাণ নাশৰ চেষ্টাত ব্যৰ্থ হৈ, আনফালে চাংবান্দাৰ পৰা ধৰ্ষণ কৰি আনি ঘৰ চপাই লোৱা ছোৱালী জনীক অসন্মানীয় অৱস্থাত আকৌ উলিয়াই দিবলৈ বাধ্য হোৱা ডুলি গাওঁৰ প্ৰধান ব্যক্তি ব্ৰহ্ম ধৰ্মৰ চূড়ান্ত বিৰোধী আশ্বিনা দেওৱানীয়ে চৰম অপমানৰ আঘাত সহিব নোৱাৰি ক্ষুৰধাৰতীক্ষ্ণ দাখনেৰে নিজৰ কন্ঠনলীডাল 'খাছাং' কৰি কাটি পেলালে। ৰোহিনী ব্ৰহ্মই কোৱামতে তেওঁ হেনো দাখন সেই উদ্দেশ্যেৰেই প্ৰায় এসপ্তাহমান ধৰি শান দি আছিল।

আশ্বিনা দেওৱানীৰ মৃত্যুৰ পাছত ডুলি গাওঁত লাহে লাহে ব্ৰহ্ম ধৰ্মই আপোন স্থান গ্ৰহণ কৰি বহিল।

পুনৰুক্তি নিষ্প্ৰয়োজন, প্ৰভাৱশালী, আঢ্যবন্ত ব্যক্তিয়ে বহুতো সময়ত সমাজৰ মানুহক হাতৰ-মুঠিত ৰাখি লোকৰ ছোৱালী নাইবা দুঃস্থ অৱস্থাৰ মানুহৰ বিবাহিত স্ত্ৰীক বলপূৰ্বক কাঢ়ি আনি নিজৰ ঘৰত চপাই লোৱাৰ দৃষ্টান্ত বিৰল নাছিল।

* * *

মুকুন্দ মেচ – পিছলৈ মুকুন্দ ব্ৰহ্ম, আমাৰ ককাদেউতা। তেওঁ অত্যন্ত পৰিশ্ৰমী খেতিয়ক। খেতিত ককাদেউতাই হাল মাৰিবলৈ গ'লে, শালিখেতিৰ মাটিডৰাত ঘাঁহ এডাল নেথাকে। সেই কাৰণে লগুৱাইঁতৰ কামত ককাদেউতাক কদাচিতহে সন্তুষ্ট হোৱা দেখা গৈছিল। কঠোৰ পৰিশ্ৰম, ন্যায়-নিষ্ঠা, সামাজিক, সম্প্ৰদায়গত নীতিবোধৰ ওপৰত প্ৰতিষ্ঠিত জীৱন –ককাদেউতাই কোনোৰকম বাহ্যিক কাৰচাজিৰ আশ্ৰয় নোলোৱাকৈ সম্পত্তি মাটিবাৰী কৰিছিল – দুটা ল'ৰাক শিক্ষা দিছিল টিপকাইৰ মাইনৰ স্কুলত। মাজু ল'ৰাটো অৱশ্যে অশিক্ষিত হৈ গল। সৰুকালত আমি সদায় পৰৰ ঘৰত ভাত খাই পৰম সোৱাদ আৰু তৃপ্তি পাইছিলো। কাৰণ সিবোৰত নতুন চাউলৰ নৰম ভাত খাবলৈ পোৱা গৈছিল। আমাৰ ঘৰত লক্ষ্য কৰিছো, পিছৰ কালত খেতিয়কে হাল বাই বছৰৰ পিছত বছৰ মাটিডোখৰৰ চাৰিওকাষে বাঢ়ি অহা বন জংগল এৰি এৰি হাল বাবলৈ ধৰে। ফলত মাটিডোখৰৰ আয়তন বছৰি বছৰি কমি আহিবলৈ আৰম্ভ কৰে। আমাৰ চকুৰ আগতে বছৰৰ পিছত বছৰ নবাগত মুছলমান খেতিয়কৰ ন্যায়নিষ্ঠা, শ্ৰম-সক্ষমতা, সহিষ্ণুতাৰ বিপৰীতে আমাৰ স্থানীয় খেতিয়কৰ পালমৰা স্বভাৱ, নিষ্ঠাহীনতা তুলনা কৰি আমাৰ সামাজিক, অৰ্থনৈতিক, ভৱিষ্যত জীৱনৰ প্ৰতিচ্ছবি কল্পনা কৰি হতবুদ্ধি হৈছিলো। আমাৰ দেউতাই নিজে ব্যক্তিগতভাৱে খেতিবাতি বা হালকোদালত মনোনিবেশ কৰিব নোৱৰাত আৰু ঘৰৰ মাটিবাৰী, হাল-কোদালৰ দায়-দায়িত্ব ক্ৰমে ক্ৰমে লগুৱাসকলৰ ওপৰত নিৰ্ভৰশীল হৈ পৰাত আমাৰ ঘৰৰ আৰ্থিক অৱস্থা আমাৰ পঢ়া-শুনাৰ লগে লগে ক্ৰমে অধঃপতনৰ ফাললৈ গতি কৰে। ককাদেউতা যেনেকৈ হালে-কোদালে, বাঁহ-বেতৰ আহিলা জাকৈ খালৈ ইত্যাদি সজাত পাকৈত আছিল, মাৰ সৰ্বতোমুখী সাংসাৰিক নিমগ্নতাৰ কথা আজি কল্পনা কৰিও পাৰ পোৱা নেযায়। এনে ধাৰণা হয়, তেওঁ সৰ্বস্ব বিলাই দিবৰ কাৰণেই জন্ম লৈছিল, নিজৰ কাৰণে কিবা পোৱাৰ আশাত নহয়।

ককাদেউতাৰ কন্ঠনলীৰ বেমাৰটো আৰম্ভ হ'ল তেওঁক তৃতীয় পত্নীয়ে এৰি থৈ যোৱাৰ সময়ৰ পৰাই। ইফালে বৃদ্ধ বয়স, পত্নীৰ লগত বিচ্ছেদ, তাতে এই মাৰণান্তক বেমাৰটো। আনফালে দেউতাৰ দ্বিতীয়বাৰ বিবাহৰ পাছত মাৰ আভ্যন্তৰীণ মানসিক আলাই-আথানি অৱস্থা। ককাদেউতাৰ পিৰপিৰণিত থাকিব নোৱাৰি দেউতাই আকৌ চাকমাৰ প্ৰয়াত বুঢ়া চকীদাৰৰ বিধৱা পত্নী আভজা বুঢ়ী গৰাকীক লৈ আহি ককাদেউতাৰ লগত বিয়া দিলে। তেওঁ আভজা নে আকৰী আছিল; এটা ল'ৰাক পিঠিত বান্ধি লৈ আনটো ল'ৰাক বুকুত সাবটি ধৰি বাহ্যকৃত কৰ্ম সমাধা কৰিছিল আৰু এনে সময়তে ল'ৰাইঁতৰ লগত কথাও পাতিছিল। আটায়ে তেওঁক জোকাইছিল; কিছুমান ল'ৰাই তেওঁলৈ মাটিৰ চপৰা দলিয়াইছিল। এনেহেন তিৰোতাক লৈ আহি দেউতাই ককাদেউতাক গোটাই দিলে আৰু ককাদেউতাও সন্তুষ্ট হ'ল। কালক্ৰমত বুঢ়ীৰ হেনো এটা মৰাসন্তানো জন্ম হৈছিল; সেই কথাটো চাকমাৰ আনন্দখুড়াই লোকৰ আগত তামাচা কৰি কৈ ফুৰোতে আমাৰ ককাদেউতা তেওঁৰ ওপৰত অসন্তুষ্ট হয় আৰু সেই ৰোষ মোৰ আগত প্ৰকাশ কৰে। যিহক, সন্দেহ নাই, বুঢ়ীৰ উপস্থিতি আৰু সেৱাত ককাদেউতাৰ মানসিক ভাৰসাম্য ৰক্ষা পৰে আৰু শাপে বৰ হোৱাৰ নিচিনাকৈ পৰিয়ালটো এটা মাৰাত্মক আৰু দুঃসাধ্য দায়িত্বৰ পৰা ৰক্ষা পৰে। কন্ঠনলীৰ বেমাৰটো লাহে লাহে তাৰ আচল ৰূপ প্ৰকাশ কৰে, ককাদেউতা আহাৰ গ্ৰহণৰ অসমৰ্থ হৈ পৰে আৰু ভিতৰ অংশ গেলি যোৱাৰ নিচিনাকৈ তেওঁৰ গাৰ পৰা এটা উৎকট দুৰ্গন্ধ ওলায়। অকল্পনীয় যেন লাগিলেও, এই উৎকট দুৰ্গন্ধৰ কোনো প্ৰতিক্ৰিয়া বুঢ়ীৰ মাজত দেখা নেযায় আৰু তেওঁ স্বাভাৱিক ভাৱেই ককাদেউতাৰ সেৱা কৰি যায়।

তেনে সময়ত অন্তিম কালত ককাদেউতাই এটা গাহৰি খোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। যিহেতু সেই সময়ত আমাৰ অঞ্চলত গাহৰি পোহাটো নিষিদ্ধ হৈ পৰিছিল দেউতাই এটা ডাঙৰ গাহৰি কিনি আনি ককাদেউতাৰ কাৰণে ভোজ এটা পাতিলে। তেওঁৰ মুখত এটা চৰম প্ৰসন্নতা আভাসিত হৈ ফুটি উঠা দেখা পাইছিলো; আজিও সেই প্ৰসন্নতাৰ ছবি মোৰ চকুৰ আগত ভাহি উঠে। সন্দেহ নাই তেওঁ মুঠেই খাব পৰা নাছিল। গাহৰি মাংসৰ কিছু ৰস তেওঁৰ বাসনা পৰিতৃপ্ত কৰি পেটত সোমাইছিলনে নাই সেই কথাও জানিবৰ উপায় নাছিল। মা সদায় তেওঁৰ পৰিচৰ্যাত নিমগ্ন আছিল; জীৱনত কোনোকালে ককাদেউতা মাৰ ওপৰত অসন্তুষ্ট হৈ পোৱা নাই। দেউতা, মা আৰু মই প্ৰায়ে ককাদেউতাৰ ঘৰত তেওঁৰ ওচৰত বহিছিলো – তেওঁ অৱশ্যে সদায় দেউতাৰ ফালে সম্পূৰ্ণ পিঠি দি বহিছিল, কথা কোৱাৰ প্ৰশ্নই নুঠে। দেউতাই পুত্ৰ হিচাপে ককাদেউতাক সকলো প্ৰকাৰে সন্তুষ্ট কৰাৰ চেষ্টা কৰিছিল। দেউতাৰ ধাৰণা আছিল, ককাদেউতাৰ সঞ্চিত বহু টকা তেতিয়াও মাটিৰ তলত পুতি থোৱা আছে। অৱশ্যে সেই টকাৰ আশাতে যে দেউতাই ককাদেউতাৰ যথাৰ্থ সেৱা কৰিছিল তেনে নহয়। অকল সেৱাৰ আনন্দতে আত্মীয়স্বজনৰ আৰু আনলোকৰ বহু হিতজনক কাম সমাধা কৰি দিয়া দেউতাক দেখিছো। কি চাওঁতাল, কি মুছলমান, কি আত্মীয়স্বজন, কি গাঁৱৰ মানুহ বা আন কোনোবা, লোকৰ উপকাৰ কৰি দি পিছত নিজৰ গুণ নিজমুখে গাই ফুৰা আমি কোনোকালে শুনা নাই।

এদিন আমি আটায়ে ককাদেউতাৰ ওচৰত বহি আছো। দেউতাই সাহ কৰি মুখখন মেলি ককাদেউতাক সুধিলে, 'দেউতা, টকা-পইছা কোনখিনিত পুতি থৈছ বাৰু?' কথাষাৰ দেউতাই কবলৈহে পালে; তেওঁ দেউতাৰ ফালে সম্পূৰ্ণ পিঠি দি স্থান পৰিবৰ্তন কৰি সম্পূৰ্ণ নীৰৱ হৈ পৰিল। পিছদিনাখন তেওঁ মোক ওচৰত মাতিলে, মোক বাৰে বাৰে বুজনি দি বৰকৈ কান্দিলে, 'নাতি, তোৰ দেউতাৰ নিচিনা ফাচ-লাং-ফুচলাং অৰ্থাৎ ফান্টু-ফুন্টু নহবি। তোৰ দেউতা গুন্ডা-লুস্পা হলেও তাক আলাই-আথানি নকৰিবি, তাক ভালকৈ চাইচিতি সেৱা-যত্ন কৰিবি। ভালকৈ পঢ়ি-শুনি মানুহ হবি ইত্যাদি।' মোৰ চকুৰ পৰা পানী ওলোৱা নাছিল, কিন্তু মোৰ অন্তৰখন কান্দি উঠিছিল, বৰ বিব্ৰত বোধ কৰিছিলো। কাৰণ, আন বহুতেৰে ক্ষেত্ৰত যেনে হয়, মোৰ ক্ষেত্ৰত তেনে নাছিল। মোৰ লগত দেউতাৰ সম্বন্ধ যেনেদৰে ঘনিষ্ঠ আৰু স্বাভাৱিক নাছিল, ককাদেউতাৰ লগতো মই ঘনিষ্ঠ নাছিলো। ককাদেউতাৰ শেষৰফালে সম্পত্তি বুলিবলৈ, আমাৰ আইতাই পুহি থৈ যোৱা পলুৰ 'লেটা' (এৰি পোকে সজা পলুৰ বাহ যাৰ পৰা এৰি সূতা কটা হয়) কেই বস্তামানহে আছিল। সেইকালত শীতৰ দিনত ভূটীয়া মানুহে গাঁৱে গাঁৱে আহি সেইবোৰ কিনি লৈ গৈছিল। ককাদেউতাই মাজে মাজে সেইবোৰ বিক্ৰী কৰি টকাখিনি নিজৰ হাতত ৰাখিছিল, সেই টকা তেওঁ কাৰো হাতত নিদিছিল। তাৰে পৰা কোনোদিনে তেওঁক খৰচ কৰা দেখা নাই। সেই টকাখিনি তেওঁ ক'ত থয়, তাৰ সম্ভেদ পোৱাও কাৰো সাধ্য হোৱা নাই। মৃত্যুৰ পাছতো সেইবোৰ টকা তেওঁ কাৰ হাতত দি গ'ল জানিব পৰা হোৱা নাই। আন্দাজ কৰা হৈছে, সেইবোৰ টকা তেওঁ আকৰী বুঢ়ীৰ হাততে দি গ'ল। অৱশ্যে, তেওঁকো সেই বিষয়ে প্ৰশ্ন কৰা নহ'ল। টকা-পইছাৰ এনেহেন কথা-বতৰাত ককাদেউতাৰ লগত আমাৰ মাৰ কোনো পাৰ্থক্য নাই। টকা-পইছা মায়ে ক'ত থয় কাৰো জানিবৰ উপায় নাছিল আৰু কোনেও তেওঁক সেই টকা খৰচ কৰাব নোৱাৰিছিল। সেই কাৰণে, আগতেই এই বিষয়ে চূড়ান্ত কথা কৈ অহা হৈছে যে আমাৰ সা-সম্পত্তি অকল মাৰ কাৰণেহে ৰক্ষা পৰি আহিছে। ৰাইজৰো আছিল সেয়ে মত, 'ফাগলায়া হিন্জাওনি থাথায়হ ফাগলা।'

আমাৰ পঢ়া-শুনা আগবাঢ়ি অহাৰ লগে লগে পৰিয়ালটোৰ আৰ্থিক অনাটন প্ৰকট হৈ আহিবলৈ ধৰে। মোৰ পিছত ৰণেন্দ্ৰ চাপটগ্ৰামত ভৰ্তি হোৱাত সেই ছাপ খুন্দি পায়; কিন্তু দেউতা সদায় আছিল এই ক্ষেত্ৰত আপোচহীন। কেতিয়াবা তেওঁ মোক ককাদেউতাৰ পৰা টকা খুজি আনিবলৈ প্ৰৰোচিত কৰিছিল। কিন্তু ককাদেউতাৰ পৰা কোনোদিনে এটা পইছাও পোৱা নাছিলো। স্কুলত নে কলেজত পঢ়া সময়ত এবাৰ দেউতাৰ প্ৰৰোচনাত ৰাতিৰ আন্ধাৰত হাতত লন্ঠন লৈ গাওঁৰে এঘৰৰ পৰা টকা খুজিবলৈ গৈ বিফল কাম হৈ ঘূৰি আহিছিলো। সেই ঘটনা মোৰ জীৱনত এতিয়াও কলঙ্কৰ প্ৰতীক হৈ বৰ্তি থাকি মাজে মাজে মোক বিড়ম্বিত কৰে। দেউতাৰ এই ধৰণৰ প্ৰবৃত্তিৰ সমালোচনামূলক বিচাৰ কৰিবৰ মন যায়। জীৱনৰ চৰম আৰ্থিক বিপৰ্যয়ৰ সময়তো মই কোনোদিনে মোৰ কোনো সন্তানক লোকৰ পৰা টকা খুজিবলৈ পঠোৱা নাই। যিহক সন্তান-সন্ততিৰ অধ্যাপনাৰ সময়ত ঘটা অৰ্থাভাৱ নিম্ন-মধ্যবিত্ত পৰিয়ালৰ জীৱনত প্ৰায় সাৰ্বজনীন বুলি ক'ব লাগিব – মোৰ জীৱনত এই ক্ষেত্ৰত দেউতাৰ অসহায় অৱস্থাৰ প্ৰতিচ্ছবি বহুবাৰ অবলোকন কৰাৰ সুযোগ ঘটিছে।

ককাদেউতাৰ অন্তিম কাল আহি পৰিছিল। তেওঁৰ বিষয়ে কব লগা কথাও নিঃশেষ হৈ আহিছে। তেওঁৰ কন্ঠস্বৰ, সম্পূৰ্ণ স্তব্ধ হোৱাৰ আগদিনা এদিন মা আৰু মই কাষত বহি থাকোতে ককাদেউতাই টকা পুতি থোৱা স্থানৰ ইংগিত দিলে। সেই দিনা গভীৰ ৰাতি আন্ধাৰত হাতত কোৰ খন্তিলৈ কোনেও গম নোপোৱাকৈ মায়ে পুতি থোৱা টকা খান্দি উলিয়াবলৈ ওলাল। লগতে ছাঁৰ দৰে মই মাৰ পিছ ললো। টকাখিনি পিতলৰ লোটা কেইটামানত ভৰাই পুতি থোৱা হৈছিল। কেঁচা ৰূপৰ টকা –পঞ্চম জৰ্জ, ৰাণী ভিক্টোৰিয়া, ষষ্ঠ জৰ্জৰ প্ৰতিকৃতি ধাৰণ কৰা কেঁচা, চকচকীয়া ৰূপৰ টকা। মা আৰু ময়ে দুয়ো টকাখিনি গভীৰ ৰাতি উলিয়াই আনি লোটা কেইটাৰ পৰা বাহিৰ উলিয়াই হিচাপ কৰিছিলো। মাৰ মুখত প্ৰসন্ন হাঁহি লক্ষ্য কৰিছিলো – ঘটনাটোৰ ৰোমান্সখিনিৰ বাহিৰে মই কোনো প্ৰতিক্ৰিয়া মোৰ ভিতৰত অনুভৱ কৰা নাছিলো। টকা বস্তুটোৱে বোধ কৰো মোৰ ওপৰত কোনোকালেই বিশেষ প্ৰভাৱ পেলাব পৰা নাই। আটাইখিনি টকা ৫০০্ৰ কিছু অধিক আছিল। সেয়া ১৯৪৫ চনৰ কথা। সেইদিনাৰ পৰা ককাদেউতা সম্পূৰ্ণ নীৰৱ হ'ল, অকল ডিঙিৰ ঘড়ঘড় শব্দটোহে শেষ পৰ্যন্ত লাগি থাকিল। মৃত্যুৰ দিনা বেলেগ হৈ যোৱা দুগৰাকী বোৱাৰীও আহি মাৰ লগ লাগে আৰু তিনি বোৱাৰীয়ে চিঞৰি চিঞৰি কান্দোন জুৰিলে। সৰু বোৱাৰী অৰ্থাৎ সৰু খুৰী, কান্দোতে কিছু কমকৈ চিঞৰিছিল – তাকে দেখি কোনো কোনোৱে মন্তব্য কৰিলে 'লেখা গ'ৰ'ংখায় লাছৈ লাছৈ গাবদং' (লিখাপঢ়া জনা কাৰণে লাহে লাহে কান্দিছে)।

* * *

কান্দোনত পুঞ্জীভূত হৈ থকা দুখ ভাগৰ পাতল হয়, মনলৈ নামে শান্তি। কিন্তু মাৰ অন্তৰত শান্তি নামি অহাৰ অৱস্থা নোহোৱা হ'ল। সৰু খুড়া বেলেগ হৈ যোৱাত সেই ঘৰটোত লগুৱা-লিকচৌ, বাহিৰা মানুহ থাকিবলৈ লৈছিল। দেউতাই সেইটো ঘৰতে দ্বিতীয় পত্নীক ৰাখিলে। মায়ে গোটেইটো জীৱন সতিনীৰ লগত সংসাৰ কৰিব লাগিব, তেওঁৰ স্বামীৰ সমান অংশ, কিংবা সৰ্বাধিক অংশ আন গৰাকী তিৰোতাই জবৰদস্তি দখল কৰিব। ইফালে স্কুলৰ সামাজিক জীৱনত মোৰ সম্ভ্ৰম ব্যাহত হ'ল – গোটেই স্কুলখনত আৰু আন এজন ল'ৰা, প্ৰেমধৰৰ মাহীমাক আছিল। তাক কেতিয়াবা কিছুমান ল'ৰাই ঠাট্টা-বিদ্ৰুপ কৰিছিল। মোকো কেতিয়াবা মোৰ ঘনিষ্ঠ বন্ধুৰ মাজৰে দুই এজনে ঠাট্টা তামাচা কৰা হ'ল। এজনে মোক উপদেশে দি পেলালে, 'তই এক মাকৰ পৰা কণী এটা খাই আহি আনজনী মাকৰ পৰা অ.ৰু এটা কণী খুজি খাবি।' কোৱা বাহুল্য, প্ৰেমধৰক আন ল'ৰাই ঠাট্টা-বিদ্ৰুপ কৰা ঘটনাই মোৰ সংবেদনশীল অন্তৰ স্পৰ্শ কৰিছিল – কাৰণ মই নিজে একেটা ব্যাথাতে ব্যথিত আছিলো। সেই সূত্ৰে কব লাগিব, মোৰ চৰিত্ৰৰ আন এটা দিশ হ'ল, মই জীৱনত কোনোদিন কাৰো ব্যক্তিগত পাৰিবাৰিক, সামাজিক ব্যতিক্ৰম, অভাৱ বা বৈষম্যজনিত কাৰণত কাকো ঠাট্টা-বিদ্ৰুপ কৰি পোৱা নাই। আমাৰ সমাজত কাৰো মাহীমাক থকাটো এটা অসন্মানজনক সামাজিক ব্যতিক্ৰম হিচাপে গণ্য আছিল। পঢ়াশুনাত মই আন বহুতৰ তুলনাত আগবঢ়া আছিলো আৰু শিক্ষক সকলেও মোক যথেষ্ট মৰম কৰিছিল। গতিকে স্পষ্ট কাৰণত মোৰ প্ৰতি চলা ঠাট্টাবিদ্ৰুপজনিত অত্যাচাৰ আংশিকহে

আছিল।

এমেলগেমেটেড একাডেমীৰ প্ৰাৰম্ভিক অৱস্থা আশাপ্ৰদ নাছিল। এইক্ষেত্ৰত স্কুলখনৰ অৱস্থা আন আন প্ৰাৰম্ভিক স্কুলৰ পৰা বেলেগ নাছিল। দৰমহাজনিত নে আন কাৰণত, উপযুক্ত শিক্ষাগত অৰ্হতা থকা শিক্ষকৰ অভাৱ ঘটিছিল। ভাল শিক্ষক কোনোৱা আহিলেও স্থায়ীভাবে থিতাপি লোৱা শিক্ষকৰ সংখ্যা বেছি নাছিল। এইসকলৰ ভিতৰত শ্ৰীযুত পৱন শৰ্মাৰ নিচিনা ইংৰাজীৰ শিক্ষক মই জীৱনত পোৱা নাই। তেওঁ গ্ৰেজুয়েট আছিল; চুটি চাপৰ, বগাকৈ, ছটফটীয়া, কি শিক্ষকতাত, কি খেলাধূলাত তেওঁ ছাত্ৰ সকলৰ লগত অতি ঘনিষ্ঠ ভাবে মিলামিচা কৰিছিল। শিক্ষাৰ ৰীতি, শৈলী অতি সহজ আৰু সৰল আৰু আকৰ্ষণীয় আছিল। তেওঁৰ শিক্ষাৰ ধৰণত কিবা এটা যাদু আছিল যাৰ ফলত অসমীয়া মাধ্যমত পঢ়িলেও ক্লাছ চেভেনতে আমি মূল ইংৰাজীত চিঠিপত্ৰ লিখিব পৰা অৱস্থা হৈছিল। ক্লাছ চেভেনত 'মেথমেটিকচ'ৰ শিক্ষক আছিল উষাদাস চাৰ। তেওঁ বোধ কৰো আই এচ চি ফেল আছিল। হলে কি হ'ব, তেওঁৰ শিক্ষাৰ গুণত মই লগৰ ল'ৰাক এলজেব্ৰা শিকাব পৰা অৱস্থা হৈছিল। তেওঁ বোধ কৰো বেছি দিন নাছিল; বেছিদিন থাকিলেও তেওঁৰ সম্বন্ধে মোৰ আৰু একো মনত নাই। অতুলচন্দ্ৰ হাজৰিকা ৰচিত 'মেৱাৰ সন্ধ্যা' নাটক অভিনয়ত মই জীৱনত প্ৰথম বাৰৰ কাৰণে মঞ্চত অভিনয় কৰো আলাউদ্দিন খিলিজীৰ পুত্ৰ খিজিৰ খাঁৰ চৰিত্ৰত। নাটকখনৰ পৰিচালনা কৰিছিল উষাদাস চাৰেই।

তেতিয়া আমাৰ চৰম স্বাধীনতাৰ যুগ। এম ই স্কুলৰ হোষ্টেল জীৱনৰ কটকটীয়া বন্ধন শিথিল হৈ পৰিল। সেইবোৰ নিয়মকানুন, বন্ধনে আৰু আমাক স্পৰ্শ নকৰে। আমি বোধ কৰো বহু ওপৰলৈ উঠিলো। হোষ্টেল, হোষ্টেলৰ কেপ্তেইন, কেপ্তেইনৰ অনুমতি, আবেলি কেপ্তেইনৰ হুইচেলৰ লগে লগে খেলপথাৰলৈ দৌৰি যোৱা, পাহাৰৰ পৰা খৰি অনা, মাছ মৰা, দেওবাৰে সোণকোচ নৈৰ পাৰত কটোৱা, বগৰি খোৱা ইত্যাদি ইত্যাদি। সোণালী দিনবোৰ আৰু নিয়মানুবৰ্ত্তিতাৰ মাজেদি অপাৰ আনন্দৰ সোৱাদ ক্ৰমে ক্ৰমে অতীতৰ স্বপ্ন যেন বিলীন হৈ গ'ল। আমি এতিয়া সোণকোচ পাৰৰ পৰা অনা চেওৰা ডালৰ দাঁতনেৰে দাঁত নেমাজো, টুথব্ৰাচ আৰু পেষ্টহে ব্যৱহাৰ কৰো, পাহাৰৰ পৰা অনা খৰিৰে ৰন্ধা-বঢ়াৰ কাম নকৰো, এতিয়া খৰি কিনি ব্যৱহাৰ কৰা হয়। ছাত্ৰ সকলে পাল কৰি ৰন্ধাবঢ়াৰ দিনো গুচি গ'ল, এতিয়া ঠাকুৰে ৰন্ধা উন্নত মানৰ আহাৰ গ্ৰহণ কৰো। ধুতি আৰু হাফপেন্ট পিন্ধা দিনবোৰো পাৰ হৈ আহিল। এতিয়া আমি পায়জামা ব্যৱহাৰ কৰো – লিখাৰ কাৰণে ফাউন্টেনপেন নহলে নচলে।

শিক্ষকৰ সংখ্যা আছিল অতি কম, অযথেষ্ট। কেতিয়াবা শিক্ষকৰ অনুপস্থিতিত ক্লাছ একোটা 'আইডল বা নিষ্ক্ৰিয়' হৈ পৰিছিল। মোৰ মনত আছে, ক্লাছত শিক্ষক নথকাত একো একোদিন গৰম দিনত বহি বহি ইমান টোপনি আহিছিল যে স্কুল চলি থকা সময়তে আমি নিচেই ওচৰতে থকা চজনা গছৰ ছাঁত নাদত গা-পা ধুই সময় কটাইছিলো। বহুদিন আমি ৰাতি আহাৰৰ পাছত ৯/১০ বজাত ষ্টেচন পাৰ হৈ বজাৰলৈ গৈছিলো। সেই সময়ত আমাৰ প্ৰধান আকৰ্ষণ আছিল 'ৰামলীলা' অভিনয় আৰু খেমতা নাচ চোৱা। জুৱাৰ খেলত অংশগ্ৰহণ কৰা আৰু মিঠা পাণ খাই মুখখন ৰঙা কৰি তাত থকা প্ৰকাণ্ড প্ৰকাণ্ড আয়নাত নিজৰ শ্ৰীমুখ দৰ্শন কৰা। নিজৰ চেহেৰাৰ আকৰ্ষণো একো একোটা সময়ত কম সৰ্বনাশী নহয়। সাপ্তাহিক বজাৰখনৰ পূব-প্ৰান্তত বিহাৰী দেছোৱালী মানুহে মঞ্চ সাজি প্ৰায়ে ৰামলীলা অভিনয় কৰিছিল। সেই অভিনয় বা অভিনয় কৰা ব্যক্তি সকল সমাজৰ উচ্চ পৰ্যায়ৰ বুলি মন্তব্য কৰা নেযায়। এক অৰ্থত সেইবোৰ অভিনয় কৃত্ৰিম, বজৰুৱা সংস্কৃতিৰ অংগ বুলি মন্তব্য কৰা যায়। কাৰণ লোককলা বুলিবলৈ সেইবোৰত গ্ৰাম্য জীৱনৰ জোৰালো অভিব্যক্তি বা নিভাঁজ ব্যঞ্জনাৰ উপস্থিতি অনুভৱ কৰা নেযায়। ৰেডীমেড্ চকচকীয়া ৰঙৰ দৃশ্যপট সম্বলিত সেইবোৰ অভিনয় ৰামায়ণৰ কাহিনী আশ্ৰিত। কোৱা বাহুল্য, ৰামায়ণৰ কাহিনী, সেইবোৰ অভিনয় বা চকচকীয়া চিন-চিনাৰী মোক কোনোকালে আকৰ্ষিত বা প্ৰভাৱিত কৰিব পৰা নাই। প্ৰতিটো দৃশ্যৰ অন্তত, 'বলিয়ে, চতুৰ্ভূজী ভগৱানকী জয়', এই জাতীয় জয়ধ্বনিয়ে ৰামায়ণৰ 'ধৰ্ম-দৰ্শনৰ উৎকট প্ৰচাৰ-ধৰ্মিতাক হাস্যাস্পদ আৰু কৌতুকময় কৰি তুলিছিল। খেমতা নাচটোও একধৰণৰ নিম্নমানৰ গীতিনাট্য বুলিব পাৰি। তাত পুৰুষ সকলে হাৰমনিয়াম, তবলা, সাৰেংগি আদি বাদ্যযন্ত্ৰ বজায় আৰু তিৰোতা সকলে কীৰ্তন সংগীতৰ মাধ্যমত কৃষ্ণ-লীলাৰ অভিনয় দাঙি ধৰে। খেমতা নাচৰ লগত তলখাপৰ মানুহৰ স্ত্ৰী পুৰুষৰ এটি সন্দেহজনক সম্পৰ্কৰ সংস্কৃতি জড়িত হৈ থকা দেখা যায়। জুৱাখেলত হাৰজিৎ আছেই, কিন্তু যিহেতু জেপত সকলো সময়তে পইছা বেছি থকাৰ অৱকাশ হোৱা নাই, সেই হাৰজিতে আমাৰ জীৱনত বিশেষ প্ৰভাৱ পেলাব পৰা নাই। পঢ়া-শুনাৰ হাৰ দ্ৰুতগতিত হ্ৰাস পাই আহিছিল। কাৰণ একান্ত নিবিষ্টতাৰ দাবী লৈ অহা তেনেকুৱা শিক্ষকৰ সংখ্যাই বা কেইজন আছিল! এনে সৰ্বতোমুখী অধঃপতনৰ সম্ভাৱনাৰ মাজত উল্লেখযোগ্য ঘটনা, মই ইংৰাজীত যথেষ্ট আনন্দ পাবলৈ আৰম্ভ কৰিলো। আৰু সেই পৰিমাণে উন্নতি কৰিবলৈ আৰম্ভ কৰিলো। ইংৰাজী শিক্ষক পৱন শৰ্মা চাৰৰ পৰা পোৱা মৰম আৰু উদ্দীপনাৰো জীৱনত তুলনা নাই। এনেতে ঘটনা এটা ঘটিল; নিয়মবোৰ ভাঙনমুখী হবলৈ আৰম্ভ কৰিছে। হেড মাষ্টৰ চাৰে স্কুল আৰু হোষ্টেল সীমাৰ পৰা বজাৰৰ ফাললৈ ওলাই যোৱা দুটা গেটত নজৰ ৰখাৰ ব্যৱস্থা কৰিছে। আমাৰ কিছুমানে যে ৰাতি বজাৰলৈ গৈ জুৱাখেল, ৰামলীলা আৰু খেমতা নাচৰ নিয়মীয়া পৃষ্ঠপোষক হৈ পৰিছে, সেই কথা কৰ্তৃপক্ষই জানিব পাৰিছে। গতিকে নিৰ্ধাৰিত দিনত পৱন শৰ্মা চাৰৰ ক্লাছত আমাৰ বিচাৰ হ'ল – বিচাৰত দোষী সাব্যস্ত হোৱা আটাইকে স্কেলৰ কোব এজন এজনকৈ হাতত দিয়া হ'ল। মোৰো পাল পৰিল, কিন্তু কি বিচিত্ৰ অনুভূতি – যিমান জোৰ প্ৰয়োগ কৰি ইংৰাজী চাৰে মোৰ হাতত স্কেলডাল মাৰিলে সিমানেই ফুলৰ কোমলতাৰ স্পৰ্শ মোৰ হাতত অনুভূত হ'ল। অৰ্থাৎ সকলো ল'ৰাৰে ধাৰণা হ'ল স্কেলডালৰ কোবৰ যথাযথ যন্ত্ৰণা মোৰ হাততো পৰিছে। তেনে এক অভূতপূৰ্ব মৰমৰ অভিজ্ঞতা মোৰ জীৱনত কাহানিও ঘটা নাই। এক অনিৰ্বচনীয় আনন্দত মোৰ সকলো সত্তা শিয়ৰি উঠিছিল।

একাডেমীৰ ক্লাছ চেভেন আৰু ক্লাছ এইটৰ বছৰ দুটা ইংৰাজীৰ ক্লাছ বাদ দিলে প্ৰায় 'নন-ইভেন্ট'। মোৰ বিকৃতি পৰ্বৰ তেতিয়াই আৰম্ভ হ'ল – মই চুলি দীঘলকৈ ৰাখিবলৈ আৰম্ভ কৰো, বৰবেছিকৈ যাত্ৰা-থিয়েটাৰ চাওঁ, যাত্ৰা-থিয়েটাৰৰ মাদকতাৰ মাজেদি বাস্তৱ জীৱনৰ কৰ্তব্য নিষ্ঠাৰে পালন কৰিবলৈ পাহৰি পেলাওঁ। মাজে মাজে আমাৰ হেড্ মাষ্টৰ শ্ৰীযুত মেধী চাৰে আমাৰ ক্লাছ পৰিদৰ্শন কৰিছিল – তেওঁ এদিন মোৰ মূৰত হাত দি সুপ্ৰচুৰ চুলি কোচা লিৰিকি বিদাৰি বহু সময় ধৰি তামাচা কৰিছিল। অকল মোৰে নহয়, আমাৰ আটাইৰে কিছু কিছু অৱনতি ঘটিছিল—ক্লাছ চেভেন আৰু ক্লাছ এইট দুয়োটা –ক্লাছত প্ৰমোচন পৰীক্ষাত সিকেন প্ৰথম আৰু মই দ্বিতীয় হ'লো। সিকেনক চাপটগ্ৰামত থকা কালত হৰুৱাব পৰা নগল। চাপটগ্ৰামত শেষৰ দুটা বছৰ ৰণেন্দ্ৰৰ তত্ত্বাবধান লব লগা হৈছিল – সি প্ৰথমমান পাছ কৰিয়ে ক্লাছ 'থ্ৰি'ত ভৰ্তি হ'ব লগা হোৱাত সকলোফালে তেনেই কেঁচা আছিল। তাক শিকোৱাই পঢ়ুৱাই মই হাৰাশাস্তি হ'ব লগা অৱস্থা হৈছিল। প্ৰায়ে পঢ়া নোৱৰাত হতবুদ্ধি হৈ তাৰ গালত চৰ একোটা মাৰিছিলো, সিও চিঞৰি চিঞৰি কান্দিছিল। এইদৰে চৰচাপৰ আৰু কান্দা-কাটিৰ ঘটনাত, 'শোভাৰামে ভায়েকক বৰকৈ মাৰধৰ কৰে', এই ধৰণৰ ব্যাপক প্ৰচাৰ বিয়পি পৰিল। ক্লাছ নাইন' পাই মই আৰু মোৰ লগতে ভালে কেইজন ছাত্ৰই একাডেমীৰ পৰা বিদায় লৈ ধুবুৰী চহৰৰ চৰকাৰী হাইস্কুলত নাম ভৰ্তি কৰিলোগৈ। তাহাঁতৰ ভিতৰত ফণী, সমৰ, অমৃত, শচীন ইত্যাদি। প্ৰথম অৱস্থাত হেড মাষ্টৰ চাৰে মোক ট্ৰান্সফাৰ চাৰ্টিফিকেট দিব খোজা নাছিল। দেউতাই আধা বঙলা আৰু আধা অসমীয়াত (বঙলাত পঢ়া-শুনা কৰিলেও অসমীয়াত লিখাৰ চেষ্টা জনিত কাৰণত) তেওঁলৈ এখন 'মহাভাৰত' কাকত পঠিয়াই দিলে – মোক চাৰ্টিফিকেট দিয়া হ'ল, কিন্তু তাৰ লগতে তেওঁ চৰম সাবধান বাণীও শুনালে, 'ফাৰ্ষ্ট ডিভিছন নেপালে চাবি, মূৰ ছিঙিম....... ইত্যাদি।' মোৰ মূৰটো অৱশ্যে ৰক্ষা পৰিছিল। মোৰ এনে ধাৰণা হৈছিল, তেওঁ মোৰ ওপৰত অসন্তুষ্ট হৈ থাকিল – তেওঁৰ আশীৰ্বাদ লাভ কৰিবলৈ মই সমৰ্থ নহলো। মোৰ ভৱিষ্যত জীৱনকাহিনীৰ গতিপথ আৰু তাৰ বিৰূপ গতি প্ৰকৃতিয়ে তেনে ভাবনাৰে ইংগিত দিয়ে। চাকমা স্কুলৰ পৰা দ্বিতীয়মান পাছ কৰিয়ে বৃত্তি নিদিয়াকৈ চাপটগ্ৰামলৈ দেউতাই মোক লৈ যোৱাত ৰোহিনী মাষ্টৰেও যথেষ্ট অসন্তুষ্ট হৈছিল।

চাপটগ্ৰাম এমেলগেমেটেড একাডেমী এৰি যাব লগা হোৱাত মোৰ এটামাত্ৰ খেদ মনৰ মাজত ৰৈ গ'ল – পৱন শৰ্মা চাৰৰ ইংৰাজী ক্লাছ আৰু কোনোদিনে কৰা নহ'ব। ■



বৰাক উপত্যকাত

# ভাৰতীয় জনতা পাৰ্টিৰ অভ্যুত্থানৰ ৰাজনৈতিক পটভূমি

তৈমুৰ ৰাজা চৌধুৰী

যোৱা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিৰ সাফল্যই অসমৰ ৰাজনীতিত এটা নতুন অধ্যায়ৰ সূচনা কৰিলে। অসমত কংগ্ৰেছ (ই) পুনৰ ক্ষমতালৈ অহাত অসমৰ ৰাজনৈতিক তথ্যাভিজ্ঞ মহল খুব বেছি আচৰিত নহলেও বৰাক উপত্যকাত ভাৰতীয় জনতা পাৰ্টিৰ সাফল্যই কিন্তু তেওঁলোকক আচৰিত কৰি তুলিছে। এই উপত্যকাত বিধান সভাৰ ১৪ খন আসনৰ ৯ খন আসন আৰু লোক সভাৰ ২ খন আসনৰ দুয়োখনেই লাভ কৰি ভাৰতীয় জনতা পাৰ্টিয়ে কংগ্ৰেছৰ দুৰ্গত চৰম আঘাত হানিছে। '৮৫-ৰ নিৰ্বাচনত ৰাজনৈতিক পৰিবেশ অগপ-ৰ অনুকূল হৈ থকা সত্ত্বেও বিধান সভাৰ ১০ খন আসন আৰু লোক সভাৰ ১ খন আসন কংগ্ৰেছ (ই) দলে লাভ কৰিবলৈ সক্ষম হৈছিল। এইবাৰ বিধান সভাৰ নিৰ্বাচনত মাত্ৰ তিনিখন আসনহে কংগ্ৰেছ (ই) দলে লাভ কৰিছে। উপত্যকাৰ দুয়োখন লোক সভাৰ আসনেই ভাৰতীয় জনতা পাৰ্টিয়ে দখল কৰিছে। যি তিনিখন আসন কংগ্ৰেছে লাভ কৰিছে তাতো সংগঠনতকৈ প্ৰাৰ্থী কেইজনৰ ব্যক্তিগত কৃতিত্বই বেছি। ইয়াৰ বাহিৰেও নিৰ্বাচনত জিকিবৰ কাৰণে নানা আধুনিক কৌশলৰ সাহায্য লবলৈও এওঁলোকে দ্বিধাবোধ কৰা নাই।

এই উপত্যকাত বিজেপি দলৰ উল্লেখযোগ্য সাফল্য আৰু কংগ্ৰেছ দলৰ চৰম বিপৰ্যয়ৰ কাৰণ বিশ্লেষণ কৰিলে দেখা যায় যে বৰাক উপত্যকাত সাম্প্ৰদায়িক ৰাজনীতিৰ বিস্তাৰেই ইয়াৰ মূল কাৰণ। বিগত আশী চনৰ নিৰ্বাচনৰ পৰাই এই সাম্প্ৰদায়িক ৰাজনীতিৰ প্ৰভাৱ বৃদ্ধি পাইছে। '৮০ চনৰ নিৰ্বাচনত শিলচৰ লোক সভা সমষ্টিৰ পৰা নিৰ্বাচিত হোৱা কংগ্ৰেছ (ই) সাংসদ সন্তোষ মোহন দেৱেই এই সাম্প্ৰদায়িক ৰাজনীতিৰ মূল প্ৰবক্তা। তথ্যাভিজ্ঞ মহলৰ মতে শ্ৰীদেৱে সাম্প্ৰদায়িক ৰাজনীতিৰ আশ্ৰয় লৈয়েই তৎকালীন কেন্দ্ৰীয় মন্ত্ৰী কংগ্ৰেছ (স) প্ৰাৰ্থী ৰছিদা হক চৌধুৰীক (প্ৰয়াত মইনুল হক চৌধুৰীৰ পত্নী) পৰাজিত কৰিছিল। উল্লেখযোগ্য যে '৮০ চনৰ নিৰ্বাচনৰ দিনা আবেলিৰ পৰাই কাছাৰত এক ব্যাপক সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হয়। ১৯৫০ চনৰ পিছত কাছাৰত প্ৰথমবাৰৰ কাৰণে এনে সংঘৰ্ষ সংঘটিত হ'ল। এই সাম্প্ৰদায়িক ৰাজনীতিৰ কৌশলে এইবেলি কিন্তু সন্তোষ মোহন দেৱৰ নিজৰ দলকেই এই উপত্যকাত বিপৰ্যয়ৰ মুখলৈ ঠেলি দিলে। '৮০ চনত সংসদলৈ নিৰ্বাচিত

হোৱাৰ পিছৰ পৰাই সন্তোষ মোহন দেৱ বৰাক উপত্যকাৰ এজন অবিসম্বাদী নেতা হৈ পৰে। তাৰ পিছৰ পৰাই শ্ৰীদেৱে বৰাক উপত্যকাত সাম্প্ৰদায়িক ৰাজনীতিৰ পৰম্পৰা অব্যাহত ৰাখি সৰ্বদা হিন্দু মৌলবাদী আৰু মুছলিম মৌলবাদী সকলৰ সহায়ত নিজৰ ৰাজনৈতিক অৱস্থান সুদৃঢ় কৰি তোলে। সন্তোষ মোহন দেৱে হিন্দু মৌলবাদী সকলক সহায় কৰি থকাৰ লগতে ভাৰতীয় জনতা পাৰ্টিৰ দৰে এটা ৰাজনৈতিক দলৰ লগত পৰোক্ষ ভাবে সম্পৰ্ক ৰাখি চলিছিল। শ্ৰীদেৱে তেওঁৰ নিজৰ ব্যক্তিগত ৰাজনৈতিক সুবিধাৰ বাবে নিৰ্বাচনৰ সময়ত কেতিয়াবা 'উপৰে পদুম নীচে হাত' আৰু কেতিয়াবা বা 'উপৰে হাত নীচে পদুম' ফৰ্মুলা অৱলম্বন কৰে। শ্ৰীদেৱৰ সাম্প্ৰদায়িক ৰাজনীতিৰ প্ৰশ্ৰয়তেই ভাৰতীয় জনতা পাৰ্টিয়ে নিজৰ শক্তি বৃদ্ধি কৰিবলৈ ধৰে। যি সকল হিন্দু সাম্প্ৰদায়িকতাবাদীয়ে যোৱাকালিলৈকে সন্তোষ মোহন দেৱকেই তেওঁলোকৰ নেতা হিচাপে গ্ৰহণ কৰি আহিছিল আৰু কংগ্ৰেছ (ই) দলকেই ভোট দি আহিছিল তেওঁলোকেই আজি নিজস্ব দল গঠন কৰি আৰু নেতা সৃষ্টি কৰি কংগ্ৰেছ (ই) দলক বৰাক উপত্যকাৰ পৰা প্ৰায় বিতাড়িত কৰিলে। অৱশ্যে নিৰ্বাচনৰ কিছুদিন আগতেই সন্তোষ মোহন দেৱে এই কথাৰ উমান পাইছিল। দলৰ হৈ প্ৰাক-নিৰ্বাচনী প্ৰচাৰ অভিযান চলাবলৈ আহি বৰাক উপত্যকাত উপস্থিত হৈ শ্ৰীদেৱৰ এই অভিজ্ঞতা হয় যে উপত্যকাৰ হিন্দু অধ্যুষিত অঞ্চলত তেওঁৰ কাৰণে নিৰ্বাচনী সভা পতাটোৱেই অসম্ভৱ হৈ পৰিছে। কোনো কোনো ঠাইত নমো নমো কৰি সভা কৰিব পাৰিলেও তেওঁৰ নিজৰ অনুগত মানুহৰ হাততেই তেওঁ নানা প্ৰশ্ন বাণেৰে জৰ্জৰিত হ'ব লগাও হৈছিল। পৰিষদীয় ৰাজনীতিৰ আৰম্ভণিৰে পৰাই শ্ৰীদেৱে কংগ্ৰেছত নিজৰ এটা উপদল গঢ়ি তুলিছিল আৰু উপদলৰ বাহিৰৰ কোনো লোকক তেওঁ কোনো গুৰুত্ব নিদিছিল। বিজেপি-য়ে এই পৰিস্থিতিৰ সম্পূৰ্ণ সুযোগ গ্ৰহণ কৰিছে। আনহাতে দেখা গৈছে যে ব্ৰহ্মপুত্ৰ উপত্যকাত মুছলমান সম্প্ৰদায় মূলতঃ কংগ্ৰেছকেই ভোট দিছে। বৰাক উপত্যকাত কিন্তু ইয়াৰ ওলোটাহে ঘটিছে। এই উপত্যকাৰ মুছলমান সকলে মোটামুটি ভাবে সন্তোষ মোহনৰ কংগ্ৰেছক প্ৰত্যাখ্যান কৰিছে। ইয়াৰ অন্যতম কাৰণ হ'ল সাম্প্ৰদায়িক পোলাৰাইজেশ্বন অৰ্থাৎ মেৰুভৱন। যোৱা বছৰ ৰাম মন্দিৰ বাবৰি মছজিদৰ ঘটনাক কেন্দ্ৰ কৰি হাইলাকান্দিত সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হোৱাৰ পিছৰ পৰাই বৰাক উপত্যকাত সাম্প্ৰদায়িক বিষবাষ্প তীব্ৰবেগে বিয়পি পৰে আৰু দুই সম্প্ৰদায়ৰ মাজত অবিশ্বাসৰ বাতাবৰণ সৃষ্টি হয়। এই পৰিস্থিতিৰ সম্পূৰ্ণ সুযোগ লয় ভাৰতীয় জনতা পাৰ্টিয়ে। এই পৰিস্থিতি ৰাজনৈতিক ভাবে মোকাবিলা কৰাত কংগ্ৰেছ (ই) দলতো ব্যৰ্থ হৈছেই, আনকি বাওঁপন্থী দলসমূহো সমভাবে ব্যৰ্থ হৈছে। বৰাক উপত্যকাত মুছলমান সকলে কংগ্ৰেছক যে প্ৰত্যাখ্যান কৰিছে তাৰ কাৰণ হ'ল – এই উপত্যকাৰ কেইবাজনো বিশিষ্ট মুছলমান নেতাৰ কংগ্ৰেছ-ত্যাগ। যদিও এই সকল নেতাই তেওঁলোকৰ পদত্যাগপত্ৰ মতে ৰাম জনমভূমি বাবৰি মছজিদ প্ৰসংগত কংগ্ৰেছ (ই)-ৰ নেতৃত্বৰ ভূমিকাক নিন্দা কৰি দলত্যাগ কৰিছিল, তেওঁলোকৰ দলত্যাগৰ প্ৰকৃত কাৰণ হ'ল – সন্তোষ মোহন দেৱৰ লগত তেওঁলোকৰ বিৰোধ। এই সকল নেতা (দলত্যাগী নেতা সকল) আৰু উপত্যকাৰ মুছলমান সমাজৰ নব্বৈ শতাংশ লোকে এই বুলি মত পোষণ কৰে যে কোনো ব্যক্তিত্ব সম্পন্ন মুছলীম কংগ্ৰেছ নেতাকে সন্তোষ মোহম দেৱে মানি লব নোৱাৰে। তেওঁলোকৰ মতে সন্তোষ মোহন দেৱৰ কথাত যি সকলে উঠাবহা কৰে তেওঁলোকেই বাৰে বাৰে কংগ্ৰেছৰ মনোনয়ন লাভ কৰে। তেওঁলোকে সমাজৰ কোনো কাম নকৰিলেও চলে। সেইবাবেই এইবাৰৰ নিৰ্বাচনী ফলাফলত মুছলমান সমাজৰ সেই ক্ষোভৰ প্ৰতিফলন দেখা পোৱা গ'ল। কাছাৰ জিলাৰ গুৰুত্বপূৰ্ণ সোণাই বিধান সভা সমষ্টিত (য'ত নেকি '৮৫ চনৰ নিৰ্বাচনত আব্দুল ৰব লস্কৰে ৫৬,১৯০ টা ভোট লাভ কৰি অভিলেখ স্থাপন কৰিছিল), এইবাৰৰ নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থীজনে এই সমষ্টিটোত মাত্ৰ ৭,০২০টা ভোট লাভ কৰি পঞ্চম স্থানহে পায়। '৮৫-ৰ নিৰ্বাচনত হাইলাকান্দিৰ অপ্ৰতিদ্বন্দ্বী কংগ্ৰেছ প্ৰাৰ্থী আব্দুল মুহিব মজুমদাৰে যিটো সমষ্টিত ২৭,৯৫৭ টা ভোট লাভ কৰি বিজয়ী হৈছিল এইবাৰ তেওঁ মাত্ৰ ২,৭২৪ টা ভোটহে লাভ কৰিছে। কৰিমগঞ্জ (দক্ষিণ) কেন্দ্ৰত প্ৰায়েই জয়ী হোৱা কংগ্ৰেছ প্ৰাৰ্থী মোক্তাদীৰ চৌধুৰীয়ে মূল প্ৰতিদ্বন্দ্বিতাত স্থান লাভ নকৰাকৈয়ে শোচনীয় ভাবে পৰাজয় বৰণ কৰিছে। বৰখলা সমষ্টিত এইবাৰৰ কংগ্ৰেছ প্ৰাৰ্থী মিছবাউল ইছলাম লস্কৰে মাত্ৰ ৭,৫৪৯ টা ভোট লাভ কৰি তৃতীয় স্থান লাভ কৰিছে। লক্ষ্য কৰিব লগা কথা এয়ে যে কংগ্ৰেছৰ এই মুছলীম প্ৰাৰ্থী সকলে কেৱল যে মুছলমান সকলৰ হে ভোট পাইছে এনে নহয়, তেওঁলোকে পোৱা ভোটৰ মাজত আছে পৰম্পৰাগত কংগ্ৰেছী হিন্দু ভোট। এই সকল প্ৰাৰ্থীয়ে সন্তোষ মোহনৰ খয়েৰ খাঁ-ৰ প্ৰভাৱত কংগ্ৰেছৰ মনোনয়ন লাভ কৰিছিল। আমোদজনক কথা হ'ল কংগ্ৰেছ ত্যাগী এই মুছলমান নেতা সকলে কংগ্ৰেছ প্ৰাৰ্থীতকৈ অধিক ভোট লাভ কৰিবলৈ সক্ষম হৈছে। মুছলীম ভোটৰ বিভাজনেই ইয়াৰ প্ৰধান কাৰণ। বৰাক উপত্যকাৰ এক শ্ৰেণী লোকে অগপ পুনৰ ক্ষমতালৈ আহিব পাৰে বুলি ভাবি অগপ-কেই ভোট দিছে। মুছলীম অধ্যুষিত কোনো কোনো স্থানত অগপ প্ৰাৰ্থীয়ে আনকি দ্বিতীয় স্থান অধিকাৰ কৰিবলৈও সক্ষম হৈছে। আলগাপুৰত প্ৰাক্তন অগপ মন্ত্ৰী ছহিদুল আলম চৌধুৰীৰ বিজয় অপ্ৰত্যাশিত নহয়। আনহাতে কোনো কোনো সমষ্টিত মুছলমান লোকে ভাল নিৰ্দলীয় বা অগপ প্ৰাৰ্থী পায়ো জনতা দলকেই ভোট দিছে। হাইলাকান্দি আৰু উদাৰবন্দত জনতা দলৰ প্ৰাৰ্থীয়ে দ্বিতীয় স্থান লাভ কৰা কথাটোৱে ইয়াকে সূচায়। অন্যহাতে উপত্যকাত হিন্দু ভোটৰ বিভাজন হোৱা নাই বাবেই ভাৰতীয় জনতা পাৰ্টিয়ে অভূতপূৰ্ব সাফল্য লাভ কৰিছে।

শেষত ইয়াকেই ক'ব পাৰি যে বৰাক উপত্যকাত কংগ্ৰেছ (ই)ক পূৰ্বৰ অৱস্থালৈ পুনৰ ঘূৰাই আনিবলৈ হ'লে – (১) হিন্দু সকলৰ মাজত পুনৰ কংগ্ৰেছৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ কংগ্ৰেছক 'সন্তোষ মোহন উপদল'ৰ পৰা মুক্ত কৰি জনমানসত ভাবমূৰ্ত্তি থকা কোনো লোকক কংগ্ৰেছৰ নেতৃত্ব দিব লাগিব। (২) কংগ্ৰেছৰ ভোট বেংক বুলি পৰিচিত মুছলীম আৰু অন্যান্য সম্প্ৰদায়ক পুনৰ কংগ্ৰেছলৈ ওভতাই অনাটো হিন্দু নেতৃত্ব বা এইবোৰ সম্প্ৰদায়ৰ বৰ্তমানৰ তথাকথিত কংগ্ৰেছী নেতৃত্বৰ দ্বাৰা সম্ভৱ নহয়। সেইবাবে এই সম্প্ৰদায়বোৰৰ মাজৰ পৰাই জনগণৰ আস্থা থকা ব্যক্তিয়ে নেতৃত্ব লবলৈ ওলাই আহিব লাগিব।


*[লেখক পৰিচিতিঃ দক্ষিণ অসম তথা বৰাক উপত্যকাৰ বিশিষ্ট সাংবাদিক তৈমুৰ ৰাজা চৌধুৰী 'সাময়িক প্ৰসংগ' নামৰ বাৰ্তা-লোচনীৰ সম্পাদক]*





# দিকচৈন

দীপক কুমাৰ বৰকাকতী



অংকন: চম্পক বৰবৰা

ৰেমাৰ অনুভৱ হ'ল তাৰ কঁকালৰ বিষটো নাই। এই বিষটোৰ বাবেই কেইমাহমানৰ আগলৈকে সি বিছনাত পৰি আছিল। দুমাহমানৰ পৰাহে বিছনাৰ পৰা নামিব পৰা হৈছে। যোৱা এপষেকমানৰ পৰা পাহাৰৰ ওখ-চাপৰত খোজ দিওঁতে সি কেতিয়াবা কঁকালৰ কোনোবাটো অংশ টানি ধৰা যেন পাইছিল। যোৱা তিনিদিনমানৰ পৰা সেইটোও নাই। কিন্তু যোৱা কেইবাদিনো তাৰ ভালদৰে টোপনি অহা নাই।

ঘৰৰ ভিতৰৰ চাংখনৰ পৰা ৰেমা বাহিৰলৈ ওলাই আহিল। বাহিৰত পাতল

কুঁৱলি পৰিছে। তাৰ মাজেৰে পাহাৰৰ সিপাৰৰ পৰা গোলকৈ বেলিটো ওলাই পৰিছে। কুঁৱলিৰ বাবে বেলিটোৰ ডাঠ ৰংচুৱা বৰণ চকুত পৰা নাই।

ভিতৰৰ চাংখনত হোৱা ভৰিৰ শব্দত চৌকাত কাম কৰি থকাৰ পৰা ছিংপুই ওলাই আহিল। তাই অলপ আগতে বাঁহৰ চুঙাত পানী আনি থৈছেহি। তাই ডাঙৰ এলুমিনিয়ামৰ বাটিটোৰে পানী এবাটি ৰেমালৈ আগুৱাই দি ক'লে– উঠিলি! হো- পানী ল'।

ৰেমাই পানীৰ বাটিটো লোৱাৰ আগতে তাইৰ মুখখনলৈ কিছুসময় চাই ৰ'ল। তাইৰ মুখ ৰংচুৱা। গাল দুখন পুৰঠ আৰু মিহি। গোটেই শৰীৰত যৌৱনৰ ভৰ। চকুত শিশুৰ সৰলতা। ৰেমাই তাইৰ হাতৰ পৰা পানীৰ বাটিটো ল'লে।

ছিংপুইয়েই মাকৰ লগত তাক জংঘলত অচেতন হৈ পৰি থকা দেখা পাইছিল। সিহঁত গৈছিল জুম খেতিলৈ। তাক তেনেকৈ পাই মানুহ-দুনুহ ৰিঙিয়াই মাতি ডাংডোলা কৰি কোনোমতে ঘৰ পোৱাইছিলহি। পাহাৰৰ টিলা দুটাৰ ওপৰত সিহঁতৰ গাঁওখন– নাম ৰাছীভেঙ্। ইয়াৰে কোনোবা এটাই বোলে ছাইহাত চাপ্ৰাছী কৰে। ৰাছীভেঙৰ অৰ্থ চাপ্ৰাছী বাস কৰা গাঁও। গাঁওখনত মুঠতে পোন্ধৰ ঘৰ মানুহ। ৰেমাক অনাৰ দিনা ৰাছীভেঙৰ কাৰো খেতিলৈ যোৱা নহ'ল। মানুহবোৰে ছিংপুইহঁতৰ ঘৰতে আনি তাক শুৱাই দিলে। তাৰ কঁকালেৰে দুটা গুলি সৰকি গৈছিল। শৰীৰৰ আঘাত পোৱা অংশবোৰ মানুহবোৰে ধুৱাই দিলে। ক্ষত দুডোখৰত সিহঁতৰ ঘৰত থকা ঔষধ-পাতিবোৰ ঢালি দিলে। তাৰ পাছত গাঁৱৰ বুঢ়া মানুহ এটাই গছৰ পাত কিছুমান বিচাৰি আনি সেইবোৰ থেতেলিয়াই কঁকালত লেপি আন ডাঙৰ পাত দুটামানেৰে মেৰিয়াই বান্ধি দিলে।

ৰেমাই এই কথাবোৰ গম পোৱা নাছিল। পাছত ছিংপুইয়েহে তাক কৈছিল। কথাবোৰ মনত পেলাই ৰেমাই মুখখন কুল-কুলি কৰিলে। দেৱিলেকে শুই আছিল যদিও নিশা সি বহু সময় টোপনি যোৱা নাছিল। সি জোৰেৰে চকুৰে মুখে পানী চটিয়াবলৈ ধৰিলে। গাত চাটি মাৰি লৈ থকা কাপোৰখনেৰেই সি মুখখন মচিলে। সি ক'ব নোৱৰাকৈ হোৱা গালৰ কটা দাগটোৰ ওপৰত কাপোৰখন দুবাৰমান জোৰকৈ মোহাৰিলে।

ঘৰটোৰ আগফালৰ সৰু চোতালখনতে ছিংপুইৰ বাপেক ডাইপ'লাই বাঁহৰ কাঠি তুলি আছিল। মানুহটো পাকৈত বাঢ়ৈ। বাঁহৰ কাঠিৰে মূৰৰ টুপী নিপুণকৈ বনাব পাৰে। মানুহটোক দেখিলে ৰেমাৰ নিজৰ বাপেক কিয়েনল'ভালৈ মনত পৰে।

তাক দেখি ডাইপ'লাই মাতিলে–উঠিলি? আজি তোৰ বিষটো কেনে?

– আজিও নাই। – ৰেমাই ক'লে। সি বুঢ়াৰ ওচৰতে বহিলহি আৰু বাঁহ দুচেওমান চপাই ল'লে।

– এই কি কৰ?

– ময়ো কাঠি দুডালমানকে তোলো। – ৰেমাই ক'লে।

– থ' থ'- নালাগে। তোৰ আকৌ কঁকালটো টানি ধৰিব। বুঢ়াই তাৰ ওচৰৰ পৰা বাঁহৰ টুকুৰা কেইটা লৈ গ'ল।

ৰেমাই চোতালত পীৰা এখন পাৰি বহিল। সি পীৰাত বহিব পৰাকৈ বিষটো ভাল পাইছে। কিছুদিনৰ পৰা কিন্তু তাৰ মনটোহে অশান্ত হৈ পৰিছে। অলপ অকলশৰীয়া হ'লেই কিছুমান প্ৰশ্নই তাক জুমুৰি দি ধৰে। সি এতিয়া কি কৰিব? ইয়াতে থাকিবনে? নে গাঁৱলৈ উভতি যাব? আত্মসমৰ্পণ কৰিব নেকি? নে আৰাকানৰ জংঘলত পুনৰ সোমাই পৰিব? গাঁৱৰ মানুহবোৰে তাক ইমান আদৰ সন্মানেৰে ৰাখিছে যে সি নিজে সিহঁতৰ ধাৰণা চুৰমাৰ কৰি দিয়ে বুলি তাৰ ভয় হয়।

গাঁৱৰ মাজৰ ঠেক বাটটোৰে কোনোবা মানুহ এটাই গা-গছ এডোখৰ কঢ়িয়াই লৈ গৈছিল। সি মূৰটো অলপ বেঁকা কৰি চিঞৰিলে– পু প'লা! থ্লাংভালটোৰ ভালনে?

– তাৰ ভালেই। সি ইয়াতে বহি আছে। তাকনো নোসোধ কিয়? – ডাইপ'লাই ক'লে।

– মই আক' মূৰ ঘূৰাব পাৰিলেহে। তোকেই দেখা নাই। খবৰ এটা দিওঁ বুলিহে চিঞৰিলো।

– কি খবৰনো? – ডাইপ'লাই সুধিলে।

– ডেকাটোৰ বাবে কিবা খবৰ আছে বোলে। আমাৰ সেই মূৰ্খটো– সি ছাইহালৈ গৈছিল নহয়, সি বোলে চাপ্ৰাছীটোক লগ পাইছিল। সি কিবা খবৰ দিছিল। ই আক' বুজিবকে নোৱাৰিলে কিনো খবৰ দিব লাগে।

– জধা মূৰ্খটো!

– সি অৱশ্যে এটা কথা কৈছে। কথাটো বোলে তোৰ তাত থকা ডেকাটো সম্পৰ্কীয়। হওঁতে চাপ্ৰাছী পৰহিয়েই ছাইহাৰ পৰা ৰাওনা কৰাৰ কথা। আজি মানে এইখিনি পাবহি চাগে'–।

মানুহটো গ'লগৈ।

ৰেমাই কি খবৰনো থাকিব পাৰে বুজি নাপালে। কিন্তু সি অনুমান কৰিলে খবৰটো নিশ্চয় এম এন এফ সম্পৰ্কীয়ই হব। যোৱা প্ৰায় দেৰ বছৰেই সি এই গাঁৱত আছে। দুবাৰমান চি আৰ পি, মিলিটাৰীৰ দল দুটামান গাঁৱৰ মাজেৰে পাৰ হৈ গৈছে। কিন্তু তাক একো কৰা নাই।

ছিংপুইয়ে ৰেমাক এনামেলৰ কাপ এটাত সেৰেকা ফিকা চাহ একাপ দিলেহি। বাপেক ডাইপ'লাই চাহ নাখায়েই বুলিব লাগে। বুঢ়াই যু খাবলৈহে ভাল পায়। পুৱাই কাম কৰিবলৈ লৈ বুঢ়াই ডাঙৰ মগ্ এটাত এমগ যু কাষত থৈ লয়। এতিয়াও থৈ লৈছে আৰু মাজে মাজে দুই এঢোক পি আছে।

ৰেমাই চাহ কাপত সোহা মাৰি বুঢ়ালৈ চাই থাকিল। বুঢ়াৰ গাৰ মঙহবোৰ অলপ শিথিল হৈ পৰিছে। কাঠি তোলাৰ লগে লগে অলপ অলপ কঁপিছে। এই দেহাৰেই সি খেতি-বাতিও কৰি আছে। ডাঙৰ পুতেক তিনিটাই বিয়া-বাৰু কৰাই বেলেগে ঘৰ বান্ধিছে। সৰুটো তাৰ লগতে আছে যদিও কামিলা নহয়। বুঢ়াৰ মানত সি ধোদৰ পচলা। গতিকে তাৰ ওপৰত বুঢ়াই মুঠেই নিৰ্ভৰ নকৰে। সি নিজে, ঘৈণীয়েক ছঙ্ভূঙী আৰু জী ছিংপুইয়ে খেতি-বাতি কৰি ঘৰখন চলায়।

ডাইপ'লাৰ ঘৰত থকা ৰেমাৰ এবছৰৰ ওপৰ হ'লহি। সি একোকে কৰা নাই। আঠমাহমান বিছনাত পৰি আছিল। ছঙ্ভূঙী আৰু ছিংপুইয়ে তাৰ বেছ যত্ন লৈছিল। কাম ক্ষতি কৰিও কোনোবা নহয় কোনোবা এটা তাৰ কাষত আছিল। সি বিছনাৰ পৰা উঠি লাখুটি এডাল লৈ ইফালে সিফালে যাব পৰা হওঁতেহে অলপ সময়ৰ বাবে ইটো সিটো কৰিবলৈ ডাইপ'লা, ছিংপুইহঁত ইফালে সিফালে গৈছিল। তথাপিও সি অকলশৰে থাকিব লগা হোৱা নাছিল। গাঁৱৰ ডেকা-বুঢ়া, সৰু সৰু ল'ৰা-ছোৱালী মখাৰ কোনোবা নহয় কোনোবা তাৰ লগত আছিলেই। সি আছিল সৰু গাঁওখনৰ ব্যতিক্ৰম। আন্দোলন আৰম্ভ হোৱাৰ সময়ত গাঁওখনত ঘৰ আছিল মুঠেই সাতোটা। সিহঁতে মাউতামটো হৈ যোৱাৰ




পিছতেই জুম খেতিৰ পথাৰৰ মাজতে টিলা দুটাত একেলগে ঘৰ পাতি বহিছিল। এতিয়া পৰিয়াল বিলাক ভাগ ভাগ হৈ ঘৰ পোন্ধৰটা হৈছেগৈ। সেই সময়ত সিহঁতৰ ওচৰত থকা চহৰখনৰ দূৰত্ব আছিল ছয় দিনৰ বাট। এম এন এফ-ৰ আন্দোলন, স্বাধীনতাৰ যুঁজ সিহঁতৰ বাবে আছিল অৰ্থহীন। গাঁওখনৰ কোনেও এম এন এফ-ত যোগ দিয়া নাছিল। বন্দুক-বাৰুদ লৈ যুঁজ দিয়াৰ, আৰাকান আৰু চিন্দুইনৰ পাৰৰ অভিজ্ঞতা সিহঁতৰ কাৰো নাই। তাৰ ওচৰলৈ সিহঁত এই কাহিনীবোৰকে শুনিবলৈ আহে। শুনি সিহঁতে তাৰ মুখলৈ ৰ' লাগি চাই থাকে। সিহঁতৰ এনে ধাৰণা হয় যেন ৰেমা সিহঁতৰ মাজত প্ৰচলিত সাধুবোৰৰ কোনোবা এটা বীৰহে। গাঁৱৰ তিৰোতা মানুহ দুই এজনীয়ে ল'ৰা-ছোৱালীক এইবোৰ সাধু ক'লে, বীৰৰ কথা ওলালেই ৰেমাৰ উপমা দিয়ে। সেয়েহে ছঙ্ভূঙী আৰু ছিংপুইৰে নহয়, ৰেমা সিহঁতৰ ঘৰত থকাৰ বাবে ডাইপ'লাৰো বুকু গৰ্বত ওফন্দি পৰে। খালি ছিংপুইৰ ককায়েক ৰ'থাঙাটোৰহে ৰেমা থকাৰ কাৰণে পেটে পেটে খং। সি থকাৰ পৰাই ৰ'থাঙা যে ধোদৰ পচলা সেইটো ওলাই পৰিছে আৰু বাপেকেও উঠোতে বহোতে গালি পাৰিবলৈ লৈছে।

ৰেমাই হাতত কাপটো লৈ বুঢ়ালৈ চায়েই কথাবোৰ ভাবি আছিল। বুঢ়াই গাত কাপোৰ এখন চাটি মাৰি লৈছে। তলত বনিয়ন আদি একো নাই। কাপোৰখনৰ ফাঁকেৰে তাৰ গাৰ শিথিল হৈ পৰা মঙহ দেখা গৈছে। বুকুৰ কামিহাড় কেইডালো জিলিকি পৰিছে। তথাপি বুঢ়াই একান্তমনে কাম কৰি গৈছে। তাক আনকি কাঠি দুডালমানো তুলিবলৈ দিয়া নাই।

ৰেমাই আৰু অলপ সময় বুঢ়ালৈ চাই থাকিল। সি ভাবিলে কাম-বনত লাগিলে তাৰ নিজৰো হয়তো অলপ ভাল লাগিব। চিন্তাবোৰ পাতলিব। সি ক'লে– কাপু! আজি ময়ো পথাৰলৈ যাম।

বুঢ়াই ৰেমাৰ কথা ভালদৰে ধৰিব নোৱাৰিলে। কামৰ পৰা মূৰ দাঙি তাৰ ফালে চাই সি সুধিলে– হোঁ, কিবা কৈছ?

আজি পথাৰলৈ ময়ো যাম। – সি পুনৰ ক'লে।

– কি? কি কলি তই? – বুঢ়া গৰগৰাই উঠিল। সি ঘৰৰ ভিতৰলৈ চাই চিঞৰিবলৈ ধৰিলে– অ' ছিংপুই, অ' ছিংপুইৰ মাক! শুনহিচোন, ই ৰেমাই কি কৈছে!

ছিংপুই আৰু ছঙভূঙী ভিতৰত ভাত ৰান্ধি আছিল। সিহঁত উধাতু খাই ওলাই আহিল। – কি হ'ল? কি হ'লনো?

বুঢ়াই তাক দেখুৱাই ক'লে– ই বোলে আজি পথাৰলৈ যায়!

মাক-জীয়েক দুয়োজনী চক্ খাই উঠিল। বুঢ়ীয়ে ক'লে– আমি থাকোতে তই পথাৰলৈ যাব লাগে কিয়? তই আমাক কিবা কথাত বেয়া পাইছ?

বুঢ়ী তাৰ কাষ পালেহি। ৰেমাই কি ক'ব ভাবি নাপালে। ইতিমধ্যে বুঢ়াই ক'লে– সি আৰু আমাক বেয়া নাপাবনে? যোৱা চাৰিদিনে আমি তাক অকলে ঘৰত এৰি পথাৰ কৰা নাইনে?

বুঢ়াৰ কথা এটা ফালৰ পৰা সঁচা যদিও আচলতে মিছা। তাৰ লগত ঘৰৰ কোনো নাথাকে হয়, কিন্তু গাঁৱৰ ল'ৰা-ছোৱালীবোৰে বাহিৰৰ পৰা জুমা-জুমি কৰি তাক মনে মনে চাই থাকে। সি মাতিলে সিহঁত ওচৰলৈ নাহে। সমীহ কৰি শান্ত ভাবে আঁতৰিহে যায়। কেতিয়াবা আকৌ গাঁৱৰ বুঢ়া-বুঢ়ীৰ পৰা ডেকা-গাভৰুলৈকে কোনোবা আহে।

ৰেমাই বুঢ়াৰ কথা আপত্তি কৰিব খুজিলে। কিন্তু তাৰ আগতেই বুঢ়াই পুনৰ ক'লে– ছিংপুই, তই আজিৰে পৰা পথাৰলৈ যাব নালাগে। থ্লাংভালটোক চোৱা-চিতা কৰিবি।

বুঢ়ীয়েও কথাটো শলাগিলে। তাই ছিংপুইলৈ চাই ক'লে– অ' তই যাব নালাগে। তই নহ'লে আমি পথাৰ কৰিব নোৱাৰিমনে?

সেইদিনা ছিংপুই ঘৰতে থাকিব লগা হ'ল।

ৰেমাই ছিংপুইৰ লগত অলপ সময় গাঁৱৰ মানুহবোৰ এটা এটাকৈ পথাৰলৈ যোৱা চাই থাকিল। তাৰ পাছত সি তাইৰ মুখলৈ চাই ক'লে– ব'ল, গাঁওখন মই ভালদৰে চোৱাই নাই নহয়।

ৰেমাই যোৱা এমাহমানৰ পৰা গাঁৱৰ মাজৰ বাটটোৰে দুই এখোজ দিবলৈ লৈছে। তথাপি গাঁওখনৰ সিটো টিলাত থকা ঘৰ কেইটাৰ ওচৰলৈ সি যোৱাই নাই।

ছিংপুইয়ে ৰেমাৰ কথা শুনি বেছ ভাল পালে। তাই নিমিষতে বাঁহৰ দুৱাৰখন চোঁচৰাই জপাই তাৰ কাষত থিয় হৈ হাঁহি মাৰি ক'লে– ব'ল।

দুয়োটা টিলা লগ লগোৱা ঠাই ডোখৰ অলপ সমান। তাত গাঁৱৰ ল'ৰা-ছোৱালী এমখাই ঘিলা খেলি আছিল। সিহঁতে ৰেমাক দেখা মাত্ৰকে খেলিবলৈ এৰি ৰেমালৈ চাই একাষে থিয় দি ৰ'ল। সিহঁতৰ সাধু কথাৰ নায়কজন সিহঁতৰ ওচৰেৰেই খোজ দি পাৰ হৈ গ'ল।

আনটো টিলাত থিয় হৈ ৰেমাই চাৰিওফালে চালে। টিলাটো ছিংপুইহঁতৰ ঘৰ থকা টিলাটোতকৈ ভালেমান ওখ। চাৰিওফালে চাই তাৰ বেছ ভাল লাগিল। টিলা কিছুমানত বাঁহৰ গাজবোৰ অলপ ওখ হৈছে। সেউজীয়া পাতো ওলাব ধৰিছে। এনে টিলা কেইটামানৰ বাঁহ আৰু আন গছ-গছনিবোৰ কাটি সমান কৰা হৈছে। আন কিছুমানত কটাৰ কাম চলি আছে। ৰেমাৰ ভাল লাগিল। তাৰ আংপুই গাঁৱলৈ মনত পৰিল। সি সুধিলে– তহঁতৰ টুইখুৰটো কেনি অ'?

– সৌফালে। যাবি নেকি? – ছিংপুইয়ে উছাহেৰে সুধিলে।

ছিংপুইৰ উৎসাহ দেখি ৰেমাৰ ভাল লাগিল। সিহঁত টুইখুৰটোলৈ লাহে লাহে লুঙলুঙীয়া বাটটোৰে নামি গ'ল। টুইখুৰটো গাঁৱৰ পৰা যথেষ্ট আঁতৰত। বেছ নিৰিবিলি ঠাইত। ডাঙৰ গছ কেইবাডালেৰেও আৱৰা। সি ওচৰ পাওঁতে কঁকালটো অলপ বিষোৱা যেন লাগিল। ছিংপুইয়ে তাৰ কান্ধত ধৰিলেহি। টুইখুৰাটোৰ কাষৰ শিল এচটাত সিহঁত দুয়োটা বহি পৰিল।

ৰেমাই তাইক তাৰ গাঁৱৰ কথা ক'বলৈ ধৰিলে। সিহঁতৰ গাঁওখন কিমান ডাঙৰ, মানুহ কিমান বেছি। টুইখুৰটোৰ পানী নিবলৈ যে সিহঁত নিশা এপৰতে আহিব লাগে। তেতিয়াহে পানী পুৱা ঘৰ পায়গৈ। কথাবোৰ ছিংপুইয়ে ৰ' লাগি শুনি থাকিল।

ৰেমাৰ গাত বগা পখিলা এটা পৰিল। ছিংপুই হাত চাপৰি মাৰি তাৰ ওচৰত থিয় হ'লহি। তাই পখিলাটো ধৰিব খুজিলে। ৰেমাই হাঁহি মাৰি তাই ধৰাৰ আগতে গা লৰাই পখিলাটো উৰুৱাই দিলে। ছিংপুই পখিলাটোৰ পিছে পিছে অলপ দূৰ খেদি গ'ল।

তাই ৰেমাৰ ওচৰলৈ আহি ক'লে– তই কিয় উৰুৱাই দিলি? বুজিছ, পখিলাটো তুৱালভূঙী।

– তেন্তেনো কিয় ধৰিব খুজিছ? তাই চাগে' য'লপলাক বিচাৰি ফুৰিছে। – ৰেমাই ক'লে।

– এৰা ভালেই হ'ল। সৌ নামনিত




OKDISCD

পখিলা কেইটামান উৰি ফুৰা দেখিছো। তাতে চাগে' য'লপলা আছে। – ছিংপুই তাৰ কাষতে বহিল।

ৰেমাৰ পুনৰ শৈশৱলৈ মনত পৰিল। মাক আৰু পি-লীয়ানীৰ মুখত শুনা তুৱালভূঙী আৰু য'লপলাৰ সাধু, টুইখুৰ, গিটাৰ, গান, জুৰিৰ পাৰ, সি পিঠি দি শুই পৰা শিলচটা, কাষৰ ডাঠ গছ-গছনি আৰু মাজে মাজে উৰি ফুৰা বগা পখিলাবোৰ– এই সকলোবোৰ যেন মুহূতৰ্তে তাৰ চকুৰ আগেৰে পাৰ হৈ গ'ল। ছিংপুইক তাৰ তেনেই আপোন আপোন যেন লাগিল।

– য'লপলাটো যে আৰু! সিনো তাৰ নিজৰ ঘৈণীয়েককে ফুনটিয়াক দি দিব লাগেনে? – ছিংপুইয়ে ক'লে।

– কিয় নিদিব? সি কথা দি কথা ৰাখিবই লাগিব।

– সি আক' প্ৰথমতেই ঘৈণীয়েক তুৱাল্‌ভূঙীকে ভনীয়েক বুলি ফাকি দিহে বিপদ চপাই ল'লে। সেয়েই নহয় তুৱাল্‌ভূঙীক বিয়া কৰাবলৈ দাবী কৰা বস্তুবোৰ লৈ ফুনটিয়া অহাৰ সময়তো সি সঁচা কথা নক'লে।

ৰেমাই পুনৰ ক'লে– সি হ'ল মতা মানুহ। কথা দি কথা ৰাখিবই লাগিব।

ৰেমাৰ কথা ছিংপুইৰ কাণত নোসোমাল। তাই ক'লে– হওঁক তেও, সিহঁত অন্তত মৰাৰ পিছত পখিলা হৈ একেলগ হ'ল।

ৰেমাই ছিংপুইৰ কথা শুনি তাইলৈ চালে। তুৱাল্‌ভূঙী আৰু য'লপলাৰ মৃত্যুৰ পিছৰ মিলনত তাইৰ মুখত এটা অপূৰ্ব আনন্দ। তাই হয়তো ফুনটিয়াও পখিলা হৈ সিহঁতৰ পিছে পিছে খেদি ফুৰাৰ কথা পাহৰিয়েই গৈছে।

সিহঁত দুটা তাত বহি থাকোতেই কোট পটলুং পিন্ধা মানুহ এটা ওলালহি। মানুহটো বহুদূৰ বাটকুৰি বাই আহিছে। তাৰ কান্ধত এটা টোপোলা। মানুহটোক দেখিয়েই ছিংপুইয়ে চাপ্ৰাছীটো বুলি চিনি পালে। সি বছৰচেৰেকৰ মূৰত ঘৰলৈ আহিছে। গাঁৱলৈ বুলি সি কান্ধত গিটাৰ এখনো লৈ আহিছে।

চাপ্ৰাছীটোৱে ৰেমালৈ চাই ছিংপুইক সুধিলে– এই কাপুৱেই তহঁতৰ তাত থকাজন নহয় নে?

ৰেমাই হেন্দছেক কৰিলে।

– কাপু! তোৰ কাৰণে এটা ভাল খবৰ আছে। চৰকাৰ আৰু এম এন এফ-ৰ মাজত চুক্তি হৈছে। তাৰ বাবে আমি দুদিন ছুটী পালো। এদিন কেন্দ্ৰীয় চৰকাৰৰ পৰা, আন এদিন আমাৰ চৰকাৰৰ পৰা।

ৰেমাৰ খেলিমেলি মনটোৱে হঠাতে এটা উত্তৰ বিচাৰি পালে। সি আৰু আৰাকানলৈ উলটি যাব নালাগে। মানুহটোৰ পৰা সি গিটাৰখন ৰখালে আৰু ৰংমনেৰে টুং টুংকৈ বজাবলৈ ধৰিলে। বহুত দিনৰ মূৰত সি গিটাৰত হাত দিছে। এক অনাবিল আনন্দত সি গান গাবলৈও ধৰিলে।

ছিংপুই তাৰ কাষ চাপি বহিল। তাৰ কান্ধত ধৰি তাৰ মুখলৈ ৰ' লাগি চাই ৰ'ল। তাইৰ বুকুৰ কোমল পৰশ ৰেমাৰ পিঠিত লাগিল। সেই বিষয়ে তাইৰ কিন্তু ভ্ৰূক্ষেপ নাই।

এটা হাতেৰে কান্ধত গিটাৰখন তুলি আনটো হাতেৰে ছিংপুইৰ কান্ধত ভেজা দি গাঁৱলৈ উলটি আহোতে ৰেমাৰ ধাৰণা হ'ল গাঁৱৰ পথাৰ নকৰা মানুহখিনিয়ে যেন তাক আদৰিবলৈহে ৰৈ আছে। সিহঁত দুয়োকে তেনেকৈ দেখি সিহঁতৰ আটাইৰে মুখত সৰল হাঁহি।

নিশা পাটিত পৰি ৰেমাই বুজিব পাৰিলে তাৰ জীৱনৰ এটা পৰ্যায় যেন শেষ হৈ আহিছে। তাক জুমুৰি দি ধৰা প্ৰশ্নবোৰৰ উত্তৰ যেন সি বিচাৰি পাইছে। মানুহৰ আদৰ-মৰম আৰু তাৰ আটাইতকৈ আকাঙ্খিত বীৰৰ সন্মান সি পাইছে। ছিংপুইৰ মৰমো সি নেওচিব নোৱাৰে। সি মনতে ঠিক কৰিলে সি ছিংপুইক বিয়া কৰাব। তাইৰ যে আপত্তি নাই ইতিমধ্যে সি বুজি উঠিছে।

চৰকাৰৰ লগত এম এন এফ বুজাবুজিলৈ অহাৰ কাৰণে আটাইতকৈ সুখী হোৱা মানুহজন আছিল ৰেভাৰেন্ড যাইৰেমা। তেওঁ খবৰ পোৱাৰ লগে লগে মিজোৰামৰ ভিন ভিন ঠাইলৈ গৈ শান্তিৰ বাবে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে।

ৰেভাৰেন্ড যাইৰেমা এদিন না-থীয়াললৈ আহিল। য'ৰামথাঙা তেওঁক আদৰিবলৈ ৰৈ আছিল। য'ৰামথাঙাই ক'লে– পু যাইৰেম, আপোনাৰ শান্তিৰ প্ৰচেষ্টাই অৱশেষত ফল দিলে। আমি এতিয়া শান্তি আশা কৰিব পাৰো।

ৰেভাৰেন্ডজনে মিচিকিয়াই হাঁহিলে। তেওঁ ক'লে– এয়া সকলো ভগৱানৰ ইচ্ছা। মোৰ হতুৱাই শান্তিৰ প্ৰচেষ্টা আৰম্ভ কৰোৱাৰ বাবে মই ভগৱানক ধন্যবাদ জনাওঁ।

যোৱা কেইবাদিনৰ পৰা অ'ত ত'ত কথাষাৰ ৰেভাৰেন্ড যাইৰেমাই মানুহৰ আগত কৈছে। তেওঁ এই কথাষাৰৰ আঁত ধৰি মনে মনে এটা বৈজ্ঞানিক পদ্ধতিৰ লগতহে নিজকে তুলনা কৰিবলৈ লৈছে। তেওঁ নিজে বিজ্ঞানৰ ছাত্ৰ আছিল। পঢ়োতে ৰসায়ন শাস্ত্ৰত কেটেলিষ্ট বুলি এশ্ৰেণী দ্ৰব্যৰ কথা পাইছিল। দুটা ৰাসায়নিক প্ৰক্ৰিয়া নঘটা দ্ৰব্যৰ লগত এই কেটেলিষ্ট বোলা দ্ৰব্যটো মিহলাই দিলে ৰাসায়নিক প্ৰক্ৰিয়াটো সংঘটিত হয়। কেটেলিষ্টে কিন্তু নিজা গুণ নেহেৰুৱায়।

ৰেভাৰেন্ড যাইৰেমাই ভাবিলে য'ৰামথাঙাৰ আগত কথাষাৰ ক'লে তেওঁ সম্ভৱ বুজিব। কাৰণ আৰ্মিত থাকোতে তেওঁ ইঞ্জিনিয়াৰিং চাৰ্ভিচত আছিল।

কিন্তু তেওঁৰ অনুমান সঁচা নহ'ল। য'ৰামথাঙাই কথাষাৰ বুজক চাৰি সুধিলেহে– কেটেলিষ্ট বুলি যে ক'লে– কিনো?

ৰেভাৰেন্ডজনে কথাটো বুজাই দিলে। লগে লগে পু-থাঙাৰ মুখখন উজ্জ্বল হৈ পৰিল। তেওঁ ক'লে– হয় নেকি?

– নহয়নো কি? – এই চুক্তিত আহিবৰ বাবে ময়েই দুয়োপক্ষৰ লগত যোগাযোগ কৰিছিলো। এতিয়া তেওঁলোক চুক্তিলৈ আহিল। মই নিজৰ ভাগেই থাকিলো। দহ বছৰৰ আগতেও ৰেভাৰেন্ড আছিলো, আজিও সেয়েই।

তেওঁ অলপ ৰৈ ক'লে– ভগৱানৰ অপূৰ্ব হাতৰ পৰশ আমাৰ দেশখনত মই কিন্তু প্ৰতি মুহূৰ্ততে অনুভৱ কৰো। যোৱা দহ বছৰ জুৰি দিনে নিশাই কাৰ্ফিউ, গুলি, মৃত্যু আদিৰ মাজত থাকিও আমি দেশখন সকলো ফালে আগুৱাই নিব পাৰিছো। এই সকলোবোৰ দুৰ্দশাই আমাক ভগৱানৰ ওচৰ চপাইহে আনিলে। সম্ভৱ জগতৰ ভিতৰত আমিয়েই ভগৱানৰ দয়া আৰু আশীৰ্বাদ আটাইতকৈ বেছি উপভোগ কৰিছো।

তেওঁৰ মনৰ আনন্দ চকুৱে মুখে জিলিকি পৰিল।

ৰেভাৰেন্ডৰ এই আনন্দ বেছিদিন নিটিকিল। কেইমাহমানৰ ভিতৰতে চুক্তি ভংগ হ'ল। এম এন এফ-ৰ বিৰুদ্ধে পুলিচ-মিলিটাৰীৰ অভিযান পুনৰ আৰম্ভ হ'ল।

*ক্ৰমশ*





# গৰমত আৰাম পাবলৈ হ'লে

নিজৰা ভৰালী

শীতকালত খোৱা-বোৱা সাজ-পোছাক কৰি যি ধৰণৰ আনন্দ পোৱা যায় গৰমকালি সেই দৰে পোৱা নাযায়। ভালকৈ সাজি কাচি ক'ৰবালৈ যাবগৈ ওলালেও ওলোৱাৰ লগে লগে ঘামিজামি সকলো শেষ। খোৱাবোৱাৰ ক্ষেত্ৰতো সেই দৰে বেছি মা-মছলা দিয়া বস্তু খাই ভাল নালাগে। গৰমকালি বতৰৰ পৰিবৰ্তনৰ বাবে আমাৰ শৰীৰৰ ভিতৰতো কাম-কাজৰ কিছু পৰিবৰ্তন হোৱাৰ ফলত খোৱা বস্তুবোৰ সহজে হজম নহয়। সেই বাবে গৰম দিনত যিমান পাৰি ভজা পোৰা বস্তু খোৱাটো কমাব লাগে। গৰমকালি নেমু টেঙা দি ৰন্ধা পাতল দাইলখন বা টেঙা আঞ্জাখন খাই বেছি ভাল নালাগে জানো! সেইদৰে সিজোৱা পিটিকা আদি খায়ো ভাল লাগে, আৰু শৰীৰৰ কাৰণেও সেইবোৰ উপকাৰী।

এই সময়ত নানা ধৰণৰ বেমাৰ আৰু পেটৰ অসুখ আদিও বেছি হয়। গৰমকালি সকলোতকৈ সাবধান হ'ব লাগে পানীৰ পৰা। পানীৰ পৰাই নানা ধৰণৰ বেমাৰ হয়; কাৰণ গৰমকালিৰ উত্তাপত জীৱাণুৰ বংশবৃদ্ধিও সোনকালে হয়। ইফালে আকৌ এই সময়ত পানীৰ পিয়াহো বেছি লাগে। পিয়াহত অন্ঠ-কন্ঠ শুকাই গলে ল'ৰা-ছোৱালী বা আমি ডাঙৰবোৰেও কেতিয়াবা য'ৰে ত'ৰে পানী খাওঁ। পানী উতলাই ফিলটাৰ কৰি খাব পাৰিলে ভাল। পৰাপক্ষত বাহিৰত পানী খোৱাটো অনুচিত।

কৰবাৰ পৰা আহি ঘৰ সোমালে আৰু খোৱাৰ আগতে চাবোনেৰে হাত ধোৱাটো বৰ দৰকাৰ। হাতৰ পৰাই আমাৰ শৰীৰত নানা বেমাৰৰ বীজাণু সোমায়। নখ আদি ভালদৰে কাটি সদায় গা ধুই পৰিষ্কাৰ পৰিচ্ছন্ন ভাবে থাকিলে বহুতো বেমাৰৰ পৰা হাত সাৰিব পাৰি। গৰমকালি পানী লগা জ্বৰ, কাহ, পেটৰ অসুখ জণ্ডিছ আদি বেছি হয়। খুব পিয়াহ লাগিলেও ৰ'দত ঘূৰি পকি আহি অলপ জিৰণি নোলোৱাকৈ লগে লগে পানী খোৱাটো উচিত নহয়। অলপ জিৰাইহে পানী খোৱা উচিত। গৰমকালি আমাৰ শৰীৰৰ পৰা যি ঘাম ওলায় তাৰ ফলত আমাৰ শৰীৰৰ পৰা চডিয়াম তথা লবণ জাতীয় উপাদান অনেকখিনি ওলাই যায়। সেই বাবে গৰমত আমাৰ বেছি ভাগৰ লাগে আৰু টোপনি ধৰে। যেতিয়াই তেতিয়াই ফ্ৰিজৰ ঠান্ডা পানী খাই থাকিলে আৰু অনবৰতে বিজুলী পাংখাৰ তলত থাকিলেও সৰু ল'ৰা-ছোৱালীৰ কাহ, পানী লগা ডিঙিৰ অসুখ আদি হোৱা দেখা যায়। মাক সকলে নিজে বুজি মেলি ল'ৰা-ছোৱালীক সাবধানে ৰখা উচিত।

খোৱা বোৱাৰ ক্ষেত্ৰতো সেই দৰে গুৰুপাক আহাৰতকৈ সহজে হজম হোৱা পাতল আহাৰ খালেহে গাটো ভাল লাগি থাকে। গৰমত মাংস খোৱাটো কমাব লাগে। পাৰিলে মাছ খাব লাগে। গৰমত বেছি কণী খোৱাও ভাল নহয়। সেউজীয়া শাক পাচলি ফলমূল আদি বেছিকৈ খাব লাগে। বতৰৰ শাকপাচলি জিকা, ভোল, কোমোৰা, জাতিলাও তিয়ঁহ আদিত প্ৰকৃতিয়েই বতৰৰ লগত মিলাই যথেষ্ট পৰিমাণৰ পানী দিছে। সেইবাবে এইবোৰ পাচলি ৰান্ধোতে পানী নিদি সেই পানীতেই ঢাকোন দি কম জুইত কম সময় ৰান্ধিব লাগে, যাতে তাৰ খাদ্য গুণ নষ্ট নহয়। কেঁচা তিয়ঁহ নিয়মিত ভাবে খাব পাৰিলে গৰমৰ দিনত বৰ উপকাৰ পোৱা যায়। গৰমত ফুৰিলে কেঁচা তিয়ঁহ খালে পানীৰ পিয়াহো বহুখিনি আঁতৰে। কেঁচা তিয়ঁহটো দীঘলকৈ কাটি ফ্ৰিজত হৈ পিছত নিমখ জালুক বা জলকীয়াৰ গুৰি চটিয়াই খালে বৰ ভাল লাগে। তাৰ বাহিৰেও বিভিন্ন ধৰণৰ চালাড কৰি খাব পাৰি। গাজৰ, বিলাহী, পিয়াজ ইত্যাদিৰ লগত মিহলায়ো কৰিব পাৰি বা তিয়ঁহটো মিহিকৈ কাটি বা গ্ৰেট কৰি নেমু টেঙাৰ ৰস বা ভিনেগাৰ অকণমান দি তাতে নিমখ, সামান্য চেনি, অকণমান মিঠাতেল, লগতে পিয়াজ মিহিকৈ কুটি দি খায়ো ভাল লাগে। গৰমত আৰু এটা উপাদেয় বস্তু হৈছে তিয়ঁহৰ ৰায়তা। তিয়ঁহটো গ্ৰেট কৰি নাইবা পাতলকৈ চকলিয়াই লব। আন্দাজমতে দৈ লৈ জিৰা অলপ ভাজি গুড়ি কৰি সেই দৈত দিব। দৈৰ টেঙাটো আন্দাজ কৰি চেনি দি দৈখিনি ভালদৰে ফেটি লব,ধনীয়াপাত থাকিলে কুটি দিব। জলা খালে কেঁচা জলকীয়া এটাও কুটি দিব পাৰে। খোৱাৰ আগে আগে তিয়ঁহত নিমখ দি দৈৰ মিশ্ৰণটো মিহলাই দিব। আগতে নিমখ দি থলে পানী বেছিকৈ ওলাব। বুঢ়া তিয়ঁহৰ খাৰ, ভাজি আৰু কুমলীয়া তিয়ঁহ গাখীৰ চেনি দি মিঠাকৈ ভাজিও খাব পাৰি।

আপোনাৰ বাৰীৰ চুকতে থকা মাটি কাঁদুৰী, মানিমুনি, নৰসিংহৰ পাত, ভেদাই লতা, দোৰোণ শাক আদিও বেমাৰৰ ভাল পথ্য। সৰু-সুৰা অসুখত ডাক্তৰৰ দৰব নাখাই এইবোৰ শাকপাত ৰান্ধি খুৱালেও নানা ধৰণৰ পেটৰ বেমাৰৰ পৰা সকাহ পাব পাৰে।

গৰমকালিৰ আম, আনাৰাস, মধুৰী, জামু, লিচু আদিও বৰ পুষ্টিকৰ ফল। পুষ্টিকৰ ফল বুলিলে আপেল আঙুৰ আদি বুলিয়েই সাধাৰণতে ভবা হয়। মধুৰী আমত থকা খাদ্যগুণ আৰু চি ভিটামিন আপেলত থকা পৰিমাণতকৈ বেছি বুলি এতিয়া বহুতে জনা হৈছে। কৰ্দৈ, অমিতা আদি ফল হিচাপে আৰু পথ্য হিচাপে জণ্ডিছ আদি অসুখত ব্যৱহাৰ কৰা হয়। আমাৰ এটা কথা আছে সুফল কদলী। কল নহলে আমাৰ গোঁসাইৰ আগত দিয়া শৰাই বা নৈবদ্যখন শুদ্ধ নহয় বুলিয়েই কয়। কল খাই বেয়া পোৱা মানুহ খুব কম আছে। বিভিন্ন কলত বিভিন্ন গুণ থাকে। আমাৰ আইতাহঁতে কল বুলিলে মালভোগ কলটোহে সকলোতকৈ উত্তম বুলি ভাবে। চেনিচম্পা কল বেছি খালে পেলু হয় বুলি কয়। কিন্তু চেনিচম্পা কলত মালভোগ কলতকৈ টেনিক এচিড কম পৰিমাণে থাকে বাবে পেটলৈ ভাল বুলি অভিজ্ঞ ডাক্তৰ সকলে কয়।

মাটি অকণমান থাকিলে ঘৰতে ফলমূলৰ গছ আৰু বতৰৰ শাকপাচলি লগাওক। ল'ৰা-ছোৱালীয়ে সেউজীয়া আৰু বিশুদ্ধ বস্তু সহজে খাবলৈ পাব।

আমি গৰমত একো কৰিব নোৱাৰি বুলি উস-আস নকৰি চাই-চিন্তি সাবধানে চলিলে ল'ৰা-ছোৱালীৰ আৰু নিজৰো সু-স্বাস্থ্যৰে সৈতে দিন কেইটা সুকলমে কটাব পাৰো। ■



# জীৱন শিল্পী তেকোৱা কুৰ্মী

## ভদ্ৰেশ্বৰ ডেকা

লোক-সংস্কৃতি মানৱ জাতৰ এক আপুৰুগীয়া সম্পত্তি। ই এবাৰ চিনাকি হোৱা শিল্পী সাহিত্যিক, ব্যক্তিক এনেদৰে খামোচ মাৰি ধৰে যে সি কেতিয়াবা পিছলি পৰিলেও ব্যক্তিজনৰ পিছ নেৰি ছাঁৰ দৰে ঘূৰি ফুৰে। সময়ত গৈ ই ব্যক্তিসকলৰ জীৱনৰ সৈতে ওত-প্ৰোত ভাবে সম্পৰ্ক গঢ়ি তুলিবলৈ সক্ষম হৈ পৰে।

হেবেদা গাঁও তিনিচুকীয়া নগৰৰ পৰা প্ৰায় ১২ কিঃ মিঃ মান দূৰত বাহাদুৰ চাহ বাগিচাৰ ওচৰত। এই গাঁওখনতো অসমৰ চাহ খেতিৰ কামলৈ বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অনা বিভিন্ন চাহ জনগোষ্ঠীৰ লোকৰ বাসস্থান আছে। হেবেদা গাঁওখন কুৰ্মী চাহ জনজাতিৰ বাসিন্দাৰে ভৰি আছে। হেবেদা গাঁৱতে শিল্পী তেকোৱা কুৰ্মীৰ বাসস্থান।

চাহ জনজাতীয় সংস্কৃতিৰ পৰম্পৰা লোক গীত-মাত বাদ্য-বাজানাত শ্ৰীকুৰ্মী গাঁওখনৰ এজন প্ৰতিভাশালী ব্যক্তি। চাহ জনজাতীয় সকল বিভিন্ন উৎসৱ পূজা-পাৰ্বণ আদি নিজৰ গীত মাতেৰে পালন কৰি আহিছে। এই হেবেদা গাঁওখনতো কৰম পূজা পালন কৰি গীত-মাত পৰিবেশন কৰে স্থানীয় ৰাইজে। শ্ৰীকুৰ্মীয়ে কৰম পূজাৰ গীত, নৃত্য আদিৰ লগতে আন আন গীত মাত যেনে– দমকচ গীত, নৃত্য, টুচুগীত, বৈঠকখানা গীত, লছোৱা গীত আদি গাই নিজে ঢাক, ঢোল, বাঁহী, হাৰমনিয়াম বজাই ফুৰে। বিশেষকৈ কৰম পূজাৰ গীত আৰু নৃত্যত এওঁৰ ৰাপ বেছি দেখা যায়। কাৰণ শ্ৰীকুৰ্মীয়ে সৰু কালৰ পৰাই এওঁলোকৰ মাজত প্ৰচলিত কৰম পূজাৰ উৎসৱৰ সময়ত গোৱা বিভিন্ন গীত-মাতত লগৰীয়াৰ সৈতে অংশ গ্ৰহণ কৰি গাই ফুৰিছিল। সেই তেতিয়াৰে পৰা গীত গাই গাই মানুহজনে এতিয়াও গীত-মাততে অধিক বিয়াকুল হোৱা দেখা গৈছে। এনেকি বৰ্তমানৰ বয়সতো তেখেতক গীত গাই গাই নচা দেখি নিজে এক আনন্দৰ সাগৰত বুৰ যোৱা যেন অনুভৱ কৰিছিলো। গানে তেখেতৰ জীৱনৰ প্ৰধান প্ৰেৰণা বুলি কয়। সেয়েহে আজি এই অশিক্ষিত শিল্পীজনৰ হাতত সংগীতৰ প্ৰতি প্ৰবল ধাউতি থকাৰ প্ৰমাণ বহুতো পোৱা যায়। এনেবোৰ প্ৰমাণে হ'ল শিল্পী কুৰ্মীয়ে বিভিন্ন সময়ত সংগ্ৰহ কৰা নানা বিধ বাদ্য-যন্ত্ৰবোৰে বৰ্তমানে কলা-সংস্কৃতিৰ এক গৌৰৱোজ্জ্বল সাক্ষী কৰি ৰাখিছে। এই বাদ্য যন্ত্ৰবোৰৰ ভিতৰত প্ৰায় ১৩ বিধ বাদ্যৰ ২৪টা বাদ্য সংগ্ৰহ কৰি নিজৰ ঘৰত অতি যত্নৰে ৰাখি থৈছে। তেওঁৰ এই সংগৃহীত বাদ্য যন্ত্ৰবোৰ দেখি এখন বাদ্য যন্ত্ৰৰ বজাৰ যেন অনুভৱ কৰিব পাৰি। সংগৃহীত বাদ্যৰ ভিতৰত তেওঁৰ বাঁহীয়েই অতি প্ৰিয়। এইবোৰৰ মূল্য প্ৰায় দহ হাজাৰ টকা মান হব বুলি ক'ব পাৰি।

শিল্পী শ্ৰীতেকোৱা কুৰ্মীয়ে তেওঁৰ গীত-মাতবোৰ তেওঁলোকৰ সমাজৰ বিয়া-বিহু বিভিন্ন উৎসৱতে বিশেষকৈ গাই আহিছে। এতিয়ালৈকে কোনো চৰকাৰী অনুষ্ঠানত যোগদান কৰি পোৱা নাই। কেৱল জাতীয় সংস্কৃতিৰ পৰম্পৰাৰ সমন্বয় গঢ়ি তুলিবৰ বাবে তেওঁৰ নেতৃত্বতে ডেকা কালত একোটা সংগীতৰ দল তৈয়াৰ কৰি ইখন গাঁও সিখন গাঁও কৰি গাই ফুৰিছিল। তাৰ বাবে সকলোবোৰ যা-যোগাৰো একমাত্ৰ এই শিল্পী জনাই নিজ ইচ্ছাৰে দল আৰু গাঁওখনৰ যশ-কৃতি আৰু দৰ্শক সকলৰ মন মুহিব পৰাকৈ শুৱলা মাতেৰে মধুৰ সংগীতৰ ধ্বনি তুলি গাঁওবোৰত ৰজন্‌জনাই তুলিবলৈ সক্ষম হৈছিল বুলি আজিও তেওঁৰ সমবয়সীয়া সকলে কয়। তেখেতৰ পৰা কৰম পূজা সম্পৰ্কে গীত এটি শুনিব বিচৰাত বাদ্যবিহীন ভাবে কাতিমহীয়া শীতৰ বতৰতে গাই শুনোৱাত শুনি বৰ আমেজ লভিলো। কৰম পূজা উপলক্ষে এটি আৰম্ভণি গীত গাই শুনালে এনে ধৰণে–

*কৰম চিলা কাৰ বেটা*
*কেবলিতে পাৰে চেটা।*
*কৰম চিল অযোধ্যা নগৰে*
*এবে কৰম গোট সংসাৰে।*
*আখ্‌ৰা বন্দনা কৰি*
*সৰস্বতী নাম ধৰি।*
*আখ্‌ৰা বন্দনা ব্ৰীজনাৰী*
*মদনে ঝুমুৰ লাগে ভাৰী।*

শ্ৰীকুৰ্মীয়ে চাহ জনজাতিৰ বিভিন্ন গীত মাত এখন ডাঙৰ বহীত নিজ হাতেৰে লিখি সংগ্ৰহ কৰি ৰাখিছে।

শ্ৰীতেকোৱা কুৰ্মীক সংগীতৰ প্ৰতি থকা গভীৰ অনুৰাগ দেখি এজন সংগীত সাধক বুলিহে ক'ব পৰা যায়। কিয়নো তিনি কুৰিৰ ওপৰ ডেওনা পাৰ হৈয়ো আজিও এজন চফল ডেকাৰ দৰে গান-বাজনা কৰি নিজৰ কৰ্মময় জীৱন অতিবাহিত কৰি আহিছে। বৰ্তমানে এই শিল্পীজনে নিজৰ সংসাৰ চলাবৰ বাবে এজন কৰ্মী খেতিয়ক হিচাপেহে চিনাকি দি আহিছে। শ্ৰীকুৰ্মীৰ পিতৃ-মাতৃৰ নাম স্বৰ্গীয় ৰহিমা কুৰ্মী আৰু স্বৰ্গীয়া লখিমণি কুৰ্মী আছিল। সৰু কালতে মাতৃৰ মৰমৰ পৰা শ্ৰীকুৰ্মী বঞ্চিত হয়। পিতৃ স্বৰ্গীয় ৰহিমা কুৰ্মীৰ ১৬ টা ল'ৰা-ছোৱালীৰ ভিতৰত মাত্ৰ তিনিটা জীৱিত সন্তানে মাতৃৰ দৰেই শ্ৰীকুৰ্মীয়েও পিতৃ দেৱতাৰ পৰা মৰম পাইছিল। সেয়ে পিতৃ স্বৰ্গীয় ৰহিমা কুৰ্মীয়ে তেকোৱাক বিয়া-বাৰু কৰাই দি নাতি-পুতি এগালৰ মৰম-স্নেহ লৈ তিনিকুৰি বয়সত ঢুকাইছিল। শ্ৰীকুৰ্মীক সংগীত প্ৰিয়ৰ লগতে সংগীতৰ বাদ্য-যন্ত্ৰ আহিলা নিজে তৈয়াৰ কৰি এজন নিপুন হস্ত শিল্পী ৰূপে চিনাকি দিছে। তেওঁৰ ঢাক, ঢোল আৰু খোল ঢোলকি যি কেইটা বাদ্য আছে সেই আটাইবোৰৰ কাঠ নিজে কাটি-কুটি মিহি কৰি লৈ মাথোন মুচিয়াৰৰ দ্বাৰা চামৰা লগাই ঠিক কৰাই লৈছে। এইবোৰৰ বাহিৰেও ধান কটা কাঁচি তৈয়াৰ কৰা, বাঁহ বেতৰ মূঢ়া, পাচি, ঢাৰি বিভিন্ন সাজ নিজে প্ৰয়োজন অনুপাতে সজাই হস্ত শিল্পৰ চানেকি দাঙি ধৰিছে। শ্ৰীকুৰ্মীৰ চোতালৰ সমুখত থকা নাম ঘৰটিৰ সজোৱা দৃশ্য চাবলৈ আৰু আকৰ্ষণীয়। এই ঘৰটিৰ চাল দুখন সম্পূৰ্ণ টকৌ পাতেৰে সজোৱা।

বৰ্তমানে শিল্পী শ্ৰীকুৰ্মীৰ শাৰীৰিক অৱস্থা ভাল নহয়। এই শিল্পী গৰাকীক গেচট্ৰিক আদিয়ে ৰুগ্ন কৰি তুলিছে। তথাপি এই ৰুগ্ন অৱস্থাতে ৰাইজৰ মাজত সময় মিলাই নাম-কীৰ্তনৰ সময়ছোৱাত নিজে ভাগৱত, ৰামায়ণ পাঠ কৰি সমাদৰ লাভ কৰি আহিছে।









# ভাষণ

## গৰিমা হাজৰিকা

'শ্ৰদ্ধেয় শ্ৰোতা মণ্ডলী আমাৰ জাতীয় যিটো পৰম্পৰা সেই পৰম্পৰাৰ নীতি অনুসৰি আজি আমি সকলোৱে আগবাঢ়ি যাব লাগিব। আমাৰ লক্ষ্য হ'ব গতি। আমাৰ জীৱনেই হ'ব সংগ্ৰাম। আমাৰ যিটো লক্ষ্য, আমাৰ নীতি অনুসৰি আমি একত্ৰিত হৈছো, আমি পাৰিম – আমি সকলো আগবাঢ়ি যাম........।' 'হেৰি, কিবা বুজি পাইছেনে?' 'ওহো – একো বুজা নাই। কলৈনো আগবাঢ়িম? – কেনেকৈনো আগবাঢ়িম, কিয় আগবাঢ়িব লাগে একো বুজা নাই।' 'আপুনিতো এইমাত্ৰ আহিছে –মোৰ প্ৰায় আধা ঘন্টাই হ'ল – ময়েই, ধৰিব পৰা নাই – কলৈনো কেনেকৈ আগবাঢ়িব কৈছে। আজি তাতে জাতীয় সংহতিৰ মিটিং। ভেৰ্টান বক্তাৰ কাৰণে সুন্দৰ Subject। য'ৰ পৰা মন যায় ত'ৰে পৰা আৰম্ভ কৰিব পাৰে আৰু শেষ কৰাৰটো সীমা নায়েই।' 'তাৰমানে বহুত দেৰি কব নেকি এখেতে?' 'আপুনি হব পাই নেজানে এখেত নাম কৰা বক্তা কম পক্ষেও দুঘন্টা ক'ব।' 'দুঘন্টা?' 'ৰবচোন, আকৌ শুনো তেখেত Point এলৈ আহিছেনে নাই।' 'আমাৰ ভৱিষ্যত আমাৰ বৰ্তমান সকলোৱে পৰম্পৰাৰ লগত ওত-প্ৰোত সম্পৰ্ক – আমি আগুৱাব লাগিব অৰ্জিত পৰম্পৰাক ভিত্তি কৰিয়েই।' 'নাই এতিয়াও দেৰি আছে, মেইন ৰাস্তাত অহাই নাই – চাবলেইন, বাইলেন আৰু কিবাকিবি লেইনৰে গৈ গৈ – লিংক ৰদেদি মেইন ৰাস্তা পাওঁতে পাওঁতে আৰু ধৰক দেৰ ঘন্টা। লাহেকৈ উঠক, অলপ চাহ-তাহ খায় আহো বলক।' 'বাবু চাহৰ লগত কি দিম?' 'দুটা ৰসগোল্লা দে।' 'আচল কথা কি জানে এনেকুৱা ধৰণৰ মিটিংবোৰৰ কাৰণে কিছুমান নিৰ্দিষ্ট বক্তা আছে – তেওঁলোকক বক্তৃতা দিবলৈ নিমন্ত্ৰণ কৰে –তেওঁলোকে তো বহুত কথা জানে আৰু সেই জনা কথাবোৰ এফালৰ পৰা কবলৈ আৰম্ভ কৰে।' 'আচৰিত লাগে দিয়ক – এই বক্তা সকলে যদি অলপো শ্ৰোতাৰ কাৰণে ভাবিলেহেঁতেন।' 'হেৰি, আপুনি এতিয়া খুউব শ্ৰোতাৰ কাৰণে ভাবিছে – যদি আপোনাক এতিয়াই ডিঙিত গামোচা এখনেৰে সম্বৰ্দ্ধনা জনাই – মাইক এটা আগত দি দিয়ে কবলৈ, পাহৰি যাব ক'ৰ শ্ৰোতা কি কথা। কম ভাল লাগে, যেতিয়া হল ভৰ্ত্তি মানুহে এক মনে আপোনাৰ কথা শুনে।' 'কোনে কয়হে শ্ৰোতাই মন দি শুনি থাকে? খুউব বেছি পোন্ধৰ মিনিট আধা ঘন্টা তাৰ পাছত এনেয়ে বক্তালৈ চাই বহি থাকে। ভাবি থাকে কেতিয়া মিটিংখন শেষ হ'ব। ঘৰলৈ যাবলৈ ৰিক্সা-বাছ পাব নে নেপায়। কিন্তু দুখৰ কথা বক্তাই ভাবে শ্ৰোতাই তেওঁৰ কথা বৰ মন দি শুনিছে। বক্তাই উৎসাহ পাই আৰু বেছি দীঘলকৈ গৈ থাকে।' 'মই তাকে ভাবো বুজিছে – এজন এজন মানুহে একেৰাহে দুই তিনি ঘন্টা যিকোনো বিষয়ত কেনেকৈ এক্সটেম্পো ভাষণ দি থাকিব পাৰে?' 'আপুনিতো বহুতো বাদ'ৰ কথা শুনিছে? যেনে – মাৰ্ক্সবাদ, পুঁজিবাদ, সমাজবাদ, ভাববাদ, ফেচিবাদ – এইটো হ'ল লেক্‌চাৰবাদ। ভাৰতবৰ্ষৰ মানুহ এই লেক্‌চাৰবাদৰ ওপৰতেই জীয়াই আছে। নহলেযে বিপদ।' 'বলক বলক মিটিং শেষ হবৰ হ'ল এতিয়া। আমি যে মিটিঙত উপস্থিত আছো উদ্যোক্তা সকলে জানিব লাগিব নহয়।' 'ৰব বহকচোন, একো দেৰি হোৱা নাই। অই ল'ৰা! আৰু দু-কাপ চাহ দে। আপুনি ভাবিছে নেকি তেখেতে কোৱাৰ পাছতেই মিটিং শেষ? বাকী চাৰিজন যে বহি আছে তেওঁলোকেও তো কমপক্ষেও আধাঘন্টা; একঘন্টা ক'ব। আজি যিসকলে কৈ আছে বা ক'ব তেখেত সকল প্ৰায় সকলো মিটিঙতে বক্তা হিচাপে থাকে।' 'তেখেত সকলৰ এনেকৈ মিটিং কৰি কৰি আমনি নেলাগেনে? মোৰ দেখোন মিটিঙৰ নাম শুনিলেই জ্বৰ উঠে।' 'আপুনি যে সদায় শ্ৰোতা – সেই কাৰণে আমনি পায়।' 'বাকী কেইজন বক্তায়োতো এজনৰ কথা শুনি থাকিব লাগে। অৱশ্যে তেওঁলোকে শ্ৰোতাৰ লগত হলত বহি নুশুনে – 'ডায়েচত' বহি শুনে –সেই কাৰণে হয়তো আমনি নেপায়।' 'আপুনিও ভাল 'ডায়েচত' বহি থকা বাকী কেইজন বক্তাই প্ৰথম বক্তাৰ কথা শুনি থাকে বুলি ভাবিছে নেকি? মুঠেও নুশুনে। তেওঁলোকে বহি বহি ভাবি থাকে তেওঁলোকৰ পাল কেতিয়া আহিব। ভাবি অহা Point কেইটা ঠিক মতে ক'ব পাৰিব নে নোৱাৰে, সময় হ'বনে নহয়, শ্ৰোতা সকল বা তেওঁ কোৱালৈকে কিমান থাকে – ইত্যাদি ইত্যাদি নানান চিন্তা- গতিকে সময় কেনি যায় কবই নোৱাৰে। আজি তাতে জাতীয় সংহতিৰ মিটিং কিমান কবলৈ আছে – তাতে সকলো ভেৰ্টান বক্তা।' 'বাৰু এই জাতীয় সংহতিৰ কথা সকলো বিষয়তে কিয় টানি



অংকন: চম্পক বৰবৰা

টানি আনে? মই সেইদিনা দুখন ওপৰা ওপৰিকৈ মিটিং শুনিলো – এখন মদ নিবাৰণী আৰু এখন পাৰিপাৰ্শ্বিকতাৰ ওপৰত। দুয়োখন মিটিঙেই ইমান দীঘলীয়া হৈছিল আচল কথা কৰবাতে থাকিল, দুই তিনিজন বক্তাইতো জাতীয় সংহতি পালেগৈ।' 'বক্তাৰ কাৰণে জাতীয় সংহতি পাশুপাত অস্ত্ৰ বুজিছে।' 'সেইটো বাৰু বুজিলো কিন্তু যেতিয়া এটা বিশেষ বিষয়ত মিটিং পাতে – তেতিয়া সেই বিষয়টোৰ অতি দৰকাৰী কথাবোৰহে শ্ৰোতাক সহজ কৈ বুজাই দিব লাগে। তাকে নকৰি মিছাকৈ দীঘল কৰে। – যেনে ধৰক বিষয়টো হ'ল 'ভৰিৰ নখ' – ভৰিৰ নখৰ কথা কবলৈ গৈ মূৰৰ চুলিৰ পৰা আৰম্ভ কৰাৰ কোনো মানে নাই।' কিছুমান ক্ষেত্ৰত কবই লাগিব নহলে শ্ৰোতাই ক'ব নহয় – 'এই কিনো কলে ঘপক্কৈ শেষ হ'ল। কেৱল ভৰিৰ নখ কিয় গজে, তৰ উপকাৰিতা আৰু কিয় কাটিব লাগে, বচ, মানুহজনে একো নেজানে দেই।' 'সেই কাৰণে নিৰ্দিষ্ট বক্তাই ধৰিয়েই লয় তেওঁ অন্ততঃ এঘন্টা কবই লাগিব। সেই কাৰণে নখৰ কথা কবলৈ গৈ মূৰৰ চুলিৰ পৰা আৰম্ভ কৰিবই লাগিব। আৰু তাৰ উপৰি তেওঁলোকে যে কিমান কথা জানে তাকো শ্ৰোতাক জনালে। কিছুমান মিটিং শুনা মানুহেই আছে। তেওঁলোকে যিকোনো বিষয়ৰ মিটিং শুনি ভাল পায় আৰু মিটিংলৈ নিমন্ত্ৰণ কৰিলে নোযোৱাকৈ নেথাকে। সেইখিনি মানুহে মিটিংখন ভাল হ'ল নে বেয়া হ'ল ক'ব পাৰে। মিটিং শুনি ওলাই আহি তেখেত সকলে কোৱাও শুনো – 'আজিৰ মিটিংখন বেছ ভাল হ'ল দেই।' কিন্তু তেওঁলোকক যদি আপুনি ভাল দৰে সোধে –মিটিংখন কিয় ভাল পালে; – কোন বক্তাই কি কথাত জোৰ দিলে ইত্যাদি ইত্যাদি – ক'ব নোৱাৰে। আচল কথাটো কি জানে? আমাৰ মানুহৰ মিটিং কৰা, মিটিং শুনা আৰু ভাষণ দিয়া অভ্যাসত পৰিণত হৈছে। এডিকচন বুজিছে।' 'মই কিন্তু কি কৰো জানে? –যেতিয়াই দুটা ফুলদানি থকা টেবুলত চাৰিটামান ঢাকি থোৱা পানীৰ গিলাচ দেখো – তেতিয়াই হলটোৰ ঐকেবাৰে পাছত বহো। যাতে আমনি লাগিলে টুপ কৈ মাজতে উঠি আহিব পাৰো।' 'তাৰমানে আপুনি মিটিং শুনি বেছ বেয়া পাই।' 'কথাটো আপুনি ভুল বুজিছে, ভাল বক্তা, মানে Point অতি যুক্তিৰে কথা কোৱা মানুহৰ ভাষণ দুঘন্টাও শুনিব পাৰি – কিন্তু এখন মিটিঙতটো এজন বক্তাই নকয় তিনি চাৰিজন। ভাববাদী বক্তাও থাকে। মুঠতে কি জানে মিটিংবোৰৰ ভাষণৰ কথাই কামে একো নিমিলে। ভাষণবোৰ ভাষণেই হৈ থাকে। মিটিং পাতোতা সকলে নিয়ম অনুসৰি চেমিনাৰ, মিটিং পাতিব লাগে পাতে, কাম কৰাৰ খতিয়ান দেখুৱাবলৈ। সেইবোৰ ডাঙৰ ডাঙৰ কথা কাগজে কলমে ফাইলত সোমায় থাকে। খেলা খতম। আমাৰ মিটিং মানে কি জানে – গালো বালো খোলা গুটিৰ তাল। হাতে কামে কৰা আৰু মুখৰ কথা দুটা বেলেগ বস্তু বুজিছে। কোনে কাৰ কাৰণে ভাবে। ইচ্ ইচ্ কথাৰ মহলা মাৰোতে মিটিং শেষেই হ'ল। মানুহবোৰ ওলাইছেই হামিয়াই হেকুতিয়াই – বলক বলক আমাকো দেখিব লাগে নহয় মিটিঙত আছো বুলি। **সূ**

সাক্ষাৎকাৰ

# মুক্তিযোদ্ধা শ্ৰীউমা ৰাজকোঁৱৰ

আলফাৰ চেয়াৰমেনৰ পিতৃ তথা বিশিষ্ট মুক্তিযোদ্ধা শ্ৰদ্ধেয় উমা ৰাজকোঁৱৰক লগ পাবলৈ আমি কিছুদিনৰ আগতে লাকুৱা তেল নগৰীৰ মাজমজিয়াত, লাকুৱা ৰেলষ্টেচনৰ তেনেই কাষত থকা তেওঁৰ ঘৰলৈ গৈছিলো। আমাৰ সৌভাগ্য যে সেইদিনা শ্ৰীৰাজকোঁৱৰ আৰু তেওঁৰ পত্নী, ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সৈনিক শ্ৰীমতী দময়ন্তী ৰাজকোঁৱৰ দুয়োজনেই ঘৰতে আছিল।

অসমত ৰাষ্ট্ৰপতি শাসন চলি থকা কালছোৱাৰ আগভাগত তেওঁৰ পুত্ৰ অৰবিন্দ ৰাজখোৱাক বিচাৰি গৈ সামৰিক বাহিনীয়ে তেওঁক ডিঙিত ধৰি কটুবাক্য শুনোৱাৰ লগতে ঘৰৰ বয়-বস্তু লণ্ড-ভণ্ড কৰিছিল বুলি জানিব পৰা গ'ল। যোৱা বছৰৰ ১৬ ডিচেম্বৰৰ নিশা লাকুৱাৰ দিহিঙগীয়া কোঁৱৰ গাঁৱৰ খৰ্গেশ্বৰ ৰাজকোঁৱৰ নামৰ এজন যুৱকক তেওঁলোকৰ ঘৰতে আধাজ্ঞান মাৰি সামৰিক বাহিনীয়ে লৈ গৈছিল। আৰু পিছ দিনা বকতাৰ পাটসাঁকোত এই যুৱকজনৰ মৃতদেহটো পৰিত্যক্ত অৱস্থাত পোৱা গৈছিল।

শ্ৰীৰাজকোঁৱৰৰ সৈতে আমি ভালেখিনি বিষয়ৰ ওপৰত আলোচনা কৰিছিলো। প্ৰসংগক্ৰমে তেওঁ আমাক কৈছিল– দেশমাতৃৰ আহ্বানত বগা বঙালৰ বিৰুদ্ধে যুঁজিবলৈ গৈ এটা সময়ত দিনে নিশাই ঘৰৰ পৰা বাহিৰত কটাইছিলো। ১৯৪১ চনত আৰু ১৯৪২-৪৩ চনৰ ভিতৰত নমাহৰো অধিক সময় জেলত পচিব লগা হৈছিল। এদিন বগা বঙালক খেদি স্বৰাজ আনিলো, কিন্তু আজিও অসমে কেন্দ্ৰৰ পৰা অৰ্থনৈতিক স্বাধীনতা পোৱা নাই। কেন্দ্ৰই স্বাধীনতাৰ পিছৰে পৰা বছৰ বছৰ ধৰি অসমক অৰ্থনৈতিক দিশত শোষণ কৰি আহিছে। মোৰ ল'ৰাই ভাৰত চৰকাৰৰ এই ঔপনিবেশিকতাবাদী শোষণৰ বিৰুদ্ধে থিয় দিছে। অৱশ্যে মই কাহানিও মোৰ পুত্ৰ ৰাজীৱক সেই পথ লবলৈ কোৱা নাছিলো। সি নিজেই তাৰ পথ বাছি লৈছে। যোৱা ১৯৮৩ চনৰে পৰা সি ঘৰৰ বাহিৰত আছে, বিশেষকৈ ৮৫-ৰ পৰা সি ঘৰলৈ আহিবলৈ এৰাৰ দৰে হ'ল। সম্প্ৰতি সি ক'ত আছে, মই ভালকৈ নাজানো। মই অহিংসাৰ পথত বিশ্বাসী মানুহ। কিন্তু বৰ্তমান যুগত হিংসাত্মক পথৰ যদি কিবা প্ৰাসংগিকতা আছে, সেইটো মই নাজানো। তেওঁৰ পত্নী শ্ৰীমতী দময়ন্তী আইতাই আমাক হাঁহি হাঁহি কৈছিল যে তেওঁৰ পুত্ৰই ৰাইজৰ বাবে ঘৰৰ বাহিৰত আছে বুলি তেওঁৰ বিশ্বাস আছে।

প্ৰণিধানযোগ্য যে যোৱা নিৰ্বাচনৰ সময়ত তাম্ৰপত্ৰ পোৱা এই বিশিষ্ট মুক্তিযোদ্ধা গৰাকীয়ে এগৰাকী নিৰ্দলীয় প্ৰাৰ্থী শ্ৰীসিদ্ধেশ্বৰ ৰাজকোঁৱৰক সমৰ্থন কৰিছিল। বোধকৰো তেওঁ ভোটাধিকাৰো সাব্যস্ত কৰিছিল। শেষত এই দুয়ো গৰাকী মুক্তিযোদ্ধালৈ আমাৰ প্ৰণিপাত জনাইছো।

তুলতুল বৰুৱা

*পাটসাকো*







# 'আবুৰ'ঃ অন্যমত

তোষপ্ৰভা কলিতা

যোৱা ১-১৫ জুলাই সংখ্যা 'সূত্ৰধাৰ'ত প্ৰকাশিত শ্ৰদ্ধেয়া উষা চৌধুৰীৰ 'আবুৰ' প্ৰবন্ধটো পঢ়ি মোৰ মায়ে অতি আনন্দ পাইছে। এতিয়াও যি নগাওঁ চহৰৰ বোৱাৰীয়ে ৰিহা আৰু ওৰণি ব্যৱহাৰ কৰি ভাদমহীয়া গেলা গৰমত শাহুৱেকহঁতৰ কাষত বহি নামঘৰত নাম প্ৰসংগ কৰিবলগীয়া হয়, সেই নগাওঁৰে জীয়াৰী মোৰ মা। গতিকে উষা বাইদেউৰ বক্তব্য মোৰ মাৰ বাবে মনঃপূত নহৈ নোৱাৰে। আনহাতে কিছু বয়সীয়া হোৱাৰ পিছতেই বোৱাৰী সকলে একমাত্ৰ বস্ত্ৰ শুদা মেখেলাখনকে পিন্ধি (মামনি ৰয়ছম গোস্বামীয়ে উল্লেখ কৰা সেই 'গাতালা' খন 'কাঁথি'তে ৰছিত ওলমি থাকে) ওৰে দিনটো ঘৰুৱা ভাবে কাম-বন কৰি থকা নামনি অসমৰ গাওঁ এখনত হলে উষা বাইদেউৰ কথাবোৰ অবান্তৰ যেন লাগিব। অসমৰ বিভিন্ন জনজাতি জনগোষ্ঠীয়েও (যাৰ সুকীয়া সাজপাৰ আছে বুলি পাহৰি থাকিবলৈকে আমি সাধাৰণতে ভাল পাওঁ) ৰিহা আৰু ওৰণিৰ প্ৰতি এই পক্ষপাতিতাক সমান উৎসাহেৰে আদৰি নল'ব যেন লাগে। আনহাতে ন-অসমীয়া মিঞা সকলৰ দ্বাৰা অধ্যুষিত কোনো অঞ্চলত কেতিয়াবা গৰমৰ দিনত লাইন বাছেৰে যাব লগাৰ দুৰ্ভাগ্য ঘটিলে বোৰ্খা আবৃতা কমবয়সীয়া ছোৱালীহঁতক কাণে-মূৰে ল'ৰা-ছোৱালীসহ যমৰ যন্ত্ৰণা ভোগ কৰি যোৱা দেখিলে উষা বাইদেৱে 'আবুৰ'ৰ এই অতিচাৰৰ বিষয়ে এবাৰ নকৈ নাভাবি নোৱাৰিব। শাড়ী আদি এসোপা পিন্ধনৰ কাপোৰৰ উপৰিও চিন্হেটিক কাপোৰৰ ক'লা বোখহি এই মহিলা সকলৰ যে কি এটা দুৰ্গতিৰ সৃষ্টি কৰে প্ৰচণ্ড ঠেলা-হেঁচাৰ বাছ ভ্ৰমণৰ দুৰ্ভাগ্যৰ মাজতো এনে সময়ত নিজৰ তুলনামূলক ভাবে সুখকৰ অৱস্থিতিয়ে আন মহিলাৰ মনটো কিছু গৰ্বিত কৰি তোলে।

আচলতে মই উষা বাইদেউক ক'ব খুজিছো আবুৰে তাৰ লগতে আনুষংগিক ভাবে আনি দিয়া অশিক্ষা, চেতনাহীনতা, পৰনিৰ্ভৰশীলতাই মোৰ মাৰ দৰে বিধৱা নাৰী সকলক কেনেকৈ প্ৰৱঞ্চনা কৰিলে তাৰেই কাহিনী। অতিশয় আঢ্যৱন্ত, ধাৰ্মিক, গুণী-জ্ঞানী দ্বিপত্নীক দেউতাকে সেৱা-ধৰ্ম আৰু আবুৰৰ শিক্ষাৰে সু(?) শিক্ষিতা কৰি মোৰ মাক পোন্ধৰ বছৰ বয়সতে বিয়া দি উলিয়াই দিয়াৰ বাহিৰে আৰু বিধৱা হোৱাৰ পিছত 'স্বামীৰ ভেটিত দাসী হৈ জীৱন কটাবলৈ' উপদেশ দিয়াৰ বাহিৰে আন একো দায়িত্ব নল'লে। অথচ সেই সময় আছিল 'স্বৰ্ণলতা'হঁতৰ যুগ, মাৰ নিজৰে এগৰাকী জেঠায়েকৰ জীয়েক বিধৱা হোৱাৰ পিছত দ্বিতীয়বাৰ বিয়া দিয়া হৈছিল আৰু তাৰ ফলতেই অসমীয়া সাহিত্য-সংস্কৃতি, চিন্তা-চৰ্চাৰ জগতত এগৰাকী আগশাৰীৰ ব্যক্তি হিচাপে পৰিগণিত শিৱনাথ বৰ্মণৰ জন্ম। শ্ৰদ্ধেয়া চন্দ্ৰপ্ৰভা শইকীয়ানীৰ 'আম্মামেটাৰ' নগাওঁ মিশ্যন স্কুলৰ কৃপাত আমাৰ পুৰণি গুদাম অঞ্চলতে সেই তাহানি কালতে এম ভি পাছ শিক্ষয়িত্ৰীৰ প্ৰাচুৰ্য ঘটিছিল। মোৰ মাও এম ভি পাছেই আছিল (উল্লেখ্য যে মাৰ মাও জীয়াৰী কালতে বেবেজিয়া অঞ্চলত শিক্ষয়িত্ৰীৰ চাকৰি কৰিছিল)। এম ভি পাছ কন্যাৰ স্বাৱলম্বিতাৰ বা অধিক শিক্ষা-দীক্ষাৰ চিন্তা নকৰি নিজে ৰবীন্দ্ৰনাথৰ 'নিষ্কৃতি'ৰ **পিতৃজন হৈ জীৱন কটোৱাৰ ফলতেই** ককাদেউতাৰ সেই কন্যাৰ স্বঅধিকাৰৰ মাটি-বাৰী সোণ-বান স্থাৱৰ-অস্থাৱৰ সম্পত্তি শহুৰকূলৰ কূটিল কৌটিল্যহঁতৰ ৰাহুগ্ৰাসত আজিও আৱদ্ধ। আইনে সেই সৰ্বশক্তিমান সকলৰ গাৰ নোমেই লৰাব নোৱাৰে। ওঠৰ বছৰ বয়সত বিধৱা হোৱাৰ পিছৰ পৰা গোঁসানীহেন (ৰিহাই-ওৰণিয়ে আঢ্যৱন্ত) চেহেৰাৰ, অটুট স্বাস্থ্যৰ মোৰ মাই সুদীৰ্ঘ একুৰি পোন্ধৰ বছৰ জোৰা অনলস সেৱাবৃত্তি তথা উদয়াস্ত পৰিশ্ৰমৰ দাসীবৃত্তিৰ অন্তত পাইছে যোৱা দহ বছৰৰো ওপৰ কাল ধৰি এক মুমূৰ্ষু, ৰোগজীৰ্ণ, উপেক্ষিত, অৱহেলিত বঞ্চিত জীৱন। অথচ, এতিয়াও আবুৰৰ সপক্ষে ক'ৰবাত অলপ ওকালতি দেখা পালে এই প্ৰবঞ্চিতা নাৰীৰ মুমূৰ্ষু মনটোৱে যেন জীপ লৈ উঠে।

উষা বাইদেউহঁত সুশিক্ষিতা, সন্মানিতা, সুৰক্ষিতা, হৃদয়বান স্বামীৰ সান্নিধ্যৰে ধন্য, সমাজৰ একোগৰাকী লেখৰ মহিলা। আনহাতে সমাজত নাৰী জাতিৰ অজস্ৰ মানৱীয় সমস্যা আছে – অক্টোপাচৰ দৰে নিষ্ঠুৰ পীড়নেৰে এনে অজস্ৰ সমস্যাই মাহঁতৰ দৰে স্বামীকুল-পিতৃকুলৰ দ্বাৰা প্ৰৱঞ্চিতা, চিৰ-অনাদৃতা হিন্দু বিধৱা সকলৰ জীৱন দুঃসহ কৰি ৰাখিছে। ডঃ জেউতি বৰুৱাহঁতে এই হিন্দু বিধৱাসকলক ন্যায্য প্ৰাপ্তিৰ কিছু অংশকে হলেও দিবলৈ পথৰ সন্ধান দিবলৈ চেষ্টা কৰি আহিছে। উষা বাইদেউহঁত যদি অন্ততঃ এওঁলোকৰে সমব্যথী হ'লহেঁতেন। নাজমা হেপাতুল্লা-হঁতৰ কথা আমাক কেলৈ লাগিছে? মুছলমান ভনী সকলক কিছু আইনী সুৰক্ষা প্ৰদান কৰিবলৈ শাহবানু গোচৰৰ সময়তে ৰাজীৱ গান্ধী আগবাঢ়ি আহিছিল – পিছত ভোটৰ ৰাজনীতিয়ে ৰাজীৱ গান্ধীক দ্বিধাগ্ৰস্ত কৰিছিল – ঠিক সেইখিনি সময়ত নাজমা হেপাতুল্লাই কি কৰিব পাৰিলেহেঁতেন আৰু কৰিলে কি? সুশিক্ষিতা, সুৰক্ষিতা, সন্মানিতা জননেত্ৰী নাজমা হেপাতুল্লাৰ গাদীৰ মোহ আৰু ৰাজনীতিৰ চালৰ ফলত মুছলমান ভনী সকল আকৌ অনন্তকাললৈ মৌলবাদী সকলৰ হাতত জব্দ হৈ ৰ'ল।

বাবা আৰু গুৰু সকলৰ কথানো কি ক'ম? ৰূপকানোৱাৰ সতী যোৱা সময়ৰ পৰা আজিলৈকো মাজে সময়ে একো একোটা উপলক্ষ্যত এওঁলোকৰ কেই-জনমানৰ মুখাৰ আঁৰৰ বীভৎস মুখবোৰ ওলাই পৰিছে। নিজেও মধ্যযুগত বাস কৰি নাৰী সকলকো মধ্যযুগলৈ ওভোতাই

পঠাবলৈ সততে সচেষ্ট এই বাবা সকলে যে নাৰীৰ প্ৰগতিৰ সলনি দুৰ্গতিহে বিচাৰে এই কথা সকলোৱেই জানিও নজনাৰ ভাও জুৰি থাকে।

পোছাক-পৰিচ্ছদ-ফোঁট-চুলি আদিৰ ক্ষেত্ৰত মই অভ্যাসবশতঃ মোৰ বৈৰাগী বংশৰ অনুশাসন মানি আহিছো, সেই বুলি মই কেতিয়াও নকওঁ যে মোৰটোহে শুদ্ধ – আনৰ মতটো ভুল। কেইগৰাকীমান আধুনিকা অসমীয়া লেখিকাৰ চিন্তা-ভাবনাক মই অতিশয় শ্ৰদ্ধা কৰো। তাৰে এগৰাকীয়ে যদি (ধৰি লওক – বন্দিতা ফুকন) চুলি চুটিকৈ কাটে, শাৰীৰ বাহিৰে আন পোছাক পিন্ধে, আজিকালিৰ আন আন কোনো বিবাহিতা মহিলাৰ দৰেই ফোঁট ব্যৱহাৰ নকৰে, তেন্তে মই সেয়া নিন্দনীয় কথা বুলি নাভাবো – বৰং অতি প্ৰয়োজনীয় সাহসী কাম এটা কৰা বুলি অভিনন্দন যোগ্য বুলিহে ভাবিম। অৱশ্যে প্ৰথম আৰু প্ৰধান কথা – এগৰাকী নাৰী ভাব-চিন্তাৰ ফালৰ পৰা আধুনিকা হ'ব লাগিব। অকল সাজ-পোছাকেৰে আধুনিকা হলেই নহ'ব।

অসমীয়া নাৰীৰ আবুৰৰ ঐতিহ্যটোনো কিমান পুৰণি? কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্বকালত অসমলৈ আহোঁতে চীন পৰিব্ৰাজক হিউ-য়েন-চাঙে অসমীয়া নাৰীক ভাৰতৰ আন অঞ্চলৰ নাৰীৰ দৰে মূৰ আৰু মুখ ঢাকিবলৈ আবুৰৰ ব্যৱহাৰ কৰা দেখা নাছিল বুলি আৰু অসমৰ নাৰী সামাজিক ভাবে মুক্ত আছিল বুলি উল্লেখ কৰি গৈছে।

'আবুৰে সামাজিক মৰ্যাদা দান কৰে', এই কথা কিমান সঁচা? সমগ্ৰ ভাৰতৰ ভিতৰতে দক্ষিণ ভাৰততে পুৰুষে নাৰীক অধিক সামাজিক মৰ্যাদাৰে ব্যৱহাৰ কৰে – অথচ দক্ষিণ ভাৰতীয় হিন্দু নাৰীয়ে ওৰণি ব্যৱহাৰ নকৰে। আনহাতে উত্তৰ ভাৰতত আবুৰ তথা ওৰণিৰ প্ৰকোপ অতি বেছি, অথচ এই অঞ্চলতে পুৰুষৰ হাতত নাৰীৰ মৰ্যাদা লাঞ্ছিত হয় আটাইতকৈ বেছিকৈ।

উষা বাইদেৱে জম্মু-কাশ্মীৰৰ কণ-কণ ছোৱালীহঁতৰ দুৰ্ভাগ্যৰ বাতৰি পাইছে নিশ্চয়। আহিব খোজা 'আজাদ' জীৱনৰ আহ্বানে প্ৰতিজনী দহ-বছৰৰ ওপৰৰ ছোৱালীৰ – ভাবকচোন কি-মা-ন যে সৰু ছোৱালীৰ – প্ৰতি তেজৰ আখৰৰ প'ষ্টাৰ হৈ জনাইছে 'অমুক তাৰিখৰ ভিতৰত বোৰ্খা পিন্ধিবলৈ ল, তাৰ পিছত উদং মূৰেৰে ৰাস্তাত মুখ দেখুৱালে মুখত এছিড ঢালি দিয়া হ'ব।' আজিকালি য'তে ত'তে উগ্ৰপন্থীৰ ভাবুকিৰ ৰাজত্ব। সকলো মানুহ পিছৰ যুগলৈ উভতি যাবলৈ ইচ্ছুক দেখোন। জীৱন উছৰ্গি আন মানুহৰ সেৱা কৰি বিনিময়ত লোভ, লালসা, অকৃতজ্ঞতা, হৃদয়হীনতা, অমানৱীয়তাৰ বাহিৰে আন একোকে নোপোৱা চিৰ-প্ৰবঞ্চিতা নিঃসংগ নাৰী সকলৰ হৈ একেষাৰ মাতোতা নাই, অথচ সকলো কাগজ আলোচনী কেৱল অসমীয়া নাৰীৰ সাজ-পোছাকৰ ওপৰত সোচ্চাৰ, বেছিভাগ লেখক ওৰণি নোহোৱা উদং মূৰৰ ওপৰত খড়্গহস্ত। আজিকালি ভিন ভিন উগ্ৰপন্থী সংগঠনে, (বিভিন্ন জনগোষ্ঠীয়েও নাম, উপাধি; পোছাক পৰিচ্ছদ আদিৰ ক্ষেত্ৰত) যি হে ওলটপালট চিন্তা আৰম্ভ কৰিছে কাৰোবাৰ ক'ৰবাত কিবা মন গলে দিব ফতোৱা জাৰী কৰি (অসম আন্দোলনৰ মেখেলা-চাদৰ পৰ্ব স্মৰ্তব্য। শ্ৰদ্ধেয়া ৰেণুকা দেৱী বৰকটকীৰ স্বনামধন্যা কন্যা মীণাক্ষীয়ে সেই সময়ত কটন কলেজত ছাত্ৰ সন্থাৰ এনে ফটোৱাৰ বিৰুদ্ধে গোৰগোৰাই উঠিছিলঃ বোলে মেখেলা-চাদৰ পিন্ধি মই কেনেকৈ ম'পেড চলাই কলেজলৈ আহিম?) যে আজিৰ পৰা প্ৰতিজনী অসমীয়া মহিলাই 'ৰাজমাও দেউতা'ৰ দৰে পোছাক পিন্ধিহে ঘৰৰ বাহিৰ ওলাব পাৰিব।

তেতিয়া বৰদৈয়া জাপি সাজি দিব কোনে? সিংখাপ-মেজাংকৰীয়েইবা ওলাব ক'ৰ পৰা? ■


# সুন্দৰ, সুনিপুণ, প্ৰাণ চঞ্চল স্বাস্থ্য?

যৌন শক্তি আৰু যৌন নৈপুণ্যৰ ওপৰতেই শাৰীৰিক স্বাস্থ্য, সুখ আৰু সমৃদ্ধি সম্পূৰ্ণ নিৰ্ভৰশীল। সন্তানহীনতাকে ধৰি সকলো ধৰণৰ যৌন সমস্যা আৰু সোঁচৰা ৰোগৰ সৰ্বাধুনিক অতি সফল ব্যয়সাধ্য স্থায়ী আৰু দ্ৰুত নিৰাময়ৰ ১০০% হাৰৰ গহীন অংগীকাৰ আমি আগবঢ়াওঁ।

ব্যক্তিগত বা ডাকযোগে যোগাযোগ কৰক।

সপ্তাহৰ আটাইবোৰ দিনতেই পৰামৰ্শ দান কৰা হয়।

সময় পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ।

উত্তৰ পূৰ্ব ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

**জেউতি ছেকস কিলনিক**
এফ, এ, পথ; কুমাৰ পাৰা
গুৱাহাটী-৭৮১০০৯
ৰেলগেট নং - ৬

**ডাঃ এ, নেছাৰ**
এম, বি, বি, এছ, এম ডি (গেট)
এম, আই, এছ, চি, এম, এন,
এছ, চি (যৌন) এম, জি, পি, এ (বম্বে)


OKDISCD